

# কীৰ্ত্তিনাথ হাজৰিকাৰ

## নিৰ্বাচিত সম্পাদকীয়



কীৰ্ত্তিনাথ হাজৰিকা

# নিৰ্বাচিত সম্পাদকীয়

*কীৰ্তিনাথ হাজৰিকা*

**চন্দ্ৰ প্ৰকাশ**
**টিহু**

প্ৰকাশক
**শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা**
চন্দ্ৰ প্ৰকাশ, টিহু

বেটুপাত ঃ ত্ৰৈলোক্য দত্ত

মূল্য ঃ ৩০.০০

মুদ্ৰক ঃ
এম, এম, প্ৰিণ্টাৰ্চ
এ, কে, আজাদ ৰোড
ৰিহাবাৰী
গুৱাহাটী-৭৮১০০৮

# *নিৰ্বাচিত সম্পাদকীয়*

ঐতিহাসিক অসম আন্দোলনত (১৯৭৯-৮৫) ‘দৈনিক অসম’ কাকতৰ ভূমিকা সম্পৰ্কে অসমবাসীয়ে নজনা নহয়। সেই সময়ৰ বা-বাতৰিৰ উপৰিও প্ৰায় প্ৰতিটো সম্পাদকীয় এই আন্দোলনক লৈ লেখা হৈছিল। এই সংকলনত অসম চুক্তি হোৱালৈকে মাত্ৰ এশটা সম্পাদকীয় সন্নিবিষ্ট কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু অসম আন্দোলনৰ নেতৃবৰ্গই চুক্তিখনত স্বাক্ষৰ কৰাৰ পিচত আন্দোলনৰ সমাপ্তি ঘটে। সেয়ে এই সংকলনটিত চুক্তিখনক লৈ আৰু নতুন দল আৰু চৰকাৰক উদ্দেশ্য কৰি লেখা সম্পাদকীয়ক প্ৰথম স্থান দিয়া হৈছে। আন্দোলনৰ লগত জড়িত বিষয়— ভোটাৰ তালিকা নিৰ্বাচন, পিয়ল আদি বিষয়ক দ্বিতীয় ভাগত স্থান দিয়া হৈছে। তৃতীয় পৰ্যায়ত আন্দোলনৰ কালছোৱাৰ ৩৭ টা সম্পাদকীয় অন্তৰ্ভূক্ত কৰা হৈছে। **অসম আৰু অসমৰ নানা সমস্যাক** লৈ লেখা কেইটিমান সম্পাদকীয়ক চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ ভাগত স্থান দিয়া হৈছে। বিবিধ শিতানত দেশৰ স্বাৰ্থৰ লগত জড়িত আন কেইটিমান বিষয়ৰ ওপৰত লেখা সম্পাদকীয় অন্তৰ্ভূক্ত কৰা হৈছে।

সম্পাদকীয়খিনিৰ বাছনিৰ বেলিকা আৰু এইবোৰ ভাগে ভাগে সজোৱাৰ ক্ষেত্ৰত শ্ৰীউপেন্দ্ৰনাথ বৰকটকীৰ পৰা বিশেষ সাহায্য পোৱা হৈছিল। তাৰ বাবে শ্ৰীবৰকটকীলৈ কৃতজ্ঞতা জনালো। এই সম্পাদকীয়খিনি প্ৰকাশ কৰাৰ বাবে অনুমতি দিয়াৰ বাবে দৈনিক অসমৰ পৰিচালক সঞ্চালক শ্ৰীপ্ৰফুল্ল গোবিন্দ বৰুৱালৈকে কৃতজ্ঞতা আগবঢ়ালো। এইখিনিকে কিতাপৰ আকাৰত প্ৰকাশ কৰিবলৈ টিহুৰ চন্দ্ৰ প্ৰকাশ আগবাঢ়ি অহাৰ বাবেও এই প্ৰতিষ্ঠানৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলো।

ৰাইজৰ ওচৰত শ্ৰদ্ধাৰে কিতাপখন নিবেদন কৰিলো।

**—কীৰ্ত্তিনাথ হাজৰিকা**

# সূচীপত্ৰ

## প্ৰথম ভাগ


| বিষয় | পৃষ্ঠা |
|---|---|
| (ক) | |
| ১। সমাধানৰ পদক্ষেপ | ১ |
| ২। সময়ৰ আহ্বান | ৪ |
| ৩। চুক্তিৰ পিচত | ৬ |
| ৪। চুক্তি কাৰ্যকৰী নকৰাৰ অভিযোগ | ৮ |
| ৫। অসম চুক্তি সম্পৰ্কে প্ৰধানমন্ত্ৰী | ১০ |
| ৬। অসম চুক্তি আৰু কেন্দ্ৰীয় চৰকাৰ | ১২ |
| (খ) | |
| ৭। জাতীয় অভিবৰ্ত্তন | ১৫ |
| ৮। জাতীয় জীৱনৰ কাৰ্যসূচীৰ বিষয়ে | ১৭ |
| (গ) | |
| ৯। নতুন ৰাজনৈতিক দল | ১৯ |
| ১০। স্থানীয় দলৰ প্ৰয়োজনীয়তা | ২২ |
| ১১। প্ৰাৰ্থী, ভোটদাতা আৰু চৰকাৰলৈ | ২৪ |
| ১২। যোগ্য প্ৰত্যুত্তৰ | ২৭ |
| ১৩। অসম গণ পৰিষদৰ সফলতা | ২৮ |
| ১৪। অসম গণ পৰিষদ চৰকাৰ সম্পৰ্কে | ৩০ |
| ১৫। নতুন চৰকাৰলৈ ওলগ | ৩২ |
| ১৬। চৰকাৰৰ কৰ্ত্তব্য | ৩৪ |
| **দ্বিতীয় ভাগ** | |
| (ক) | |
| ১৭। ভোটাৰ তালিকাৰ সংশোধন | ৩৯ |
| ১৮। অসমৰ অনিশ্চিত ভৱিষ্যত | ৪০ |
| ১৯। ভোটাৰ তালিকা | ৪৩ |
| ২০। ভোটাৰ তালিকা | ৪৫ |
| ২১। অসমৰ ভোটাৰ তালিকা | ৪৭ |
| ২২। ভোটাৰ তালিকা নে মায়ঙৰ যাদু | ৪৯ |
| ২৩। ভোটাৰ তালিকা | ৫২ |
| ২৪। গুৰুত্বপূৰ্ণ সন্ধিক্ষণ | ৫৪ |
| ২৫। ভোটাৰ তালিকা ঃ নিৰ্বাচন | ৫৬ |
| ২৬। ভোটাৰ তালিকাৰ শুধৰণি | ৫৮ |
| (খ) | |
| ২৭। নিৰ্বাচন সম্পৰ্কে প্ৰধানমন্ত্ৰী | ৬১ |
| ২৮। অশুভ ইংগিত | ৬৩ |
| ২৯। অসমৰ ৰাইজ, প্ৰত্যুত্তৰ লাগে | ৬৪ |
| ৩০। নিৰ্বাচনৰ প্ৰস্তুতি | ৬৭ |
| (গ) | |
| ৩১। কাঁইটীয়া তাঁৰৰ আঁৰৰ কথা | ৬৯ |
| ৩২। কাঁইটীয়া সমস্যা | ৭১ |
| (ঘ) | |
| ৩৩। ন্যায় পালিকা | ৭৪ |
| ৩৪। ন্যায়াধিকৰণৰ ব্যৱস্থা | ৭৫ |
| **তৃতীয় ভাগ** | |
| ৩৫। কেন্দ্ৰৰ উপেক্ষাৰ নিদৰ্শন | ৮১ |
| ৩৬। দিল্লীৰ সন্মিলন | ৮৩ |
| ৩৭। দম্ভালিৰ নিদৰ্শন | ৮৫ |
| ৩৮। অসমৰ প্ৰতি চৰম অবিচাৰ | ৮৭ |
| ৩৯। বৰ্বৰতাৰ বিৰুদ্ধে প্ৰত্যাহ্বান | ৮৯ |
| ৪০। আন্দোলনৰ খতিয়ান | ৯২ |
| ৪১। অত্যাচাৰ বন্ধ কৰক | ৯৪ |
| ৪২। দিল্লীৰ বৈঠক | ৯৬ |
| ৪৩। আন্তৰিকতাৰ চিনাকি | ৯৯ |
| ৪৪। সুমেৰু-কুমেৰু | ১০১ |
| ৪৫। শুভ আৰম্ভণি | ১০৩ |
| ৪৬। প্ৰধানমন্ত্ৰীলৈ আহ্বান | ১০৬ |
| ৪৭। দেশবাসীলৈ আবেদন | ১০৭ |
| ৪৮। অপচেষ্টা কিমান চলিব | ১০৯ |

| বিষয় | পৃষ্ঠা |
|---|---|
| ৪৯। অসহযোগ স্থগিত | ১১১ |
| ৫০। কিয় এই আত্মঘাতী ব্যৱস্থা | ১১৩ |
| ৫১। এয়া গণতন্ত্ৰৰ মহিমা | ১১৫ |
| ৫২। আন্দোলন বনাম চৰকাৰ | ১১৭ |
| ৫৩। আকৌ আলোচনা | ১১৯ |
| ৫৪। অসমৰ প্ৰশাসন | ১২১ |
| ৫৫। দেশবাসীৰ প্ৰতি আহ্বান | ১২৩ |
| ৫৬। লতা কটা ৰণৰ শেষত | ১২৫ |
| ৫৭। অসমত গণতন্ত্ৰৰ বলিশাল | ১২৭ |
| ৫৮। অবাধ প্ৰবজন আৰু কেন্দ্ৰ | ১৩০ |
| ৫৯। বেনামী জৰুৰী অবস্থা | ১৩২ |
| ৬০। আইনৰ শাসন | ১৩৪ |
| ৬১। ন্যস্ত স্বাৰ্থৰ অসম-বিৰোধী চক্ৰান্ত | ১৩৬ |
| ৬২। নিৰ্বিচাৰ অত্যাচাৰ | ১৩৮ |
| ৬৩। সমস্যা গুৰুতৰ নহয় | ১৪১ |
| ৬৪। দেশত কি হৈছে | ১৪৩ |
| ৬৫। কটা ঘাঁত চেঙা তেল | ১৪৫ |
| ৬৬। আলোচনা আৰু অন্তৰায় | ১৪৮ |
| ৬৭। অচিনাকি লোকৰ বেদখল | ১৫০ |
| ৬৮। নিঃশেষ হোৱা নাই | ১৫২ |
| ৬৯। বিশ্বাসযোগ্যতাৰ সংকট | ১৫৪ |
| ৭০। অসম সম্পৰ্কে প্ৰধানমন্ত্ৰী | ১৫৬ |
| ৭১। বিকৃত ব্যাখ্যা | ১৫৮ |
| **চতুৰ্থ ভাগ** | |
| ৭২। অসমৰ প্ৰতি চৰম অবিচাৰ | ১৬৩ |
| ৭৩। অসমত 'গেছ'ৰ অপচয় | ১৬৫ |
| ৭৪। চৰকাৰী প্ৰকাশনৰ স্বৰূপ | ১৬৭ |
| ৭৫। অইল ইণ্ডিয়া লিঃৰ কাৰ্য-কলাপ | ১৬৯ |
| ৭৬। বান-নিয়ন্ত্ৰণ | ১৭১ |

| বিষয় | পৃষ্ঠা |
|---|---|
| ৭৭। বেদখল আৰু ৰাজনৈতিক ভ্ৰষ্টাচাৰ | ১৭৪ |
| ৭৮। যথেচ্ছাৰৰ আৰু এটা উদাহৰণ | ১৭৬ |
| ৭৯। চোৰাং কাৰবাৰীৰ ওচৰত আত্মসমৰ্পণ | ১৭৮ |
| ৮০। মৃত্যুঞ্জয় প্ৰসংগত | ১৮০ |
| ৮১। অসমতো আৰম্ভ হৈছে | ১৮২ |
| ৮২। ব্ৰডগজ ৰেলপথ | ১৮৫ |
| ৮৩। খৰাং বতৰ ঃ মানুহৰ সৃষ্টি | ১৮৬ |
| ৮৪। এখন মহানগৰীৰ কথা | ১৮৮ |
| ৮৫। দুৰ্যোগৰ মুহূৰ্তত | ১৯০ |
| **পঞ্চম ভাগ** | |
| ৮৬। ৰাজনৈতিক 'উদ্যম'ৰ অন্য ৰূপ | ১৯৫ |
| ৮৭। সংসদত মাধ্যম প্ৰসংগ | ১৯৬ |
| ৮৮। দুটা গুৰুত্বপূৰ্ণ ঘটনা | ১৯৯ |
| ৮৯। অসমবাসীৰ নতুন সংকট | ২০১ |
| ৯০। চৰকাৰী ভাষা প্ৰসঙ্গ | ২০৪ |
| ৯১। ভাষাৰ প্ৰসঙ্গত | ২০৫ |
| **ষষ্ঠ ভাগ** | |
| ৯২। গোহাৰি— জনজাতীয় ৰাইজলৈ | ২১১ |
| ৯৩। গাত কথা নলগা চৰকাৰ | ২১৫ |
| **সপ্তম ভাগ** | |
| ৯৪। ৰাজনৈতিক দলৰ চান্দা | ২২১ |
| ৯৫। একাঁজলি তৰ্পণ | ২২৩ |
| ৯৬। দেশত কি হৈছে? | ২২৫ |
| ৯৭। কুম্ভকৰ্ণৰ টোপনি | ২২৭ |
| ৯৮। কেন্দ্ৰ-ৰাজ্য সম্বন্ধৰ সন্দৰ্ভত | ২২৯ |
| ৯৯। গাঁৱৰ সমস্যা | ২২৯ |
| ১০০।বিশেষ পিয়লৰ প্ৰস্তাৱ | ২৩৪ |

# প্রথম ভাগ

# (ক)
# *সমাধানৰ পদক্ষেপ*

অৱশেষত অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ বাবে এখন **চুক্তি সম্পন্ন** হ'ল আৰু ছবছৰীয়া আন্দোলনৰ সমাপ্তি ঘটিল। এন্ধাৰৰ পিচত পোহৰৰ মুখ দেখাৰ এই মুহূৰ্তত আমি প্ৰথম পবিত্ৰ কৰ্তব্য ৰূপে গণ্য কৰিছো— সুদীৰ্ঘ কাল ধৰি যিসকলে চৰম নিৰ্যাতন ভোগ কৰিলে যিসকলে প্ৰাণ হেৰুৱালে; যিসকলৰ অংগক্ষত হ'ল আৰু যিসকলে সা-সম্পত্তি হেৰুৱালে; সেইসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাটো। দ্বিতীয়তে যিখিনি পংকিল ৰাজনীতিৰ খেলে ৰাষ্ট্ৰীয় সমস্যা এটাক বিকৃত ৰূপ দি ইমান বছৰে অসমত দানৱীয় ৰাজত্ব চলোৱাত ইন্ধন যোগালে; তাৰ পৰ্যালোচনাৰে তিক্ত পৰিবেশ ৰচনা কৰাৰ পৰা বিৰত থাকি আমি এই মুহূৰ্তত এৰা-ধৰাৰ মনোভাৱ লৈ আন্দোলনৰ নেতৃবৰ্গ আৰু প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীৰ নেতৃত্বত কেন্দ্ৰীয় মন্ত্ৰী-বিষয়া বৰ্গই সমাধান সূত্ৰ উলিওৱা বাবে সেই সকলোলৈকে আমাৰ ওলগ জনালো।

দিল্লীত সম্পন্ন হোৱা চুক্তিখন ইতিমধ্যে সংসদত দাঙি ধৰা হৈছে। কিন্তু ৰাজনৈতিক আলোচনা যোগে হোৱা বুজাবুজিৰ দফাসমূহ ইয়াৰ অন্তৰ্ভূক্ত স্বাভাৱিকতে হোৱা নাই আৰু সেইখিনিৰ বিৱৰণ বাতৰি প্ৰতিষ্ঠান যোগে যি পোৱা গৈছে— তাৰ ভিত্তিতে আমাৰ মন্তব্য দাঙি ধৰিছো।

দিল্লীত সম্পন্ন হোৱা চুক্তি মতে ১৯৬৬ চনৰ ১ জানুৱাৰী তাৰিখকে সীমা-ৰেখা ৰূপে গণ্য কৰা হৈছে ! কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনকে খামুচি ধৰি নেথাকি এই সীমাৰেখা মানি লৈছে। এই সীমা ৰেখাৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চলৈকে অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিক সকলৰ ভোটাধিকাৰ ১০ বছৰলৈকে ৰদ কৰা হ'ব। এই ক্ষেত্ৰত উভয় পক্ষই আপোচ



কৰিছে। আনহাতে বিধান সভা আৰু লোকসভাৰ নিৰ্বাচনৰ ব্যৱস্থা কৰি বিধান সভা ভংগ কৰা আৰু মন্ত্ৰীসভা ভংগ কৰাৰ সিদ্ধান্ত লৈ তিনি মাহ মানলৈ শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত তত্বাৱধায়ক চৰকাৰ এটা ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। দৰাচলতে তত্বাৱধায়ক চৰকাৰৰ প্ৰসঙ্গটোৱেই আলোচনাক শেষ অৱস্থাত সংকটৰ স্থিতিলৈ লৈ গৈছিল। আন্দোলনৰ নেতৃবৰ্গই ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তনৰ ওপৰত শেষলৈকে জোৰ দিছিল; কিন্তু কেন্দ্ৰই শ্ৰীশইকীয়াৰ নেতৃত্বত তত্বাৱধানক চৰকাৰ ৰখাৰ পৰা খোপনি নাতৰোৱাত সেই অৱস্থাকে মানি লোৱা ল'ল। সেই কথাত লাগি মীমাংসাৰ পথ বন্ধ কৰি ৰখাটোও অদূৰদৰ্শী কথা হ'লহেঁতেন। তত্বাৱধায়ক চৰকাৰৰ দায়িত্ব-ক্ষমতা সীমাবদ্ধ; তদুপৰি এই ক্ষেত্ৰতো কেতবোৰ চৰ্ত কেন্দ্ৰই মানি লোৱা বুলি প্ৰকাশ পাইছে। তত্বাৱধায়ক চৰকাৰৰ ঠাইত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তিত হোৱা হ'লেও সম্পূৰ্ণ নিশ্চিন্ত হ'ব পৰা গ'লহেঁতেন বুলি কোৱাটো টান। শ্ৰীহিতেশ্বৰ শইকীয়াৰ নামটোৰ প্ৰতি এলাৰ্জী থকা বাবেই সেই দিশটোলৈ হয়তো বহুতে লক্ষ্য কৰা নাই। দিল্লীৰ গৃহমন্ত্ৰী দপ্তৰে আগতে ৰাষ্ট্ৰপতিৰ শাসনৰ কালত যিসকল বিষয়াক অসমলৈ বাছি বাছি পঠাইছিল সেই সকলৰ সৰহ ভাগেই অতিশয় ক্ষতিকাৰক কাৰ্যব্যৱস্থা হাতত লৈছিল— তেওঁলোকে অসমৰ যি ক্ষতি কৰি গ'ল; সেই ক্ষতি পূৰাবলৈ বহুত যুগৰ প্ৰয়োজন হ'ব। সেইদেখি ৰাষ্ট্ৰপতিৰ শাসনে সোণালী পথ ৰচনা কৰাত সহায় কৰিব বুলি ভবাৰ থল নাই। তত্বাৱধায়ক চৰকাৰৰ কাৰ্যৰ বিৰুদ্ধে আমাৰ ৰাইজৰ সচেতনতাই হ'ব আমাৰ ৰক্ষাকবচ। ৰাইজৰ সচেতনতাৰ চোকেই ১৯৮৩ চনৰ নিৰ্বাচন তথা বিধান সভাৰ বালিঘৰ ভাঙি দিলে। উচ্চতম ন্যায়ালয়ৰ টকায়ো তাক ৰাখিব নোৱাৰিলে। আকৌ বাস্তৱে প্ৰতিপন্ন কৰিলে যে আইনৰ বাবে মানুহ নহয় ? মানুহৰ বাবেহে আইন। এনে অৱস্থাত আমি নিৰাশ হৈ অধিক সচেতন হোৱাটোৱে বৰ্তমানৰ দাবী।

চুক্তিত আন্দোলনকাৰীৰ বিৰুদ্ধে থকা গোচৰ প্ৰত্যাহাৰ কৰা চাকৰিয়ালৰ বিৰুদ্ধে লোৱা ব্যৱস্থা প্ৰত্যাহাৰ কৰা; ভোটৰ তালিকা শুধৰোৱাৰ বাবে সময় এমাহলৈ বঢ়াই দিয়া; অসমীয়া মানুহৰ কাৰণে সাংবিধানিক

ৰক্ষা কৰচৰ ব্যৱস্থা কৰা— ইত্যাদি ব্যৱস্থা ৰখাটো সন্তোষৰ কথা। ১৯৭১ চনৰ মাৰ্চৰ ২৫ তাৰিখৰ পিচত অসমলৈ অহা সকলো বিদেশীক বহিষ্কাৰ কৰাৰ কথাও চুক্তিত সন্নিবিষ্ট হৈছে। সেই ক্ষেত্ৰত কেন্দ্ৰই এতিয়ালৈকে লোৱা কাৰ্যব্যৱস্থা অৱশ্যে আশাপ্ৰদ নহয়। এতিয়া বাংলাদেশে অনুপ্ৰবেশ হোৱাটোকে অস্বীকাৰ কৰা আৰু বহিষ্কৃত কোনো লোককে গ্ৰহণ নকৰে বুলি ঘোষণা কৰাৰ মূৰত কেন্দ্ৰৰ কাৰ্যব্যৱস্থা অধিক সবল হোৱাৰ প্ৰয়োজনীয়তালৈহে আঙুলিয়াই দিছে।

এতিয়া অসমৰ ৰাইজ তথা আন্দোলনৰ নেতৃবৰ্গৰ দায়িত্ব বাঢ়িছেহে। কিয়নো চুক্তি কাৰ্যকৰী কৰা ক্ষেত্ৰত চিৰন্তন সতৰ্কতা আৰু সংগঠনৰ প্ৰয়োজন। উল্লাসৰ শৃংখলাহীনতাৰ ঠাইত এতিয়া চৰম শৃংখলাৰ প্ৰয়োজন। ৰাজনৈতিক পাক-চক্ৰ তথা অপপ্ৰচাৰে যি তিক্ততা; বিভাজন আদিৰ সৃষ্টি কৰিছিল; সেইবোৰ দূৰ কৰাৰ প্ৰয়োজনীয়তা এতিয়া বাঢ়িল। প্ৰশান্তি আৰু বিশ্বাসৰ নতুন পৰিবেশ গঢ়িব লাগিব। আনহাতে অসমীয়া ৰাইজৰ যি অবিস্মৰণীয় সংগঠিত শক্তিয়ে দুৰ্জেয় প্ৰাচীৰ ভেদ কৰি এতিয়াৰ স্থিতি লাভ কৰিলে; সেই সংগঠিত শক্তিয়েই এতিয়াও চুক্তি কাৰ্যকৰী কৰা; ব্যাপক শুধৰণিৰ দ্বাৰা ভোটাৰ তালিকাৰ প্ৰকৃত শুধৰণি ঘটোৱা আৰু বিধান সভা আৰু লোকসভাৰ সমাগত নিৰ্বাচনৰ বাবে সুস্থ ভেটি গঢ়ি তোলাত আত্মনিয়োগ কৰিব লাগিব।

## সময়ৰ আহ্বান

অসমৰ বিদেশী নাগৰিকৰ সমস্যা সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনৰ নেতৃবৰ্গৰ মাজত হোৱা চুক্তিয়েই সকলো সমস্যা দূৰ কৰিলে বুলি আত্মপ্ৰত্যয় লাভ কৰাটো আত্মঘাতী মনোভাৱ হ'ব। দৰাচলতে ক'বলৈ গ'লে এতিয়া অধিক সচেতনতা ঃ অধিক প্ৰস্তুতি তথা কৰ্মতৎপৰতাৰ প্ৰয়োজন। আত্মতুষ্টিয়ে সেই লক্ষ্য পূৰণ কৰাত বাধাৰ সৃষ্টি কৰিব। যিবোৰ



শক্তিয়ে অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰাত বাধাৰ সৃষ্টি কৰি আহিছিল— সেইবোৰ এতিয়া অধিক তৎপৰ হ'ব। সেই শক্তিৰ হাতোৰা কেওপিনে সম্প্ৰসাৰিত হৈছে— দিল্লীৰ পৰা দিছপুৰলৈকে। প্ৰধানমন্ত্ৰীৰ উদ্যোগত চুক্তি সম্পাদিত হ'ল বুলিয়েই দিল্লীৰ চক্ৰটো এতিয়া নিৰস্ত নহয়। আনকি দিছপুৰৰ চক্ৰটোৱেও সহজে বইত নেপেলায়। নহ'লে প্ৰধানমন্ত্ৰীৰ লগত আন্দোলনৰ নেতৃবৰ্গৰ যি বুজাবুজি হৈছিল তাক প্ৰথম পদক্ষেপতে উপেক্ষা কৰি দিছপুৰীয়া চক্ৰই নিজৰ শক্তিৰ স্থিতি প্ৰদৰ্শন কৰিবলৈ আগ নেবাঢ়িলেহেঁতেন। অকল আগবঢ়াই নহয় ; দিছপুৰীয়া চক্ৰই যি সোতৰ জনীয়া মন্ত্ৰীসভা (তত্বাৱধায়ক?) গঠন কৰিলে তাৰ বিশ্লেষণ কৰিলেই দেখা যাব যে দিছপুৰে পূৰ্বাপৰ ধাৰাৰেই নিৰ্বাচনী অভিযান এতিয়াই আৰম্ভ কৰি দিলেই। তদুপৰি অসমৰ প্ৰায় প্ৰতিটো বিষয়তে অন্তৰায়ৰ সৃষ্টি কৰি অহা পশ্চিম বঙ্গৰ চৰকাৰ ৰাজনৈতিক দল আৰু বাতৰি কাকত— সমগ্ৰ দেশে চুক্তিৰ প্ৰতি সমাদৰ জনোৱাৰ মূৰতো বিকৃত প্ৰচাৰৰ দ্বাৰা ইতিমধ্যে নতুনকৈ অন্তৰায়ৰ সৃষ্টি কৰাৰ বাবে উঠি-পৰি লাগিছে। ইপিনে অসমৰ চাৰি বেৰৰ মাজতো বিভেদ অশান্তি হিংসাত্মক ঘটনা; ভুল বুজাবুজি সৃষ্টি কৰি চুক্তি কাৰ্যকৰী কৰাত অন্তৰায়ৰ সৃষ্টি কৰাৰ বাবে কিছুমান মহল সচেষ্ট হৈ উঠিছে। এনে অৱস্থাত সতৰ্ক পদক্ষেপৰ নিতান্ত প্ৰয়োজন। এটা মুহূৰ্তও হানি নকৰাকৈ সংঘবদ্ধ প্ৰচেষ্টাৰে আগবঢ়াৰ এইটোৱেই সময়। ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ প্ৰক্ৰিয়াত শেণ দৃষ্টি ৰাখি তৎপৰতাৰে তালিকা শুধৰোৱাত সকলোৰে নিজৰ নিজৰ বৰঙনি দিব পাৰিব লাগিব। জনমত সদায় উপেক্ষিত হৈ থাকিব নোৱাৰে— তাৰ সাক্ষী বৰ্তমানৰ চুক্তিখনেই। সেইদেখি ভোটাৰ তালিকাৰ শুধৰণিৰ ওপৰত— যাৰ ওপৰতে অস্তিত্বৰ খোপনি নিৰ্ভৰশীল—সৰ্বাধিক গুৰুত্ব দি ৰাইজ তৎপৰ হ'ব লাগে। দ্বিতীয়তে শান্তি সম্প্ৰীতি ৰক্ষা কৰাৰ ব্ৰত গ্ৰহণ কৰি সকলো অশুভ প্ৰচেষ্টা ব্যৰ্থ কৰাৰ সংকল্প ল'ব লাগিব। ইতিমধ্যে অপপ্ৰচাৰ, প্ৰলোভন, ভুল বুজাবুজি আদিৰ কাৰণে যিসকল ঘাই সুতিৰ পৰা আতৰি গৈছিল তেওঁলোকৰ মনত

প্ৰত্যয়ৰ ভাব সৃষ্টি কৰি তেওঁলোকক ঘূৰাই অনাৰ অভিযান এটাও চলাবৰ হ'ল। এই ক্ষেত্ৰত আত্ম বিশ্লেষণৰ দ্বাৰা নিজৰ ভুল-চুক ধৰা পেলাই সেইবোৰ শুধৰাই পৰিবেশ ৰচনা কৰিবলৈ আগবাঢ়িব লাগে।

আনহাতে সমাগত নিৰ্বাচনৰ বাবেও প্ৰস্তুত হ'ব লাগিব। এইটো ঠিক যে পঞ্জাৱত যিদৰে কম সময় দি আচম্বিতে নিৰ্বাচন পতাৰ দিন ঘোষণা কৰা হ'ল— অসমৰ ক্ষেত্ৰতো তাকেই কৰা হ'ব। ফলত প্ৰস্তুত নোহোৱা অৱস্থাত নিৰ্বাচনত অৱতীৰ্ণ হওঁতে চৰম বাধাৰ সন্মুখীন হ'ব লাগিব। এইবাৰৰ নিৰ্বাচনৰ বিশেষ গুৰুত্ব থাকিব— অস্তিত্বৰ প্ৰশ্ন ইয়াৰ লগত জড়িত থাকিব। সেইদেখি ব্যক্তিগত লালসা গোষ্ঠীগত স্বাৰ্থ আদিৰ ঠাইত সমূহীয়া স্বাৰ্থৰ দ্বাৰা পৰিচালিত হৈ নিৰ্বাচনী কৌশল যুগুত কৰা, প্ৰাৰ্থী বছা আদি সমুদায় প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবেও আত্মনিয়োগ কৰাৰ সময় হ'ল। শৃংখলাবিহীন উল্লাসতকৈ এইবোৰহে অধিক গুৰুত্বপূৰ্ণ বিষয়।

## চুক্তিৰ পিচত

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক পঞ্জাৱ, অসম, গুজৰাট আদি বিভিন্ন জ্বলন্ত আৰু দীঘলীয়া সমস্যাৰ সমাধান কৰাত সফলতা অৰ্জা দেখি প্ৰায় সকলোৱে প্ৰশংসা কৰিছে। আনকি পশ্চিমীয়া বাতৰি কাকত আৰু ছোভিয়েট ৰুছিয়ায়ো তেওঁৰ এনে সফলতাত সন্তোষ প্ৰকাশ কৰিছে। মাত্ৰ শ্ৰীহিতেশ্বৰ শইকীয়াইহে অসম চুক্তিত নতুন কথা একো নাই বুলি মন্তব্য কৰিছে। প্ৰদেশ কংগ্ৰেছ-ইৰ বিষয়ববীয়া সন্মিলনত বক্তৃতা দি তেওঁ গুৱাহাটীত শ্ৰীৰাজীৱ গান্ধীক প্ৰশংসা কৰিও একো নতুন কথা হোৱা নাই বুলি কৈছে। বিধান সভা ভঙ্গ কৰি দিবলৈ বাধ্য কৰা কাৰণেই তেওঁ মনে মনে বেয়া পাই আছে হ'বলা? সেই কাৰণেই মাজে মাজে এনে নক'বলগীয়া কথাও ওলাই যায়— হাড় নাইকীয়া জিলা ওলায় কিবা কিবা।



আন এটা কথা। তেওঁৰ আগৰ নিচিনা মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী লাগি থাকিবও পাৰে। বৰ বেছি তিনিজন মন্ত্ৰী থকা তদাৰকী চৰকাৰ গঠন কৰা হ'ব বুলিহে চুক্তি চহীৰ সময়ত ওলাইছিল। পিছে শ্ৰীশইকীয়াই সেইবোৰ আওকাণ কৰি সোতৰজনীয়া তদাৰকী মন্ত্ৰীসভা গঠন কৰি লৈ বাণীচানী দি আগৰ দৰেই আচৰণ কৰি আছে। বৰং ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুৰ প্ৰতি তেওঁৰ সহানুভূতি এতিয়াহে বেছি স্পষ্ট আৰু প্ৰকাশ্য হৈ ওলাইছে। সেয়া বৰাক ভেলীক তেওঁ ৰাজ্য চৰকাৰৰ হৈ এটা বিশ্ববিদ্যালয় দিবলৈ ঘোষণা কৰাৰ কথা ওলাইছেই। বিষয়টোত তেওঁ প্ৰধানমন্ত্ৰীকো চেৰ পেলাই গৈছে। কিয়নো শ্ৰীগান্ধীয়ে কাছাৰত নেহুৰ শাখা এটা দিব বুলিহে ঘোষণা কৰিছে— কেন্দ্ৰীয় বিশ্ববিদ্যালয় এখন অসম উপত্যকাতহে হ'ব। ঘৰ-ৰখীয়া নহৈ প্ৰকৃত নিৰ্বাচিত চৰকাৰৰ হৈ এনে সিদ্ধান্ত দিয়া যেন নহৈছেনে? তেনেকৈ ঘৰ-ৰখীয়া তিনি মহীয়া চৰকাৰে কাম কৰিব পাৰেনে? অৱশ্যে কথাটো এনেও হ'ব পাৰে— নবেম্বৰ বা ডিচেম্বৰত নিৰ্বাচন হ'লে তেৱেঁই আকৌ মুখ্যমন্ত্ৰী হৈ আহিব পাৰে আৰু তেতিয়াই ৰাজ্যিক বিশ্ববিদ্যালয়টো কাছাৰক কৰি দিব। কিন্তু যদিহে তেওঁৰ দল হাৰে তেন্তে এইটো আশ্বাস বাতিল হৈ যাব পাৰে— যিটো কথা তেওঁ উহ্য ৰাখি গৈছে।

শ্ৰীশইকীয়াই যদি প্ৰধানমন্ত্ৰীতকৈ একাঠি চৰা তেন্তে তেওঁৰে তলতীয়া তদাৰকী আইন মন্ত্ৰী আব্দুল মুহিব মজুমদাৰ মুখ্যমন্ত্ৰীতকৈও একাঠি চৰা। শ্ৰীশইকীয়াই বিধান সভা ভঙ্গ হোৱাৰ কথাটো নকয়েই— কাৰণ সেইটোৱেই বৰ্তমান চুক্তিত তেওঁৰ আটাইতকৈ ডাঙৰ পৰাজয়। আইন সংগতভাৱে গঠিত অসম বিধান সভা ভঙ্গ কৰাৰ প্ৰশ্ন নুঠে বুলিহে তেওঁ আগতে কৈ ফুৰিছিল। এতিয়া পিচে বিধান সভা ভঙ্গ হৈ যোৱাত তেওঁ এই বিষয়ত মনে মনে থাকিব লগাত পৰিছে। কিন্তু শ্ৰীমজুমদাৰ হ'লে মনে মনে থকা নাই। বৰং গুৱাহাটীৰ পৰা দিল্লীলৈকে তেওঁ অকলেই সংখ্যালঘুৰ হৈ হৈচৈ লগায়েই ফুৰিছে। চুক্তিখন লৈ তেওঁৰ প্ৰথমে সন্দেহেই আছিল। উকীল মানুহ যদিও বোধহয় কথাবোৰ ভালকৈ বুজা নাছিল। দিল্লীত নানান কেন্দ্ৰীয় মন্ত্ৰী আদিক লগ ধৰাৰ পিচত এতিয়া ভালকৈ বুজি লৈ চুক্তিৰ প্ৰশংসাত

পঞ্চমুখ হৈ উঠিছে— আনকি এতিয়াও নুবুজাকৈ থকা সকলক চুক্তিখন ভালকৈ পঢ়ি চাবলৈ উপদেশহে দিছে। তেওঁ এই কথাও কৈ পেলাইছে— ৬৬ আৰু ৭১ চনৰ বিদেশীখিনি ইয়াতে ৰৈ যাব পৰাৰ এইটো মূল্য দিব লগা হ'ল বুলি কৈছে। ডাঙৰ আঘাত মানে কি বুজাইছে কোৱা টান— বহুতেই দিছপুৰলৈ উলটি আহিব নোৱাৰিবও পাৰে, এনেও অৰ্থ হ'ব পাৰে। এপেক্স বেঙ্কৰ চেয়াৰমেন হোৱা প্ৰাক্তন মন্ত্ৰী শ্ৰীদীন ৰাজখোৱাৰ নিচিনা ভাগ্য সকলোৰে নেথাকিবও পাৰে, জীৱনত প্ৰথম বাৰলৈ মন্ত্ৰী হৈ পোৱা লোক সকল যদি পুনৰ্নিৰ্বাচিত হ'ব নোৱাৰে বৰ দুখৰ কথা নহ'বনে? কিন্তু তাকে মুহিম মজুমদাৰে খোলাখুলিকৈ ক'ব পাৰিছে যে এয়ে বহুত; হিতেশ্বৰ শইকীয়া বা অন্যান্য মন্ত্ৰীয়ে ক'ব পৰা নাই।

সংখ্যালঘুৰ হৈ কথা কোৱাত আমি বেয়া পোৱা নাই। দৰাচলতে আইনমতে আৰু এতিয়াৰ চুক্তিমতে যিসকল থাকি যাব তেওঁলোককে আমিনো অনাদৰ বা অবহেলা কৰিম কিয়? পশ্চিম বঙ্গৰ বাম ফ্ৰণ্টহে এঘাৰ লাখ সংখ্যালঘু অসমৰ পৰা সেই ৰাজ্যলৈ যাবলৈ বুলি ক'ৰবাৰ পৰা হিচাপ এটা উলিয়াইছে। ১৯৭১-ৰ পিচৰখিনিহে ধৰিছে হ'বলা? সেইটো পিচে হ'ব নোৱাৰে, কিয়নো সেইটো চন তেওঁলোকেওমানি আহিছে। যি হওক এইবিলাক নেতাই কেৱল সংখ্যালঘুৰ কথাকে কৈ থকা দেখি আমি অলপ ক্ষুণ্ণ হৈছোঁ। বাদবাকী খাচ অসমীয়াখিনিৰ প্ৰতি তেওঁলোকৰ কোনো সহানুভূতি নাই নেকি? ভোট-ভঁৰালৰ চিন্তা থাকিল বুলি তেনেই অঙহি-বঙহি মানুহখিনিক একেবাৰে পাহৰি থকাটো ডাঙৰ অপৰাধ। সেইদেখি আজি ইমান দিনে গালি-শপনি পাৰি অহা পুলিচ লগাই গৰু-মৰিওৱা দি অহা ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদকো বুজন পৰিপক্ক আদি বিশেষণ লগাই ৰাজীৱ গান্ধীৰ খাটিৰত শ্ৰীশইকীয়া আৰু শ্ৰীমজুমদাৰে ক'ব ধৰিছে— আমাৰ হ'লে ভুতৰ মুখত ৰামনাম যেনহে লাগিছে।



# চুক্তি কাৰ্যকৰী নকৰাৰ অভিযোগ

সদৌ অসম ছাত্ৰ সন্থাই প্ৰধান মন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীলৈ দিয়া স্মাৰক পত্ৰত অসম চুক্তি কাৰ্যকৰী নকৰাৰ অভিযোগ তুলিছে। যোৱা ১৫ আগষ্টত প্ৰধান মন্ত্ৰীয়ে যিদৰে প্ৰতিশ্ৰুতি দিছিল সেইমতে কাৰ্যকৰী ব্যৱস্থা নোলোৱা বুলি স্মাৰক-পত্ৰত কোৱা হৈছে। অসম চুক্তিখন কৰা হৈছিল— ভাৰতীয় নাগৰিকৰ স্বাৰ্থত। অৱশ্যে এই চুক্তিয়ে অসমৰ সুদীৰ্ঘ আন্দোলনৰ সকলো দাবী পূৰণ কৰা নাই আৰু সেইদেখি চুক্তিৰ ক্ষেত্ৰত এতিয়াও সমালোচনা মুখৰ হৈ আছে। কিন্তু এৰা-ধৰাৰ নীতি মানি সম্পাদন কৰা সেইখন চুক্তিও এতিয়া কাৰ্যকৰী কৰাৰ বাবে আগবাঢ়িব নোখোজাটোহে পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে অসমত ভাৰতীয় নাগৰিকৰ স্বাৰ্থ সাপেক্ষে কেন্দ্ৰই সিদ্ধান্ত লোৱাৰ বিৰল উদাহৰণ হ'ল— অসম-চুক্তিখন। বাকী সকলো ক্ষেত্ৰতে সংখ্যালঘুৰ মুখা পিন্ধাই অভাৰতীয় নাগৰিকৰ স্বাৰ্থ দাঙি ধৰি তাকে লৈয়েই চৰকাৰ ব্যস্ত থাকে।

প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধী ক্ষন্তেকীয়া কালৰ বাবে ন্যস্ত-স্বাৰ্থৰ বেষ্টনীৰ মাজৰ পৰা ওলাই আহিছিল যদিও এতিয়া পুনৰ ন্যস্ত স্বাৰ্থৰ নজৰবন্দী হৈ থাকিব লগীয়া হৈছে আৰু সেই কাৰণেই প্ৰধানমন্ত্ৰী এতিয়া চুক্তি সম্পৰ্কে নিমাতে আছে। অকল সেয়ে নহয় প্ৰধানমন্ত্ৰীয়ে অসমলৈ পঠোৱা কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীগণিখান চৌধুৰী আৰু প্ৰধানমন্ত্ৰীৰ পৰা শুভদৃষ্টি পোৱা তত্বাৱধায়ক মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ৰাজহুৱা ভাবে কৈছে যে কংগ্ৰেছ-ই অসমত পুনৰ ক্ষমতালৈ আহিলে অসম চুক্তি কাৰ্যকৰী নকৰে। ইয়াত প্ৰধানমন্ত্ৰীৰ অনুমোদন নাই বুলি আমি বিশ্বাস কৰিম কেনেকৈ?

বিশেষকৈ অসমত ভোটাৰ তালিকা প্ৰস্তুত কৰা ক্ষেত্ৰত যিবোৰ কাণ্ড চলিছে তালৈ চাই আমাৰ ধাৰণা সুদৃঢ় হৈ পৰিছে যে অসম চুক্তি কাৰ্যকৰী

নকৰাৰ বাবে ভেটি ৰচনা কৰাৰে পূৰ্ণ প্ৰস্তুতি চলিছে। অসম চুক্তিত নাগৰিকত্বৰ প্ৰমাণ পত্ৰ সম্পৰ্কে যি সিদ্ধান্তৰ কথা ব্যক্ত কৰা হৈছিল— তাৰ বিপৰীতে গৈ এতিয়া যিকোনো ধৰণে নাগৰিকৰ প্ৰমাণ পত্ৰ বুলি দাবী কৰা কাকতকে মান্যতা দিয়া হৈছে আৰু সেইবাবেই ডাক যোগে অহা নাগৰিকত্বৰ প্ৰমাণ-পত্ৰৰ ব্যৱসায়ে অসমত ছাটি ধৰিছে। নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা অমান্য কৰাৰ বাবে প্ৰশাসনৰ মাজৰ পৰাই প্ৰেৰণা যোগোৱাৰে কোনো লেখজোখ নোহোৱা অভিযোগ উঠি আছে। এই সকলোবোৰ কথাই মাত্ৰ এটা ইঙ্গিতকে দিছে— সেয়ে হ'ল চুক্তি কাৰ্যকৰী কৰিব নলগীয়া অৱস্থা এটাত যিকোনো উপায়ে উপনীত হ'বৰ বাবে সম্প্ৰতি চেষ্টা চলিছে।

সেই দেখি চুক্তি কাৰ্যকৰী কৰা ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়েই যি মনোভাৱ দেখুৱাইছে তাৰ আঁত বিচাৰিবলৈ টান নহ'ব। পঞ্জাৱত ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ চলোৱা অভিযোগত গ্ৰেপ্তাৰ হোৱালোককো মোকলাই দিছে। কিন্তু অসমত দুবছৰৰ আগতে ১৪৪ ধাৰা ভংগ কৰাৰ অভিযোগত গোচৰ তৰা লাকক চুক্তি সম্পাদিত হোৱাৰ মূৰতো এতিয়া আদালতত হাজিৰ হ'বৰ বাবে চমন জাৰি কৰা হৈছে। এনে অৱস্থাত অসমত আটক হৈ থকা লোকৰ মুক্তি গোচৰ প্ৰত্যাহাৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চাকৰিয়ালৰ শাস্তি মূলক ব্যৱস্থা প্ৰত্যাহাৰ— ইত্যাদিবোৰৰ বিষয়ে গেথেলা মাৰিয়েই থকাটো আচৰিত নহয়। এই পৰিণতিয়ে এই কথাকে প্ৰতিপন্ন কৰিছে যে অসম পঞ্জাৱ নহয়। অসমক উপনিবেশ ৰূপে গণ্য কৰাৰ প্ৰৱণতা আজিও পূৰ্ণাঙ্গ ৰূপত বাহাল আছে আৰু প্ৰধানমন্ত্ৰীয়েও অসম চুক্তিখন নিজৰ প্ৰতিচ্ছবি উজ্বল কৰাৰ অনুপান হিচাপে ব্যৱহাৰ কৰাৰ বাহিৰে আন উদ্দেশ্য মনত ৰখা নাই বুলিয়েই ধাৰণা হৈছে।



# *অসম চুক্তি সম্পৰ্কে প্ৰধানমন্ত্ৰী*

প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে মালদ্বীপ ভ্ৰমণ কৰা কালত সাংবাদিকৰ আগত অসম চুক্তিৰ সন্দৰ্ভত যিখিনি কথা ক'লে; এই চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত ইমান মুকলিমূৰীয়াকৈ চুক্তি সম্পৰ্কে মন্তব্য কৰা সেয়ে প্ৰথম। প্ৰধানমন্ত্ৰীৰ নিৰৱতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ নিৰ্লিপ্ততা দেখি সন্দিহান হ'বলৈ আৰম্ভ কৰা পৰতে প্ৰধানমন্ত্ৰীৰ সাম্প্ৰতিক মন্তব্যই সমুখৰ এন্ধাৰ কিছু ঠেলি নিলে বুলি ক'ব পাৰি।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে বাংলাদেশৰ পৰা অবৈধ প্ৰব্ৰজনত বাধা দিবলৈ কেন্দ্ৰই অসম চুক্তিৰ ব্যৱস্থাৰ উপৰিও আন আন কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে। অৱশ্যে সেই ব্যৱস্থাবোৰৰ সম্পৰ্কত প্ৰধানমন্ত্ৰীৰ মন্তব্যৰ পৰা কোনো ইঙ্গিত পোৱা নগ'ল। সীমান্তত বেৰ দিয়াতে চৰকাৰ আৱদ্ধ নেথাকে বুলিহে প্ৰধানমন্ত্ৰীয়ে কৈছে। সীমান্তত পথ নিৰ্মাণ কৰা আৰু তালাচী চকীৰ সংখ্যা বঢ়োৱাটো কাৰ্যতঃ চুক্তিৰ ভিতৰুৱা কথা— বাহিৰৰ নহয়। ইতিমধ্যে অগ্ৰাধিকাৰৰ ভিত্তিত সীমান্তত পথ নিৰ্মাণ কৰাৰ বাবে সমীক্ষা চলোৱাৰ কাম আৰম্ভ কৰিব বুলি সিদ্ধান্ত লোৱাৰ কথা প্ৰকাশ পাইছে। সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ দিয়া প্ৰসঙ্গটো লৈ অৱশ্যে আমি অনিশ্চয়তাৰ হাত সাৰিব পৰা নাই। বাংলাদেশৰ মনোভাৱ সলনি হোৱা নাই। অকল সেয়ে নহয়— বাংলাদেশে অসমলৈ বাংলাদেশীৰ প্ৰব্ৰজন হোৱাটোকে অস্বীকাৰ কৰিছে। সেইদেখি বাংলাদেশে অসমলৈ ঘটোৱা পৰিকল্পিত প্ৰব্ৰজনত বাধা জন্মোৱা যি কোনো ব্যৱস্থাতে সকলো প্ৰকাৰে বাধা দিব বুলি ধাৰণা জন্মিছে। এই বাধাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰ কিমান দূৰলৈ যাবলৈ প্ৰস্তুত তাৰ ওপৰতে সকলো কথা নিৰ্ভৰশীল হৈ আছে। বাংলাদেশৰ বাধাৰ হাত সাৰি সীমান্তৰ পৰা আঁতৰত কাঁইটীয়া তাঁৰৰ বেৰ দিলেও বাংলাদেশৰ অসহযোগৰ ফলত তেতিয়াও আমাৰ কাৰণে সমস্যা থাকি যাব। সেয়ে হ'লে— চুক্তি মতে ১৯৭১ চনৰ পিচত অসমলৈ অহা বিদেশী

নাগৰিকসকলক ক'লৈ পঠোৱা হ'ব? অসম চুক্তিত এই কথা সুস্পষ্ট কৰি দিয়া নাই। বাংলাদেশে যিহেতু অসমলৈ ১৯৭১ চনৰ পিচত বাংলাদেশী নাগৰিকৰ প্ৰব্ৰজন ঘটাই নাই বুলি কৈছে আৰু যিহেতু অসমৰ পৰা পঠোৱা কোনো লোককে বাংলাদেশে গ্ৰহণ নকৰে বুলি কৈছে— সেইদেখি এই ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় আৰু সুস্পষ্ট পদক্ষেপৰ প্ৰয়োজন হ'ব।

প্ৰধানমন্ত্ৰীয়ে আন আন কটকটীয়া ব্যৱস্থাৰ অস্পষ্ট ইঙ্গিত দিয়াৰ সন্দৰ্ভতে আমি এই কথা জনাব খোজো যে কাঁইটীয়া তাঁৰৰ বেৰেই অবৈধ প্ৰব্ৰজনৰ বিৰুদ্ধে একমাত্ৰ ৰক্ষাকৱচ নহয়। ৰেলযোগে নদীয়েদি তেতিয়াও প্ৰব্ৰজন ঘটি থাকিব। তদুপৰি ইতিমধ্যে চুবুৰীয়া ৰাজ্যবোৰত সোমাই থকা অবৈধ বিদেশী নাগৰিক অসমলৈ অহাৰ পথ খোলা থাকিব। সেইদেখি সামগ্ৰিক ভাৱে বিচাৰ কৰি অবৈধ প্ৰব্ৰজন ৰোধ কৰাৰ কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব লাগিব। আন আন কটকটীয়া ব্যৱস্থাৰ ভিতৰত নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়াৰ ক্ষেত্ৰত থকা দুৰ্নীতি বন্ধ কৰাৰ সুস্পষ্ট ব্যৱস্থাও লাগিব। ইতিমধ্যে সুদীৰ্ঘ কাল ধৰি কিছুমান স্বাৰ্থজড়িত মহলে অসমত আৰু চুবুৰীয়া ৰাজ্যত অনুপ্ৰৱেশকাৰী বিদেশী নাগৰিকক জধেমধে নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিলে। এনে প্ৰমাণ পত্ৰ কেন্দ্ৰীভূত ব্যৱস্থাৰ জৰিয়তে নিয়ম মানি দিয়াৰ ব্যৱস্থা কৰিলে আৰু বিদেশী নাগৰিকক মাটি আৰু চাকৰি দিয়াৰ বাট বন্ধ কৰিলে বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ লোভ আপোনা-আপুনি কমিব। প্ৰধানমন্ত্ৰীৰ "কটকটীয়া" ব্যৱস্থাৰ গণ্ডীৰ ভিতৰত এই সকলোবোৰ সোমালেহে প্ৰধানমন্ত্ৰীৰ উক্তিৰ সাৰ্থকতা প্ৰতিপন্ন হ'ব।

## *অসম চুক্তি আৰু কেন্দ্ৰীয় চৰকাৰ*

চণ্ডীগড়ত দিয়া ভাষণ প্ৰসঙ্গত জনতা পাৰ্টিৰ সভাপতি শ্ৰীচন্দ্ৰ শেকৰে পাঞ্জাৱৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে মন্তব্য কৰি কয় যে পঞ্জাৱৰ পৰিস্থিতি যিটো ৰূপত কেন্দ্ৰীয় চৰকাৰে দেখা পাইছে; তাতকৈ এই পৰিস্থিতি অধিক



গুৰুতৰ। এই পৰিস্থিতিৰ বাবে শ্ৰীচন্দ্ৰশেখৰে কেন্দ্ৰীয় চৰকাৰেই অধিক দায়ী বুলি অভিহিত কৰে। জনতা পাৰ্টিৰ সভাপতিৰ এই মন্তব্য খণ্ডন কৰাৰ সামৰ্থ্য কেন্দ্ৰীয় চৰকাৰৰ নাই বুলি আমিও ভাবো। পঞ্জাৱ চুক্তি কৰি কেন্দ্ৰীয় চৰকাৰে যিদৰে হোহকা-পিচলা কৰিলে আৰু হাৰিয়ানাৰ আগৰ মুখ্যমন্ত্ৰী শ্ৰীভজনলালক যিদৰে শিখণ্ডী ৰূপে ব্যৱহাৰ কৰিলে— সেয়ে পৰিস্থিতিৰ জটিলতা বৃদ্ধি কৰিলে। মূৰকত পৰিস্থিতিৰ উত্তাপ সহিব নোৱাৰি শ্ৰীভজনলালক আঁতৰাই চণ্ডীগড়ৰ হস্তান্তৰকৰণৰ বাবে বাট উলিয়াবলৈ বাধ্য হ'ব লগীয়া হ'ল। কিন্তু এই বিলম্বিত ব্যৱস্থাই ইতিমধ্যে পৰিস্থিতিক প্ৰায় আয়ত্তৰ বাহিৰলৈ লৈ গ'ল।

পিচে ঠেকিলে শিকা মনোভাৱ কেন্দ্ৰীয় চৰকাৰৰ নাই যেনেই লাগিছে। যোৱা বছৰৰ ১৫ আগষ্টত সম্পাদিত হোৱা অসম চুক্তি গেথেলা মৰা অৱস্থাত থাকিব লগীয়া হৈছে— কেন্দ্ৰীয় চৰকাৰৰ নিৰ্লিপ্ততাৰ বাবেই। ৰাজ্য চৰকাৰৰ গণ্ডীৰ ভিতৰত পৰা বিষয়বোৰৰ ক্ষেত্ৰত ইতিমধ্যে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে যদিও কেন্দ্ৰীয় চৰকাৰে নিজৰ ববীয়া দায়িত্ব পালন কৰাত সমূলি তৎপৰতা দেখুওৱা নাই। ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী নাগৰিকৰ চিনাক্তকৰণ সম্পৰ্কীয় আইনৰ সংশোধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে একো ব্যৱস্থা লোৱা নাই। অথচ তাকে নকৰিলে বিদেশী নাগৰিক সংক্ৰান্ত প্ৰক্ৰিয়াৰ বেলিকা এখোজো আগবাঢ়িব নোৱাৰি। সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া কথা তল পৰিল। আনকি সীমান্তত পথ নিৰ্মাণ কৰা কথাটোও এতিয়া গাপত দিয়াৰ ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হ'ল। সীমান্তৰক্ষী বাহিনীক আঁতৰাই নি সীমান্ত পথৰ নিৰ্মাণ সম্পৰ্কীয় জৰীপ বন্ধ কৰিব লগীয়া অৱস্থাৰ সৃষ্টি কৰা হ'ল। ৰক্ষী বাহিনী আঁতৰি যোৱাৰ পিচত হেনো সীমান্তৱৰ্তী কিছুমান লোকে জৰীপ চলোৱাত বাধা দিয়াৰ বাবেই এই কাম পৰিহাৰ কৰিব লগীয়া হ'ল। পিচে এই পৰিণতিৰ সম্পৰ্কত কেন্দ্ৰই ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সন্দৰ্ভত একো উদ্বেগ প্ৰকাশ কৰিব লগীয়া কাৰণ নেথাকিলনে? সীমান্ত-পথ ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবেই প্ৰয়োজন হোৱা অৱস্থাত এমুঠি মানুহে

পথ নিৰ্মাণত বাধা দিয়াৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে বাংলাদেশী ‘লবী’ আৰু আমাৰ এবিধ মুখা পিন্ধা ৰাজনীতিবিদৰ ওচৰত বন্ধকীয়া খাটি সেও মানি থাকিব নে? সেইটো মহলৰ প্ৰভাৱৰ অধীনত থাকিয়েই কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিয়ে স্পৰ্শ কৰা একাংশ লোকৰ বেলিকা ততাভুকুতাকৈ আইন প্ৰণয়ন কৰিলে; অথচ ন্যায়ধিকৰণ আইনৰ সংশোধনৰ বেলিকা গা নলৰিল। তেনে প্ৰভাৱৰ আঙুলি ঠাঁৰতে কেন্দ্ৰীয় চৰকাৰে অসম আন্দোলনৰ সময়ত শাস্তি মূলক ব্যৱস্থা লোৱা কেন্দ্ৰীয় অৰ্দ্ধ কেন্দ্ৰীয় চাকৰিয়ালৰ সমস্যা আজিও নিষ্পত্তি নকৰিলে; অন্যায় ভাৱে বৰ্খাস্ত কৰা প্ৰাক্তন ডি আই জি শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্য্যৰ চাকৰিও আজিলৈকে ঘূৰাই নিদিলে; অইল ইণ্ডিয়াৰ চাকৰিয়াল কেইজনৰ বেলিকাও একোকে কৰা নহ’ল।

এইবোৰ কথাই কেন্দ্ৰই অসম চুক্তি কাৰ্যকৰী কৰাটো সূচায় নেকি? অসম চুক্তিক আওমৰণে মৰাৰ বাট কেন্দ্ৰই নিজেই উলিয়াই দিছে বুলি ধাৰণা এটাই বাঁহ লোৱা দেখিয়েই অলপতে মুখা পিন্ধা ৰাজনীতিবিদ এচামে সীমান্ত পথ নিৰ্মাণৰ বিৰুদ্ধে দিল্লীত আৰ্জি পেচ কৰাৰ বাবে সাহস চপাই ল’ব পাৰিলে আৰু সিদিনা সাংবাদিকৰ আগত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এজনেও অসম চুক্তি সম্পৰ্কে ইতিকিং কৰিবলৈ সাহ কৰিব পাৰিলে।

পিচে কেন্দ্ৰীয় চৰকাৰে পঞ্জাৱত কৰা ভুলৰ পুনৰাবৃত্তি কৰাৰ বাবে সংকল্প লৈছে নেকি? ইতিমধ্যে অসমত যি অস্থৈৰ্যৰ সৃষ্টি হৈছে— তাৰ খবৰ কেন্দ্ৰক দিওতা কোনো নাই নেকি? সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ পৰিষদ দলৰ শেহতীয়া ঘোষণাৰ মাজত কেন্দ্ৰই একো প্ৰতিফলন দেখা নাই নে দেখিও নেদেখাৰ ভাও জুৰি পঞ্জাৱৰ ক্ষেত্ৰত কৰা ভুলকে ইয়াতো কৰিব খুজিছে?



# (খ)
# জাতীয় অভিবৰ্ত্তন

এটা অতিশয় সংকটজনক অৱস্থাৰ মাজত যোৰহাটত জাতীয় অভিবৰ্ত্তন বহিছে। অসমৰ ৰাইজে এই অভিবৰ্তনৰ ফলাফলৰ প্ৰতি আগ্ৰহেৰে লক্ষ্য ৰাখিব। অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত কেওফালৰ পৰা প্ৰতিকূল শক্তিৰ দ্বাৰা পৰিবেষ্টিত হৈয়ো বছৰৰ পিচত বছৰ ধৰি সংগ্ৰাম চলাই থাকিব পৰা কথাটোৱেই প্ৰমাণ কৰিছে যে ৰাইজৰ অকুণ্ঠ সমৰ্থনে ফল্গু প্ৰবাহ বোৱাই ৰাখিছে। ইয়াকে কেনেকৈ অধিক ইতিবাচক কৰি তুলিব পাৰি, তাৰেই নিদান এই অভিবৰ্তনে দিব বুলি সকলোৱে আশা কৰিছে।

আমাৰ সমস্যাৰ অন্ত নাই। হ’লেও আপেক্ষিক গুৰুত্ব নিৰ্দ্ধাৰণ কৰি পৰ্যায়ক্ৰমে সংগ্ৰাম চলোৱাটোৱেই ফলদায়ক ৰণ-কৌশল। সম্প্ৰতি আমাৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ’ল— ভোটাৰ তালিকাৰ ব্যাপক সংশোধনৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই লোৱা ব্যৱস্থাটো। এই ব্যৱস্থাৰ দ্বাৰা যাতে অসমৰ ৰাইজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক ব্যৰ্থ কৰি দিব নোৱাৰে— তাৰ বাবে সচেষ্ট হোৱাটোৱেই প্ৰধান কাম। আন্দোলনৰ নেতৃবৰ্গই চৰ্তাধীন ভাবে ব্যাপক সংশোধনৰ প্ৰতি সমৰ্থন জনাই এটা গধুৰ দায়িত্ব চপাই লৈছে— সংগ্ৰামৰ নতুন পন্থা ৰূপে। এই সম্পৰ্কত কোনো কোনো মহলে অৱশ্যে ওলোটা মতো প্ৰকাশ কৰিছে। এতিয়া চাব লাগিব— গণনাৰ তালিকাৰ পৰা অভাৰতীয়ক বছাৰ বেলিকা যাতে কোনো ব্যভিচাৰমূলক কাৰ্য চলিব নোৱাৰে তাকে নিশ্চিত কৰাৰ কি উপায় ল’ব পৰা হ’ব। চাব লাগিব— যাতে ভাৰতীয় প্ৰাপ্ত বয়স্কৰ নাম বাদ নপৰে। তদুপৰি প্ৰাথমিক গণনাৰ পৰা অভাৰতীয় কিছুমানক বাদ দিয়াৰ পৰিকল্পিত প্ৰচেষ্টা যাতে চলিব নোৱাৰে, সেই কথাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। কিয়নো অসমত

সোমোৱা বিদেশী লোকৰ আচল পৰিসংখ্যা চৰকাৰী ভাবে স্বীকৃত হোৱাটো চৰকাৰেও নিবিচাৰিব আৰু অসমত সাম্ৰাজ্য গঢ়িব খোজা ন্যস্ত স্বাৰ্থয়ো নিবিচাৰিব। এই সকলোবোৰৰ মাজৰ পৰা ভাৰতীয় ভোটাৰ বছাৰ গধুৰ দায়িত্ব সফলতাৰে পালিত হ'লেহে ভোটাৰ তালিকা ইপ্সিত ধৰণেৰে যুগুত হোৱা বুলি পতিয়ন গৈ অসমৰ ৰাইজ নিৰ্বাচনৰ বাবে প্ৰস্তুত হ'ব পাৰিব। সেইদেখি গণনা আৰু পৰৱৰ্তী পৰীক্ষাৰ পৰ্যায়ত কিদৰে আগবাঢ়িব লাগিব— তাৰ নিশ্চিত আঁচনি অভিবৰ্তনে আগবঢ়াব লাগে। আমাৰ বোধেৰে একত্ৰিত আঞ্চলিক দল গঠন কৰা বিষয়টোতকৈয়ো এইটো এই মুহূৰ্তত অধিক গুৰুত্বপূৰ্ণ কথা। অৱশ্যে এইটো ঠিক যে একত্ৰিত আঞ্চলিক দল গঠন কৰাৰ দায়িত্ব আগৰখন অভিবৰ্তনতে সদৌ অসম ছাত্ৰ সন্থাৰ ওপৰত ন্যস্ত কৰা হৈছিল। সেই চেষ্টা এতিয়ালৈকে ফলৱতী হোৱা নাই। ফলত এতিয়া তৃতীয় আঞ্চলিক দল এটা গঠন কৰাৰ বিকল্প প্ৰস্তাৱ কোনো মহলে দাঙি ধৰিছে। পিচে আৰু এটা আঞ্চলিক দল যদি গঠিত হয়, তেন্তে মূলতে যি উদ্দেশ্যেৰে একত্ৰিত আঞ্চলিক দলৰ কথা উত্থাপিত হৈছিল— সেই উদ্দেশ্যেই ব্যৰ্থ হ'ব। দলৰ একত্ৰিকৰণ, চামিলকৰণ তথা নিৰ্বাচনী বুজাবুজি যেতিয়া বাধ্যবাধকতাৰ পৰ্যায়ত উপনীত হয়— তেতিয়া তাৰ গতিও খৰতকীয়া হয় আৰু তেতিয়া ব্যক্তিগত বা দলীয় জেদৰো চোক কমে তাৰ প্ৰমাণ আমি সৰ্বভাৰতীয় ক্ষেত্ৰতে পাইছো। ভাৰতৰ বিৰোধী দলবোৰে চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হৈ থকাৰ মূৰত নিৰ্বাচন কাৰ্য চাপি অহাত সমূহীয়া স্বাৰ্থৰ তাগাদাত এতিয়া এই ক্ষেত্ৰত অন্ততঃ নিৰ্বাচনী বুজাবুজিৰ ক্ষেত্ৰত— বিৰোধী দলবোৰ বহুত খিনি আগবঢ়া দেখা গৈছে। অসমতে নিৰ্বাচনৰ নিশ্চয়তাৰ পটভূমিত তেনে পৰিবেশে গঢ় ল'বলৈ পাৰে। কিন্তু তাৰ আগতে ভোটাৰ তালিকা যথাৰ্থতে শুদ্ধ কৰি নিৰ্বাচন পাতিব পৰা পৰিবেশ ৰচনা কৰাৰ লক্ষ্যত উপনীত হ'বলৈহে সৰ্বশক্তি নিয়োগ কৰিব লাগে।

অৱশ্যে অভিবৰ্তনত প্ৰাধান্য পাব লগীয়া আৰু বিষয় আছে। ইতিমধ্যে



যুগুত হৈ থকা কেইবাখনো দলিলৰ বিষয়ে আলোচনা কৰি এই অভিবৰ্তনতে অসমৰ ভবিষ্যতৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক ভাষিক আদি বিষয়ৰ ভেটি ৰচনা কৰাৰ পদক্ষেপ পেলোৱা হ'ব। অসমৰ প্ৰকৃত বিকাশৰ চনদ ৰূপেই সেয়ে পৰিগণিত হওক— তাকেই আমি আশা কৰিম।

## জাতীয় জীৱনৰ কাৰ্য্যসূচীৰ বিষয়ে

পৰহি সামৰণি পৰা অসমৰ জাতীয় জীৱনৰ কাৰ্যসূচী প্ৰণয়ন সম্পৰ্কে আয়োজিত কৰ্মশালাৰ সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক ভাষা সাহিত্য বিষয়ক, ৰাজনৈতিক আৰু সাংবিধানিক তথা আইন বিষয়ক বিভিন্ন পৰামৰ্শৰ ভেটিত এখন খচৰা প্ৰস্তুত কৰা হয়। বিভিন্ন বিভাগৰ অনুমোদনাৱলী পৰৱৰ্তী জাতীয় অভিবৰ্তনত পুনৰালোচিত হৈ চূড়ান্তভাৱে গ্ৰহণ কৰাৰ পিচতহে এই বিষয়ে বিশ্লেষণ কৰিব পৰা হ'ব। যোৰহাটত যোৱা জানুৱাৰী মাহত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত পতা প্ৰথম জাতীয় অভিবৰ্তনৰ দিহা মতে এই কৰ্মশালাখন পতা হৈছিল। মূলতঃ বিশ্ববিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ সন্থাৰ মাজত আলোচিত বিষয়বোৰৰ বিষয়ে বছা বছা লোকৰ পৰা লিখিত পৰামৰ্শ বিচৰা হৈছিল। উদ্যোক্তাসকলে খেদ কৰিছে যে ছাত্ৰ সন্থাৰ নীতি পদ্ধতিৰ বিৰূপ সমালোচনা কৰা বহুতৰ পৰাও পৰামৰ্শ বিচৰা হৈছিল আৰু আলোচনালৈ তেওঁলোকক মতা হৈছিল যদিও তেওঁলোকে অংশগ্ৰহণ নকৰিলে আনকি সৌজন্যসূচক সঁহাৰিও নজনালে। আনহাতে অনিমন্ত্ৰিত বা আনুষ্ঠানিকভাৱে পত্ৰৰ যোগেৰে পৰামৰ্শ নিবিচৰা অথচ অস্তিত্ব ৰক্ষাৰ চলি থকা সংগ্ৰামৰ বিষয়ে বিশেষ চিন্তা-চৰ্চা কৰা বহুতে এই সুযোগ ল'ব নোৱাৰিলে। যিকি নহওক প্ৰস্তাৱিত পিচৰ জাতীয় অভিবৰ্তনত ব্যাপকতৰ ভিত্তিত এই অনুমোদনাবলী তন্ন-তন্নকৈ বিচাৰ-বিবেচনা কৰা হ'ব বুলি আমি আশা ৰাখিছো।

ৰাজনৈতিক আৰু সাংবিধানিক তথা আইন বিভাগৰ আলোচনাত অসমৰ প্ৰতি কেন্দ্ৰৰ অবহেলাৰ ফলত দাৰিদ্ৰই জুৰুলা কৰা অধিবাসী সকলৰ সমস্যাই ঘাইকৈ ঠাই পোৱাটো স্বাভাৱিক। বিশেষকৈ কেন্দ্ৰীয় চৰকাৰৰ এনে নীতিৰ ফলতেই বিদেশী অনুপ্ৰবেশকাৰীৰ সমস্যা জটিলতৰ হৈ আহিছে। অথচ ইয়াৰ সমাধানৰ ভেটিতহে অসমৰ জাতীয় জীৱনৰ সামগ্ৰিক দিশত অস্তিত্ব ৰক্ষাৰ নিৰ্ভৰ কৰিছে। এনে পৰিস্থিতিত ৰাজ্য চৰকাৰৰ ক্ষমতাৰ পৰিসৰ বৃদ্ধি কৰা আৰু অসমৰ সম্পদৰাজিৰ পৰা হোৱা লাভৰ অধিক অংশ ৰাজ্যখনে পোৱাৰ প্ৰশ্ন উঠে। তদুপৰি আমি ভাবো, ৰাজ্যখনৰ ভৌগোলিক অবস্থিতিৰ দিশেৰে অধিক সুসংৰৎক্ষত কৰাৰ বাবে স্বায়ত্ব শাসনৰ দৃষ্টিৰে সংবিধানৰ মৌলিক সংশোধনৰ প্ৰয়োজন হ'ব পাৰে।

অৰ্থনৈতিক ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ আদৰ্শেৰে প্ৰতিটো অঞ্চলক সমভাবে উন্নতিৰ পথত অগ্ৰসৰ হোৱাৰ সুবিধা লাগে। আজি ডেৰকুৰি বছৰৰ ওপৰে দেশৰ অঞ্চল বিশেষক পিচপৰি থকা অৱস্থাত ৰখাৰ পৰাই কেন্দ্ৰৰ প্ৰশাসনীয় ত্ৰুটী প্ৰকট হৈ পৰিছে। ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিৰ বাবেই প্ৰতিটো অঞ্চলৰ অধিবাসীয়ে সমান মৰ্যাদাৰে, সমান সুবিধা লাভৰ দাবী কৰাটো স্বাভাৱিক। জনসংখ্যাৰ অধিকাৰ দৃষ্টিৰে মাত্ৰ কেইখনমান ৰাজ্যই আন পিচপৰা ৰাজ্যবোৰক দ্বিতীয় শ্ৰেণীৰ মৰ্যাদা দিয়াৰ প্ৰৱণতা আঁতৰাবলৈকো দেশৰ সংবিধানৰ আৱশ্যকীয় সংশোধনৰ আৱশ্যক।

সাংস্কৃতিক দিশত বহু জনগোষ্ঠীৰ সঙ্গমস্থল অসমত যুগৰ লগত খাপ খুৱাই পৰস্পৰে পৰস্পৰক শ্ৰদ্ধা সহকাৰে আকোৱালি লোৱাৰ আন্তৰিক আগ্ৰহেৰে অস্তিত্ব ৰক্ষাৰ সমূহীয়া প্ৰচেষ্টাৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। আৰ্থ-সামাজিক ক্ষেত্ৰত যি কোনো ধৰণৰ শোষণ থকালৈকে অসুয়া আৰু সন্দেহ বৰ্তি থাকে। সন্দেহ হ'ল সম্প্ৰীতিৰ প্ৰধান বৈৰী সেয়েহে সংস্কৃতিৰ পূৰ্ণ বিকাশৰ অৰ্থেও সকলো শ্ৰেণীৰ মাজত সামাজিক প্ৰীতি-শ্ৰদ্ধাৰ উপৰিও অৰ্থনৈতিক নিৰাপত্তা নিশ্চিত হ'ব লাগে। আনহাতে এই দিশটো ন্যস্ত স্বাৰ্থৰ ৰাজনৈতিক দুষ্ট-বুদ্ধিৰ বিপৰীতে সজাগ হৈ থকাৰ প্ৰশ্ন উঠে।



যি কি নহওক আমাৰ বুদ্ধিজীৱী এচামে আৰু শিক্ষাৰ্থী সকলে অসমক আসন্ন বিপদৰ পৰা ৰক্ষা কৰাৰ লগতে ভৱিষ্যতৰ বাবেও দৃঢ় ভেটিত স্থাপন কৰিবলৈ যি নেৰানেপেৰা চেষ্টা চলাইছে— সেয়া প্ৰশংসনীয়। সুবিধাবাদী যিচাম বুদ্ধিজীৱিয়ে মগজুৰ ব্যৱসায় চলাই মাত্ৰ ব্যক্তিস্বাৰ্থ পুৰণতহে ব্যস্ত আছে, তেওঁলোকে ইতিহাসৰ জাবৰ-জোথৰ বুলিয়েই এদিন গণ্য হ'ব। আনহাতে, সমূহীয়া চিন্তা-চৰ্চাৰ মাজেৰে আৰু আন্তৰিকতাৰে যদি জাতীয় কৰ্মসূচীৰ খচৰাখন ব্যাপক ভিত্তিত আলোচনা কৰি গ্ৰহণ কৰাৰ লগতে কাৰ্যকৰী কৰাবও পাৰে, তেনেহ'লে আজিৰ অসমৰ উদ্যোগী ছাত্ৰ সমাজ বিশ্বৰ সমগ্ৰ তৰুণ শক্তিৰে আদৰ্শ হ'ব পাৰিব বুলি আমাৰ বিশ্বাস।

## (গ)
## নতুন ৰাজনৈতিক দল

সুদীৰ্ঘ অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি আৰু এটা নতুন আঞ্চলিক ৰাজনৈতিক দল গঠনৰ সম্ভাৱনা বাস্তৱায়িত হ'ব ধৰা দেখা গৈছে। যদিও এনে এটা দল গঠনৰ বিষয়টো একেবাৰে নতুন নহয় আৰু দুটাকৈ আঞ্চলিক দলে যদিও বহু বছৰেই অসমত কাম কৰি আহিছে তথাপি অসম চুক্তিয়ে সৃষ্টি কৰা পৰিবৰ্তিত পৰিবেশত সম্পূৰ্ণ ভাবে নিৰ্বাচনলৈ চকু ৰাখি এনে এটা নতুন দল গঠন কৰাটো প্ৰয়োজনীয় বুলি আন্দোলনত থকা পক্ষ সমূহৰে বহুতে ভবা যেন দেখা গৈছে। বৰ্তমানে থকা জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদ এই দল দুটাৰ একত্ৰীকৰণৰ দ্বাৰা এক কামটোকে কৰাৰ প্ৰচেষ্টা একাধিক বাৰ বহল ভিত্তিত চলোৱা হৈছিল যদিও সেই প্ৰচেষ্টা এই পৰ্যন্ত ফলৱতী হোৱা নাই। ইয়াৰ কাৰণ কি সেইটো স্পষ্টকৈ কোৱা টান যদিও সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাত এই ব্যৰ্থতাই ভালেখিনি হানি কৰিছে। অৱশ্যে জনতা দলৰ পৰীক্ষা কিম্বা

সংযুক্ত মৰ্চা গঠনৰ নিচিনা পৰীক্ষা বিলাকৰ ব্যৰ্থতায়ো এই দিশত উৎসাহ যোগাই অহা নাই। তথাপি অসমৰ বিশেষ পৰিস্থিতিত আৰু বিশেষকৈ উক্ত দল দুটাই সংসদী ৰাজনীতিৰ অভিজ্ঞতা এতিয়াও পোৱা নাই কাৰণে তেনে এটা পৰীক্ষা সফল কৰি তুলিবলৈ চেষ্টা কৰিব লাগিছিল। তাকে কৰিব নোৱাৰাত যে অসমৰ সমূহীয়া ক্ষতিয়েই হৈছে সেই কথা হয়তো লাহে লাহে দেখিবলৈ পোৱা যাব।

এতিয়া ছাত্ৰ সন্থাৰ উদ্যোগত পোনপটীয়াকৈয়ে নতুন দল এটা গঠন কৰা হ'ব বুলি বাতৰি ওলাইছে। অসমৰ চুক্তিৰ পিচতে আছু মহলৰ পৰাই ওলোৱা তেনে এটা বাতৰি সঁচা নহয় বুলি অৱশ্যে কোৱা হৈছিল। কিন্তু এতিয়া কথাটো সঁচা প্ৰমাণিত হ'ল। ছাত্ৰ সন্থাৰ সভাপতিয়ে ডিব্ৰুগড়ৰ সভাত এই কথা ঘোষণা কৰিছে। তদুপৰি অহা অক্টোবৰ মাহৰ মাজভাগত গোলাঘাটত ছাত্ৰ সন্থাৰ দ্বাৰা গঠিত কমিটি এখনৰ উদ্যোগত আন এখন জাতীয় ৰাজনৈতিক অভিবৰ্তন পাতি তাতে এনে এটা দল গঠন কৰিবলৈ ওলাইছে। এইটো কৰাৰ গত্যান্তৰো আন্দোলনকাৰীৰ নাই। ছাত্ৰ নেতাসকলে নিৰ্বাচনত নামিব বুলি ওলাইছে আৰু তেওঁলোকে নিজেও আন্দোলনৰ সমৰ্থক প্ৰাৰ্থীসকলক জয়ী কৰিবলৈ আহ্বান জনাইছে। অৰাজনৈতিক ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ বাহিৰত এটা ৰাজনৈতিক দলৰ প্ৰয়োজনীয়তা তেওঁলোকৰ অপৰিহাৰ্য্য।

এই বাস্তৱ অৱস্থা আমিও মানি লওঁ। এটা ন্যায্য আন্দোলন ইমান দিনে ব্যাপক ৰাজহুৱা সমৰ্থন লৈ অহাৰ পিচত যদি তাক বাস্তৱায়িত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা নহয় তেনেহ'লে ইমান বছৰৰ ত্যাগ, আহুতি; কষ্ট স্বীকাৰ সকলো অথলে যাব। দুকুৰি বছৰৰো অধিক কাল শাসনত থকা দলবিলাকে যে এই চাহিদা পুৰাব নোৱাৰিলে সেইটো যথেষ্ট প্ৰমাণ হৈ গৈছে— সিবিলাকে ভুতৰ মুখত ৰাম নাম ল'লেও আজি বিশ্বাসৰ যোগ্য নহয়। তেওঁলোকে অন্যান্য ৰাজ্যত কৰাৰ দৰে এতিয়াও ৰাজনৈতিক ক্ষমতা হাতৰ মুঠিত ৰাখিবলৈ নিশ্চয় চেষ্টা কৰিব। তাত তেওঁলোকক কোনেও বাধা



দিবও নোৱাৰে। তেওঁলোকক প্ৰতিৰোধ কৰি নতুন দিনৰ শুভাৰম্ভ কৰাটোৱেই সময়ৰ প্ৰয়োজন। বিভিন্ন ৰাজ্যত সেই কাৰণেই বিভিন্ন আঞ্চলিক দলে সংশ্লিষ্ট ৰাইজৰ আশা-আকাংক্ষা অনুযায়ী ক্ষমতা দখল কৰিব ধৰা দেখা গৈছে— তেওঁলোকক ডোখৰ ডোখৰ কৰিবলৈ শাসনাকাৰী দলেও অপচেষ্টা কৰি আছে।

অসমলৈকো সেই প্ৰত্যাহ্বান আহিছে। তাৰ কাৰণে গভীৰ চিন্তা আৰু অতন্দ্ৰ সতৰ্কতাৰ বিশেষ প্ৰয়োজন। ১৯৮৩ চনৰ নৈতিকতাহীন নিৰ্বাচনত যিসকলে ক্ষমতা বেদখল কৰি তাৰ অপপ্ৰয়োগ কৰিলে তেওঁলোকৰ শক্তি-সামৰ্থ্যক উলাই কৰা উচিত নহ'ব। অভিবৰ্তনতে হক বা অন্য প্ৰচেষ্টাৰে হক এটা সুস্থ, সবল, ৰাইজৰ কল্যাণকামী; ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিৰ স্বাৰ্থলৈ চকু ৰখা বিকল্প দলৰ বিশেষ প্ৰয়োজন হৈচে। গোলাঘাটৰ প্ৰস্তাৱিত অভিবৰ্তন পলমকৈহে পতা হৈছে বুলি আমি ভাবে। নিৰ্বাচনলৈ সময় তাকৰ। অথচ ভোটাৰৰ স্তৰত কাম কৰিবলৈ বহুত বাকী। প্ৰতিপক্ষও ধন-বল আৰু কূট-কৌশলত অধিক শক্তিশালী—এই কথাও মনত ৰখা ভাল।

## স্থানীয় দলৰ প্ৰয়োজনীয়তা

সদৌ অসম ছাত্ৰ সন্থাই যোল ডিচেম্বৰৰ নিৰ্বাচনত অসমৰ আঞ্চলিক শক্তিসমূহক ক্ষমতাত অধিষ্ঠিত কৰিব পৰাকৈ ৰায় দিবলৈ ভোটদাতা ৰাইজলৈ আহ্বান জনাইছে। অৰ্থাৎ চমু কথাত তেওঁলোকে অসম গণ পৰিষদক জয়যুক্ত কৰিবলৈ আহ্বান জনাইছে। এই নতুন দলটোৱেও তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত তেওঁলোকৰ লক্ষ্য সমূহ ৰাইজৰ আগত দাঙি ধৰিছে। আনহাতে আগত নিৰ্বাচনৰ অন্যতম মুখ্য প্ৰতিদ্বন্দ্বী কংগ্ৰেস (ই) দলৰ সভাপতি তথা প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে সিদিনা গুৱাহাটীৰ নিৰ্বাচনী সভাত দাবী কৰি গ'ল যে তেওঁৰ দলৰ চৰকাৰ গঠিত হ'লেহে

অসম চুক্তি কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে অসম চুক্তিৰ কাৰ্যকৰী কৰণেই অসম গণ পৰিষদ আৰু কংগ্ৰেস (ই) উভয়ৰে নিৰ্বাচনী প্ৰচাৰৰ প্ৰধান লক্ষ্য বুলি বিবেচিত হৈছে।

এনেয়ে নিৰ্বাচনৰ সময়ত কোনে কি কয় সেই সম্বন্ধে কিবা ক'বৰ প্ৰয়োজন নাই। ভোটদাতা ৰাইজেই বিচাৰ বিবেচনা কৰি সেই সম্বন্ধে ৰায় দিব। কিন্তু যেতিয়া দেশৰ প্ৰধানমন্ত্ৰীয়ে কিবা কয় আৰু যেতিয়া তেৱেঁই দলৰ সভাপতিও হয়; তেতিয়া তেওঁৰ কথা ভালদৰে চালি-জাৰি চোৱাৰ দৰকাৰ হয়। গুৱাহাটীতে শ্ৰীগান্ধীয়ে গৰ্বেৰে কৈ গ'ল যে ভোটাধিকাৰ বঞ্চিত সকলৰ অন্যান্য স্বাৰ্থ অটুট ৰখাৰ ব্যৱস্থা কৰি আইন কৰা হৈ গ'ল— এই ব্যৱস্থা যে হেঁচাত পৰি গৃহীত হৈছে আৰু এনে ব্যৱস্থা যে ঘাইকৈ আন্দোলনৰ বিৰোধী সকলৰ ক্ষুণ্ণ মন সন্তুষ্ট কৰিবলৈহে কৰা হৈছে সেই কথা কোনে নজনাকৈ আছে? তেওঁ একেখন সভাতে ১৯৮৩ চনত গঠিত ৰাজ্য চৰকাৰখনৰ কাৰ্যকলাপক প্ৰশংসা কৰে। কিন্তু সেইখন চৰকাৰে অসমত কি অন্যায় আৰু অপকাৰ কৰিলে সেই কথা উহ্য হৈ ৰৈছে। অকল ৰাইজৰ স্বাভাৱিক সমন্বয়ক ছেদেলি-ভেদেলি কৰাই নহয়; সন্ত্ৰাস সৃষ্টিৰে এক অন্ধকাৰ অধ্যায়ৰ সূচনা কৰাৰ প্ৰতিকাৰ সেই একে দলৰ চৰকাৰেই কৰিব পাৰিব বুলি আমি কেনেকৈ আশা কৰিম? শ্ৰীগান্ধীয়ে যে কৈ গ'ল অকল তেওঁৰ দলেহে অসম চুক্তি কাৰ্যকৰী কৰিব (অৰ্থাৎ আনে নোৱাৰে) তেনেহ'লে ধৰি ল'ব লাগিব নেকি যে তেওঁৰ দলৰ হাতলৈ চৰকাৰ নগ'লে কেন্দ্ৰৰ ফালৰ পৰা চুক্তি কাৰ্যকৰী কৰাও নহ'ব?

সৰ্বভাৰতীয়তাৰ নামত আঞ্চলিক দলৰ বিষয়ে হয়তো বহু কথাই ক'ব পাৰি। কিন্তু আমি মনত ৰখা উচিত যে আঞ্চলিক দলৰ জনপ্ৰিয়তা আৰু গুৰুত্বও এটা সৰ্বভাৰতীয় বৈশিষ্ট্যই। সৰ্বভাৰতীয় দল সমূহে কিবা কাৰণত বহু অঞ্চলৰে আশা-আকাংক্ষা পূৰাব পৰা নাই বুলিয়ে আঞ্চলিক দল বিলাক শক্তিশালী হৈ উঠিছে। সৰ্ববৃহৎ আৰু আটাইতকৈ ক্ষমতাশালী স্বয়ং কংগ্ৰেছ দলেই এই পৰিস্থিতি স্বীকাৰ কৰি ল'বলৈ বাধ্য হৈছে। অসমতো



সেই কাৰণেই আঞ্চলিক দলৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে। ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে যি নৱজাগৰণৰ সৃষ্টি কৰিলে তাৰেই ফল স্বৰূপে অসম গণ পৰিষদৰ উদ্ভৱ হৈছে। পৰিষদে চৰকাৰ গঠন কৰিব পাৰেনে নোৱাৰে সেইটো বেলেগ কথা। কিন্তু এই পৰিষদে সুপ্ৰতিষ্ঠিত আৰু সুসংগঠিত সৰ্বভাৰতীয় দল সমূহক যে প্ৰত্যাহ্বান জনাইছে এইটোৱেই লক্ষণীয় বিষয়। বিভিন্ন আঞ্চলিক দলে নিজ নিজ স্বাৰ্থ পৰিহাৰ কৰি এই প্ৰত্যাহ্বান শক্তিশালী কৰি তুলিছে। অসম গণ পৰিষদে নিৰ্বাচনী ইস্তাহাৰত যে ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ ফিৰাই অনাৰ লক্ষ্য ৰাখিছে এইটো বিশেষ উল্লেখযোগ্য। কাৰণ যোৱা বছৰবোৰত বিশেষকৈ শেষৰ তিনিটামান বছৰত স্বৈৰতন্ত্ৰ; উৎপীড়ন আৰু দুৰ্নীতিয়ে যি ধৰণেহে জনজীৱনক পঙ্গু আৰু অথৰ্ব কৰি তুলিছে তাৰ প্ৰতিকাৰৰ কাৰণে কৰবাত এটা আৰম্ভণি হ'বই লাগিব। শ্ৰীগান্ধীয়েও প্ৰচাৰৰ খাটিৰত সেই সুৰতে কথা কৈ গৈছে— তেওঁৰ কথাৰ মৰ্ম যদি আমি সৰল অৰ্থতে লওঁ তেনেহ'লে এই প্ৰতিকাৰৰ কাম আৰম্ভ কৰি দিবলৈ সৰ্বসাধাৰণ ৰাইজে নিজে আগবাঢ়ি আহিব লাগিব।

## *প্ৰাৰ্থী ভোটদাতা আৰু চৰকাৰলৈ*

অসমৰ মুখ্য সচিব শ্ৰীমতী পি ত্ৰিবেদীয়ে পৰহি গুৱাহাটী দূৰদৰ্শন যোগে অসমৰ আগন্তুক নিৰ্বাচনৰ কাৰণে ৰাইজ, প্ৰাৰ্থীসকল আৰু প্ৰশাসনৰ দায়িত্বৰ কথা সোঁৱৰাই দিছে। শান্তিপূৰ্ণ আৰু মুক্ত নিৰ্বাচনৰ ক্ষেত্ৰত যে এই তিনিওটা পক্ষৰ সহযোগৰ বিশেষ আৱশ্যক; সেই কথা আমিও উপলব্ধি কৰো। সেয়েহে ৰাজ্যখনৰ প্ৰশাসনৰ দ্বাৰা নিৰপেক্ষ অথচ দৃঢ়ভাৱে নিৰ্বাচনী পৰিবেশ সুস্থ কৰি ৰখাত আমি গুৰুত্ব দি আহিছো। মুখ্য সচিবে কৈছে যে নিৰ্বাচনৰ সময়ত যাতে নিৰ্ভয়ে সকলো বৰ্গৰ ৰাইজে নিজ বিবেচনাৰে ভোট দিব পাৰে আৰু যাতে এই ক্ষেত্ৰত কোনো ধৰণৰ হকা-বধাৰ সৃষ্টি

হ'ব নোৱাৰে; তাৰ বাবে ভোট দান-কেন্দ্ৰ ব্যাপক ভাবে তেনে দৃষ্টিৰে পতা হৈছে; নিৰাপত্তা সুদৃঢ় কৰিবলৈ যথেষ্ট সংখ্যক গৃহৰক্ষী-আৰক্ষী আনকি অৰ্দ্ধ সামৰিক বাহিনী যথা স্থানত ৰখোৱাৰ ব্যৱস্থাও কৰা হৈছে। আমি মাত্ৰ ক'ব খোজো যে; তদাৰকী মন্ত্ৰী সভাৰ প্ৰভাৱত আৰু এচাম আমোলাৰ চক্ৰান্তত শাসক দলৰ সুবিধা আৰু অন্যান্য বিৰোধী দলৰ অসুবিধা সৃষ্টি কৰা বুলি উঠা অভিযোগবোৰৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগৰ তীক্ষ্ণ দৃষ্টি আৰু লগতে প্ৰশাসনৰ কাৰ্যকৰী ব্যৱস্থা ৰাইজে বিচাৰে। দেখদেখকৈ সুবিধাজনক অৱস্থিতিত থকা শাসক দলৰ হৈ প্ৰশাসনৰ ব্যক্তি বা গোষ্ঠী চক্ৰই যাতে অগণতান্ত্ৰিক উপায় অৱলম্বন কৰিব নোৱাৰে সেই বিষয়ে নিশ্চয়তা বিচাৰিহে প্ৰাৰ্থী সকলো উদ্বিগ্ন আৰু ভোটদাতা ৰাইজো উত্তেজিত হোৱাৰ থল ওলায়।

আমি এই স্তম্ভত বাৰে বাৰে সকিয়াই আহিছো যে অসমৰ শান্তিপ্ৰিয় জনসাধাৰণে বিভিন্ন ধৰ্ম ভাষা জাতি উপজাতিৰ মাজত সাতামপুৰুষীয়া সংহতি-সমন্বয়ৰ প্ৰবাহমান সোঁতটো চলি থকাটোকে বিচাৰে। অথচ সংহতিৰ জয়ধ্বনি দিয়া ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় বুলিও ক'ব খোজা দল বিশেষে ভোটদাতা ৰাইজক জাতি-উপজাতি; ধৰ্ম ভাষা আৰু ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা বুলি ভাগ ভাগ কৰি উচটনি দি অসমবাসীৰ সামূহিক প্ৰবাহৰ বাবে আগবঢ়া ব্যক্তি বা দলৰ বিপৰীতে প্ৰচাৰ চলায়। আমি মুখ্য সচিবক এই দিশলৈহে বিশেষ কাৰ্যকৰী দৃষ্টি ৰাখিবলৈ আহ্বান জনাওঁ। প্ৰশাসন নিকা হ'লে; নিৰপেক্ষ হ'লে— সমাজ বিৰোধী মনোভাবৰ নৈতিকতাবিহীন চক্ৰয়ো অন্যায় আচৰণ কৰিবলৈ সাহ কৰিব নোৱাৰে। আনহাতে ধন বিলাই বাহুবল দেখুৱাই নানান পদবী-পাৰ্মিট ঠিকা দালালিৰ টোপ আগবঢ়াই গণতান্ত্ৰিক দেশৰ নাগৰিকৰ মূল্যবান ভোটক বেপাৰৰ বেহানি কৰোৱাৰ প্ৰচেষ্টাইহে নিৰ্বাচনৰ প্ৰতি ঘৃণাৰ উদ্ৰেক কৰায়। আৰু তেনে পৰিবেশত ৰাইজৰ মনতো বিৰূপ ভাবৰ উদয় হয়; প্ৰাৰ্থী সকলেও মিছা প্ৰতিশ্ৰুতি বা মদ-ভাং টকা শিকা বিলাই সমগ্ৰ পৰিবেশ অস্থিৰ কৰি তোলে।



ইতিমধ্যে; তেনে ধৰণৰ বিৰূপ ক্ৰিয়াৰ বিষয়ে অভিযোগ উঠি আছে। সহজ-সৰল চাহবনুৱা বা প্ৰাক্তন চাহ বাগিচাৰ ব্যক্তি সকলক সন্ত্ৰাসৰ মাজত ৰখাবলৈও আৰক্ষী বা সশস্ত্ৰ বাহিনী ৰখাৰ দৰে অভিযোগ চৰকাৰী প্ৰশাসনৰ দুৰ্নামকে সূচাইছে। এই অভিযোগবোৰ যাতে সত্য নহয় বা হ'ব নোৱাৰে— এই কথাৰ প্ৰমাণেৰেহে চৰকাৰে প্ৰাৰ্থী তথা ভোটদাতা সকলৰ পৰা শান্তি কামনা কৰাৰ নৈতিক দায়িত্ব লাভ কৰিব পাৰিব।

মাজতে মাত্ৰ তিনিদিন থকা পৰত অসমৰ সকলো বৰ্গৰ ৰাইজে আমাৰ নিবেদন যাতে কুচক্ৰীৰ কোনো ধৰণৰ প্ৰৰোচনাত পৰি শান্তি ব্যাহত কৰা ধৰণৰ উত্তেজনাৰ বলি নহয়। অসমৰ ৰাইজে আজি ডেৰকুৰি বছৰৰ ওপৰে বিভিন্ন ক্ষমতা চক্ৰৰ অধীনত পোৱা অভিজ্ঞতাৰে; আৰু বিশেষকৈ যোৱা ছবছৰৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ধনজন মান মৰ্যাদাৰ ক্ষেত্ৰত চৰম নিষ্পেষণৰ স্মৃতিৰে এখন নিকা দুৰ্নীতিমুক্ত ন্যায়নিষ্ঠ চৰকাৰ বিচাৰি ৰায়দান কৰিব বুলি আমি আশা কৰিছো। আনহাতে ৰাষ্ট্ৰীয় দলবেঙ্গাৰৰ বহুমুখী স্বাৰ্থ আৰু ৰাজ্যখনকে ধৰি উত্তৰ পূৰ্বাঞ্চললৈ দেখুৱাই অহা অৱহেলা তথা উপনিবেশৰ দৰে ব্যৱহাৰৰ কথালৈ লক্ষ্য কৰি অঞ্চলটোৰ ন্যায্য দাবী সাহসেৰে দাঙি ধৰিব পৰা সকলকহে চৰকাৰ গঠনৰ সুবিধা দিয়াৰ কথা গভীৰ ভাবে উপলব্ধি কৰিব লাগিব। অকল উপলব্ধিয়েই নহয়; ক্ষুদ্ৰ ব্যক্তি বা গোষ্ঠী স্বাৰ্থ মোহাৰি পেলাই সকলো বৰ্গৰ ভাৰতীয়ৰ বাবে মহামিলন কেন্দ্ৰ ৰূপে অসমক গঢ়ি তোলাৰ দায়িত্ব লোৱা আঞ্চলিক দলৰ স্থিতি নিৰ্ণয়তো কাৰ্যকৰী ভাবে সহায় কৰাৰ সিদ্ধান্ত দৃঢ়তাৰে ল'ব লাগিব। খিলঞ্জীয়া জাতি-উপজাতি জনজাতি আৰু যুগে যুগে আহি ন্যায়সঙ্গত ভাবে অসমৰ সামগ্ৰিক কল্যাণৰ কামত জীণ যোৱা যিকোনো ভাৰতীয়ক সামৰি এখন সম্পদশীল শোষণমুক্ত শান্তিপূৰ্ণ ৰাজ্য ৰূপে অসমত আমি নতুন আশাৰ জোৱাৰ আহিব ধৰাৰ উমান পাইছো। এই আশা ফলৱতী কৰিবলৈকে অহা যোল ডিচেম্বৰৰ প্ৰত্যাহ্বানৰ সমুখীন হোৱাৰ সাহস গোটাবলৈ সকলোলৈকে আমি আহ্বান জনাওঁ।

## যোগ্য প্ৰত্যুত্তৰ

শান্তিপূৰ্ণভাৱে অসমত নিৰ্বাচন হৈ যোৱাটো সন্তোষৰ কথা। আমি অৱশ্যে নিৰ্বাচন শান্তিপূৰ্ণ হ'ব বুলিয়েই বিশ্বাস ৰাখিছিলো। ১৯৮৩ চনৰ নিৰ্বাচন অসমৰ বিপুল সংখ্যক ৰাইজে বৰ্জন কৰিছিল— ৰক্তাক্ত ঘটনাৰ জৰিয়তে নহয়, স্বতঃস্ফুৰ্ত সঁহাৰিৰে। পিচে তাৰ মাজতে যিবোৰ নাটকীয় কাণ্ড ঘটিল— সেইবোৰ সৰ্বসাধাৰণ ৰাইজৰ দ্বাৰা সংঘটিত হোৱা নাছিল। হৈছিল— এচাম ধুৰন্ধৰ ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত বিশেষ এচাম লোকৰ দ্বাৰা। পিচে এইবাৰৰ নিৰ্বাচনৰ স্থিতি তেনেই সুকীয়া— সেইদেখি নাৰকীয় কাণ্ডৰ বাবে সুৰুঙা নাছিল। তেনে দানৱীয় কাৰ্যৰ মুখ্য প্ৰবক্তাসকলে এইবাৰ ৰাইজৰ আগত থিয় দিবলৈকে সাহস গোটাব নোৱাৰিলে। সেইবুলি অশান্তি বিচৰা সকলে তেওঁলোকৰ চেষ্টা পৰিহাৰ কৰা নাছিল। এচাম ৰাজনীতিৰ বেপাৰী, ৰাজ্যান্তৰৰ এভাগ বাতৰি কাকতকে ধৰি কিছুমানে অসমত নিৰ্বাচন পাতিলেই অশান্তি হ'ব বুলি প্ৰচাৰ চলাইছিল। আনকি অসমৰ তত্বাৱধায়ক মুখ্যমন্ত্ৰী গৰাকীয়েও সেই সুৰতে কথা কৈ অসমৰ ৰাইজক স্তম্ভিত কৰি তুলিছিল। সেই প্ৰবক্তা সকলৰে এভাগে সংযুক্ত সংখ্যালঘু মৰ্চাক সাঙুৰি তেনে অশান্তিৰ সম্ভাৱনাৰ কথাও ব্যক্ত কৰিছিল। পিচে এই মৰ্চাক শাসক দলে এতিয়া দানৱৰ ৰূপত ৰূপায়িত কৰাৰ চেষ্টা কৰিলেও এটা কথা ক'বই লাগিব যে শাসক দলৰ পৰা আতৰি অহাৰ লগে লগে তেওঁলোক দানৱ হৈ নপৰে। সংযুক্ত সংখ্যালঘু মৰ্চাৰ 'মৰ্চা' শব্দটোহে নতুন— বাকী মানুহখিনি একেই। তেওঁলোকে শাসক দলত বা এই দলৰ সমৰ্থক হৈ থাকোতে যি কাম কৰিছিল এতিয়াও তেওঁলোকৰ কাৰ্যকলাপ একে ধৰণৰ।

নিৰ্বাচন শান্ত পৰিবেশৰ মাজত পাৰ কৰি অসমৰ ৰাইজে ৰাজনৈতিক ধুৰন্ধৰ সকলক যোগ্য প্ৰত্যুত্তৰ দিলে। দ্বিতীয়তে এইবাৰৰ নিৰ্বাচনৰ গুৰুত্ব ৰাইজে সম্যক ভাবে উপলব্ধি কৰাটোও আন এটা কৃতিত্ব। এইবাৰ গড় হিচাপত প্ৰায় ৮০ শতাংশ লোকে ভোটদান কৰিছে। এইটো এটা অভিলেখ। ১৯৫২ চনত ৫০%, ৫৭ চনত ৪৭%, ৬২ চনত ৫২.৭৭%, ৬৭ চনত ৬১.৮৯%, ৭২ চনত ৬১.১৪%, ৭৮ চনত ৬৬.৮৫%, ভোটাৰে ভোট দিয়াৰ বিপৰীতে এইবাৰ অভিলেখ সংখ্যক ভোটাৰে ভোট দি গণ চেতনা প্ৰতিফলিত কৰিলে। এই চেতনা যদি অব্যাহত থাকে তেন্তে আগলৈকো ৰাজনৈতিক ধুৰন্ধৰ জাকে ৰাইজক ভেড়া ৰূপে ব্যৱহাৰ কৰিব নোৱাৰিব। অসমৰ নগৰ-গাঁও সকলোতে উদয় হোৱা এই চেতনাৰ ওপৰত আমি বহুতখিনি ভৰসা ৰাখিছো— বিশেষকৈ ভৱিষ্যতৰ কাৰণে।



## অসম গণ পৰিষদ সফলতাৰ

এইবাৰৰ নিৰ্বাচনৰ ফলে ৰাইজৰ ইচ্ছা-আকাংক্ষা প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। নিৰ্বাচনৰ সকলো ফল এতিয়াও প্ৰকাশ পোৱা নাই। সেইদেখি নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰ প্ৰশ্নটো এতিয়াও অমীমাংসিত আৰু সেই কাৰণে কোনে চৰকাৰ গঠন কৰিব সেই বিষয়ে খাটাং ভাবে ক'ব পৰা অৱস্থা হোৱা নাই। কিন্তু সেইটো নিশ্চিত যে সৰ্বাধিক সংখ্যক সদস্য অসম গণ পৰিষদৰ হাততে থাকিব। তাৰ পৰৱৰ্তী পৰ্যায়ৰ চূৰান্ত ৰূপৰ বাবে আমি ক্ষন্তেক বাট চাব লাগিব।

অসম গণ পৰিষদৰ জয়যাত্ৰা বিস্ময়কৰ। সিদিনা মাত্ৰ গঠিত হোৱা এই আঞ্চলিক দলটোৱে অলেখ বাধা অতিক্ৰম কৰি সফলতাৰ মুখ দেখা পালে। শাসক দল ৰাজ্যান্তৰৰ বাতৰি কাকত এচাম ৰাজনৈতিক নেতা চৰকাৰী প্ৰচাৰ মাধ্যম আদি বিভিন্ন মহলৰ প্ৰবল অপপ্ৰচাৰৰ মূৰতো অসম গণ পৰিষদ সফল হ'ল— ৰাইজৰ অন্তৰভৰা সহযোগিতাৰ বলত। ৰাজ্যখনৰ প্ৰতি কৰা চৰম অবিচাৰৰ প্ৰতিকাৰ বিচৰা ৰাইজে অসম গণ পৰিষদৰ

ওপৰতে নিশ্চিত ভাৰসা ৰাখিলে। এই গণ জাগৰণৰ ঢৌত সকলো উটি গ'ল। কংগ্ৰেছ (ই) দল, চি পি এম আদিয়ে স্থিতি হেৰুৱালে। জনতা পাৰ্টি, বি জে পি আদিয়ে খোপনিকে ৰাখিব নোৱাৰিলে। প্ৰাৰ্থীৰ সংখ্যা বহুতো বেছি হোৱাত ভোটৰ বিভাজনৰ যি আশংকা কৰা হৈছিল— তাৰো থল নোহোৱা কৰিলে ভোটাৰৰ অবিচলিত সিদ্ধান্তই। তদুপৰি এইটো মন কৰিব লগীয়া কথা যে অসম গণ পৰিষদ সম্পৰ্কে যিমানেই অপপ্ৰচাৰ চলোৱা নহওক— এই আঞ্চলিক দলে অকল অসমীয়া মানুহৰ বা বিশেষ এটা ধৰ্মৰ লোকৰ মন চোৱা সীমাবদ্ধ ভূমিকা লোৱা না। বিভিন্ন ধৰ্মীয় বিভিন্ন ভাষা-ভাষী লোকৰ মনো চুইছে। নিৰ্বাচনৰ ফলেই তাৰ প্ৰমাণ দিছে। সেইদেখি কংগ্ৰেছ (ই), চি পি এম আৰু সংযুক্ত সংখ্যালঘু মৰ্চাৰ কৌশলেও কাম নিদিলে। চিৰন্তন ৰূপে থকা ভোট বেংক ভাগি গ'ল বিভিন্ন ধৰ্মীয় আৰু বিভিন্ন ভাষা-ভাষী লোকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰি লাভ আদায় কৰা কৌশল অকামিলা হ'ল। জনজাতীয়-অজনজাতীয়ৰ মাজত সৃষ্টি কৰা বিভাজন উফৰি গ'ল। সেইদৰে চাহ বাগিচাৰ বনুৱাসকলক আঠুৱা তলৰ মহৰ দৰে ব্যৱহাৰ কৰাৰ দিনো উকলিল। মুঠতে নতুন চেতনাই সামগ্ৰিক ৰূপত সমগ্ৰ অসমকে ছাটি ধৰি নতুন আশাৰ পোহৰ বিলালে।

এই আশাৰ মুহূৰ্তত কিন্তু বিশেষ সতৰ্কতাৰ প্ৰয়োজন। এই কথা পাহৰিলে নহ'ব যে এয়া আৰম্ভণিহে— শেষ নহয়। সমুখত গধুৰ কৰ্তব্য বৈ আছে। সেইদেখি এতিয়া কামৰ প্ৰস্তুতিৰ সময়। বিজয়ৰ উল্লাসত মাত্ৰ হেৰুওৱাৰ সময় নহয়। আনহাতে এই মুহূৰ্তৰ শান্তি-শৃংখলা ঐক্য অটুট ৰখাৰ বাবে প্ৰতিজন সচেতন লোক প্ৰতি পদক্ষেপতে সতৰ্ক হৈ থকাৰ সময়। আমি সমূহ ৰাইজৰ দৃষ্টি এই বিষয়লৈ আকৰ্ষণ কৰিলো আৰু লগতে ভাৰসা ৰাখিলো যে অত বছৰে প্ৰদৰ্শন কৰা সচেতনতা ৰাইজে এই মুহূৰ্ততো প্ৰদৰ্শন কৰিব।



# অসম গণ পৰিষদৰ চৰকাৰ সম্পৰ্কে

নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা অসম গণ পৰিষদ এতিয়া দলৰ নেতা নিৰ্বাচন কৰি চৰকাৰ গঠনৰ বাটত আৰু এখোজ আগবাঢ়িল। নতুন নেতা আৰু দলৰ নৱ নিৰ্বাচিত প্ৰাৰ্থী সকললৈ ওলগ জনোৱাৰ লগতে আমি এতিয়া তেওঁলোকৰ দায়িত্বৰ কথা সোঁৱৰাই দিলো। নতুন চৰকাৰে ৰাইজৰ ইচ্ছা আকাংক্ষা পূৰণ কৰিব পাৰিব লাগিব। সেইদেখি চৰকাৰ গঠন কৰোতে সুচিন্তিত নীতিৰে আগবঢ়া উচিত। এই ক্ষেত্ৰত কোনো হেঁচা, দৰদাম আদিব বাবে স্থান থাকিব নেলাগিব। মন্ত্ৰী হ'বলৈ হেতা-ওপৰা লগাব নেলাগিব আৰু লগালেও তাক প্ৰশ্ৰয় দিব নেলাগে। সৰহ মন্ত্ৰী লৈ পূৰ্বতে যিবোৰ ৰাজনৈতিক অংক কৰা হৈছিল; তেনে আৰু কৰাৰ প্ৰয়োজন এইবাৰ নাই। সেইদেখি কামৰ বাবে প্ৰয়োজন হোৱা মতেহে মন্ত্ৰী ল'ব লাগে! অৱশ্যে প্ৰতিনিধি-স্থানীয় মন্ত্ৰী সভা হোৱাৰ প্ৰতি লক্ষ্য ৰখা উচিত হ'ব।

আঞ্চলিক দলৰ নতুন মুখ্যমন্ত্ৰী বহুতখিনি বাধ্যবাধকতাৰ পৰা মুক্ত হ'ব। অৰ্থাৎ ইমান দিনে দিল্লীৰ 'মোচাহেৰী' কৰা আৰু দিল্লীৰ চিত্ত বিনোদনকে একমাত্ৰ লক্ষ্য ৰূপে ধৰা মুখ্যমন্ত্ৰীকে আমি পাই আহিলো। ফলত ৰাইজৰ ইচ্ছা-আকাংক্ষাৰ বাটত সদায় বাধাৰ প্ৰাচীৰ থিয় হোৱা দেখা গৈছিল। এইবাৰ অসম গণ পৰিষদৰ মুখ্যমন্ত্ৰী তেনে বাধাৰ পৰা মুক্ত। মুখ্যমন্ত্ৰীয়ে যোগ্য লোকসকলক লৈ মন্ত্ৰীসভা গঠন কৰিলে কামত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত সুবিধা পাব। এইখিনিতে এটা কথা সঁকিয়াই দিয়া ভাল হ'ব যে বিদেশী নাগৰিক সংক্ৰান্ত আন্দোলনৰ মূৰত গঠিত হোৱা অসম গণ পৰিষদ অসম চুক্তি সোনকালে কাৰ্যকৰী কৰাৰ বাবে অঙ্গীকাৰবদ্ধ। ইতিমধ্যে প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে অসমৰ নিৰ্বাচনৰ ফলৰ সম্পৰ্কত শেহতীয়াকৈ কৰা মন্তব্য বিশেষ তাৎপৰ্যপূৰ্ণ। বিদেশী অনুপ্ৰৱেশ চলিবলৈ দিব নোৱাৰি বুলি কৰা স্পষ্ট মন্তব্য আৰু কংগ্ৰেছ (ই) দেশৰ একতা আৰু

অখণ্ডতাক দলৰ উৰ্দ্ধত স্থান দিব বুলি কৰা মন্তব্যৰ পৰা ধাৰণা জন্মিছে যে অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰৰ সহযোগ নোপোৱাকৈ নেথাকিব। সেই দেখি ৰাজ্য চৰকাৰে তাৰ বাবে নিজক সষ্টম কৰিব লাগিব। তাৰ বাবে প্ৰয়োজন হ'ব— উপযুক্ত লোকক গৃহমন্ত্ৰী পতা আৰু আৰক্ষী বিভাগৰ পুনৰবিন্যাস ঘটোৱা। সেইদৰে অসমৰ পৰিকল্পনা, মাটি নীতি; উদ্যোগকৰণ আদি গুৰুত্বপূৰ্ণ বিষয়বোৰৰ দায়িত্বও উপযুক্ত মন্ত্ৰীৰ হাতত ন্যস্ত হ'ব লাগিব। সংখ্যালঘু জনগোষ্ঠীৰ মাজত আস্থাৰ ভাব স্থাপন কৰাৰ ব্যৱস্থাও ল'ব লাগিব।

অৱশ্যে নতুনকৈ নিৰ্বাচিত হোৱা সকলৰ সৰহ ভাগেই কম বয়সীয়া আৰু অনভিজ্ঞ বুলি কেতবোৰ মন্তব্য শুনা গৈছে। এই ক্ষেত্ৰত যদি কিবা বাধাৰ সন্মুখীন হ'বলগীয়া হয় তেন্তে তাৰ প্ৰতিকাৰৰ বাবেও শাসক দলে ব্যৱস্থা কৰিব পাৰে। বিভিন্ন বিষয়ৰ বিশেষজ্ঞ ৰূপে পৰিগণিত লোক এভাগক লৈ শাসক দলে বিশেষজ্ঞ সমিতি পাতি সহায় ল'ব পাৰে—যাতে তেনে মহলৰ পৰামৰ্শ সহায়ক হৈ উঠে।

সৰ্বশেষত আমি সোঁৱৰাই দিব খোজো যে সম্প্ৰতি যি দুৰ্নীতিৰ পোহাৰ চলিছে— সেই দুৰ্নীতিৰ গৰাহত যেন নতুন চৰকাৰৰ সদস্য তথা শাসক দলৰ সদস্য সকল নপৰে।

## নতুন চৰকাৰলৈ ওলগ

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অসম গণ পৰিষদৰ একৈশ জনীয়া মন্ত্ৰী সভাই কালি নেহৰু ষ্টেডিয়ামত বিপুল জনসংখ্যাৰ উপস্থিতিত ৰাজহুৱা ভাবে শপত গ্ৰহণ কৰিলে। আৰম্ভণিৰ এই ব্যতিক্ৰমেই আঞ্চলিক দলৰ প্ৰথম ৰাজ্য চৰকাৰ নিজৰ ভাবমূৰ্তি প্ৰতিষ্ঠিত কৰি ৰাইজৰ লগত মাউখে উটাৰ সংকল্প প্ৰকাশ কৰিছে। আঞ্চলিক দল বুলিলেই অস্পৃশ্য বুলি ভবা



সকলে যিহকে নহওক (অৱশ্যে সেই সকলেই চৰকাৰৰ স্থিতি ৰক্ষা কৰাৰ বাবে প্ৰয়োজন হোৱাৰ সময়ত আৰু নিৰ্বাচনৰ সময়ত ঠেকত পৰিলে আঞ্চলিক দলৰ সৈতে হাত মিলাওতে আঞ্চলিক দলক অস্পৃশ্য বুলি নেভাবে) ৰাইজে এতিয়া আঞ্চলিক দললৈকে আশাৰ চকুৰে চাইছে আৰু এইবাৰৰ নিৰ্বাচনত বিপুল ভোটাধিকাৰত আঞ্চলিক দলকে ক্ষমতাত অধিষ্ঠিত কৰিছে।

অসম গণ পৰিষদ অসমৰ ৰাইজৰ ইচ্ছা আকাংক্ষাৰ প্ৰতি দায়বদ্ধ। অসমৰ অস্তিত্ব ৰক্ষাৰ হকে যিসকলে মৰণ পণ কৰি সুদীৰ্ঘ আন্দোলন চলাইছিল সেই সকলেই ৰাইজৰ ইচ্ছা আকাংক্ষা পূৰণ কৰাৰ বাবে অসম গণ পৰিষদ গঠন কৰিলে। এতিয়া দ্বিতীয় তথা কঠিন পৰ্যায়ত অসম গণ পৰিষদ উপনীত হ'ল। চৰকাৰ চলোৱাৰ দায়িত্ব পৰিছে আপেক্ষিক ভাবে কম বয়সীয়া আৰু প্ৰশাসনৰ অভিজ্ঞতা নথকা এচাম নিষ্ঠাবান উদ্যোগী লোকৰ কান্ধত। আমাৰ বিশ্বাস— তেওঁলোক এই ক্ষেত্ৰতো জয়যুক্ত হ'ব। মাত্ৰ কেতবোৰ কথাত তেওঁলোক সতৰ্ক হ'ব লাগিব আৰু কেতবোৰ ক্ষেত্ৰত বিশেষ ভাবে সচেষ্ট হ'ব লাগিব।

নতুন চৰকাৰে প্ৰশাসন নিয়াৰিকৈ চলাবলৈ প্ৰশাসনৰ ভিতৰখন অবিলম্বে নিকা কৰিব লাগিব। পূৰ্বৰ চৰকাৰে ৰাজনীতি আৰু ন্যস্ত স্বাৰ্থৰ খেল খেলাৰ উপযোগী হোৱাকৈহে প্ৰশাসনীয় গাথনিৰ ৰূপ দিছিল। তাৰ অৱসান ঘটিবই লাগিব। প্ৰশাসনীয় ক্ষেত্ৰত হস্তক্ষেপৰ সীমা চেৰাই যোৱাটোও আনহাতে বন্ধ হ'ব লাগিব। দুৰ্নীতিৰ পংকিলতা দূৰ কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা হাতত ল'ব নোৱাৰিলে নতুন চৰকাৰো সেইখন জালত সোমাই পৰিব। অসম চুক্তি কাৰ্যকৰী কৰাৰ বাবে তৎপৰতাৰে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰিব লাগিব— এই ক্ষেত্ৰত এটা সময় সীমা নিৰূপিত হোৱা উচিত। ৰাইজৰ জৰুৰী সমস্যাবোৰ (মূল্য বৃদ্ধিকে ধৰি) দূৰ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপৰো নিতান্ত প্ৰয়োজন।

২১ জনীয়া মন্ত্ৰী সভাই আপেক্ষিক গুৰুত্ব নিৰ্ণয় কৰি পৰিকল্পিত

কাৰ্যসূচীৰে কামত আগবাঢ়িব পাৰিব বুলি আমি আশা কৰিছো। সৰু মন্ত্ৰী সভাৰ লক্ষ্য লৈ আৰু মন্ত্ৰী লোৱাৰ হেঁচা ৰোধ কৰি মন্ত্ৰীৰ বাছনি আৰু দপ্তৰ বিতৰণ সুচিন্তিত ভাবে কৰা হৈছে বুলি স্বীকাৰ কৰিও অৱশ্যে ক'ব লগা হ'ল যে অৱদান আৰু যোগ্যতাৰ ফালৰ পৰা অৰ্ন্তভুক্তি হ'ব লগীয়া দুই-এজন বাদ পৰাত কিছুমান মহলত অসন্তুষ্টিৰ থল ৰাখি থোৱা হ'ল।

নতুন মন্ত্ৰী সভাই অবাঞ্ছনীয় হেঁচা আৰু বিধায়কৰ অবাঞ্ছনীয় হস্তক্ষেপ আদি বিকাৰবোৰে যাতে দেখা দিব নোৱাৰে তাৰ প্ৰতিও বিশেষ ভাবে লক্ষ্য ৰাখিব লাগিব। আনহাতে আমাৰ দেশত চৰকাৰৰ গাত ভেনা মাখি পৰাদি এচাম অবাঞ্ছনীয় লোক পৰাটো এক প্ৰকাৰ নিয়মত পৰিণত হৈছেগৈ আৰু তাৰ ফলতে চৰকাৰ পথভ্ৰষ্ট হোৱাৰো ডেধাৰ দৃষ্টান্ত আছে। অসম গণ পৰিষদৰ নতুন চৰকাৰ সেই বিষয়ত সচেতন হ'ব আৰু নিজক পূৰ্বৰ চৰকাৰৰ তেনে বিকাৰৰ পৰা নিলগত ৰাখিব বুলি আমি আশা ৰাখিছো।

আমি মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু তেওঁৰ মন্ত্ৰীসভাৰ সতীৰ্থ সকলক শুভেচ্ছা জনালো আৰু নতুন অসম গঢ়াৰ যাত্ৰা জয়যাত্ৰাত পৰিণত হ'ব বুলি ভৰসা ৰাখিলো।

## চৰকাৰৰ কৰ্তব্য

অসম গণ পৰিষদৰ দ্বাৰা গঠিত নতুন ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সাংবাদিক মেলত আৰু ইতিমধ্যে কৰা ৰাজহুৱা ঘোষণাত চৰকাৰৰ কাৰ্য-ব্যৱস্থা সম্পৰ্কে বিভিন্ন ইঙ্গিত দিছে। তাৰ ভিতৰত বুধবাৰে গুৱাহাটীৰ সাংবাদিক মেলত কৰা কেইটামান মন্তব্য সম্পৰ্কে দুআষাৰ আলোচনা কৰাটো প্ৰয়োজনীয়।



আন্দোলনৰ সময়ত অত্যাচাৰী ভূমিকা গ্ৰহণ কৰা পুলিচ বিষয়া সকলৰ (যিসকলৰ বিৰুদ্ধে অভিযোগ আছে) বিৰুদ্ধে চৰকাৰে ব্যৱস্থা লোৱা সম্পৰ্কে প্ৰশ্ন কৰোতে মুখ্যমন্ত্ৰীয়ে কয় যে পুলিচ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'ব নোৱাৰাকৈ আগৰ ৰাজ্য চৰকাৰে বিধি কৰি থৈ গৈছে। সেই বিধি বাতিল কৰাৰ পিচতহে যথাবিহিত ব্যৱস্থা ল'ব পৰা হ'ব। এই প্ৰশ্নোত্তৰৰ দুটা দিশ বিচাৰ কৰি চাব লাগিব। ফৌজদাৰী দণ্ডবিধি সংশোধনী আইন প্ৰত্যাহাৰ কৰাটো নিতান্ত প্ৰয়োজনীয় বিষয়। এই সংশোধনীয়ে প্ৰশাসনীয় বিষয়া আৰু আৰক্ষী বিষয়াক আদালতৰ গণ্ডীৰ পৰা আতৰাই নি যথেচ্ছাচাৰ কৰিবলৈ অবাধ স্বাধীনতা দিয়াৰ ফলতে ৰাজ্যত নাৰকীয় কাণ্ড ঘটিবলৈ পালে। তাৰ সুবিচাৰৰ থল নোহোৱা হ'ল; আদালতৰ কৰ্তৃত্ব সংকুচিত হ'ল; আনহাতে ন্যায়পালিকাৰ পৃথককৰণ ব্যৱস্থাক অস্তিত্ববিহীন কৰি ন্যায়িক দণ্ডাধীশৰ কতৃত্বও কাৰ্যবাহী দণ্ডাধীশৰ হাতলৈ কাঢ়ি নিয়া হ'ল। বৃহত্তৰ স্বাৰ্থতে এইবোৰ ব্যৱস্থা পৰিহাৰ কৰাটো প্ৰয়োজনীয়। কিন্তু ব্যাপক ভিত্তিত প্ৰশাসনীয় বা আৰক্ষী বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ স্বাৰ্থতহে এই সংশোধনী প্ৰত্যাহাৰ কৰাটো প্ৰয়োজনীয় বুলি আমি গণ্য নকৰো। যোৱা কেই বছৰত ঘটা কেতবোৰ ঘটনাৰ বিচাৰ অৱশ্যে হ'ব লাগিব। পংকাৰ ঘটনা মুকুনি বালা ৰায়ৰ হত্যাকাণ্ড আদি বছা বছা কেতবোৰ ঘটনাৰ বিচাৰ হ'ব লাগে। ভৱিষ্যতৰ ৰক্ষাকৱচ হিচাপেই তাৰ প্ৰয়োজন। কিন্তু পাইকাৰী ভিত্তিত বিচাৰ চলোৱাৰ আমি পক্ষপাতী নহওঁ। হাতত থকা সময় অধিক যোগাবৰ কামতহে চৰকাৰে নিয়োগ কৰিব লাগে। এই ক্ষেত্ৰত আমি দিল্লীৰ জনতা আমোলৰ কথা উনুকিয়াব পাৰো। কেন্দ্ৰৰ জনতা চৰকাৰে তদন্ত আদিত সময় ক্ষয় কৰাৰ ফলত পিচত বাধাগ্ৰস্ত হ'বলগীয়া হৈছিল। তেনে পৰিণতিৰ পুনৰাবৃত্তি হোৱাটো আমি নিবিচাৰো। চৰকাৰে কঠোৰ ভাৱে প্ৰশাসনীয় ক্ষেত্ৰত সালসলনি ঘটাই যোগ্যজনক যোগ্য স্থানলৈ আনি ভৱিষ্যতৰ নিশ্চয়তা অনাতহে অধিক পৰিমাণে মনোনিবেশ কৰিব লাগে। আগৰ আমোলত মেৰুদণ্ড পোনাই থকা বিষয়া যোগ্য বিষয়া আদিয়ে

সুবিচাৰ পোৱা নাছিল। তেওঁলোকৰ ঠাইত শাসক দলৰ বিদুষক ৰূপে থকা ৰাজনীতি কৰা আৰু দুৰ্নীতিপৰায়ণ বুলি কুখ্যাতি থকা কিছুমান বিষয়াই সাধাৰণ প্ৰশাসন আৰু আৰক্ষী বিভাগৰ কিছু ক্ষেত্ৰত গোঁজ পুতি ল'লে। সেইবোৰ ত্ৰুটি দূৰ কৰাৰ প্ৰতিহে অধিক মনোযোগ দিব লাগে।

# দ্বিতীয় ভাগ

## (ক)
## *ভোটাৰ তালিকাৰ সংশোধন*

ৰাজ্যপাল শ্ৰীভীষ্ম নাৰায়ণ সিঙে দিল্লীৰ পৰা উলটি আহি পি টি আইৰ আগত কৈছে যে ৰাজ্যৰ ভোটাৰ তালিকা কিহৰ ভিত্তিত সংশোধন কৰা হ'ব সেই বিষয়ে নিৰ্বাচনী আয়োগে আহ্বান কৰা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলবোৰৰ বৈঠকত স্থিৰ কৰা হ'ব বুলি তেওঁ আশা কৰে আৰু গোটেই বিষয়টো নিৰ্বাচনী আয়োগৰ হাতত থকা বুলি ৰাজ্যপালে কয়। অসমৰ সাম্প্ৰতিক সমস্যাৰ ক্ষেত্ৰত ৰাজ্যপাল গৰাকীয়ে কি ভূমিকা লৈছে, সেই বিষয়ে স্পষ্ট ভাবে আমি একোকে জানিব পৰা নাই। অৱশ্যে আগৰজন ৰাজ্যপালৰ ভূমিকা যে এতিয়ালৈকে অনুসৰণ কৰা নাই, সেই কথা ক'ব পৰা অৱস্থাত আমি এতিয়াও আছো। আগৰজন ৰাজ্যপালে পোনপটীয়া ভাৱে ইন্দিৰা কংগ্ৰেছৰ ৰাজনীতিত জপিয়াই পৰি বলপূৰ্বক ভাৱে অসমত নিৰ্বাচন পতাত বিশেষ ভূমিকা লৈ অসমত তেজৰ নৈ বোৱাত বৰঙণি যোগালে। কিন্তু বৰ্তমানৰ ৰাজ্যপালে এই পদত নথকা অৱস্থাত দিল্লীত যিহেতু অসমৰ আন্দোলনৰ নেতৃবৰ্গৰ সৈতে আলোচনা চলোৱাৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল, সেইদেখি আমি আশা ৰাখিছো যে এইজন ৰাজ্যপাল আগৰজনৰ ভূমিকাৰ পৰা নিলগত থাকিব আৰু অসমৰ ৰাইজৰ নাড়ীনক্ষত্ৰ বুজি কাম কৰাৰ বাবে অগ্ৰসৰ হ'ব। সেই কাৰণে আগৰজন ৰাজ্যপালে জাপি দিয়া ধৰণৰ নিৰ্বাচন এইজন ৰাজ্যপালৰ আমোলত অনুষ্ঠিত নহ'ব বুলিয়েই আমি আশা কৰিছো।

অৱশ্যে নিৰ্বাচনৰ ক্ষেত্ৰত ভাৰতৰ নিৰ্বাচনী আয়োগে নিজৰ কৰ্তৃত্ব খটুৱাই আৰু দেশৰ চলিত আইনৰ ভিত্তিত কাৰ্য-ব্যৱস্থা হাতত লৈ আগবঢ়া হ'লে অসমত আজিৰ অনিশ্চয়তাই দেখা নিদিলেইহেঁতেন। ৰাজ্যপালে পি



টি আইৰ আগত কোৱা মতে অসমৰ ভোটাৰ তালিকাৰ গোটেই বিষয়টো নিৰ্বাচনী আয়োগৰ হাতত আছে। কিন্তু কাৰ্যক্ষেত্ৰত আমি তাৰ ওলোটা ছবি এখনহে দেখা পাইছো, নিৰ্বাচনী আয়োগতকৈ আয়োগৰ বাহিৰত চলা ৰাজনৈতিক হেঁচাইহে প্ৰাধান্য লাভ কৰি বিধি-পথালি দি আছে আৰু তাৰ বিপৰীতে নিৰ্বাচনী আয়োগে সবল স্থিতি এটা ল'ব পৰা নাই। ৰাজ্যপালে আশা কৰিছে যে নিৰ্বাচনী আয়োগে আহ্বান কৰা ৰাজনৈতিক দলৰ সভাতে অসমৰ ভোটাৰ তালিকা সম্পৰ্কে স্থিৰ কৰা হ'ব। পিচে সেইটো জানো আয়োগে পতা আগৰখন বৈঠকতে স্থিৰ কৰা হোৱা নাছিল? ১৯৭১ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত অসমত নিৰ্বাচন পাতিব লাগে বুলি সেই বৈঠকতে পৰামৰ্শ দিয়া হৈছিল। কিন্তু চি পি এম দলে বিৰোধিতা কৰাত আৰু ইন্দিৰা কংগ্ৰেছ দলে বিভিন্ন কাৰ্য-ব্যৱস্থাৰ জৰিয়তে আৰু দিছপুৰত অধিষ্ঠিত ইন্দিৰা কংগ্ৰেছৰ চৰকাৰে সকলো ধৰণৰ প্ৰতিবন্ধকৰ সৃষ্টি কৰাৰ লগতে বিভ্ৰান্তিকৰ বিভিন্ন অজুহাত উলিয়াই সেই পৰামৰ্শৰ পথ ৰোধ কৰি ৰাখিব পাৰিলে। আগন্তুক বৈঠকতো যে তাৰে পুনৰাবৃত্তি নহ'ব— তাৰ কি নিশ্চয়তা আছে? আনহাতে ইমানখিনি বহুমূলীয়া সময় অবাবত পাৰ কৰি দিয়াৰ মূৰত এতিয়া আগন্তুক বৈঠকে ১৯৭১ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত অসমত নিৰ্বাচন পাতিব লাগে বুলি পৰামৰ্শ দিলেও আৰু তাকে মানি ল'লেও ১৯৭১ চনৰ ভোটাৰ তালিকা প্ৰকৃততে শুধৰোৱাটো সম্ভৱপৰ হ'বনে?

## *অসমৰ অনিশ্চিত ভৱিষ্যত*

ভোটৰ তালিকা সংশোধন নকৰাকৈ, বলেৰে পতা তিৰাশিৰ ৰক্তাক্ত নিৰ্বাচনে অসমৰ ৰাইজক হতাশ কৰাটো স্বাভাৱিক। এটা সংবিধানিক আৱশ্যকতাৰ বাবে তেনেদৰে নিৰ্বাচন পাতিব লগীয়া হোৱা বুলি কৈছিল যদিও তাৰ পিচতো দলীয় স্বাৰ্থক উৰ্দ্ধত ৰাখি এই ক্ষেত্ৰত এবছৰৰো

অধিক কালছোৱাত প্ৰতিকাৰৰ একো ব্যৱস্থা আন্তৰিকতাৰে কৰা দেখা নগ'ল। নিৰ্বাচনী আয়োগক কেন্দ্ৰীয় চৰকাৰ তথা ক্ষমতাত থকা দলে এই সমস্যা সমাধানৰ বাবে দ্ৰুত যুক্তিসঙ্গত ব্যৱস্থা লোৱাত উদগনি দিয়া দূৰৈৰ কথা, পাকে-প্ৰকাৰে তেনে চেষ্টাত প্ৰতিবন্ধকতা সৃষ্টি কৰা বুলিহে ক'ব পাৰি। শেহতীয়াকৈ নিৰ্বাচনী আয়োগে ১৯৭১ চনৰ ভোটাৰ তালিকাৰ ভেটিত অসমৰ ভোটাৰ তালিকা সংশোধন কৰিবলৈ আগবঢ়োৱা পৰামৰ্শৰ ক্ষেত্ৰত কোনো সঁহাৰি নজনোৱাটোৱেই তাৰ প্ৰমাণ। অথচ এই প্ৰস্তাৱ প্ৰায়বোৰ বিৰোধী দলৰ ঐক্যমতৰ ভেটীতেই আগবঢ়োৱা হৈছিল।

বলেৰে পতা তিৰাশীৰ নিৰ্বাচনত নিৰ্বাচিত সকলৰ স্বাৰ্থৰ দৃষ্টিৰে আৰু ইন্দিৰা কংগ্ৰেছৰ দ্বাৰা ৰাজ্যখনৰ প্ৰশাসন চলাই ৰখাৰ উদ্দেশ্যে আয়োগৰ পৰামৰ্শৰ বিৰুদ্ধে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত তাৰ বিৰোধিতাহে কৰোৱা দেখা গ'ল। শেষত ঘৰে ঘৰে গৈ ব্যাপক সংশোধনৰ নামত যি ব্যৱস্থা লোৱাৰ কথা আয়োগে শাসনাধিস্থ দলৰ সমৰ্থনত আগবঢ়াইছে— তাৰ দ্বাৰা অসম আন্দোলনৰ বিদেশী ভোটাৰক ভোটদানৰ পৰা বিৰত কৰাৰ দাবীৰ বিপৰীত ব্যৱস্থাহে হ'ব যেন লাগিছে। প্ৰাপ্তবয়স্ক সকলৰ ভোটদানৰ সুবিধা হ'ব ঠিকেই, কিন্তু যিসকল অবৈধ নাগৰিক— সেই সকলৰো নাম তথাকথিত সংশোধিত তালিকাত সোমাই পৰিব। এনেয়ে বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত ন্যস্ত স্বাৰ্থ চক্ৰই বাৰেকুৰি প্ৰশ্নৰ অৱতাৰণা কৰি আছে, তাতে এতিয়া অধিক জটিল প্ৰশ্ন এটাৰ সৃষ্টি হ'ব,— যিহেতু ভোটাৰ তালিকাত সোমাই সন্দেহজনক সকলেও ভাৰতীয় বুলি দাবী কৰাৰ আৰু এখন প্ৰমাণ পত্ৰ পাব।

এনে এটা অশুভ সম্ভাৱনাৰে ভৰা প্ৰস্তাৱৰ বিপৰীতে অসমৰ গণ আন্দোলনৰ গুৰি ধৰোতা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে পুনৰ কেন্দ্ৰীয় নিৰ্বাচনী আয়োগৰ আগত তেওঁলোকৰ দৃষ্টিভঙ্গী দাঙি ধৰিছে আৰু সংশোধন সম্পৰ্কত আয়োগে কি নিৰ্দেশনামা জাৰি কৰিব সেই কথা জানিবলৈ বিচাৰিছে। আচৰিত কথা এতিয়াও হেনো



আয়োগে স্পষ্ট নিৰ্দেশনামা দিয়া নাই, অথচ এসপ্তাহৰ পিচত ১৯ নবেম্বৰৰ পৰা অসমৰ ঠায়ে ঠায়ে ঘৰে ঘৰে গৈ এসপ্তাহৰ ভিতৰতে ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ যো-জা চলিছে বুলি বাতৰি ওলাইছে। অসমত বিদেশী চিনাক্ত কৰিবলৈ শতাধিক ত্ৰিবিউনেল গঠন কৰিবলৈ লোৱা বিফল ব্যৱস্থাৰ দৰেই হয়তো ঘৰে ঘৰে গৈ নাম টুকি অনা কামো কাকতে-পত্ৰইহে চলাই দিয়া হ'ব। আনকি অভিযোগ মতে কিছুমান ন্যস্ত স্বাৰ্থৰ নিয়ন্ত্ৰণত ৰাখিব পৰা আমোলা-বিষয়া বা গণনাকাৰীক নিযুক্ত কৰাৰ কামো হেনো চলি আছে। এইদৰে পুনৰ বলেৰে নিৰ্বাচন পাতি, গণতন্ত্ৰৰ ভেকোভাওনাৰ যি আয়োজন চলাব খোজা হৈছে— তাত বাধা দিবলৈ আন্দোলনকাৰী সকলে শেষত ৰাষ্ট্ৰপতিৰ হস্তক্ষেপৰ বাবে অনুৰোধ জনাবলগীয়া হৈছে। আলোচনাৰ জৰিয়তে অসমৰ সমস্যা সমাধানৰ যিকোনো চেষ্টাতে ন্যস্ত-স্বাৰ্থই বাধা দি আহিছে আৰু ৰাইজৰ সমৰ্থহীন এচাম স্বাৰ্থন্বেষী নেতাক আগত থৈ ৰাজ্যখনৰ তথা ৰাষ্ট্ৰৰে ভৱিষ্যত জলাঞ্জলি দিবলৈকে পিচ নুহুহকা হৈছে।

আমি আচৰিত হৈছো যে বিদেশী নাগৰিকৰ বাবে ইমান আকুল হোৱা সকলে দেশৰ প্ৰকৃত নাগৰিক সকলৰ আশা-আকাংক্ষাৰ কথা সমূলি পাহৰি গৈছে। লগতে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দিশেৰেও যে বিদেশী নাগৰিকৰ পৰা অভাৱনীয় বিপদৰ পৰা উদ্ভৱ হ'ব পাৰে— সেই কথা বহু তিক্ত অভিজ্ঞতাৰ পিচতো পাহৰি গৈছে! মাত্ৰ ক্ষমতা লাভৰ উদ্দেশ্যে ভোটৰ ভাণ্ডাৰত চকু ৰখাসকলৰ দ্বাৰা দেশৰ অমঙ্গল সধা কামৰ ক্ষেত্ৰত যদি কোনো প্ৰতিৰোধৰ ব্যৱস্থা নহয়,— তেনেহ'লে ভাৰতৰ কপালত কি আছে সেয়া অনিশ্চয়তাৰ গৰ্ভতহে বুলি ক'ব লাগিব। শাসনত থকা নথকা যিকোনো ৰাজনৈতিক দল তেনে ভৱিষ্যতৰ বাবে সম্পূৰ্ণ দায়ী হ'ব লাগিব আমি সেয়েহে এতিয়াও ক'ব খোজো যে বিদেশী সমস্যাৰ সমাধানহে আগ কথা;— অসমৰ নিৰ্বাচনতকৈ এই দিশৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিব লাগিব। নহ'লে তিৰাশী আৰু পঁচাশীৰ মাজত কোনো পাৰ্থক্য নাথাকিব— অন্ততঃ অসমৰ ৰাইজৰ কাৰণে। আৰু তথাকথিত গণতান্ত্ৰিক প্ৰতিনিধিত্বও তেনে অৱস্থাত হতভগীয়া অসমবাসীৰ বাবে বিদ্ৰূপ যেনহে হ'ব।

# ভোটাৰ তালিকা

অসমৰ ভোটাৰ তালিকাৰ 'ব্যাপক সংশোধন' কৰিবলৈ লোৱা ব্যৱস্থাই মূৰকত আমাক কি অৱস্থাত উপনীত কৰেগৈ— সেই চিন্তাই ইতিমধ্যে জুমুৰি দি ধৰিছে। অসমৰ বিদেশী নাগৰিকৰ মূল সমস্যাটোৰ পৰা ফালৰি কাটি থাকি চৰকাৰে ইচ্ছাকৃতভাৱে সৃষ্টি কৰা সংকটে অসমৰ ৰাইজক সকলো ফালৰ পৰা ক্ষতিগ্ৰস্ত কৰিলে। চৰকাৰে দলীয় স্বাৰ্থৰ বিবেচনাত এহাতে মূল সমস্যাটো সমাধান নকৰাঢক ৰাখিছে আৰু আনহাতে সেই একেটা স্বাৰ্থৰ তাগাদাতে অশুদ্ধ আৰু অসম্পূৰ্ণ ভোটাৰ তালিকাৰ ভেটিত বলপূৰ্বক ভাৱে ৰক্তাক্ত নিৰ্বাচন পাতি বিধান সভাত দলীয় ৰাজত্বৰ পট্টন ঘটালে। তাৰ পিচতো বহুতখিনি সময় পাৰ হৈ গ'ল— যিখিনি সময়ৰ ভিতৰত অসমৰ সমস্যা সমাধান কৰাৰ বাবে আন্তৰিকতাৰে চেষ্টা কৰা হ'লে সমাধান কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়ে নহ'ল। আনকি ভাৰতৰ নিৰ্বাচনী আয়োগে ১৯৭১ চনৰ তালিকাৰ ভেটিত ভোটাৰ তালিকা শুধৰাবৰ বাবে চলোৱা প্ৰচেষ্টাও বিফল কৰি দিয়া হ'ল। নিৰ্বাচনী আয়োগেও নিজৰ স্থিতি অবাঞ্ছনীয়ভাৱে সলনি কৰি ১৯৭১ চনৰ তালিকাৰ প্ৰসঙ্গটোকে তল পেলাই শেষত ব্যাপক সংশোধনৰ কথা উলিয়ালে।

সেয়ে এতিয়া জটিলতা আৰু বৃদ্ধি কৰিলে। কিয়নো অসমত এতিয়া যিটো চক্ৰৰ অবাধ প্ৰতিপত্তি বিস্তাৰিত হৈছে— সেই চক্ৰই এতিয়া 'ব্যাপক সংশোধন'ৰ গাত ভেজা দিয়েই শেহতীয়া ভাৱে অনুপ্ৰবেশ কৰা অভাৰতীয় লোককো গণনাৰ বেলিকা নাম ভৰাবলৈ সুযোগ দিব। সম্প্ৰতি নিৰ্বাচনী আয়োগৰ তৰফৰ পৰা এই ক্ষেত্ৰত যিবোৰ ব্যৱস্থা দিছে— সেই ব্যৱস্থা সমূহে এনে এটা আশংকা কেতিয়াও দূৰ কৰিব নোৱাৰে। সম্প্ৰতি ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীআৰ কে ত্ৰিবেদীয়ে অসমৰ বিৰোধী দল কেইটামানৰ



সজাতী দলৰ আগত কৈছে যে এই গণনাৰ কাৰ্য শেষ হোৱাৰ পিচত বিদেশী নাগৰিকক ধৰা পেলাবৰ বাবে আৰু তেনে লোকৰ নাম বাদ দিবৰ বাবে সঠিক নীতি নিৰ্দেশনা আয়োগৰ তৰফৰ পৰা জাৰি কৰা হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্তৰ এই অস্পষ্ট আশ্বাসেই এতিয়া আমাৰ একমাত্ৰ অৱলম্বন ৰূপে আছে। কিন্তু সেয়ে নিশ্চিন্ত হোৱাৰ থল উলিয়াই দিয়া নাই। প্ৰথম কথা হ'ল— কোনখিনি সময়ত অসমলৈ অহা অভাৰতীয় লোকক বিদেশী বুলি গণ্য কৰা হ'ব, সেই কথাই নিশ্চিত হোৱা নাই। দ্বিতীয়তে বিদেশী বুলি নিৰ্ণয় কৰিবলৈ কোনবোৰ নথি-পত্ৰৰ বিচাৰ-বিবেচনা কৰা হ'ব— সেইটোও অতি জৰুৰী কথা। তাকে নজনালৈকে আমি নিশ্চিত হোৱাৰ থল নাই।

সেই দেখি অসমৰ ৰাইজ আৰু অস্তিত্ব ৰক্ষা কৰা আন্দোলনৰ নেতৃত্ব কৰা সকল এতিয়া অধিক সতৰ্ক আৰু সংগঠিত হোৱাৰ প্ৰয়োজন। আমি ইতিমধ্যে পদে পদে প্ৰতাৰিত হৈছো। ন্যায়াধিকৰণ গঠন সীমান্তত তাঁৰৰ বেৰ দিয়া আদিৰ ক্ষেত্ৰত সকলো ভেকো ভাওনা ড'ল কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ভাৱে চলোৱা আলোচনাত দাঙি ধৰা সকলো বক্তব্যৰ বিপৰীতেহে কাৰ্যব্যৱস্থা হাতত লোৱাৰ উদাহৰণ আমি ইতিমধ্যে পালো। সেই দেখি এতিয়া ভোটাৰ তালিকাৰ পৰা বিদেশী ভোটাৰৰ নাম দিয়া প্ৰসঙ্গতো যাতে একে অভিজ্ঞতা লাভ কৰিব লগীয়া নহয়— তাৰ প্ৰতি আগতীয়াকৈ সতৰ্ক দৃষ্টি ৰাখিব লাগিব। ১৯৬৪ চনৰ পৰা অসমত ন্যায়াধিকৰণৰ কাম চলোৱা হৈছিল আৰু বহুতো বিদেশীক বিতাৰিত কৰা বুলি হিচাপ দি চৰকাৰে ধোল কোবাই আছে। কিন্তু কোনোবাই ভোটাৰ তালিকা মিলাই চাইছেনে— বিতাৰিত কৰা বুলি যিসকলৰ নাম চৰকাৰীভাৱে দিয়া হয়, তেওঁলোকৰ নাম এতিয়াও অসমৰ ভোটাৰ তালিকাত আছে নে নাই? সেইখন খেলৰ যাতে পুনৰাবৃত্তি নহয়— তাৰ বাবেই আমি সচেষ্ট হ'ব লাগিব। যিকোনো প্ৰকাৰে নিৰ্বাচন পতাই যদি লক্ষ্য হয়, তেন্তে উচ্চতম ন্যায়ালয়ৰ অসম সম্পৰ্কীয় ৰায়ৰ মলৰত এতিয়া কোনো পন্থাকে অগ্ৰহণীয় বুলি ধৰিবলৈ শাসক বৰ্গ মান্তি নহ'ব।

# ভোটাৰ তালিকা

ভোটাৰ তালিকাৰ ব্যাপক সংশোধনৰ নামত সম্প্ৰতি কি ঘটনা ঘটিব লাগিছে, তাৰ বাতৰি নিতৌ ওলাবই লাগিছে। ভাৰতীয় ভোটাৰৰ নাম বাদ দিয়াৰ পৰিকল্পিত প্ৰচেষ্টা যেনেকৈ চলিছে, ঠিক সেইদৰে অভাৰতীয়ৰ নাম ভৰাবলৈকে পৰিকল্পিতভাৱে অভিযান চলোৱা হৈছে। ভাৰতীয় নাগৰিক বুলি মিছাকৈ ঘোষণা কৰিলে দণ্ডনীয় হ'ব বুলি লিপিবদ্ধ কৰা নতুন ব্যৱস্থাৰো কাকো চক খুৱাব পৰা নাই। অৰ্থাৎ নিৰ্বাচনী আয়োগে যি নিৰ্দেশনাৰ ভিত্তিতে অৰ্হতাৰ বিচাৰ নলওক— সেই হেঙাৰ সৰকি যাব পৰা হ'ব বুলি নিশ্চিত ধাৰণা লৈয়েই এনে অভিযান চলোৱা হৈছে বুলি মনে ধৰিছে। অৱশ্যে এই ধাৰণাই বাঁহ লোৱাৰ কাৰণ নথকা নহয়। ভোটাৰ গণনাকাৰীৰ নিযুক্তিৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগৰ কাৰ্যতঃ কোনো কৰ্তৃত্বই নাই বুলি প্ৰমাণিত হৈছে। গোজ পোতা স্বাৰ্থৰ মনঃপুত হোৱা ধৰণেহে গণনাকাৰী বহুত ঠাইত নিযুক্ত হৈছে আৰু তেওঁলোকে "কৰ্তা সকলৰ" নিৰ্দেশ মতেই কাম কৰি গৈছে। কিছুমান গণনাকাৰীৰৰ নিম্নতম অৰ্হতাও নথকা বুলি আৰু মানুহৰ নামকে শুদ্ধ ভাবে লিখিব নেজানে বুলি বাতৰি ওলাইছে।

ব্যাপক সংশোধনক প্ৰহসনত পৰিণত কৰাৰ এনে ব্যৱস্থাৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগ দায়িত্বৰ পৰা আঁতৰি থাকিব নোৱাৰে। নিৰ্বাচনী আয়োগে স্বতন্ত্ৰ নিকায় হিচাবে কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত নিজৰ দুৰ্বলতাৰ প্ৰমাণ ইতিমধ্যে কেইবাবাৰো দি থৈছে। পূৰ্বৰ মুখ্য নিৰ্বাচনী আয়ুক্তই অসমৰ ভোটাৰ তালিকাত বিদেশীৰ নাম থকা বুলি ঘোষণা কৰিও মুৰকত আইন মতে আয়োগৰ হাতত ন্যস্ত হোৱা ক্ষমতা প্ৰয়োগ কৰিবলৈ কুণ্ঠাবোধ কৰাৰ উপৰিও শেষত ওলোটা সুৰহে জুৰিলে। ১৯৮৩ চনত অসমত জাপি দিয়া নিৰ্বাচনৰ ক্ষেত্ৰতো আয়োগে নিজৰ স্বতন্ত্ৰতাৰ ভেটিত থিয় দি ন্যায় বিচাৰ কৰিবলৈ আগবাঢ়িব নোৱাৰিলে। ১৯৭১ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত



শুধৰণি ঘটাই অসমত নিৰ্বাচন পতাৰ বাবে বিৰোধী দল সমূহৰ পৰা দিয়া পৰামৰ্শৰ সপক্ষে থিয় দিয়ো মুৰকত নিৰ্বাচনী আয়োগ বিচ হুহঁকি গ'ল। এতিয়া ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ বেলিকাও নিৰ্বাচনী আয়োগ নতুন পৰীক্ষাৰ সন্মুখীন হৈছে। আয়োগ কিমান স্বতন্ত্ৰতাৰ প্ৰমাণ আমি আকৌ পাম— পৰৱৰ্তী কাৰ্য ব্যৱস্থাৰ পৰাই।

কিন্তু এইবাৰো যদি নিৰ্বাচনী আয়োগে চৰম ব্যৰ্থতাৰ পৰিচয় দিয়ে আৰু ক্ষমতাত অধিষ্ঠিত পক্ষৰ মন যোগোৱা কামতে ব্যস্ত থাকে— তেন্তে নিৰ্বাচনৰ সৌষ্ঠৱেই নোহোৱা হ'ব। ইতিমধ্যে অসমৰ কুখ্যাত নিৰ্বাচনৰ সপক্ষে উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ে জনমানসত কি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে সেই কথা মনত ৰাখি নিৰ্বাচনী আয়োগে ভৱিষ্যতৰ বৃহত্তৰ স্বাৰ্থত নিজৰ কৰ্তৃত্ব প্ৰতিপন্ন কৰি ন্যায়বিচাৰ কৰিবলৈ আগবাঢ়ি আহিবই লাগিব। বিদেশী নাগৰিকৰ নাম বাদ দিবৰ বাবে আৰু ভোটাৰ হোৱাৰ যোগ্য ভাৰতীয়ৰ নাম অৰ্ন্তভুক্ত কৰাৰ বাবেই ব্যাপক শুধৰণিৰ দায়িত্ব লোৱা বুলি নিৰ্বাচনী আয়োগে ঘোষণা কৰি এতিয়া বিদেশী নাগৰিকৰ বাবে ভোটাৰ তালিকাখন বেদখলৰ স্থল কৰি তোলাত অৰিহণা যোগাব নোৱাৰে। যদি সেয়ে হয় তেন্তে নিৰ্বাচনী আয়োগৰ ব্যৰ্থতা আকৌ প্ৰতিপন্ন হ'ব। ইতিমধ্যে কেতবোৰ বিৰোধী দলে চৰকাৰ আৰু নিৰ্বাচনী আয়োগৰ বিৰুদ্ধে অভিযোগ তুলিছেই যে ব্যাপক সংশোধনৰ অজুহাত দেখুৱাই অসমত নিৰ্বাচন পতাৰ পৰা বিৰত থকা হ'ল। জনমানসত আয়োগৰ প্ৰতি আস্থা অটুট ৰখাৰ বাবে ভাৰতৰ নিৰ্বাচনী আয়োগ সচেষ্ট হ'বই লাগিব। আয়োগে নিজৰ কৰ্তৃত্ব বিস্তাৰ কৰি ন্যায়সংগতভাৱে শুধৰণিৰ কাম সম্পন্ন হোৱাটো সুনিশ্চিত কৰক। স্থানীয় প্ৰশাসনে যে গাত কথা নলগা ধৰণে বিষয়টোৰ প্ৰতি মনোভাব দেখুৱাইছে তাৰ প্ৰমাণ আমি পাইছো। মাজতে চৰকাৰীভাৱে বাতৰি ওলাল যে ভোটাৰ গণনাৰ কাম সম্পূৰ্ণ হ'ল। মুখ্যমন্ত্ৰীয়েও ঘোষণা কৰিলে যে অহা মাৰ্চ মাহতে নিৰ্বাচন পাতিব পৰা হ'ব। কিন্তু এতিয়া বাতৰি ওলাইছে যে নিৰ্বাচনী আয়োগে ডিচেম্বৰৰ শেষলৈকে ভোটাৰ গণনাৰ দিন বঢ়াই দিছে!

# অসমৰ ভোটাৰ তালিকা

নতুন দিল্লীৰ পৰাই ভাৰতৰ মুখ্য নিৰ্বাচনী আযুক্ত শ্ৰীআৰ কে ত্ৰিবেদীয়ে অসমৰ ভোটাৰ তালিকা সম্পৰ্কে বিভিন্ন সময়ত বিভিন্ন মতামত প্ৰকাশ কৰি আছে। এইবাৰ শ্ৰীত্ৰিবেদীয়ে জনোৱা মতে অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ ভিতৰত ১০৬ টাৰ খচৰা ভোটাৰ তালিকা সম্পূৰ্ণ হৈছে; বাকীখিনি এই মাহৰ শেষৰ পিনে সম্পূৰ্ণ হ'ব। সম্পূৰ্ণ হোৱা ১০৬ টা সমষ্টিৰ খচৰা তালিকাৰ ভিতৰত ৭ টা সমষ্টিৰ আপত্তি আদি নিষ্পত্তি কৰি চূড়ান্ত তালিকা যুগুত কৰা হৈছে। লগতে মুখ্য নিৰ্বাচনী আযুক্তই জনাইছে যে খচৰা ভোটাৰ তালিকাৰ চূড়ান্ত ৰূপ দিয়াৰ সম্পৰ্কত খৰখেদা লগোৱাৰ বাবে তদাৰক কৰিবলৈ তেওঁ সহকাৰী নিৰ্বাচনী আযুক্ত গৰাকীক গুৱাহাটীলৈ পঠাব।

অসমৰ ভোটাৰ তালিকাখনৰ লগত অসমৰ কাৰণে জীৱন-মৰণৰ সমস্যা জড়িত আছে। গতানুগতিক ভাবে আন সময়ত যুগুত কৰা তালিকাৰ দৰে এইখন তালিকা নহয়। বিস্তৃত সংশোধনী ঘূৰাই অসমৰ ভোটাৰ তালিকা যুগুত কৰি বিদেশী নাগৰিকৰ নাম নোহোৱা তালিকা প্ৰস্তুত কৰাৰ উচ্চতম ন্যায়ালয়ৰ ওচৰত দায়বদ্ধ হৈ ভাৰতৰ নিৰ্বাচনী আয়োগে এই তালিকা যুগুতাবলৈ লৈছিল। কিন্তু কাৰ্যতঃ কি হ'লগৈ, তাৰ বিচাৰ মুখ্য নিৰ্বাচনী আযুক্তই কি ধৰণেৰে ল'লে? আনকি নিজে এবাৰ অসমলৈ আহি খা-খবৰ লোৱাৰ প্ৰয়োজন বোধ নকৰিলে। অসমৰ ভোটাৰ তালিকা প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ প্ৰতিটো পৰ্যায়ৰ সময়তে উঠা অজস্ৰ অভিযোগ আৰু অজস্ৰ নিবেদনৰ প্ৰতি কোণো কৰ্ণপাত কৰা নহ'ল। তাৰ পূৰ্ণ সুযোগ ৰাজ্যিক প্ৰশাসনে ল'লে। ৰাজ্যিক প্ৰশাসনৰ পৰা আয়োগৰ এই কাম সম্পাদন কৰাৰ বাবে নিয়োজিত হোৱা সকলৰ বুজন অংশ এটাই আয়োগৰ বিধি ব্যৱস্থাৰ বিপৰীতে যিবোৰ কাম কৰিলে সেয়ে ভোটাৰ তালিকাৰ শুধৰণিৰ



নামত প্ৰহসন চলাৰ প্ৰমাণহে দিলে। শ্ৰীত্ৰিবেদীয়ে যি ৩ লাখ আবেদন ভোটাৰ তালিকাত নাম ভৰোৱাৰ বাবে পোৱা বুলি কৈছে, তাৰ বুজন অংশ নাগৰিকত্বৰ ক্ষেত্ৰত সন্দেহ কৰা লোকৰ। প্ৰথম তালিকা যুগুতাবৰ সময়ত নাম নিদি (কিয়নো নাগৰিকত্বৰ প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব) পিচত নাম ভৰ্তিৰ বাবে দাবী জনাই প্ৰশাসনীয় লোকৰ সহযোগত চতুৰালি খেলাৰ সুযোগ ল'লে। ইপিনে বিদেশী নাগৰিকৰ ক্ষেত্ৰত আপত্তি জনোৱাত বাধা দিয়াৰ বাবে সৰ্বাত্মক ব্যৱস্থা লোৱা হ'ল— এই ক্ষেত্ৰত ভাৰতৰ নিৰ্বাচনী আয়োগে এষাৰ মাতো নেমাতিলে সেই দেখি নিৰ্বাচনী আয়োগৰ প্ৰতি এই প্ৰশ্ন তুলিব লগীয়া হৈছে—১৯৮৫ চনৰ ১ জানুৱাৰীলৈকে (আৰু ক্ষেত্ৰ বিশেষে তাৰ পিচতো) অসমলৈ অহা বিদেশী নাগৰিকৰ নাম ভৰাবৰ বাবে বিস্তৃত সংশোধনীৰ ধ্বনি তোলা হৈছিল নেকি? এই অপবাদৰ পৰা নিজক মুক্ত কৰিবলৈ ভাৰতৰ নিৰ্বাচনী আয়োগে আমাক কি আশ্বাস দিব পাৰিব? আনহাতে উচ্চতম ন্যায়ালয়ৰ পৰাও আমি এই ক্ষেত্ৰত ন্যায়ৰ বিচাৰ আশা কৰাটো নিশ্চয় অপ্ৰাসঙ্গিক নহ'ব। কিয়নো উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ ক্ৰমেই নিৰ্বাচনী আয়োগে এই দায়িত্ব লোৱাৰ প্ৰতিশ্ৰুতি দিছিল।

ইতিমধ্যে খচৰা তালিকাত ভোটাৰৰ যি সংখ্যা ওলাইছে তাৰ পৰাই অস্বাভাৱিক অৱস্থা এটা দেখিবলৈ পোৱা গৈছে। সেই কথালৈ দৃষ্টি ৰাখিয়েই অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ অৱতাৰণা কৰিছে। সভাৰ কাৰ্যনিৰ্বাহকৰ মতে অসমত ১৯৮১ চনৰ লোক গণনা নহ'ল যদিও জনসংখ্যাৰ বৃদ্ধিৰ স্বাভাৱিক হাৰৰ ভিত্তিত চৰকাৰে প্ৰকাশ কৰা আনুমানিক হিচাপ মতে ১৯৮১ চনৰ অসমৰ জনসংখ্যা ২ কোটি ৩ লাখ বুলি কোৱা হৈছিল। কিন্তু ভোটাৰৰ সংখ্যা সাধাৰণভাৱে শতকৰা ৪৫ জন ধৰিলে বৰ্তমান সংশোধন কৰি থকা ভোটাৰ তালিকা মতে অসমৰ জনসংখ্যা হ'ব প্ৰায় ২ কোটি ৪০ লাখ। অৰ্থাৎ যোৱা ৫ বছৰত প্ৰায় ৩৭ লাখ লোকে বাঢ়িল! এই অবিশ্বাস্য বৃদ্ধিৰ বাবে উদ্বেগ কৰিছে। কিন্তু সেই উদ্বেগ যিসকলে পোনতে প্ৰকাশ কৰিব লাগিছিল তেওঁলোকে ভোট বেংকৰ অংক কৰাতে ব্যস্ত থাকি অসমক বেচাৰ বাবেহে অধিক তৎপৰ হৈ আছে।

# ভোটাৰ তালিকা নে মায়ঙৰ যাদু?

অসমৰ শেহতীয়া খচৰা ভোটাৰ তালিকাবোৰত অভাৱনীয় ভাৱে ভোট দাতাৰ সংখ্যাৰ বঢ়াৰ বিপৰীতে বহু সংখ্যক থলুৱা লোকৰ নাম ভোটাৰ তালিকাত নথকা কথাৰ পৰা এটা চক্ৰই পৰিকল্পিতভাৱে ৰাজ্যখনৰ ৰাজনৈতিক ক্ষমতা হাতৰ মুঠিলৈ নিয়াৰ ষড়যন্ত্ৰ কৰা বুলি সন্দেহৰ থল ওলাইছে। গুৱাহাটী মহানগৰতে পশ্চিম গুৱাহাটী সমষ্টিত শতকৰা ৯৯.৩৬ ভাগ আৰু পূৱ গুৱাহাটী সমষ্টিত শতকৰা ৮৮.৪৭ ভাগ ভোট দাতা যোৱা ১৪ বছৰৰ ভিতৰত বৃদ্ধি পাইছে। অথচ মহানগৰীৰ শতকৰা ৫০ ভাগ থলুৱা লোকৰ নাম হ'লে সেই খচৰা তালিকাত নাই বুলি অভিযোগ উঠিছে। তেনেহ'লে এই অভাৱনীয় বৃদ্ধিৰ আঁৰত কি যাদু থাকিব পাৰে? নিৰ্বাচনী আয়োগেই সংশোধিত ভোটাৰ তালিকাৰ ক্ষেত্ৰত ১৯৭১ চনৰ পৰা বৰ্তমানলৈ চৈধ্য বছৰত চল্লিশ ভাগৰ অধিক ভোটাৰৰ সংখ্যা বৃদ্ধি হ'ব নেলাগে বুলি মন্তব্য দিয়া কথা এইখিনিতে উল্লেখযোগ্য। যদি বাদ পৰা থলুৱা ৫০ ভাগ লোকৰ নাম এতিয়া সোমাব পৰা যায়, তেনেহ'লে শতকৰা বৃদ্ধিৰ হাৰ দেখোন এশতকৈ অধিক হ'ব। কিন্তু কথা হ'ল— গুৱাহাটী মহানগৰীৰ উক্ত সমষ্টি দুটাত ইমান অধিক লোকে নতুনকৈ থিতাপি লোৱাৰ ঠায়েই বা কত থাকিব পাৰে। নিতৌ আহ-যাহ কৰা লোকসকলৰ নিশ্চয় নিজ বাসভূমিত ভোট আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি, অসমৰ আনবোৰ নগৰ আৰু বিশেষকৈ কিছুমান ভিতৰুৱা গাঁও অঞ্চলত ন্যস্তস্বাৰ্থই গোষ্ঠী-বিশেষৰ ভোটদাতাৰ সংখ্যা বৃদ্ধিৰ বাবে কিমান চক্ৰান্ত কৰিছে। বৰপেটা অঞ্চলতেই সন্দেহজনক বিদেশী অধ্যুষিত ঠাইবোৰত পৰিকল্পিত ভাবে লক্ষ্যাধিক বিদেশী ভোটদাতাৰ নাম সুমুওৱা বুলি অভিযোগ উঠিছে। একেদৰে ৰাজ্যখনৰ কিছুমান অঞ্চলত বাংলাদেশী বুলি সন্দেহযুক্ত লোকৰ নাম সুমুৱাই এক শ্ৰেণী দালালে এহাতে দুৰ্নীতিৰ পোহাৰ মেলিছে—



আনহাতে ৰাজ্যখনৰ ভৱিষ্যৎ ভয়াবহ কৰি তোলাত বৰঙনি যোগাইছে। ক্ষমতাত থকা ব্যক্তি বা গোষ্ঠী বিশেষে এই ক্ষেত্ৰত উদগণি দিয়া আৰু প্ৰশাসনৰ এটা স্তৰে ক্ষমতাধিষ্ঠি সকলক সন্তুষ্ট ৰখাৰ বাবে অসম আৰু অসমৰ থলুৱা ৰাইজৰ ভৱিষ্যৎ বিপন্ন কৰিবলৈ দ্বিধাবোধ নকৰা বুলি উঠা অভিযোগ খণ্ডন কৰিব পৰা টান।

এনে এটা পৰিস্থিতিত যদি অসমৰ ৰাইজে নিজে নিজৰ ভোটটো ঠিকমতে তালিকাত উঠিছে নে নাই তাৰে ভুলাৰাৰ উৎসাহ নেদেখুৱায় তেনেহ'লে অকল চৰাঘৰত শুবহি বৰ বৰ কথা কৈ আৰু ইজনে সিজনৰ দোষ খুচৰি থাকিলে অসমক কাৰ্যতঃ বিশ্বাসঘাতকতা কৰাহে নহ'বনে? কছাইখানালৈ নিওতেও ইটো ছাগলীয়ে সিটো ছাগলীক শিঙেৰে খুন্দিয়াই যোৱাৰ দৰে— অসমৰ ৰাইজে নিজৰ ভিতৰতে জাত-পাত জাতি-উপজাতি জনজাতিৰ হিচাপ-নিকাচ কৰাৰ যুঁজত লাগি থাকোতে— সিপিনে অসমৰ স্বাৰ্থবিৰোধী পক্ষই ৰাজনৈতিক ক্ষমতাকণো সৰকাই নিনিবনে?

এই দৃষ্টিৰেই আমি কেইদিনমান আগতেও এই স্তম্ভত গণ আন্দোলনত যোগ দিয়া অসমৰ সকলো থলুৱা ৰাইজক আগন্তুক নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰি থকা ভোটাৰ তালিকাত যাতে নিজৰ নামবোৰ বাদ নপৰে আৰু যাতে কোনো বিদেশীৰ নাম ন্যস্তস্বাৰ্থ চক্ৰই সুমুৱাব নোৱাৰে, তাৰ বাবে সজাগ হ'বলৈ আহ্বান জনাইছিলো। একে কাৰণতে অসমৰ অস্তিত্ব ৰক্ষাৰ যুঁজৰ আগৰণুৱা ছাত্ৰ সমাজক তথা গণ সংগ্ৰাম পৰিষদক এই ক্ষেত্ৰত আন্তৰিকতাৰে ব্যাপকভাৱে ভোটাৰ তালিকাবোৰ পৰীক্ষা কৰি শুদ্ধ কৰা অভিযানত তৎপৰতাৰে লাগিবলৈও কৈছিলো।

অসমত বিদেশী সমস্যা সম্পৰ্কীয় আন্দোলনৰ শেষ পৰ্যায়ত উপনীত হৈছে। যাতে নাও আহি পাৰত নুডুবে। তাৰ বাবে সক্ষম অসম প্ৰেমী ৰাইজে সংবিধানপ্ৰদত্ত গণতান্ত্ৰিক দেশৰ নাগৰিকৰ অমূল্য ভোট দানৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত যেন অকণো উদাসীন নহয়।

আমি ভাল পাইছো যে সদৌ অসম ছাত্ৰ সন্থাই এই ক্ষেত্ৰত তৎপৰতাৰে

কাৰ্য্য ব্যৱস্থা ল'বলৈ আগবাঢ়ি আহিছে আৰু কেন্দ্ৰীয় নিৰ্বাচনী আয়োগৰ লগত খচৰা ভোটাৰ তালিকাৰ আসোঁৰাহ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰতিনিধি দল এটাক কালি দিল্লীলৈ পঠিয়াইছে। আমি আশা কৰো নিৰ্বাচনী আয়োগৰ লগত আলোচনাৰে আৰু অসমৰ প্ৰত্যেক সমষ্টিত থলুৱা সকলৰ নাম ভৰ্তিৰ অভিযানেৰে ছাত্ৰ সন্থাই আৰু লগতে সংগ্ৰাম পৰিষদে এটা গৰিমাময় ছবছৰীয়া গণ আন্দোলনৰ প্ৰকৃত সাফল্যত বৰঙনি যোগাব।

আমি এইটোও আশা কৰিছো যে অহা স্বাধীনতা দিৱসৰ আগ মুহূৰ্তত অসমৰ বিদেশী সমস্যাৰ সমাধান এটাও সংশ্লিষ্ট পক্ষই উদ্ভাৱন কৰিব পাৰিব। আৰু তাৰেই ভেটিত অসমৰ প্ৰকৃত নাগৰিকৰ সংশোধিত ভোটাৰ তালিকা প্ৰস্তুতিৰ বাবে আৱশ্যাক হ'লে আৰু সময় বঢ়াই দিয়া হ'ব। কাৰণ এই সময়তে স্থায়ী সমাধানৰ বাবে ৰাজ্যখনে আৰু দেশে অলপ ধৈৰ্য্য ধৰিবলৈ পিচ নুহুকিব বুলি আমি বিশ্বাস কৰো।

## ভোটাৰ তালিকা

অসমৰ আন্দোলনৰ নেতৃবৰ্গই দিল্লীত ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তক লগ ধৰি অসমৰ ভোটাৰ তালিকাৰ সন্দৰ্ভত আপত্তি দৰ্শোৱাৰ সম্পৰ্কত মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীআৰ কে ত্ৰিবেদীয়ে কেতবোৰ মন্তব্য কৰিছে। শ্ৰীত্ৰিবেদীয়ে আপত্তি আদিৰ বাবে অধিক সময় দিয়া, অস্বাভাৱিক ভাৱে ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱা ক্ষেত্ৰত পুনৰ বিচাৰ লোৱা আয়োগৰ নিৰ্দেশনা মানি কাম কৰাৰ বাবে অসমৰ নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিয়া— ইত্যাদি কথা কৈছে।

অসমৰ ভোটাৰ তালিকাৰ ব্যাপক সংশোধনৰ বাবে ভাৰতৰ নিৰ্বাচনী আয়োগে যি দায়িত্ব লৈছে সেই দায়িত্ব পালন কৰা ক্ষেত্ৰত আয়োগৰ যিমানেই আন্তৰিকতা নেথাকক— আচল কথা হ'ল, সেই দায়িত্ব পালন



কৰি কাম কৰিবলৈ ভাৰ পোৱা সকলৰ কাৰ্যকলাপৰ ওপৰতহে সকলো কথা নিৰ্ভৰশীল। ঘাইকৈ অংশকালীন ভিত্তিত কাম কৰা এই সকল লোক ৰাজ্য চৰকাৰৰ আঠুৱা তলৰ মহ। সাম্প্ৰতিক ৰাজ্য চৰকাৰৰ মতিগতি সেই দেখি এই সকল লোকৰ সৰহ ভাগৰ ক্ষেত্ৰতেপ্ৰতিফলিত হৈছে। তেওঁলোকে শাসক চক্ৰৰ নিৰ্দেশ মতেহে কাম কৰিছে। ফলত ভাৰতৰ নিৰ্বাচনী আয়োগৰ প্ৰায় সকলোবোৰ নিৰ্দেশনা প্ৰথমৰ পৰাই উলংঘা কৰি থকা হৈছে। সংশোধিত ভোটাৰ তালিকাৰ পৰা বিদেশী লোক বাদ পৰা নাই— বৰং ১৯৮৫ চনত আহি অসমত সোমোৱা লোকো সোমাইছে। বিদেশী নাগৰিকৰ ক্ষেত্ৰত যি ব্যৱস্থা লৈ বিচাৰ কৰাৰ নিৰ্দেশ দিয়া হয়— তাক পালন নকৰি মাত্ৰ ভেকোভাওনাহে পতা হ'ব। আনহাতে ভাৰতীয় নাগৰিকৰ নাম পৰিকল্পিত ভাবে বাদ দিয়া, নাম ভৰ্তি কৰাৰ বাবে ৬ নম্বৰ প্ৰপত্ৰ যোগে বাছ-বিচাৰ নকৰাকৈ বিদেশী নাগৰিকৰ নাম ভৰ্তি কৰা আপত্তি জনোৱাৰ ক্ষেত্ৰত পদে পদে বাধা দিয়া— ইত্যাদি শত সহস্ৰ বিষয়ত আয়োগৰ নিৰ্দেশনাৰ বিৰুদ্ধাচৰণ কৰি থকা হৈছে। এই সম্পৰ্কত অসম জুৰি আপত্তিৰ খলকণি উঠা সত্বেও ভাৰতৰ নিৰ্বাচনী আয়োগৰ তৰফৰ পৰা আগতে কোনো খবৰ লোৱা নহ'ল। যিবা এজন পদাধিকাৰী অসমলৈ আহিছিল তেৰো এই সম্পৰ্কত একো খা-খবৰ নোহোৱাকৈ গুচি গ'ল।

এনে স্থলত এতিয়া মুখ্য নিৰ্বাচনী আয়ুক্তই দিল্লীত যিবোৰ মন্তব্য কৰিছে, সেইবোৰ কাৰ্যক্ষেত্ৰত প্ৰতিফলিত হ'ব বুলি আমি ভাৰসা ৰাখিব পাৰো কেনেকৈ? ভাৰতৰ নিৰ্বাচনী আয়োগে অতি পলমকৈ ১৭-৭-৮৫ তাৰিখে অসমৰ নিৰ্বাচনী কৰ্তৃপক্ষলৈ যি নিৰ্দেশ পঠাইছে— সেই নিৰ্দেশ সেই একেখিনি মানুহে আখৰে আখৰে পালন কৰিব বুলি আমি বিশ্বাস ৰাখিম কেনেকৈ? কিয়নো এই নিৰ্দেশত নাগৰিকত্ব চাৰ্টিফিকেট আৰু ১৯৭১ চনৰ ভোটাৰ তালিকাৰ বাদে আন কোনো নথিৰ ওপৰত বিশ্বাস ৰাখি ভাৰতীয় নাগৰিক বুলি ভোটাৰ তালিকাত নাম ভৰ্তি নকৰিবলৈ কোৱা হৈছে।

মুখ্য নিৰ্বাচনী আয়ুক্তই সেই দেখি এই ক্ষেত্ৰত বিশেষ দৃষ্টি ৰাখি আয়োগৰ বিশ্বাসযোগ্যতা প্ৰতিপন্ন কৰাৰ ব্যৱস্থা ল'ব বুলি আমি আশা কৰিলো। তদুপৰি ভাৰতৰ উচ্চতম ন্যায়ালয়েও অসমৰ ভোটাৰ তালিকাৰ গ্ৰহণযোগ্যতা সম্পৰ্কে চকু ৰাখিব বুলি আমি আশা কৰিছো। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ ক্ৰমেই ভাৰতৰ নিৰ্বাচনী আয়োগে অসমৰ ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ দায়িত্ব লৈছে। আনকি ভাৰতৰ নিৰ্বাচনী আয়োগেও সেইদেখি ১২-৭-৮৫ তাৰিখে অসমৰ নিৰ্বাচনী কৰ্তৃপক্ষলৈ পঠোৱা শেহতীয়া নিৰ্দেশনাত সোঁৱৰাই দিছে যে মাত্ৰ ভাৰতীয় নাগৰিকৰ নামহে ভোটাৰ তালিকাত ভৰ্তি কৰাৰ বাবে সৰ্বোচ্চ পৰিমাণৰ সাৱধানতা ল'ব লাগিব বুলি ১৯৮৪ চনৰ ২৮ ছেপ্টেম্বৰৰ ৰায়ৰ যোগেদি উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। এনে মহলত আমি উচ্চতম ন্যায়ালয়ৰো দৃষ্টি আকৰ্ষণ কৰিলো। যদিহে উচ্চতম ন্যায়ালয়ে পোনপটিয়াভাৱে এই ক্ষেত্ৰত হস্তক্ষেপ কৰাটো সম্ভৱপৰ নহয়, তেন্তে কি আইনগত ব্যৱস্থাৰ জৰিয়তে তেনে হস্তক্ষেপ বিচাৰিব পাৰি। সেই বিষয়ে অসমৰ আইনবিদ সকলে সময় থাকোতেই বিবেচনা কৰা উচিত।

## গুৰুত্বপূৰ্ণ সন্ধিক্ষণ

ইউ-এন-আইৰ মতে ১৯৭১ চনৰ ভোটাৰ তালিকাক মূল নথি হিচাপে গণ্য কৰি সংশোধন কৰা ভোটাৰ তালিকাৰ ভিত্তিত ৰাজ্য বিধা সভা আৰু লোকসভাৰ নিৰ্বাচন পতাৰ ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাই সন্মতি জনাইছে। বাতৰি প্ৰতিষ্ঠানে যিদৰে বাতৰিটো দিছে তাৰ মাজত বহুত তাৎপৰ্য থকা বুলি ৰাইজে সন্দেহ কৰিবলৈ লৈছে অৱশ্যে এইটো ঠিক যে অসমৰ ভোটাৰ তালিকাৰ ব্যাপক সংশোধনীৰ বেলিকা ১৯৭১ চনৰ তালিকাৰ ভিত্তিত সংশোধন কৰাৰ ব্যৱস্থা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ



সংগ্ৰাম পৰিষদে আগতেই মানি লৈছিল। কিন্তু ১৯৭১ চনক বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তি বছৰ বুলি মানি লোৱা নাছিল। শেহতীয়া লানিৰ আলোচনাৰ বাবে আন্দোলনৰ নেতৃত্ব বহন কৰা এই দুয়োটা সংগঠনৰ কাৰ্যনিৰ্বাহকেও তেনে কৰ্তৃত্ব দি প্ৰতিনিধি বৰ্গক আলোচনাৰ বাবে পঠোৱা নাছিল। এনে অৱস্থাত এতিয়া তেওঁলোকে ১৮৯১ চনক ভিত্তি বছৰ বুলি মানি ল'লে নেকি আৰু কেনে ধৰণৰ কৰ্তৃত্ব লৈ তেনে সন্মতি জনাব পাৰিব বুলি প্ৰশ্ন উঠিছে। যদি সেইটোৱেই হয় তেন্তে কেইবাবছৰো আগতেই তাকে কৰিব পৰা গ'লহেঁতেন আৰু ৰাজ্যখনক বহুতখিনি দুৰ্দশাৰ পৰা ৰক্ষা কৰিব পৰা গ'লহেঁতেন? সেই দেখি এই খেলিমেলিৰ মাজত আমি অনিশ্চিত অৱস্থা এটাৰ মাজত থাকিব লগীয়া হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ আগমনৰ মূৰত হয়তো অনিশ্চয়তা আতৰিব।

কিন্তু প্ৰকাশিত বাতৰিৰ মাজত প্ৰচ্ছন্ন হৈ থকা আশংকা যদি সত্যত পৰিণত হয়গৈ তেন্তে তেনে পশ্চাদকৰণে আমাৰ কাৰণে বহুত সমস্যা কঢ়িয়াই আনিব। নিৰ্বাচনৰ কাৰণে ১৯৭১ চনক ভিত্তি বছৰ বুলি মানি লৈ বিদেশী চিনাক্তকৰণৰ বাবে পিচত আন এটা বছৰ গ্ৰহণ কৰাটো কাৰ্যতঃ অসম্ভৱ কথা হ'ব। সময়ৰ নাটনিৰ অজুহাতত চৰকাৰে হেঁচা দি তেনে অৱস্থা এটালৈ যদি ঠেলি নিছে তেতিয়াও ক'ব লাগিব ই সমস্যাৰ সমাধানৰ বাবে সহায়ক নহ'ব। ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ নামত যি প্ৰহসন কৰা হ'ল তাৰ মূৰত এতিয়া নিৰ্বাচনী আয়োগৰ বিলম্বিত চোকা নিৰ্দেশনাই সেই তালিকাৰ উজ্বলতা বঢ়োৱাৰ সম্ভাৱনা নিচেই ক্ষীণ। অৰ্থাৎ লাখ লাখ বিদেশী ভোটাৰৰ নাম থকা তালিকা এখনকে আমি পাম। ইপিনে ১৯৭১ চনৰ তালিকাখন যে নিখুত হৈ আছে— সেইটোও নহয়। ১৯৭০ চনত অসমত যুগুত কৰা ভোটাৰ তালিকাৰ ভিত্তিতে পৰবৰ্তী লোকসভাৰ নিৰ্বাচন পতা হৈছিল। তাৰ পিচত ৰাজ্য বিধান সভাৰ নিৰ্বাচনৰ বাবে ১৯৭১ চনত যিখন ভোটাৰ তালিকা যুগুত কৰা হ'ল তাত এবছৰৰ ভিতৰতে ৬.৩২ লাখ ভোটাৰ বঢ়া দেখা গ'ল। এই বৰ্দ্ধিত ভোটাৰৰ সৰহ ভাগেই সেই

সময়ত বাংলাদেশৰ বিপৰ্যয়ৰ মাজত অসমত সোমোৱা লোক। সেই দেখি বিপুল সংখ্যক বিদেশী ভোটাৰৰ ভোটৰ বলতে এতিয়াও নিৰ্বাচনৰ ফল নিৰ্ণয় হ'ব আৰু সেই দেখি ভৱিষ্যতৰ চৰকাৰৰ গাথনি সম্পৰ্কে আশা কৰিব পৰা থল নেথাকিব।

চৰকাৰে ১৯৭১ চনৰ ওপৰত প্ৰথমৰে পৰা জোৰ দিয়াৰ উদ্দেশ্য আমি নুবুজাকৈ থকা নাই। একাংশ কাকতৰ বাতৰি মতে কেন্দ্ৰীয় চৰকাৰে হেনো এই চৰ্ত দিছে যে আন্দোলনকাৰী সকলে যদি ১৯৭১ চনক ভিত্তি বছৰ বুলি মানি লয় তেতিয়াহে অসম বিধান সভা ভাঙি দি পুনৰ নিৰ্বাচন পতা হ'ব। সেই দেখি আমাৰ সন্দেহ হৈছে যে কেন্দ্ৰীয় চৰকাৰে তাৰ বাবেই অনুকূল পৰিৱেশ এটা ৰচনা কৰাৰ পাং পাতিছে। উদ্দেশ্য প্ৰণোদিত বাতৰি উলিয়াই দি আৰু এতিয়া কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে নানা তৰহৰ সংগঠনৰ লগত আলোচনা চলোৱাৰ নামত ১৯৭১ চনকে "সৰ্বসন্মত" ভিত্তি বছৰ ৰূপে থিয় কৰোৱাৰ প্ৰচেষ্টা হাতত লৈছে বুলি সন্দেহ হৈছে।

## *ভোটাৰ তালিকা ঃ নিৰ্বাচন*

সম্প্ৰতি ওলোৱা বাতৰি মতে অসমত ডিচেম্বৰ মাহত নিৰ্বাচন হ'ব পাৰে। অৱশ্যে এইটো ঠিক যে এই বিষয়ে এতিয়াই খাটাং ভাৱে একো ধৰি ল'ব নোৱাৰি। কিয়নো শাসক পক্ষৰ সুবিধা হোৱাকৈ হঠাৎ মূৰামূৰি সময়তে নিৰ্বাচনৰ দিন স্থিৰ কৰা হ'ব। অসমৰ বেলিকাও যে তাকে কৰা হ'ব— সেই বিষয়ে সন্দেহ নাই। ইতিমধ্যে শাসক দল প্ৰস্তুতিৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়িছে। কিন্তু তাৰ বিপৰীতে প্ৰতিপক্ষৰ প্ৰস্তুতি নাই বুলিলেই হয়। আন্দোলনৰ নেতৃবৰ্গই নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা কৰি কাৰ্য ব্যৱস্থা স্থিৰ কৰিবলৈ এতিয়াও বাকী; তাকে কৰি কাৰ্যক্ষেত্ৰত আগবাঢ়িবলৈ নিৰ্বাচন হোৱাৰ আগতে হাতত কিমান সময় পায় সেইটোও এটা প্ৰশ্ন। ইপিনে



নতুন আঞ্চলিক দল গঠন কৰাৰ কথাও আছে। তেনে দল গঠিত হ'লে ৰাজ্যখনত কেনে ধৰণৰ ৰাজনৈতিক বিবৰ্তন ঘটে— তাৰ একো আগতীয়া অনুমান কৰি ল'ব নোৱাৰি। ইপিনে নিৰ্বাচনী বুজাবুজি আদিৰ ক্ষেত্ৰত বিশেষ কেতবোৰ ৰাজনৈতিক দলৰ লগত কিবা বন্দৱস্ত কৰা হ'ব নে নহয়, সেই বিষয়েও একো ইঙ্গিত পোৱা নাই। কিন্তু এই সকলোবোৰ বিষয়ত খাটাং স্থিতি এটা সোনকালে ল'ব নোৱাৰালৈকে নিৰ্বাচনী প্ৰস্তুতিৰ ক্ষেত্ৰত প্ৰকৃতাৰ্থত আগবাঢ়িব পৰা নহ'ব।

এইটো কথা পাহৰিলে নচলিব যে ইতিমধ্যে বিশেষ কেতবোৰ মহলে আৰম্ভ কৰি দিয়া নিৰ্বাচনী প্ৰচাৰৰ সুৰ পুৰণি চিনাকি সুৰেই। তেওঁলোকে সংখ্যালঘুৰ নাম ভোটাৰ তালিকাৰ পৰা জধে-মধে বাদ দিয়াৰ ধ্বনি তুলিছে। কিন্তু কোনেও থলুৱা লোকৰ নাম পৰিকল্পিতভাৱে বাদ দিয়া আৰু বিদেশী নাগৰিকৰ নাম পৰিকল্পিতভাৱে অন্তৰ্ভুক্ত কৰাৰ বিৰুদ্ধে এযাৰ মাতো মতা নাই। আনহাতে অসম চুক্তিৰ অপব্যাখ্যা দিয়ো ভোটাৰৰ কাষ চপাৰ প্ৰৱণতা সুস্পষ্ট হৈ পৰিছে। অৰ্থাৎ আগৰ দৰেই ভোট বেংকৰ ওপৰতে এইবোৰ মহলে নিৰ্ভৰ কৰিব। সেই দেখি ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ আঁৰ লৈ বিপুল সংখ্যক বিদেশী লোকৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে পৰিকল্পিত অভিযান চলিছে। ভাৰতৰ নিৰ্বাচনী আয়োগে যি নিৰ্দেশকে নিদিয়ক— কাৰ্যক্ষেত্ৰত তাৰ বিপৰীত কাৰ্যাৱলীহে চলি আছে। এই ক্ষেত্ৰত বিশেষ নিযুক্তিৰ দ্বাৰা নিৰ্বাচনী আয়োগে যদি প্ৰতিকাৰ কৰিব পাৰে তেন্তে সেইটো সুকীয়া কথা। কিন্তু ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ ক্ষেত্ৰত কাৰ্যতঃ যিটো চক্ৰৰ ৰাজত্ব চলিছে সেই চক্ৰক নিৰস্ত্ৰ কৰি অন্যায়ৰ প্ৰতিকাৰ বিচাৰিবলৈ ৰাজহুৱা সমৰ্থনৰ বিশেষ প্ৰয়োজন। অসমৰ ভোটাৰ তালিকাৰ শুধৰণিৰ বিষয়টো গতানুগতিক ধৰণৰ কথা নহয়। এই ক্ষেত্ৰত চৰকাৰী প্ৰচাৰ যন্ত্ৰ তথা চৰকাৰৰ নিৰ্বাচনী আয়োগ আদি বিশেষ ধৰণেৰে তৎপৰ হোৱা উচিত আছিল। কিন্তু চৰকাৰী উদ্যম এই ক্ষেত্ৰত নাই বুলিলেও বঢ়াই কোৱা নহয়। নিৰ্বাচনী আয়োগে এবাৰ এটা নিৰ্দেশ দি পিচত তাৰ

প্ৰায় বিপৰীতধৰ্মী নিৰ্দেশ এটা দি বিপাঙত পেলোৱা অৱস্থাৰহে সৃষ্টি কৰিছে। নিৰ্বাচনী আয়োগৰ নিৰ্দেশাৱলীৰ ব্যাপক প্ৰচাৰৰো ব্যৱস্থা কৰা নহ'ল। এনে অৱস্থাত ৰাইজৰ সচেতনতাৰ বিশেষ প্ৰয়োজন হৈছে। বিদেশী নাগৰিকৰ নাম অৰ্ন্তভুক্ত হোৱাৰ বিৰুধেধ আপত্তি দৰ্শোৱা আৰু ভাৰতীয় নাগৰিকৰ বাদ পৰা নাম অৰ্ন্তভুক্ত কৰাৰ বাবে দাবী জনোৱাৰ ক্ষেত্ৰত অসমৰ সচেতন ৰাইজে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব হাতত যিহেতু সময় নিচেই তাকৰ সেই দেখি বিশেষ তৎপৰতা দেখুৱাব লাগিব। তেতিয়াহে বিশেষ চক্ৰৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিব পৰা হ'ব। নিৰ্বাচনত নমাৰ বাবে প্ৰথম আৱশ্যকতা হ'ল— শুদ্ধ ভোটাৰ তালিকা এখন পোৱাটো। তাৰ পিচত নিৰ্বাচনৰ প্ৰস্তুতি। এইবাৰ যাতে ভোটৰ বিভাজন নহয়— তাকে যাই লক্ষ্য ৰূপে লৈ নিৰ্বাচনী কৌশল ৰচনা কৰাটো হ'ব দ্বিতীয় প্ৰধান আৱশ্যকতা।

## ভোটাৰ তালিকাৰ শুধৰণি

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ ভাৰতৰ নিৰ্বাচনী আয়োগৰ প্ৰতিশ্ৰুতি আৰু অসম চুক্তিত সন্নিৱিষ্ট হোৱা কাৰ্যব্যৱস্থা— এই সকলোবোৰৰ বিপৰীতে গৈ সম্প্ৰতি অসমৰ ভোটাৰ তালিকাৰ আপত্তি আৰু দাবী নিষ্পত্তি কৰাৰ নামত যি কেৰামতালি কৰা হৈছে তাক দেখি আমি স্তম্ভিত হৈছো। আইন-কানুন নিয়ম-নীতি সকলো বিসৰ্জন দি পাল মাৰি সকলো শেষ কৰাটোৱেই এতিয়া একমাত্ৰ লক্ষ্য। এই মাহৰ ভিতৰতে দাবী আপত্তি আদি 'নিষ্পত্তি' কৰি সোনকালে নিৰ্বাচন পাতিব লাগে— এয়ে হ'ল একমাত্ৰ লক্ষ্য। সেই লক্ষ্যত উপনীত হ'বৰ বাবে নকৰিব লগীয়া সকলো কামৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষ বদ্ধপৰিকৰ হোৱা যেন দেখা গৈছে। অসমৰ সমস্যাৰ ক্ষেত্ৰত একো ব্যৱস্থা নলৈ সময়ৰ অজুহাত দেখুৱাই ১৯৮৩ চনত বলপূৰ্বক ভাবে ৰক্তাক্ত নিৰ্বাচন পতা হ'ল— শুধৰণি নোহোৱা ভোটাৰ তালিকাৰ ভিত্তিত।



এইবাৰো সময়ৰ অজুহাত দেখুৱাই সকলো প্ৰতিশ্ৰুতি জলাঞ্জলি দি শুধৰণিৰ নামত পাল মাৰি (আৰু তাকে অসংখ্য অভাৰতীয়ৰ তথ্য ১৯৮৫ চনতো অসমলৈ অহা অভাৰতীয়ৰ নাম সুমুৱাই) চূড়ান্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে আগবাঢ়িছে।

ৰাজ্যিক প্ৰশাসন ন্যস্ত স্বাৰ্থৰ বন্ধকত আগৰ পৰাই আছে। এতিয়া উচ্চতম নিৰ্বাচনী কৰ্তৃপক্ষৰ পৰা নিম্নতম কৰ্তৃপক্ষলৈকে আৰু কেন্দ্ৰীয় চৰকাৰেও সেই ন্যস্ত স্বাৰ্থৰ হেঁচাত সেও মনা বুলি ধাৰণা কৰাৰ থল ওলাইছে। নিৰ্বাচনী আয়োগে পৰস্পৰ বিৰোধী নিৰ্দেশনা দি গোটেই বিষয়টো খেলিমেলি লগাই দিয়াৰ ফলত এতিয়া গৰু কিনা ৰচিদ জাল প্ৰমাণ পত্ৰও নাগৰিকত্বৰ প্ৰমাণ ৰূপে পৰিগণিত হৈছে। উচ্চতম নিৰ্বাচনী কৰ্তৃপক্ষই পঠোৱা কোনো কোনো উচ্চ পদস্থ পদাধিকাৰীয়েও বাংলাদেশীক নাগৰিক ৰূপে গণ্য কৰাৰ বাবে নিৰ্দেশ দিয়াৰ অভিযোগ উঠিছে। নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা নমনাকৈ বকো, ছয়গাওঁ, গোৱালপাৰা; বৰপেটাকে ধৰি বিভিন্ন ঠাইত নাম তালিকাভুক্ত কৰা আৰু ১৯৮৫ চনত অহা অভাৰতীয়ৰ নামো ভৰোৱা বুলি অভিযোগ উঠিছে। অসম চুক্তি মতে কেন্দ্ৰীয় চৰকাৰৰ হাততহে নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়াৰ ক্ষমতা আছুতীয়াভাৱে ৰখাৰ সিদ্ধান্ত লোৱা সত্বেও ৰাজ্যৰ বাহিৰৰ পৰা ডাকযোগে অহা প্ৰমাণ-পত্ৰ বিতৰণ কৰি বিদেশীক ভাৰতীয় কৰা হৈছে। ভোটাৰৰ আবেদন নাকচ হোৱা লোকেও পশ্চিমবঙ্গ আদিৰ পৰা প্ৰমাণ-পত্ৰ আনি নাম ভৰাব পাৰিছে। এইবোৰ ক্ষেত্ৰত ভাৰতৰ নিৰ্বাচনী আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰৰ একো দায়িত্ব নাই নেকি?

নিৰ্বাচনী আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰৰ এনে নিৰ্লিপ্ততা দেখিয়েই ন্যস্ত স্বাৰ্থৰ মহলটো এতিয়া দুঃসাহসী হৈ পৰিছে। বিভিন্ন ঠাইত আপত্তি উঠাই লোৱাৰ বাবে আপত্তিকাৰীক ভাবুকি দি বাধ্য কৰা হৈছে। আন ঠাইৰ কথাই নাই— পশ্চিম গুৱাহাটীৰ এঠাইত চৰকাৰী নিৰ্বাচনী বিষয়াক ভাৰতীয় নাগৰিক বুলি সাব্যস্ত হোৱাৰ কথা লিখি দিবলৈ বাধ্য কৰা হৈছে আৰু সেই বিষয়াসকলে পুলিচৰ সহায়ো পোৱা নাই। আনহাতে গোৱালপাৰা চহৰৰ

পৰা কিছু নিলগৰ বৰৱলা গাঁৱৰ নিৰ্বাচনী কাৰ্যালয়ত আপত্তিকাৰী আক্ৰান্ত হ'বলগীয়া আৰু পুলিচে লাঠী চলাব লগীয়া পৰিস্থিতি হোৱা বুলিও অসমৰ মুখ্য নিৰ্বাচনী বিষয়াক দিছপুৰত দিয়া স্মাৰক-পত্ৰত প্ৰকাশ পাইছে। এনে যুদ্ধং দেহি মনোভাৱ চৰকাৰী পৃষ্ঠপোষকতাৰ অবিহনে সৃষ্টি হ'ব পাৰে বুলি কোনে বিশ্বাস কৰিব।

কিন্তু কথা হ'ল— আমি আন সকলো সূত্ৰৰ ওপৰত ভাৰসা ৰাখিব নোৱাৰা অৱস্থা এটা হ'লেও ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ওপৰত ভাৰসা ৰাখিব নোৱাৰিম নে? নিশ্চয় পাৰিম বুলি আমাৰ দৃঢ় বিশ্বাস। অসমৰ ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ বাবে উচ্চতম ন্যায়ালয়েই নিৰ্দেশ দিছিল। সেই নিৰ্দেশ মানি লৈ ভাৰতৰ নিৰ্বাচনী আয়োগে শুধৰণিৰ দায়িত্ব লৈছিল। এতিয়া ভাৰতৰ উচ্চতম ন্যায়ালয়ে যেন বিচাৰ লয়— প্ৰকৃততে ব্যাপক শুধৰণি হ'লনে? লাখ লাখ অভাৰতীয়ৰ নাম ভৰাবলৈ (আনকি ১৯৮৫ চনত অহা অভাৰতীয়ৰ নাম ভৰাবলৈ) আৰু অসমৰ থলুৱা লোকৰ নাম পৰিকল্পিতভাৱে বাদ দিবলৈ উচ্চতম ন্যায়ালয়ে কোৱা নাছিল। সেই দেখি আমি ন্যায় বিচাৰ বিচাৰো উচ্চতম ন্যায়ালয়ৰ পৰা। যদি কিবা আইনগত কাৰণত উচ্চতম ন্যায়ালয়ে এই বিষয়ত পোনপটীয়াভাৱে হস্তক্ষেপ কৰিব নোৱাৰে তেন্তে অসমৰ সচেতন আইনজীৱীসকলে তাৰ যথাবিহিত উপায় উলিয়াবলৈ খৰখেদা লগাব লাগে— যাতে যোৱা বাৰৰ দৰে 'নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ হোৱা' বুলি ন্যায়ালয়ৰ প্ৰবেশৰ পথ বন্ধ হোৱাৰ আগতে কাৰ্য্যব্যৱস্থা হাতত ল'ব পৰা হয়।

## (খ)

## *নিৰ্বাচন সম্পৰ্কে প্ৰধানমন্ত্ৰী*

প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে নিউইয়ৰ্কত ভাৰতীয় লোকৰ মাজত ভাষণ দিওঁতে কৈছে যে অসমত নিৰ্বাচন পতা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে



একো সিদ্ধান্ত লোৱা নাই; কিন্তু সকলোবোৰ বিৰোধী দলে ৰাজ্যখনত যথাসম্ভৱ সোনকালে নিৰ্বাচন পতাৰ বাবে দাবী জনাইছে।

পিচে কেন্দ্ৰীয় চৰকাৰে যদি একো সিদ্ধান্তই লোৱা নাই, তেন্তে অসমত নিৰ্বাচন পাতি মুখ্যমন্ত্ৰী হোৱাৰ লোভত বিতত হৈ পৰা কেন্দ্ৰীয় মন্ত্ৰী এজনে অসমৰ নিৰ্বাচন সম্পৰ্কে বিভিন্ন অসংযত মন্তব্য কৰি (আনকি অসমৰ ৰাজ্যপালজনকো শলঠেকত পেলাই) ৰাজ্যখনৰ পৰিস্থিতিৰ জটিলতা বঢ়ালে কিয়? কিয় কেন্দ্ৰৰ এটা মহলৰ প্ৰৰোচনাত তলগুজীয়া ভাৱে অসমত নিৰ্বাচনৰ প্ৰস্তুতি চলাই তিক্ততাৰ বীজ সিঁচি দিয়া হ'ল? প্ৰধানমন্ত্ৰীয়ে অৱশ্যে আমেৰিকাত এই বিষয়ে কৰা মন্তব্যৰ শেষৰ পিনে যিষাৰ কথা ক'লে তাৰো এটা বিশেষ তাৎপৰ্য্য থকা বুলি ধাৰণা হ'ল। প্ৰধানমন্ত্ৰীয়ে কৈছে যে ৰাজ্যখনত সোনকালে নিৰ্বাচন পতাৰ বাবে সকলোবোৰ বিৰোধী দলে দাবী জনাইছে। বিৰোধী দলৰ গাত ভেজা দি কিবা বিশেষ সিদ্ধান্ত লোৱাৰ উদ্দেশ্য লৈয়েই প্ৰধানমন্ত্ৰীয়ে এই কথা কোৱা নাইতো? বিৰোধী দলৰ দাবী গ্ৰাহ্য কৰাৰ ক্ষেত্ৰত কেন্দ্ৰই কিমান উদাৰতা প্ৰদৰ্শন কৰে, সেই পৰিচয় আমি আগৰ ক্ষেত্ৰত পাই আছো। এনে অৱস্থাত এতিয়া বিৰোধী দলৰ দাবীৰ অজুহাত দেখুৱাই কেন্দ্ৰই স্থিতাৱস্থাৰ ভিত্তিত নিৰ্বাচন জাপি দিয়াৰ সুৰুঙা উলিয়াব খুজিছে যদি সেই কাৰ্য-ব্যৱস্থা ক্ষতিকৰ হ'ব।

অসমত নিৰ্বাচন হোৱাটো সকলোৱে আশা কৰে। দিল্লীত উচিত প্ৰতিনিধিত্ব নথকা বাবেই ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুৰ নাম লৈ বেদখল উচ্ছেদ বন্ধ কৰাৰ বাবে কোনো কোনোৱে দিল্লীত ওভোতগোৰে নাচিব পাৰিছে। অসমতে নিৰ্বাচিত প্ৰতিনিধিৰ শাসন নথকা বাবেই আমোলাচক্ৰই নিজৰ ৰামৰাজ স্থাপন কৰিব পাৰিছে আৰু ইপিনে প্ৰশাসনকে ধৰি অসমৰ সকলো ক্ষেত্ৰত অচল তথা স্থাবৰ অৱস্থা এটাই গিলিপ মাৰি ধৰিছে। কিন্তু নিৰ্বাচন হোৱাটো বিচৰাৰ আগতে সমস্যাৰ সমাধান হোৱাটো ৰাইজে বিচাৰে। স্থিতাৱস্থাৰ ভিত্তিত নিৰ্বাচন পতা মানেই বিদেশী নাগৰিকৰ ৰাজত্বৰ বাবে খৎ লিখি দিয়াটো। সেয়ে হোৱাটোকে বিচৰা কোনো কোনো বিৰোধী দলে

স্থিতাৱস্থাৰ ভিত্তিতে নিৰ্বাচন পাতিবলৈ দাবী জনোৱাটোকে অজুহাত ৰূপে লৈ কেন্দ্ৰীয় চৰকাৰে এতিয়া যদি ছিদ্ৰ বিচাৰে, তেন্তে সেইটো অতিশয় অদূৰদৰ্শী কথা হ'ব।

সেইদেখি সমাগত আলোচনা সফল কৰি তোলাৰ বাবেহে কেন্দ্ৰীয় চৰকাৰে এতিয়া সৰ্বাত্মক প্ৰচেষ্টা লোৱা উচিত আৰু এই ক্ষেত্ৰত আন্দোলনৰ নেতৃবৰ্গও এৰাধৰাৰ স্পষ্ট নীতি লৈ চৰকাৰৰ সন্মুখীন হোৱা উচিত। তেনে মনোভাৱ ৰচনাৰ বাবে যি পৰিবেশৰ প্ৰয়োজন হ'ব— সেই পৰিবেশ চৰকাৰেহে গঠন কৰিব পাৰে। চৰকাৰৰ বিশ্বাসযোগ্যতা চৰকাৰেই গঢ়িব লাগিব চৰকাৰে মুখেৰে এটা কৈ কামৰ বেলিকা ওলোটাটো কৰিলে বিশ্বাসযোগ্যতা নোহোৱা হয়। এফালে চৰকাৰে কৈছে যে সীমান্ত সুৰক্ষিত হোৱা বাবে অনুপ্ৰবেশ বন্ধ হৈছে— কিন্তু আনফালে দেখা গৈছে যে নিতৌ অবিৰাম গতিৰে অনুপ্ৰবেশ চলি আছে আৰু সেইবোৰ লোক সমগ্ৰ ৰাজ্যতে বিয়পি পৰিছে। বিদেশী নাগৰিকক মাটি দিয়া বন্ধ কৰাৰ কথা চৰকাৰে ঘোষণা কৰিছে— অথচ চৰকাৰী বিষয়াই বিদেশী নাগৰিকক মাটি দিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাইছে। বিদেশী নাগৰিকক চাকৰি দিয়াৰ বাবে বিভিন্ন প্ৰশাসনে চলোৱা প্ৰচেষ্টাৰ বাতৰি নিতৌ প্ৰকাশ হ'বই লাগিছে। আনহাতে কিমান বিদেশী অনুপ্ৰবেশকাৰীক ধৰা পেলাই বহিষ্কাৰ কৰা হ'ল— তাৰ হিচাপ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দিবই লাগিছে। কিন্তু ভোটাৰ তালিকাৰ পৰা সেই সকলৰ নাম বাদ দিয়া হ'ল নে বা তেওঁলোক পুনৰ অসমতে সোমালহি নে নাই— তাৰ হিচাপ দিয়াৰ সামৰ্থ্য বা সাহস জানো চৰকাৰৰ আছে?

এতিয়া ইলুটি-সিলুটি মাৰি সমস্যা জটিল নকৰিবলৈ আৰু হাতত থকা তাকৰীয়া সময়কণৰ সদব্যৱহাৰ কৰি আন্তৰিক প্ৰচেষ্টা চলাবহে আমি আহ্বান জনালো।



# অশুভ ইঙ্গিত

অসমৰ আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি সম্প্ৰতি যি পৰিবেশৰ সৃষ্টি হৈছে সেইটো সৰ্বসাধাৰণ ৰাইজৰ কাৰণে এতিয়াও ভালেখিনি অস্পষ্ট হৈ আছে। কোনো কোনো অংশ ৰাইজৰ ক্ষেত্ৰত যে ভালেখিনি বিভ্ৰান্তিকৰো হৈছে সেইটোও দেখা গৈছে। অস্পষ্ট এই কাৰণেই যে প্ৰতিদ্বন্দ্বী ৰাজনৈতিক দল বিলাকৰ নিৰ্বাচনী কৌশল কেনে কেনে ধৰণৰ হ'ব এই কথা এতিয়াও ৰাইজে জানিব পৰা নাই। আংশিকভাৱে বিভ্ৰান্তিকৰ পৰিস্থিতি হৈছে 'সংখ্যালঘু' বুলি চিহ্নিত কৰি একাংশ ৰাইজক লৈ নানান বাক-বিতণ্ডা চলোৱাৰ প্ৰৱণতা লৈ। ছবছৰীয়া অনিশ্চয়তাৰ পিচত যি অসম চুক্তি স্বাক্ষৰিত হ'ল তাৰ পৰাই এই সকলোখিনিৰ উদ্ভৱ হৈছে এই কথা অনস্বীকাৰ্য। এনে এটা সিদ্ধান্তলৈ এদিন নহয় এদিন আহিবই লাগিলহেঁতেন এই বিষয়েও সন্দেহ নাই। মাত্ৰ ইয়াৰ অপৰিহাৰ্য পৰিণতিৰ কাৰণে সময়ৰ প্ৰশ্নটোৱে— বা বেছি শুদ্ধ হ'ব সময়ৰ নাটনিয়ে বুলি ক'লে—সম্প্ৰতি ভালেখিনি আহুকালৰ সৃষ্টি কৰিছে। সঁচা নে মিছা কোৱা টান, কিন্তু শাসক দলে এনে অস্থিৰতাৰ সুযোগ ল'বলৈকে সময়ৰ নাটনি সত্বেও নিৰ্বাচনৰ ব্যৱস্থা গ্ৰহণ কৰিলে বুলি ব্যাপকভাৱে অভিযোগ উঠিছে। তেওঁলোক লাভবান হ'বনে নহয় সেইটো বেলেগ কথা।

সেইবিলাক যি হওক, নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ল যেতিয়া তাৰ কাৰণে নিজকে প্ৰস্তুত কৰি ল'বলৈ সংশ্লিষ্ট সকলো দলেই বাধ্য। দলবিলাকে সেই প্ৰক্ৰিয়া ইতিমধ্যেই আৰম্ভ কৰি দিছে। কিন্তু মূল প্ৰশ্নৰ সমাধানৰ চেষ্টাত যি সিদ্ধান্তলৈ অহা হ'ল—অৰ্থাৎ অসম চুক্তিৰ স্বাক্ষৰকৰণ—তাৰ পৰা কিছুমান সমস্যাৰ উদ্ভৱ হৈছে বা উদ্ভাৱন কৰি দিয়া হৈছে যিবিলাকে অসমৰ ভৱিষ্যতত অশান্তি আৰু আন্ধাৰৰ ইংগিত দিবলৈ আৰম্ভ কৰিছে।

আচৰিত কথা যে স্বয়ং কেন্দ্ৰীয় চৰকাৰেই এই ক্ষেত্ৰত ইন্ধন যোগোৱা দেখা গৈছে। যোৱা শুক্ৰবাৰে ৰাতিও ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ বহি থকাৰ সময়ত ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটি প্ৰধানমন্ত্ৰীৰ সভাপতিত্বত বহে ১৯৬৬-৭১ চনৰ ভোটাধিকাৰ বঞ্চিত লোকসকলৰ অন্যান্য অধিকাৰ সংৰক্ষণ সম্বন্ধে বিবেচনা কৰিবলৈ গৃহমন্ত্ৰী শ্ৰীচৱনৰ একাধিকবাৰ স্পষ্টীকৰণ সত্বেও এই বিষয়টো বাৰম্বাৰ কেন্দ্ৰীয় চৰকাৰী পৰ্যায়ত উত্থাপিত হৈ থকাটো উদ্বেগজনক। অসম আন্দোলনৰ বিৰোধী কেবাটাও অনুষ্ঠানে (সৰহভাগ এই উদ্দেশ্যতে গঠিত) উক্ত লোকসকলৰ হৈ হৈ-চৈ লগাই এটা অশুভ পৰিবেশ সৃষ্টি কৰিছে। কলিকতাৰ বাতৰি কাকতবিলাকে যথাপূৰ্বং অসম বিৰোধী প্ৰচাৰত আকৌ লিপ্ত হৈ উক্ত অনুষ্ঠানবিলাকক উৎসাহিত কৰি আহিছে। এই দুই পক্ষই ঐক্যবদ্ধ প্ৰচেষ্টা চলাই কেন্দ্ৰক প্ৰভাবিত কৰিবলৈ সক্ষম হৈছে যেন দেখা গৈছে। অনুষ্ঠান কেইটাই হোজাইত এখন দুদিনীয়া অভিবৰ্তন পাতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ এটা উমৈহতীয়া মঞ্চ প্ৰস্তুত কৰিছে বুলি বাতৰি ওলাইছে। এওঁলোকে যিসকল লোকৰ হৈ এনে কামত প্ৰবৃত্ত হৈছে সেই সকল শাসক দলৰ সাধাৰণভাৱে নিয়মীয়া ভোটাৰ হৈ আহিছিল। আজি শাসক দলটো কিছু পৰিমাণে সেই কাৰণেই বিচলিত হৈ পৰা যেন দেখা গৈছে।

এই বিলাকে অসমৰ স্বাৰ্থবিৰোধী অশুভ ভৱিষ্যতৰ ইংগিত দিছে। ভোট হেৰোৱাৰ ভয়তে শাসক দলৰ বিভিন্ন নেতাই বিভিন্ন সুৰত কথা কোৱা দেখা গৈছে। চুক্তিখনে যে মাত্ৰ দহ বছৰৰ কাৰণে ভোটাধিকাৰ বঞ্চিত কৰাৰ বাহিৰে অন্য একো ব্যৱস্থা ৰখা নাই এই কথা উক্ত পক্ষ কেইটাই বুজিবলৈ দিব খোজা নাই। আই-কংগ্ৰেছ আৰু অসম গণ পৰিষদ কোনেও এই অশুভ পৰিবেশ মুকলি কৰিবলৈ সক্ষম হ'ব পৰা নাই যেন দেখা গৈছে। শাসক দলৰ নেতায়েই (এজন এম পি) এনে বিভাজনৰ ৰাজনীতিত উচটনি দি আহিছে। গতিকে এই দলে যি কোনো পৰিণামৰ কাৰণে দায়িত্ব বহন কৰিব লাগিব। নতুন দলটোৱে নিশ্চয় এই সংকট কৰোঁ



বুলি সৃষ্টি কৰি লোৱা নাই। কিন্তু তেওঁলোকৰে দায়িত্ব কম নহ'ব কিয়নো নতুন শক্তি হিচাপে তেওঁলোকে অন্যান্য ৰাইজৰে সৈতে এই সকল লোকৰো আস্থা লাভ কৰিব পাৰিব লাগিব। কিন্তু সম্প্ৰতি সংশ্লিষ্ট সকলো পক্ষৰে চিন্তা আৰু চেষ্টা হ'ব লাগিব যেন কোনোপধ্যেই অশান্তিৰ সৃষ্টি নহয়।

## অসমৰ ৰাইজ, প্ৰত্যুত্তৰ লাগে

ৰাজ্যপালৰ অধিসূচনা জাৰি কৰাৰ লগে লগে অসমৰ আগন্তুক নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল, সম্পূৰ্ণভাৱে যুক্তিসঙ্গত ৰাইজৰ দাবীৰ বিপৰীতে জোৰাতাপলি মৰা ধৰণৰ ভোটাৰ তালিকাৰ ভেটিত এই নিৰ্বাচন পতাৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগৰ পক্ষপাতিত্ব আৰু অদক্ষতা সমানেই স্পষ্ট হৈ পৰিছে। শাসনাধিস্থিত ৰাজনৈতিক দলটোৰ লগত সুৰ মিলাই যোৱা তিৰাশীৰ ৰক্তক্ষৰা নিৰ্বাচনী ভেকোভাওনা পতাৰ পিচত এইবেলি শাসক দলৰ লগতে বাংলাদেশী সমৰ্থক ন্যস্তস্বাৰ্থ গোষ্ঠীৰ লগতো পৰোক্ষভাৱে হাত মিলাই নিৰ্বাচনী আয়োগে ভাৰতৰ গণতান্ত্ৰিক আদৰ্শৰ এই পবিত্ৰ অনুষ্ঠানটোৰ মৰ্য্যাদা অভাৱনীয়ভাৱে অৱনমিত কৰিলে। ভোটাৰ তালিকাত সোমাই থকা লাখ লাখ সন্দেহজনক বাংলাদেশী বিদেশীক সুবিধা দিয়াৰ কাৰণেই নেকি দাবী নিষ্পত্তিৰ ভেটিত সংশোধিত ভোটাৰ তালিকা, আনকি এই সম্পাদকীয় লিখাৰ পৰলৈকে সম্পূৰ্ণভাৱে প্ৰকাশ কৰা নহ'ল; ফলত কোনো ৰাজনৈতিক দলে সেইবোৰৰ প্ৰতিলিপি এতিয়াও পোৱা নাই। অথচ চৰকাৰে প্ৰচাৰ কৰিছে যে যোৱা সাত নৱেম্বৰৰ ভিতৰতে সকলোবোৰ দাবী বা আপত্তিৰ মীমাংসাৰ ভেটিত প্ৰস্তুত ভোটাৰ তালিকা প্ৰকাশ হৈছে। এনেকুৱা নিৰ্লজ অসত্যৰ ভেটিত নিৰ্বাচন আয়োগে অসমৰ ৰাইজক প্ৰবঞ্চনা কৰা দেখি যি কোনো বিবেকবান লোক স্তম্ভিত নহৈ

নোৱাৰে। অসমৰ বাহিৰতো বিশেষকৈ বাংলাদেশীৰ সমৰ্থক অঞ্চলতো এনেবোৰ আভুৱাভৰা ভোটাৰ তালিকা ছপোৱা আৰু নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভৰ দিনলৈকে সেইবোৰ প্ৰকাশ নকৰাৰ আঁৰত ন্যস্তস্বাৰ্থৰ কি চক্ৰান্ত লুকাই আছে—তাক সহজেই অনুমান কৰিব পাৰি।

ভাৰতৰ নিৰ্বাচনী আয়োগৰ এনে ধৰণৰ পক্ষপাতিত্বমূলক ব্যৱস্থাৰ মূৰত এতিয়া অসমৰ ৰাইজৰ জীৱন মৰণৰ প্ৰশ্ন উঠিছে। অসমৰ ৰাজনৈতিক অৰ্থনৈতিক সামাজিক-সাংস্কৃতিক অস্তিত্ব ৰক্ষাৰ চৰম বিপদৰ মুহূৰ্তত এচাম ঘৰবিভীষণৰ স্বৰূপে প্ৰকট হৈ উঠিছে “মন্ত্ৰীত্বই যাৰ শেষ কল্পনা”—বোলা কথাষাৰ কাৰ গাত খাঁটে সেই কথা অসমৰ ৰাইজে তৎপৰতাৰে ভাবি চাব লাগিব। আজি অসমৰ ৰাইজৰ চৰম পৰীক্ষাৰ দিন। ন্যস্তস্বাৰ্থৰ প্ৰবল প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজতেই মাৰবান্ধি অসমৰ ৰাইজে যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। অসমৰ অস্তিত্ব মষিমূৰ কৰাৰ চক্ৰান্তত সন্মুখীন হ’বলগীয়া হৈছে সেই প্ৰত্যাহ্বানৰ সমুচিত প্ৰত্যুত্তৰ অসমে দিবই লাগিব।

এনে এটা সন্ধিক্ষণত অসমৰ কল্যাণকৰ্মী জাতি বৰ্ণ ধৰ্ম ভাষা নিৰ্বিশেষে সকলো বৰ্গৰ ৰাইজে ব্যক্তিগত বা গোষ্ঠীগত স্বাৰ্থৰ কথা সমূলি পাহৰি অস্তিত্ব ৰক্ষাৰ বাস্তৱ ৰণথলীত থিয় দিব লাগিব। অসমৰ ৰাইজ; সময় নাই। মাত্ৰ এমাহ পিছতে আপোনালোকে নিজেই সমগ্ৰ ৰাজ্যখনৰ ভাগ্য নিৰ্ণয় কৰিব লাগিব। মুহূৰ্তলৈকেও যেন যোৱা ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ গণ আন্দোলনত সকলো জলাঞ্জলি দিয়া শ্বহীদসকলৰ ত্যাগৰ কথা পাহৰি নেযায়। পাহৰি নেজায় হেজাৰ হেজাৰ পৰিয়ালে মূৰপাতি লোৱা দুৰ্যোগৰ কথা; শ্ৰমিক কৃষক চাকৰিয়াল ছাত্ৰকে ধৰি লাখ লাখ ৰাইজৰ প্ৰাণত আকুতিৰ কথা। এয়া কালৰ আহ্বান।



# *নিৰ্বাচনৰ প্ৰস্তুতি*

জাতিটোৰ সংকটৰ সময়ত পতা নিৰ্বাচনৰ সময়ত সমুলি গাত কথা নলগা ধৰণৰ কাৰ্যাৱলী দেখি আমি স্তম্ভিত হৈছো। যি সময়ত যথেষ্ট দায়িত্ব-সচেতনতাৰ প্ৰতিফলন ঘটিব লাগিছিল, সেই সময়ত দূৰদৃষ্টিবিহীন ভাৱে অসংখ্য প্ৰাৰ্থী থিয় হোৱাৰ ফলত এইবাবেও সৰ্বোচ্চ সংখ্যক প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত নমা দেখা গ’ল। খাটাং সংখ্যা এই মুহূৰ্তলৈকে নেপালেও সেই সংখ্যা হেজাৰৰ ওপৰত থাকিব। দলীয়ভাৱে থিয় হোৱা প্ৰাৰ্থীৰ কথাই নাই, নিৰ্দলীয় প্ৰাৰ্থী ৰূপেও অসংখ্য লোক থিয় দিছে।

ইয়াৰ ফলত ভোটৰ বিভাজন সাংঘাতিকভাৱে বৃদ্ধি পাব। ভোটৰ বিভাজন হ’লে অৱশ্যে শাসক দলৰে লাভ— পূৰ্বতে তাৰ সুফল শাসক দলেই লাভ কৰি আহিছে। এই কথা জানিও অসমীয়াৰ অস্তিত্বৰ হকে যুঁজা বা এই যুঁজক সমৰ্থন জনোৱা বুলি দাবী কৰা সকলো মনোনয়নপত্ৰ দাখিল কৰিবলৈ উদগ্ৰীৱ হোৱাত এয়ে প্ৰমাণিত হ’ল যে ঠেক স্বাৰ্থৰ লালসাই সকলোকে আচ্ছন্ন কৰিলে। অসমৰ বৃহত্তৰ স্বাৰ্থৰ কথা সেইসকলে জলাঞ্জলি দিলে। এনে চেতনাবিহীন কাৰ্যৰ বাবেই অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ উদ্ভৱ হ’ল— যাৰ ফলত আমি ঘৰতে অঘৰী হ’ব লগীয়া হ’ল। এই বাস্তৱ অৱস্থা দেখিও, যোৱা ৬ বছৰে চৰম নিৰ্যাতন ভোগ কৰিও সকলো গণতান্ত্ৰিক প্ৰমূল্য ভৰিৰে গচকি অসমক জঘন্যভাৱে নিষ্পেষণ কৰাৰ অভিজ্ঞতা লাভ কৰা সত্বেও আমাৰ কিছুমান মানুহৰ যদি টোপনি নেভাগে, তেন্তে কেতিয়া ভাগিব? প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে গুৱাহাটীলৈ আহি হিতেশ্বৰ শইকীয়াৰ আমোলক চাৰ্টিফিকেট দি এন্ধাৰ দিশখিনিৰ কথা সম্পূৰ্ণ পাহৰি যোৱাৰ দৰে আমাৰ মানুহখিনিয়েও সকলো কথা পাহৰি গ’ল নেকি?

আমি নিৰ্বাচনত অৱতীৰ্ণ হ’লো—প্ৰৱঞ্চনাপূৰ্ণ ভোটাৰ তালিকা এখন লৈ। সেই ফালৰ পৰা আমি ইতিমধ্যে যথেষ্ট বাধাগ্ৰস্ত। তাৰ ওপৰত এতিয়া ভোটৰ বিভাজনে যদি অধিক দুৰ্বল কৰে, তেন্তে আমি চৰম বিপৰ্যয়ৰ

সন্মুখীন হ'ব লাগিব। এই ক্ষেত্রত শাসক দলৰ মাজত হোৱা বিৰোধৰ কথা ভাবি বা সংযুক্ত সংখ্যালঘু মোৰ্চাই কংগ্ৰেছৰ (ই) ভোট ভাঙিব বুলি ভাবি আত্মতৃপ্তি লাভ কৰাৰ থল নাই। শাসক দলে প্ৰশাসন যন্ত্ৰৰ যোগেদি কেতবোৰ অভাৱনীয় কাম কৰিব পাৰিব। তদুপৰি সংখ্যালঘু মোৰ্চাই এটা সীমালৈকেহে প্ৰত্যাহ্বান জনাব পাৰিব— তাতকৈ বেছি দূৰলৈ আগবাঢ়ি কংগ্ৰেছ (ই) দলক জোকাই ল'লে মৰ্চাভুক্ত লোকসকল যে অসুবিধাত পৰিব, সেই কথা তেওঁলোকে জানে। তদুপৰি মৰ্চাৰ লগত কংগ্ৰেছৰ (ই) ফালেঙী সলোৱা কাৰবাৰো শেষ মুহূৰ্তত চলিব পাৰে।

কিন্তু তাৰ বিপৰীতে অসম চুক্তিৰ সমৰ্থক তথা অসমৰ আন্দোলনৰ সপক্ষে থিয় দিয়া সকলৰ মাজত হোৱা ভোটাৰ বিভাজনে সীমাহীন ক্ষতি কৰিব। আমি প্ৰথমৰ পৰাই বুজাবুজিৰ সপক্ষে আহ্বান জনাইছিলো। কিন্তু সেয়ে নহ'ল। এতিয়া নিৰ্দলীয় প্ৰাৰ্থীৰ পয়োভৰে সমস্যা আৰু জটিল কৰিলে। পিচে এই ক্ষেত্ৰত সমুখৰ বিপদৰ আগত থিয় দিয়াৰ দৃঢ়তা প্ৰদৰ্শন কৰাৰ যোগ্যতা ভোটাৰ সকলৰ আছে। পৰিস্থিতিৰ আগত বশ্যতা স্বীকাৰ কৰাতকৈ পৰিস্থিতিৰে যুঁজাটোহে শ্ৰেয়। ভোটাৰসকল ভেড়া নহয়। ভোটৰ বিভাজন বন্ধ কৰাৰ চেতনা ভোটাৰ সকলৰ মাজত উদয় হ'লে এতিয়াও শেষ অস্ত্ৰ ভোটাৰ সকলেই প্ৰয়োগ কৰি অসমক ৰক্ষা কৰিব পাৰিব।

## (গ)

## *কাঁইটীয়া তাঁৰৰ আঁৰৰ কথা*

ভাৰত-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ দিবলৈ আৰম্ভ কৰাৰ লগে লগে বাংলাদেশ ৰাইফলছ আৰু সেই দেশৰ অসামৰিক লোকেও প্ৰৰোচনামূলক কাৰ্য্য চলোৱা কথাই ভাৰতীয় নাগৰিক সকলক উদ্বিগ্ন কৰি



তুলিছে। ৰাজ্যসভা আৰু লোকসভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীপ্ৰকাশ চন্দ্ৰ শেঠীয়ে অৱশ্যে ঘোষণা কৰিছে যে ভাৰত চৰকাৰে তাঁৰৰ বেৰ নিৰ্মাণৰ কাম বন্ধ নকৰে; লগতে চুবুৰীয়া দেশখনৰ লগত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কও ৰখা কৰি চলাৰ চেষ্টা কৰি থাকিব। উভয় সদনত আলোচনাই এইটোকে সদৰি কৰিছে যে সীমান্ত অঞ্চলত অবৈধ অনুপ্ৰবেশ এতিয়াও চলি আছে আৰু ন্যস্ত স্বাৰ্থই এনে অনুপ্ৰবেশ চলি থকাটো বিচাৰে। যিকি নহওক কেন্দ্ৰীয় গৃহমন্ত্ৰীয়েও স্পষ্ট ভাৱে অনুপ্ৰবেশ চলি থকা স্বীকাৰ কৰাটো উল্লেখনীয়। অথচ চাৰি বছৰৰো ওপৰে চলি থকা গণ আন্দোলনৰ নেতা সকলে অসমকে ধৰি উত্তৰ পূৰ সীমান্ত অঞ্চলত চলি থকা অবাধ বিদেশীৰ প্ৰব্ৰজনৰ কথা কওতে, প্ৰাক্তন কেন্দ্ৰীয় গৃহ বিভাগৰ ৰাজ্য মন্ত্ৰী তথ্য অসমৰ প্ৰাক্তন ৰাজ্যপাল, ৰাষ্ট্ৰপতিৰ শাসনৰ মাজে মাজে গঠিত চৰকাৰৰ মুখ্যমন্ত্ৰী কিছুমান, প্ৰাক্তন মুখ্য সচিব শ্ৰীৰমেশ চন্দ্ৰকে আদি কৰি প্ৰশাসনৰ উৰ্দ্ধতম মহলে উক্ত অভিযোগ ভিত্তিহীন বুলিয়েই কোৱাৰ প্ৰয়াস কৰিছিল। কেন্দ্ৰৰ কৰ্তৃত্বশীল মহলকো সেই দৃষ্টিভংগীৰ প্ৰভাৱতে প্ৰভাৱান্বিত কৰিছিল। এতিয়া কেন্দ্ৰ চৰকাৰেই সমগ্ৰ বাংলাদেশ—ভাৰত সীমান্ত অঞ্চলেৰে বিদেশী নাগৰিকৰ প্ৰব্ৰজন চলি থকা কথা স্বীকাৰ কৰিছে। তেনে ক্ষেত্ৰত অসমৰ আন্দোলনকাৰী সকলে এটা ৰাষ্ট্ৰীয় জটিল সমস্যাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাটো প্ৰশংসাৰহে যোগ্য। কিন্তু মাত্ৰ দলীয় ক্ষমতা আহৰণৰ বাবে আৰু এচাম ৰাজনৈতিক ধুৰন্ধৰৰ স্বাৰ্থ ৰক্ষাৰ বাবে সেই অহিংস আন্দোলনকাৰী সকলকে এতিয়ালৈকে চৰম নিৰ্যাতনৰ বলিহে কৰি থকা হৈছে।

যিকি নহওক এতিয়া আমি আশা কৰিম যাতে কোনো দেশী-বিদেশী স্বাৰ্থৰ হেঁচাত সীমান্ত ৰক্ষাৰ নবানতম ব্যৱস্থা স্বৰূপ কাঁইটীয়া তাঁৰৰ বেৰ দিয়া কাৰ্য বাধাপ্ৰাপ্ত নহয়, নাইবা উক্ত কামৰ গতি ঢিলাই দিয়া নহয়। নিজৰ দেশৰ মাটিত চোৰাংকাৰবাৰ আৰু অবৈধ প্ৰব্ৰজন নিয়ন্ত্ৰণৰ উদ্দেশ্যে বেৰ দিয়াত আপত্তি কৰাৰ যুক্তি থাকিব পাৰেনে? তদুপৰি বাংলাদেশ সৃষ্টিৰ

পিচত ভাৰতৰ লগত সম্পাদিত বন্ধুত্বসূচক চুক্তিৰ ক্ষেত্ৰত এনে কাৰ্য্য কৰাত আপত্তিৰ থল নাই। গৃহমন্ত্ৰীয়ে সেই কথাও সদনত বুজাই দিছে। গতিকে অপ্ৰৰোচিতভাৱে বাংলাদেশ ৰাইফলছে গুলী চালনাৰে ভাৰতক নিজৰ মাটিত কাঁইটীয়া তাঁৰৰ বেৰ দিয়াত বাধা দিয়া কাৰ্য্যই, দেশৰ ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ মৰ্যাদাতহে আঘাত কৰিছে। সেয়ে এই বিষয়ত চৰকাৰৰ দৃঢ়তা আমি বিচাৰো। চুবুৰীয়া ৰাজ্যখনৰ লগত সদভাব ৰক্ষাৰ বাবে চলাই থকা প্ৰচেষ্টাও আমাৰ কাম্য। সেই বুলি বাংলাদেশৰ আৰ্থিক পৰিস্থিতিৰ কাৰণে বা ৰাজনৈতিক বাদ-বিবাদৰ কাৰণে ভাৰতৰ সীমান্তৰ ইপাৰৰ অঞ্চলবোৰ চিৰকালে লাখ লাখ প্ৰব্ৰজনকাৰীৰ বাবে উন্মুক্ত কৰি ৰখা উচিত হ'বনে? লগতে অবৈধ বিদেশী বুলি প্ৰমাণিত সকলক নিজ দেশলৈ ওভতাই পঠোৱাটোও আমাৰ ৰাষ্ট্ৰৰ নিৰাপত্তা তথা ভৱিষ্যত মঙ্গলৰ কাৰণেই আৱশ্য-কৰ্ত্তব্য।

অসম পিচপৰা ৰাজ্য কাৰণে এই ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে উল্লেখ কৰিছে। আনহাতে পিচ পৰা বুলিয়েই নহয় সীমান্তৰ প্ৰহৰী স্বৰূপ বুলিও অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ওপৰত বিদেশী প্ৰব্ৰজনৰ বাৰে পৰা আৰ্থ-সামাজিক তথা ৰাজনৈতিক হেঁচাৰ কথাও সততে মনত ৰাখিব লাগিব। সেই দৃষ্টিৰেই ৰাজ্যখনৰ বিদেশী নাগৰিকৰ সমস্যাটো ন্যায়সঙ্গত তথা সংবিধাধিক ভেটিত তৎপৰতাৰে সমাধান কৰিবলৈ আন্দোলনৰ নেতা সকলৰ লগত আগতে চলোৱা আলোচনাৰ আঁত পুনৰ উলিয়াই ল'ব লাগে। অঞ্চলটোৰ প্ৰকৃত নাগৰিক সকলৰ সহযোগেৰেহে সীমান্ত সুৰক্ষাৰ কাম দ্ৰুত আৰু দৃঢ় হ'ব পাৰে। লগতে গৃহমন্ত্ৰীয়ে স্বীকাৰ কৰা মতে এইখন পিচপৰা ৰাজ্যৰ ওপৰত পৰা অনুপ্ৰৱেশকাৰীৰ হেঁচা পাতলোৱাৰ বাবেও কাৰ্যকৰী ব্যৱস্থাৰ আৱশ্যক।



# কাঁইটীয়া সমস্যা

বাংলাদেশৰ সীমাত ভাৰতীয় ৰাজ্যক্ষেত্ৰত কাঁইটীয়া তাঁৰৰ বেৰ দিয়া সম্পৰ্কত বাংলাদেশৰ সীমান্ত ৰক্ষী বাহিনীৰ মুৰব্বী আৰু ভাৰতীয় সীমান্ত ৰক্ষী বাহিনীৰ মুৰব্বীৰ মাজত হোৱা আলোচনা ব্যৰ্থ হ'ল। আলোচনাৰ তেনে পৰিণতিয়েই হ'বগৈ বুলি অৱশ্যে আগতেই ধাৰণা হৈছিল। কিয়নো এই বিষয়ত বাংলাদেশে কিবা মীমাংসা হোৱাটো বিচৰাও নাই। গুলী চলাই হ'লেও বেৰ দিয়া কাম বন্ধ ৰখাৰ বাবেহে বাংলাদেশ বদ্ধপৰিকৰ। এতিয়া ব্যৰ্থ হোৱা আলোচনাকো বিকৃত ৰূপত উপস্থাপন কৰি বাংলাদেশে কূটনৈতিক পাং পাতিবলৈ যত্ন কৰি গোটেই প্ৰসঙ্গটোকে সুকীয়া ৰূপত পৃথিৱীৰ আগত দাঙি ধৰাৰ চেষ্টা কৰিছে। ঢাকাৰ পৰা সেই দেখি জনাইছে যে উভয় দেশৰ সীমান্ত ৰক্ষী বাহিনীৰ মুৰব্বী সকলৰ সন্মিলনে বেৰ দিয়া কাম 'স্থগিত' ৰাখিবলৈ 'সিদ্ধান্ত' লৈছে। ঢাকাৰ মতে বেৰ দিয়া কামটো 'প্ৰতিৰক্ষা মূলক নিৰ্মাণ কাৰ্য্য' হয় নে নহয় সেইটো 'নিশ্চিত' নকৰালৈকে "স্থিতাৱস্থা" ৰক্ষা কৰিবলৈ উভয় পক্ষ সন্মত হৈছে। ঢাকাই গোটেই কথাটোকে ওলোটা ৰূপত দাঙি ধৰাৰ বাবেই নতুন দিল্লীৰ পৰা বৈদেশিক মন্ত্ৰীদপ্তৰে ততাতৈয়াকৈ ঢাকাৰ বাতৰি খণ্ডন কৰি ক'ব লগীয়া হৈছে যে বেৰ দিয়া কাম বন্ধ ৰখাৰ বাবে উল্লিখিত মৰ্মে কোনো সিদ্ধান্ত লোৱা হোৱা নাছিল।

এনে আলোচনা যি সময়ত কৰা উচিত আছিল— সেই সময়ত নকৰি ভাৰত চৰকাৰেই বাংলাদেশক বাধা দিয়াৰ বাবে সুবিধা উলিয়াই দিলে। সীমান্তত বেৰ দিয়া প্ৰসঙ্গ উঠোতে কেন্দ্ৰই সেই কথা মানি লওঁতেই আমি বাংলাদেশে বাধা দিয়াৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি এই বিষয়ে বাংলাদেশৰ লগত আলোচনা কৰাৰ আৱশ্যকতাৰ কথা কৈছিলো। দৰাচলতে

অসমকে ধৰি এই সমগ্ৰ অঞ্চলত হোৱা বাংলাদেশীৰ অবৈধ অনুপ্ৰৱেশৰ সমস্যা সম্পৰ্কে ভাৰত চৰকাৰে কেতিয়াবাই বাংলাদেশৰ লগত শীৰ্ষ আলোচনা চলাব লাগিছিল। কিন্তু কোনো সময়তে তেনে আলোচনা কৰা নহ'ল। আনকি অনুপ্ৰৱেশৰ সমস্যাটোকে বিভিন্ন সময়ত পাতলাই দেখুওৱাহে হ'ল। আমাৰ বিভিন্ন কেন্দ্ৰীয় নেতা, ৰাজ্যপাল, মুখ্যমন্ত্ৰী; মন্ত্ৰী; ৰাজ্যপালৰ উপদেষ্টা, মুখ্য সচিব আৰু বিভিন্ন দলৰ ৰাজনৈতিক নেতাই অনুপ্ৰৱেশ বন্ধ হোৱা, সীমান্ত সুৰক্ষিত হৈ থকা বুলি ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিপৰীতে গৈ যিবোৰ কথা অনবৰত কৈ থাকিল, সেইবোৰ উক্তিৰেই আমাৰ বিপদ বঢ়োৱাৰ লগতে সমস্যাটোকো এতিয়া জটিলতাৰ সাজলৈ ঠেলি দিলে। আমাৰ কৰ্ণধাৰ তথা নেতৃবৰ্গয় সেই দুৰ্বলতাৰ পূৰ্ণ সুযোগ বাংলাদেশে ল'লে। সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ বিৰোধিতা কৰা আৰু এতিয়া বেৰ দিয়া কাম বন্ধ ৰখাত সমৰ্থক আমাৰ দেশতো (আনকি ওপৰ মহলতো) ওলাব বুলি জানিয়েই বাংলাদেশে নিজৰ প্ৰতিৰোধ অভিযান অব্যাহত ৰখাৰ সম্ভাৱনাই বেছি।

নতুন দিল্লীৰ বাতৰি মতে উভয় দেশৰ সীমান্তৰক্ষী বাহিনীৰ মূৰব্বী সকলৰ মাজৰ আলোচনা ব্যৰ্থ হোৱাৰ পিচত এতিয়া এই প্ৰসঙ্গটো ৰাজনৈতিক পৰ্যায়লৈ যোৱাৰ সম্ভাৱনা আছে। কিন্তু তেনে হ'লেও সুমেৰু-কুমেৰুৰ ব্যৱধান দূৰ হ'ব বুলি আশা কৰিব নোৱাৰি। কিয়নো বাংলাদেশে ১৯৭১ চনৰ পিচত অসমলৈ (তথা ভাৰতলৈ) বাংলাদেশী অনুপ্ৰৱেশ ঘটা কথাটোকে অস্বীকাৰ কৰিছে বাংলাদেশৰ মতে এইটো 'কাল্পনিক' সমস্যাহে। সেই দেখি অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে বেৰ নিৰ্মাণ কৰাৰ কথা বাংলাদেশে মানি নলয়। ইয়াক প্ৰতিৰক্ষামূলক নিৰ্মাণ কাৰ্য্য বুলিহে স্বীকাৰ কৰি ১৯৭৫ চনৰ সীমান্ত বিধিৰ দোহাই দি থাকিব। সেই সীমান্তৰ ১৫০ গজৰ সীমাৰ ভিতৰত কোনো প্ৰতিৰক্ষামূলক নিৰ্মাণ কাৰ্য চলিব নোৱাৰে। ভাৰতে তাহানিয়েই এনে বিধি মানি নিজক বাধাগ্ৰস্ত কৰি ৰাখি এতিয়া সেই বিধিৰ অপব্যাখ্যাৰ সন্মুখীন হৈ শলঠেকত পৰিবলগীয়া হৈছে। বাংলাদেশৰ



মনোভাব এই পৰ্যায়ৰ যেতিয়া ৰাজনৈতিক পৰ্যায়ৰ আলোচনায়ো বাট উলিয়াই নিদিয়ে। সীমান্তৰক্ষী বাহিনীৰ মূৰব্বীৰ সন্মিলনত ভাৰতীয় বিষয়া গৰাকীয়ে অনুপ্ৰৱেশৰ সমস্যাই 'বিপজ্জনক মাত্ৰা' পোৱা বুলি ক'লেও সেই উক্তিয়ে বাংলাদেশত ৰেখাপাত নকৰে। কিয়নো ইতিমধ্যে আমাৰ দেশত চৰকাৰী ভাবে কৰি থোৱা বিভিন্ন উক্তিয়ে তাৰ চোক কমাবই। তদুপৰি লাখ লাখ অনুপ্ৰৱেশকাৰীক ধৰা পেলাই বহিষ্কাৰ কৰাৰ মূৰত এতিয়া বেছি অনুপ্ৰৱেশকাৰী নাই বুলি চৰকাৰীভাৱে কৰা ঘোষণায়ো বাংলাদেশক অবলম্বন দান কৰিব (যি বাংলাদেশে অনুপ্ৰৱেশ হোৱাই নাই বুলি কৈছে, সেইখন বাংলাদেশে বহিষ্কৃত নাগৰিকসকলক গ্ৰহণ কৰিলে বুলি কোনে মানি ল'ব?)। সেই দেখি আমাৰ চৰকাৰী বিচ্যুতিয়ে এই সমস্যাটোক কাঁইটীয়া কৰিহে ৰাখিব বুলি আমাৰ আশংকা জন্মিছে।

## (ঘ)
## *ন্যায়পালিকা*

ৰাজ্য, কেন্দ্ৰ সকলোতে চৰকাৰী অসহিষ্ণুতা শীৰ্ষ বিন্দুলৈ উঠিছে। সেই দেখি ন্যায়পালিকাও এতিয়া চৰকাৰী অসহিষ্ণুতাৰ সন্মুখীন হৈছে। ন্যায়পালিকাক সংকুচিত কৰি ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিবিধ আওপকীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ চৰকাৰৰ চকুত 'অবাঞ্ছনীয়' হৈ পৰা ন্যায়পালিকাৰ লোকক বাধাগ্ৰস্ত কৰাৰ বাবে নতুন নতুন কৌশল উলিয়াই আছে। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়বোৰো বাদ পৰা নাই। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নিযুক্তি, স্থায়ীকৰণ আদিৰ ক্ষেত্ৰত আওপকীয়া বাট লৈ বিশেষ কেতবোৰ উদ্দেশ্য পূৰণ কৰাৰ চেষ্টা কৰাৰ উপৰিও এতিয়া নতুন অভিযান চলোৱা হৈছে—বদলি প্ৰসঙ্গত। উচ্চ ন্যায়ালয়ৰ এক তৃতীয়াংশ ন্যায়াধীশ ৰাজ্যৰ বাহিৰৰ লোক হোৱা, মুখ্য ন্যায়াধীশগৰাকী

ৰাজ্যৰ বাহিৰৰ লোক হোৱা—এই নিয়মৰ সম্পৰ্কত চৰকাৰৰ উদ্দেশ্য যি বুলিয়েই ঘোষণা কৰা নহওক, আচল উদ্দেশ্য কিন্তু সুকীয়া। ন্যায়পালিকাক নাকী লগোৱাৰ মূল উদ্দেশ্যটো উহ্য ৰখা হৈছে। সেই দেখি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বদলিৰ কথাটোৱে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বদলি কৰা কেইবাজনেও পদত্যাগ কৰিছে। ভাৰতৰ বাৰ কাউন্সিলেও এই ক্ষেত্ৰত প্ৰতিবাদ জনাইছে। আনহাতে বাতৰিত প্ৰকাশ যে বদলিৰ সম্পৰ্কত মুখ্য ন্যায়াধীশ সকলৰ মাজতো অসন্তুষ্টি বাঢ়িছে আৰু তেওঁলোকে এই সম্পৰ্কত চৰকাৰৰ লগত কথা হ'বলৈ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰীৱাই ভি চন্দ্ৰচূড়ক অনুৰোধ জনোৱা বুলি বাতৰি প্ৰকাশ হৈছে।

ন্যায়পালিকাৰ বিৰুদ্ধে চলা এই অভিযান অসমত ৰাজ্যিক ভিত্তিতো চলিছে। অসমৰ ন্যায়পালিকা সম্পৰ্কে যি আপত্তিকৰ মন্তব্য চৰকাৰী মহলৰ তৰফৰ পৰাই কেতবোৰ প্ৰসঙ্গত প্ৰকাশ কৰিছে, তাৰ তুলনা আন কতো পাবলৈ নাই। এতিয়া ৰাজ্য চৰকাৰ আৰু এখোজ আগবাঢ়িছে—ন্যায়পালিকাৰ কৰ্তৃত্ব হ্ৰাস কৰাৰ বাবে। ইতিমধ্যে এই প্ৰসঙ্গত অসমৰ অধিবক্তাসকলে আদালত বৰ্জন কৰি এই সম্পৰ্কত প্ৰতিবাদ সাব্যস্ত কৰিছে। চৰকাৰৰ অধ্যাদেশ যোগে ফৌজদাৰী কাৰ্যবিধি সংশোধন কৰি ন্যায়ালয়ৰ ক্ষমতা হৰণ কৰা হৈছে, ন্যায়পালিকাৰ কৰ্তৃত্ব সংকুচিত কৰা হৈছে। এই অধ্যাদেশে কাৰ্যতঃ ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ পৃথককৰণ ব্যৱস্থাকে বাতিল কৰি কাৰ্যবাহী দণ্ডাধীশক বিশেষ ক্ষমতা দান কৰিছে। অৱশ্যে লগতে পুলিচেও কাৰ্যতঃ বিশেষ ক্ষমতা পাইছে। পুলিচ ৰাজ এনেয়েই অসমত চলি আছে এতিয়া তাৰ ভেটি আৰু টনকিয়াল কৰি চৰকাৰে 'গণতন্ত্ৰ'ৰ মহিমা প্ৰকাশ কৰাৰ বাবে আসুৰিক প্ৰচেষ্টা হাতত লৈছে।



## *ন্যায়াধিকৰণৰ ব্যৱস্থা*

১৯৭১ চনৰ পৰা অসমলৈ অহা বিদেশী নাগৰিকৰ সন্ধান উলিয়াবলৈ ৰাজ্য চৰকাৰে ২০ টা ন্যায়াধিকৰণ গঠন কৰিবলৈ লোৱাৰ কথা ৰাজ্য বিধান সভাত ঘোষণা কৰা হৈছে। আগতে প্ৰতিটো বিধান সভা সমষ্টিৰ বাবে এনে ন্যায়াধিকৰণ গঠন কৰা হ'ব বুলি কোৱা হৈছিল যদিও এতিয়া জিলা আৰু মহকুমা ভিত্তিতহে গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। হৈঁখুৱই মতে কেইখনমান জিলাত সমস্যাৰ 'তীব্ৰতা' কম বুলি ধীৰ লৈ চৰকাৰে গোটেই জিলাখনৰ বাবে মাত্ৰ এটা ন্যায়ধিকৰণ পতাৰ ব্যৱস্থা কৰিছে। কাৰ্বি আংলং জিলা আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা— এই দুয়োখন জিলাৰ মাজত এটা ন্যায়াধিকৰণহে থাকিব। কাৰ্বি আংলং জিলাত বিদেশী নাগৰিকৰ অনুপ্ৰবেশ কম বুলি আগতীয়া ধাৰণা এটা কৰি লোৱা কথাটো পিচে সঁাথৰ হৈ থাকিল। আনহাতে যিখন জিলাত বিদেশী নাগৰিকৰ অনুপ্ৰবেশ সম্পৰ্কে এষাৰ প্ৰতিবাদো উত্থাপিত হোৱা নাছিল, সেইখন জিলাত কিন্তু মহকুমা ভিত্তিত ৩টা ন্যায়াধিকৰণ পতাৰ ব্যৱস্থা দিয়া হ'ল।

দেখা গ'ল যে কেন্দ্ৰীয় চৰকাৰে নিজৰ খোপনি নেৰি পূৰ্বৰ সিদ্ধান্ত মতে ১৯৭১ চনকে সীমাৰেখা ৰূপে বৰ্তাবলৈ চেষ্টা চলালে। যিহেতু পুনৰ আলোচনা চলোৱাৰ বাবে কোনো উদ্যোগ হাতত লোৱা নাই, সেই দেখি ধাৰণা হৈছে যে সতকাই আলোচনা নহ'ব আৰু সমস্যাটোৰ ক্ষেত্ৰত আধাডুখৰীয়া ব্যৱস্থা এটাকে থিতাপি লগাব খুজিছে। পিচে আমাৰ দৃঢ় বিশ্বাস যে চৰকাৰে যদি নিষ্ঠাৰে এই আধাডুখৰীয়া ব্যৱস্থাকে কাৰ্যকৰী কৰে, তেতিয়াও সমস্যাৰ গভীৰতা সুস্পষ্টভাৱে প্ৰমাণসিদ্ধ হৈ পৰিব। তেতিয়া চৰকাৰৰ নিজৰ মতৰ স্থিতিয়েই নেথাকিব আৰু আলোচনা চলাই সমস্যাটোৰ চূড়ান্ত নিষ্পত্তিৰ বাবে আগবাঢ়ি আহিবলৈকো চৰকাৰৰ বাধ্য হ'ব।

এতিয়া কথা হ'ল— চৰকাৰৰ ঘোষিত ব্যৱস্থাটো সময় সাপেক্ষ কথা হ'ব। ২০ টা ন্যায়াধিকৰণে দায়িত্ব নিষ্পত্তি কৰোতে যথেষ্ট সময় ল'ব। আনহাতে আপীলৰ বাবে গঠিত হ'বলগীয়া ন্যায়াধিকৰণৰ কামৰ বাবেও সময়ৰ প্ৰয়োজন হ'ব। যি পদ মৰ্যাদাৰ লোকক লৈ এনেবোৰ ন্যায়াধিকৰণ পাতিব খোজা হৈছে, সেই সকলে যাতে কোনো বাধা নেপায়, তাকে আমি আশা কৰিছো। এই কথা উল্লেখ কৰিবলগীয়া হৈছে এই কাৰণেই যে এইখন অসমতে একালত ন্যায়াধিকৰণৰ ব্যৱস্থা কৰি পিচত ৰাজনৈতিক ক্ৰিয়া-কলাপৰ যোগেদি সেইবোৰ ন্যায়াধিকৰণক অথৰ্ব কৰি তোলা হৈছিল আৰু যি সমস্যাৰ বাবে এনে ন্যায়াধিকৰণ পতা হৈছিল— সেই সমস্যা থাকি গ'ল অকল থকাই নহয়— ই আৰু উৎকট হৈ পৰিল।

ন্যায়াধিকৰণৰ পৰ্যায়ৰ কাম আৰম্ভ হোৱাৰ আগতে অৱযশ্য চিনাক্তকৰণৰ কাম আৰম্ভ হ'ব। এই কামৰ ভাৰ পৰিছে—উপাযুক্ত আৰক্ষী অধীক্ষক মহকুমাধিপতি আৰু মহকুমা আৰক্ষী বিষয়াসকলৰ ওপৰত। সেই সকলৰ নিষ্ঠাপূৰ্ণ দায়িত্ব পালনৰ ওপৰতে সকলো কথা নিৰ্ভৰ কৰিছে। ইতিমধ্যে বিদেশী নাগৰিকৰ অৱস্থিতি নিয়মসিদ্ধ কৰাৰ বাবে বিভিন্ন অপচেষ্টা চলাৰ অভিযোগ উঠি আছে। তদুপৰি বিষয়াৰ নিযুক্তিৰ ক্ষেত্ৰতো কেতবোৰ সন্দেহজনক কাৰ্য ব্যৱস্থা কেতবোৰ ঠাইৰ ক্ষেত্ৰত প্ৰতিফলিত হৈছে। বিদেশী নাগৰিকক ৰক্ষণাবেক্ষণ দিয়াৰ অনুকূলে কাম কৰা বুলি কেতবোৰ বিষয়াৰ সম্পৰ্কত অভিযোগো উঠিছে। সেইদেখি চিনাক্তকৰণৰ দায়িত্ব পোৱা বিষয়াসকল এনে অভিযোগৰ উৰ্দ্ধত থকা লোক হ'ব লাগিব। তদুপৰি যিবোৰ নথি-পত্ৰ তথা প্ৰমাণৰ ভিত্তিত ১৯৭১ চনৰ আগত বা পিচত অহা বুলি ধৰা হ'ব— সেইবোৰৰ বিষয়ে একো স্পষ্ট ভাৱে এতিয়াও জনোৱা হোৱা নাই। এনে অস্পষ্টতাৰ সুযোগ লৈ কোনেও যাতে ভুৱা প্ৰমাণ দাঙি ধৰি ডেওনা সৰকিব নোৱাৰে তাৰো নিশ্চিয়তা লাগিব। আভুৱা ভৰাৰ ব্যৱস্থা যাতে নহয়, তাৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিব লাগিব; তাকে নকৰিলে চৰকাৰে খুটি পুতি উজুতি খোৱাৰ ব্যৱস্থাহে কৰা হ'ব।

# তৃতীয় ভাগ

# অসম আন্দোলনৰ কালছোৱাৰ
## *কেন্দ্ৰৰ উপেক্ষাৰ নিদৰ্শন*

অসম সাহিত্য সভাৰ সজাতীয় দলে ৰাষ্ট্ৰপতিক লগ ধৰি স্মাৰক পত্ৰ দাখিল কৰি বিদেশী বহিৰাগত প্ৰসঙ্গটোৱে অসমত সৃষ্টি কৰা গুৰুতৰ সমস্যা সম্পৰ্কে জনাইছে। এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে কিবা কৰিব পৰাৰ থল কম। সেই কথা ৰাষ্ট্ৰপতিয়ে নিজেই স্বীকাৰ কৰিছে। অৱশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আৰু ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ লগত আলোচনা কৰিব বুলি জনাইছে। কিন্তু ৰাষ্ট্ৰপতিৰ ক্ষেত্ৰত আমি এটা বিশেষ ব্যতিক্ৰম দেখিবলৈ পালো। অসমকে ধৰি উত্তৰ-পূব অঞ্চলৰ ৰাজ্য সমূহৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে অৱগত হোৱাৰ কথা আৰু বিপুল সংখ্যক বিদেশী নাগৰিক অনুপ্ৰবেশৰ বাবে এই অঞ্চলত সৃষ্টি হোৱা তীব্ৰ প্ৰতিক্ৰিয়াৰ কথা গম পোৱাৰ কথা স্বীকাৰ কৰাৰ লগতে ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰৰ দ্বাৰা উপেক্ষিত হোৱা বুলি এই অঞ্চলত চামনি বন্ধা মনোভাব আঁতৰোৱাৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছে।

বিদেশী নাগৰিকৰ ব্যাপক অনুপ্ৰবেশ আৰু ভোটাৰ তালিকাত বিদেশী নাগৰিকৰ নাম ভৰ্তি হোৱা সংক্ৰান্তত সমস্যাৰ ক্ষেত্ৰত কেন্দ্ৰৰ সাম্প্ৰতিক মনোভাৱ তেনে উপেক্ষাৰে মনোভাৱৰে চূড়ান্ত নিদৰ্শন। এই সমস্যা অসম বা উত্তৰ পূব ভাৰতৰ অন্যান্য ৰাজ্যসমূহত নহৈ দেশৰ আন যি কোনো অঞ্চলত হোৱা হ'লে কেন্দ্ৰৰ তৎপৰতাই সুকীয়া ৰূপ ল'লেহেঁতেন। আনকি সংসদৰ মজিয়াতে একবাৰ এই কথাৰ অৱতাৰণা কৰি আপত্তি দৰ্শোৱা হৈছে যে কাশ্মীৰলৈ পাকিস্তানৰ পৰা দুজনমান পাকিস্তানীৰ অনুপ্ৰবেশ ঘটিলেহে যিদৰে হৈ চৈ লাগে তাৰ তুলনাত উত্তৰ পূব ভাৰতত ব্যাপকভাৱে বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ ঘটিলেও কোনো তৎপৰতা পৰিলক্ষিত নহয়।



উপ-প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৰণে অসমলৈ আহি মাত্ৰ মূৰ পুলুকা মৰা ধৰণেৰে সকলো কথা কৈ গ'ল। এতিয়া ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলেও সেই মনোভাৱৰ ৰূপান্তৰ ঘটিব বুলি আমি নেভাবো। সেইদৰে ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তই বিভিন্ন সময়ত পৰস্পৰ বিৰোধী বিভিন্ন কথা কৈ যিদৰে নিজৰ প্ৰতিচ্ছবি ম্লান কৰি তুলিছে, তালৈ চাই এইজন পদাধিকাৰীয়েও ৰাষ্ট্ৰপতিয়ে বিচৰা ধৰণেৰে ব্যৱস্থা হাতত ল'ব বুলি আমি আশা কৰিব পৰা নাই। নিৰ্বাচনী আয়োগৰ সম্পূৰ্ণ স্বতন্ত্ৰ সত্বাৰ পৰিচয় আমি পোৱা নাই— কাৰবাৰ ক্ৰীড়নক ৰূপেহে কাৰ্য পৰিচালনা কৰা যেন দেখা গৈছে।

কিন্তু জনমতক উলাই কৰি যদি অসাংবিধানিক ভাৱে বিদেশী নাগৰিকৰ ভোটৰ বলেৰে নিৰ্বাচন পাতি কাৰবাৰ ন্যস্ত স্বাৰ্থ পূৰণ কৰাৰ কথাটোৱেহে আগ ঠাই পায়, তেন্তে এনে দায়িত্বহীন কাৰ্যব্যৱস্থাৰ পৰিণতিৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতৰ নিৰ্বাচনী আয়োগেই দায়ী হ'ব। এই সমুদায় অঞ্চলৰ পৰা সমবেত কণ্ঠত উঠা দাবীৰ প্ৰাদেশিকতা ভাষিক বা ধৰ্মীয় সংকীৰ্ণতাৰ কালিমাৰে কলুষিত কৰাৰ অপচেষ্টাৰে নিস্তেজ কৰি তোলাৰ ক্ষমতা কাৰো নাই। যিসকলে সেই অপচেষ্টা চলাইছে সেই সকলেহে প্ৰাদেশিকতা আৰু ভাষিক বা ধৰ্মীয় সংকীৰ্ণতাৰ স্বাৰ্থৰ দ্বাৰা প্ৰৰোচিত হৈ এইবোৰ কাম কৰিছে। আমাৰ সকলো দাবী সকলো জাগৰণৰ ক্ষেত্ৰতে আমাৰ চুবুৰীয়া এখন ৰাজ্যৰ সকলো শক্তি নিয়োজিত হয়— মাত্ৰ এনে উদ্দেশ্যেৰে। সুকীয়া বিশ্ববিদ্যালয়, ৰাজ্য-ভাষা, শিক্ষাৰ মাধ্যম, ৰাজধানী স্থানান্তৰ, শোধনাগাৰ স্থাপন আদি বিবিধ প্ৰসঙ্গত পুহকৰৰ দৰে লাগি থকা এনে জলাঞ্জলৰ মাজেদিয়েই আমি পাব লগীয়া হৈছে। কিন্তু বিদেশী নাগৰিকে ভোটাধিকাৰ পোৱাৰ নিচিনা অসাংবিধানিক আৰু ৰাষ্ট্ৰীয় প্ৰশ্ন এটাৰ ক্ষেত্ৰতো যদি তেনে স্বাৰ্থজড়িতচক্ৰই দিল্লীৰ ভাগ্যবিধাতা সকলক চাকত ঘূৰাব পাৰে তেনেহ'লে বুৰঞ্জীয়ে সেই সকল ভাগ্য বিধাতাক ক্ষমা কৰিব নে?

# *দিল্লীৰ সন্মিলন*

অসমৰ সাম্প্ৰতিক সমস্যা সম্পৰ্কে নতুন দিল্লীত পতা সন্মিলনে সমস্যাৰ সমাধানৰ বাবে একো দিহা দিব নোৱাৰিলে। মূলতঃ গৃহদপ্তৰৰ উদ্যোগতে এই সন্মিলনৰ আয়োজন কৰা হৈছিল। দেশৰ আন অঞ্চলৰ সমস্যাৰ ক্ষেত্ৰত আন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি সমস্যাৰ সমাধানৰ পথ বিচৰাৰ উদাহৰণ থাকিলেও আমাৰ এই অঞ্চলৰ সকলো সমস্যাৰ বিচাৰ মাত্ৰ গৃহদপ্তৰৰ দৃষ্টিকোণৰ পৰাহে কৰা হয় বুলি আমি আপত্তি দৰ্শোৱাৰ থল আছে।

বৰ্তমান ক্ষেত্ৰতো তেনে দৃষ্টিকোণৰ প্ৰাধান্য থকা কাৰণেই বোধকৰো ভেদ-নীতি এটা আমদানি কৰাৰ পৰোক্ষ ইঙ্গিত এটা পোৱা গ'ল। উপ প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৰনে সন্মিলনত ক'লে যে অসমত নিৰ্বাচন পিচুৱালে অনুসূচিত জাতি আৰু জনজাতিৰ আসন সংৰক্ষণ সম্পৰ্কীয় বিধানৰ মিয়াদ অন্ত পৰাৰ ফলত সাংবিধানিক অসুবিধা এটাই দেখা দিব। সেই প্ৰসঙ্গৰ অৱতাৰণা কৰি একাংশ লোকক সাম্প্ৰতিক দাবীৰ প্ৰতি বিমুখ কৰি তোলাৰ প্ৰচ্ছন্ন ইংগিত এটা থকা যেন লাগিল। পিচে এই যুক্তিক এতিয়া হাতিয়াৰ স্বৰূপে ব্যৱহাৰ কৰোতা সকলক আমি সুধিব খোজো— অসমকে ধৰি উত্তৰ পূব অঞ্চলত সুদীৰ্ঘ কাল ধৰি চলা আন্দোলনৰ মাজতো আগতে কাৰো টোপনি ভগা নাছিল কিয়? শ্ৰীচৰন নিজে অসমলৈ আহিছিল; তদুপৰি উচ্চপদস্থ কেন্দ্ৰীয় বিষয়াও আহিছিল। তেওঁলোকে সময়মতে ব্যৱস্থা লোৱাৰ কথা নেভাবি এতিয়া এই যুক্তিৰ অৱতাৰণা কৰিবলৈ কূটনীতি নহে হ'ব কি?

সন্মিলনলৈ যিসকল গৈছিল, তাৰ সৰহ-ভাগেই সমস্যাৰ সমাধানৰ কথা চিন্তা কৰাতকৈ সমস্যাটোক পথভ্ৰষ্ট কৰিবলৈ আৰু নিৰ্বাচনী প্ৰচাৰৰ সভাখনো দিল্লীৰ সন্মিলনতে পতাৰ প্ৰচেষ্টাহে চলালে। সাম্প্ৰতিক অৱস্থাত



নিৰ্বাচন পতাটো অসম্ভৱ বুলি জানিও এই প্ৰসঙ্গটো গুৰুত্ব সহকাৰে আলোচনাৰ মাজলৈ অনাই নহ'ল। মাত্ৰ ৰাজ্য সভাৰ সদস্য শ্ৰীঅজিত কুমাৰ শৰ্মা আৰু ৰাজ্যিক জনতা পাৰ্টিৰ সভাপতি শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্যই পোন-পটীয়াকৈ এই কথাৰ অৱতাৰণা কৰিলে। বাকীসকলে চালেবেৰে কোবালে।

বিদেশী নাগৰিক লাখে লাখে অসমত থকা আৰু অসংখ্য বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সোমোৱা, তেনে ত্ৰুটিপূৰ্ণ ভোটাৰ তালিকাৰ ভিত্তিত সাংবিধানিক ভাৱে নিৰ্বাচন পাতিবলৈ ওলোৱা এইবোৰ মূল বিষয় লৈয়েই সন্মিলনত পোনপটীয়াভাৱে আলোচনা হ'ব লাগিছিল। কিন্তু অসমৰ জনমতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰা একমাত্ৰ বিদেশী নাগৰিকৰ ভোটৰ ওপৰত নিৰ্ভৰশীল হৈ থকা বুলি স্পষ্টভাৱে প্ৰতিপন্ন কৰা বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলে গোটেই সন্মিলনখনকে বিভ্ৰান্ত কৰি তুলিলে। বিদেশী কোন তাকেই তেওঁলোকে নেজানে। "ভাষা-ধৰ্মৰ ভেটিত" ভোটাধিকাৰৰ পৰা বঞ্চিত কৰা প্ৰয়াসহে তেওঁলোকে দেখিলে। ১৯৭৭ চনৰ ভোটাৰ তালিকাকে ভিত্তি কৰি লোৱাৰ পোষকতা কৰা হ'ল। ৰাজ্যিক মন্ত্ৰীসভাৰ দুজন মন্ত্ৰীয়ে আকৌ সন্মিলনত বহুৱালি কৰি 'বিদেশী নাগৰিক আৰু বঙালী'- এই দুটা শব্দক সমাৰ্থক শব্দৰূপে অসমৰ কিছুমানে গণ্য কৰা বুলি ক'লে আৰু বিদেশী নাগৰিক বুলি আপত্তি তোলোতাৰ সম্পৰ্কতহে অভিযোগ তুলিলে। তেওঁলোকৰ কথাকাণ্ডৰ পৰা বাহিৰত এতিয়া ধাৰণা কৰিব পাৰিব যে অসমত বিদেশী নাগৰিক থকাৰ কোনো সমস্যাই নাই—মাত্ৰ গোকাট প্ৰাদেশিকতাৰ নিদৰ্শনহে প্ৰকাশ পাইছে।

পিচে নেতৃত্বৰ মানসিক বিকৃতিয়ে জনজাগৰণক অপদস্থ কৰিব পাৰিব বুলি আমি নেভাবো। দিল্লীলৈ আলোচনাৰ বাবে যোৱা সকল জুমুঠিহে— তেওঁলোক জনমতৰ ভাগ্য নিৰ্ণয় কৰিব নোৱাৰে। সেই কথা কেন্দ্ৰই শীঘ্ৰে উপলব্ধি কৰাটো দেশৰ কাৰণেই মঙ্গলজনক।

## দম্ভালিৰ নিদৰ্শন

জনমতক গচকি প্ৰশাসনীয় দম্ভালি প্ৰতিপন্ন কৰাৰ প্ৰচেষ্টা বৃটিছৰ দিনতো যিমান নিৰ্মমভাৱে প্ৰদৰ্শিত হোৱা নাছিল, তাতোকৈ নিৰ্মমভাৱে এতিয়া অসমৰ ক্ষেত্ৰত প্ৰদৰ্শিত হৈছে। কথাটো আৰু নিৰ্মম হৈছে— নিৰ্বাচন সংক্ৰান্ততে এই মনোভাৱ প্ৰদৰ্শিত হোৱা বাবে। সম্প্ৰতি যি আন্দোলন চলিছে, সেই আন্দোলন সম্পূৰ্ণ সাংবিধানিক আৰু শান্তিপূৰ্ণ। ভাৰতীয় নাগৰিকৰ হক ৰক্ষা কৰাৰ হকে হোৱা এই জনজাগৰণক দেশ চলোৱা সকলেই আশীৰ্বাদ দিব লাগিছিল। কিন্তু তেওঁলোকেই যুদ্ধং দেহি মনোভাৱ গ্ৰহণ কৰিছে। ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ কথাৰ মূল্য অৱশ্যে নোহোৱা হৈছে। তথাপি আমি নকৈ নোৱাৰো যে এইজন পদাধিকাৰীয়েই তেওঁৰ শ্ৰীমুখেৰে ঘোষণা কৰিছিল যে নিৰ্বাচন বলেৰে জাপি দিয়া নহ'ব। কিন্তু এতিয়া কি কৰিবলৈ লৈছে? সমূহ জনসাধাৰণ, সমূহ চাকৰিয়ালৰ আৰ্জিৰ বিপৰীতে গৈয়ো আংশিকভাৱে হ'লেও নিৰ্বাচন পাতিব খোজা হৈছে।

এই ক্ষেত্ৰত এটা ভয়ংকৰ কথাও পৰিলক্ষিত হৈছে—যাৰ পৰা বুজা গৈছে যে দিল্লীৰ প্ৰশাসন আৰু নিৰ্বাচনী আয়োগৰ মাজত সোমোৱা কোনোবা এটা শক্তিশালী চক্ৰৰ অখণ্ড কৰ্তৃত্ব প্ৰতিষ্ঠিত হৈছে। ফলত কেতবোৰ লুকাভাকু খেল নিৰ্লজ্জভাৱে চলোৱাটো পৰিলক্ষিত হৈছে। মাজতে বাতৰি ওলাল যে ৰাজ্যপাল আৰু অসম চৰকাৰে আংশিকভাৱে অসমত নিৰ্বাচন নেপাতি নিৰ্বাচন পিচুৱাব লাগে বুলি দিল্লীক অনুৰোধ জনাইছে। কিন্তু দিল্লীৰ পৰা তেনে অনুৰোধ পোৱা নাই বুলি ঘোষণা কৰা হ'ল। তেতিয়া অসমত চৰকাৰী বিজ্ঞপ্তি যোগে জনোৱা হ'ল যে তেনে অনুৰোধ জনোৱাটো সঁচা কথা। এতিয়া বাতৰি ওলাল যে (বাতৰি প্ৰতিষ্ঠানৰ বাতৰিত) অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই সাম্প্ৰতিক পৰিৱেশত অসমত আংশিকভাৱে নিৰ্বাচন



পতাটো সম্ভৱপৰ নহ'ব বুলি দিল্লীক জনাই দিছে। এইবাৰো দিল্লীৰ পৰা জনালে যে অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই তেনে মন্তব্য কৰাই নাই। এইবোৰ লুকাভাকু খেল চলাৰ পৰা আমাৰ ধাৰণা জন্মিছে যে কোনোবা এটা অদৃশ্য মদগৰ্বী চক্ৰই কিবা কাৰ্যকলাপ চলাই আছে।

পিচে জনমতক গচকি আংশিকভাৱে নিৰ্বাচন পাতিবলৈ লৈ কি সফলতা লাভ কৰিব পৰা হ'ব? অনাহক জিদ এটা হয়টো ৰক্ষা পৰিব আৰু ৰাজ্যখনৰ অন্ততঃ ৩টা সংসদী সমষ্টিত বাংলাদেশী নাগৰিকৰ দাবী প্ৰতিপন্ন কৰিব পৰা হ'ব! কিন্তু তাৰ পিচত? ডিফু সংসদী সমষ্টিত নিৰ্বাচন হ'লেও আইনৰ আগত তিষ্ঠিব বুলি আশা কৰাৰ থল নাই। কিয়নো মনোনয়ন-পত্ৰ দাখিল কৰা প্ৰসংগ লৈয়েই আইনৰ খুঁত খণ্ডন কৰাৰ উপায় নেথাকিব বুলিয়েই ধাৰণা হৈছে। আনহাতে কাছাৰৰ দুটা সমষ্টিত সমগ্ৰ অসমৰ মতৰ বিপৰীতে গৈ নিৰ্বাচন পতাৰ পৰিণতি স্বৰূপে অদূৰ ভৱিষ্যতে কাছাৰক কেন্দ্ৰ কৰি যি সমস্যাৰ উদ্ভৱ হ'ব পাৰে— কোনোবাই সেই কথা চিন্তা কৰি চাইছেনে? ইতিমধ্যে খাচ কাছাৰ জিলাতে এভাগে নিৰ্বাচন নপতাৰ সপক্ষে মাত মাতিছে আৰু ফলত কেতবোৰ তিক্ততাৰ সৃষ্টি হোৱাৰ বাতৰিও আহিছে। চুটি বুদ্ধিৰ জিদেই এই সকলোবোৰ অমঙ্গল মাতি অনা নাইনে?

## অসমৰ প্ৰতি চৰম অবিচাৰ

অসমৰ প্ৰতি সৰ্বাত্মকভাৱে সকলো প্ৰকাৰে চলা অবিচাৰৰ পয়োভৰ দেখি আমি স্তম্ভিত হৈছো। সম্প্ৰতি ওলোৱা বাতৰি মতে অসমৰ আৰু নাগালেণ্ডৰ মাজত সীমান্ত সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীএইচ এম পেটেলৰ মধ্যস্থতাত চলা আলোচনা হেনো ব্যৰ্থ হৈছে। বাতৰি মতে কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে এতিয়া দুয়োখন ৰাজ্যেৰে মুখ্যমন্ত্ৰীদ্বয়ক সুন্দৰম কমিটিৰ প্ৰতিবেদন

অধ্যয়ন কৰি এমাহৰ ভিতৰতে মত প্ৰকাশ কৰিবলৈ কৈছে—যাতে দুনাই উভয় পক্ষৰ মাজত আলোচনা চলাব পৰা হয়। পিচে কথা হ'ল সুন্দৰম কমিটিৰ অস্তিত্বকে আগতে অস্বীকাৰ কৰা কেন্দ্ৰীয় চৰকাৰে এতিয়া সেই প্ৰতিবেদন ক'ত বিচাৰি পালে?

নে প্ৰসঙ্গটো চোঁচোৰাই নিয়াৰ নতুন উপায় উলিয়ালে? সীমান্তৰ এই বিবাদ অসমে সৃষ্টি কৰা নাই। পূৰ্বৰ এজন 'সবজান্তা' ৰাজ্যপালে কেন্দ্ৰীয় গৃহদপ্তৰ আৰু কেন্দ্ৰ আৰু ৰাজ্যৰ প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰীবৰ্গৰ লগত জোটাশলীয়া হৈ অসমক টুকুৰাটুকুৰ কৰি নতুন ৰাজ্যৰ সৃষ্টি কৰি বিবাদৰ বীজ সিঁচি গ'ল। এতিয়া তেওঁলোকে নিৰ্লিপ্ত আৰু নিশ্চিন্ত। এতিয়াৰ নতুন আমোলেও (কেন্দ্ৰ আৰু ৰাজ্যৰ) কোনোবা অদৃশ্য শক্তিৰ শ্ৰুতলিপি লৈহে কামত আগবঢ়া যেন লাগিছে। কিয়নো কেন্দ্ৰীয় চৰকাৰে যদি ৰাজ্য গঠন কৰাৰ সময়ত থকা সীমাকে খাটাং সীমা বুলি ধৰিছেই আৰু এই প্ৰসঙ্গ পুনৰ মুকলি কৰাৰ কথা ভবাই নাই— তেন্তে বিবাদ চোঁচোৰাই তিক্ততা বঢ়াই থকাৰ কাৰণ কি? নে অসমৰ ওপৰত হেঁচা দিয়াৰ কৌশল অৱলম্বন কৰা হৈছে। ইতিমধ্যে এই অঞ্চলৰ ৰাজ্যসমূহৰ বাবে উমৈহতীয়া ৰাজ্যপালৰ ব্যৱস্থা কৰি অসমক বিশেষভাৱে বাধাগ্ৰস্ত কৰা হৈছে। অসম চৰকাৰে অসমৰ ৰাইজক ৰক্ষা কৰাৰ বাবে সীমান্তত পুলিচ ৰখাটোও এতিয়া 'অপৰাধ'ৰ কথা! অথচ অসম ৰাইফলছ বাহিনীত প্ৰাক্তন নগা বিদ্ৰোহীক মকৰল কৰি অসম সীমান্তত ৰাখি 'ভাৰসাম্য' ৰক্ষা কৰা হৈছে! সেইদৰে কাৰ উৰ্বৰ মস্তিষ্কৰ সৃষ্টি অনুসৰি অসমৰ সীমান্তত প্ৰাক্তন নগা বিদ্ৰোহীক সংস্থাপিত কৰি এনে 'ভাৰসাম্য' গজগজীয়া কৰা হ'ল?

তদুপৰি একে সময়তে নাগালেণ্ড, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ অসমৰ লগত থকা সীমাৰ প্ৰশ্ন লৈ বিবাদ আৰু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাটো যথেষ্ট সন্দেহজনক কথা। ইয়াৰ মূলত কাৰ প্ৰৰোচনা আছে, তাৰ সূক্ষ্ম বিচাৰ লোৱাৰ কোনো প্ৰচেষ্টা পৰিলক্ষিত হোৱা নাই। তাৰ সলনি অসমৰ ওপৰত পৰা হেঁচাৰ বাবেহে যেন সকলোৱে পৰিতৃপ্তি লাভ কৰিছে।



অসমৰ সীমান্তৰ ক্ষেত্ৰতে নহয়, অন্যান্য বিবিধ বিষয়তো অসমৰ স্বাৰ্থ উপেক্ষিত হৈছে। প্ৰতিটো বিষয়তে কেতবোৰ শক্তিশালী চক্ৰই অসমৰ স্বাৰ্থৰ বিপৰীতে কাম কৰিব লাগিছে। আৰু এনে প্ৰতিটো ক্ষেত্ৰতে অসম চৰকাৰক অথৰ্ব অৱস্থাত ৰখা হৈছে। সেই দেখি চাকৰিৰ বাছনি কমিটি পতা ৰঙিয়াত ৰেল-ডিভিজনৰ কাৰ্যালয় পতা, এ-জি অফিচ অসমলৈ নমাই অনা, ডাক-তাঁৰ কাৰ্যালয় শ্বিলঙৰ পৰা উঠাই অনা—ইত্যাদি সকলো ক্ষেত্ৰত অসমৰ দাবী একে ভাষাৰেই বাতিল হৈ গৈছে। শেষত অসমৰ অস্তিত্ব বিপন্ন কৰি তোলা বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ বিষয়টোৰ ক্ষেত্ৰতো গাত কথা নলগা মনোভাৱ এটা পৰিলক্ষিত হৈছে। শক্তিশালী চক্ৰই অসম চৰকাৰক কাৰ্যতঃ নজৰ-বন্দী কৰি ৰখা কাৰণে ৰাজ্য চৰকাৰে বিদেশী নাগৰিকক ঘূৰাই পঠোৱাটো বন্ধ ৰাখিছে। এই ক্ষেত্ৰত কেন্দ্ৰয়ো একো মাত মতা নাই— অথচ এইটো এটা ৰাষ্ট্ৰীয় সমস্যা আৰু এই ক্ষেত্ৰত কেন্দ্ৰৰ দায়িত্বই বেছি। বিদেশী নাগৰিকে অবাধে প্ৰবেশ কৰি ৰাষ্ট্ৰৰ এটা অঞ্চলৰ সকলো কৰ্তৃত্ব যদি দখল কৰি লয়, তেন্তে সেইটো ৰাষ্ট্ৰীয় সমস্যা নহৈ কি হ'ব আৰু এই সম্পৰ্কতে যদি কেন্দ্ৰই তৎপৰতা নেদেখুৱায়, তেন্তে দেখুৱাব কেতিয়া? আনকি সাধাৰণ বিবেচনাৰ পৰাই বুজিব পাৰি যে এনে ৰাষ্ট্ৰীয় সমস্যা সৃষ্টি কৰা বিদেশী নাগৰিকৰ প্ৰব্ৰজন বন্ধ কৰাটো বাতিল কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কোনো কৰ্তৃত্বই নাই। তথাপি কেন্দ্ৰ নিতাল মাৰি আছে।

## বৰ্বৰতাৰ বিৰুদ্ধে প্ৰত্যাহ্বান

জন জাগৰণক ভৰিৰে গচকি অসমত লোকসভাৰ মধ্যকালীন নিৰ্বাচন পাতিবলৈ বদ্ধপৰিকৰ হোৱা দিল্লী আৰু দিছপুৰৰ চক্ৰ এটাই কি হীন পন্থা অৱলম্বন কৰিছে, তাৰ স্পষ্ট নিদৰ্শন দাঙি ধৰিলে গুৱাহাটীৰ পৰা বৰপেটালৈ

যোৰা বাটত কৰ্তৃপক্ষই পতা নৰমেধ যজ্ঞৰ নাৰকীয় ঘটনাই। এই শক্তিশালী চক্ৰত সদস্যভুক্ত হোৱা সকলৰ পৰিচয় ৰাইজে পোৱা উচিত ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে— কি কাৰণে আমি নেজানো— অসমৰ জনমতক শত্ৰুৰূপে গণ্য কৰি সেই মতেই ব্যৱস্থা লৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ভোটৰ লালসাত মত্ত হৈ সকলো হিতাহিত জ্ঞান পৰিহাৰ কৰিছে। ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীশাকধৰে তেওঁৰ স্বতন্ত্ৰ পদমৰ্যাদাৰ ধুলিৰ লগত মিহলাই দি কেন্দ্ৰীয় গৃহ দপ্তৰৰ কাৰ্যালয় সহকাৰীৰ পদৰ লগত নিজক চামিল কৰি দিছে।

কিন্তু চক্ৰৰ তালিকা অকল তাতে শেষ হোৱা নাই। অসমতো তাৰ শাখা-প্ৰশাখা বিয়পি আছে। অসম চৰকাৰক অথৰ্ব কৰিব ৰখা যিটো চক্ৰই আঁৰৰ পৰা কাৰ্যনিৰ্বাহ কৰি আছে— সেই চক্ৰই এই সন্ধিক্ষণত বিভিন্ন মন্ত্ৰীক পদত্যাগ কৰিবলৈ বাধ্য কৰি পাৰিলে ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তন কৰি হ'লেও শক্তিৰ পয়োভৰ দেখুৱাই নিৰ্বাচন পাতিবলৈ বিচাৰে নাইবা শিখণ্ডী ৰূপে ৰাখিব পৰা এজনক মুখ্যমন্ত্ৰী পাতি উদ্দেশ্য চৰিতাৰ্থ কৰিব খোজে। এই ক্ষেত্ৰত কংগ্ৰেছ নেতা শ্ৰীশৰৎ চন্দ্ৰ সিংহই আঁৰৰ পৰা চলোৱা নিন্দনীয় লীলা-খেলাৰ তুলনা নাই। আন হাতে মুখ্যমন্ত্ৰীত্বৰ লোভত হিতাহিত জ্ঞান হেৰুৱাই পেলোৱা আন এজন মন্ত্ৰীয়ে অসমৰ সৰ্বনাশ ঘটায়ো মুখ্যমন্ত্ৰী হোৱাৰ বাবে এই দুৰ্যোগৰ সময়ত যিবোৰ লীলা চলাইছে সেয়ে তেওঁৰ স্বৰূপ উদঙাই দিছে।

এইবোৰ কাণ্ড চলি থকা পৰত দিছপুৰত কোনে শাসন চলাইছে তাৰ কোনো সন্ধান নাই। মুখ্যমন্ত্ৰী শ্ৰীযোগেন্দ্ৰ নাথ হাজৰিকাই নিজৰ দুৰ্বলতা ইমান দৃষ্টিকটুভাৱে উদঙাই দিছে যে দিছপুৰত শাসনৰ অস্তিত্বই নাই যেন লাগিছে। দেওবাৰে আগবেলা এইজন মুখ্যমন্ত্ৰীয়েই ফটোৱা জাৰি কৰিলে যে নিৰ্বাচনী আয়োগক তেওঁ হেনো নিৰ্বাচন পিচুৱাবলৈ পৰামৰ্শ দিছে। কিন্তু সেই একেজন মুখ্যমন্ত্ৰীয়ে তেওঁক উঠা-বহা কৰোৱাই থকা চক্ৰৰ শ্ৰুতলিপি মতে নিৰ্বাচন প্ৰাৰ্থীক সশস্ত্ৰ পুলিচৰ সহায়ত মনোনয়ন-পত্ৰ



দাখিল কৰিবলৈ ব্যৱস্থা কৰি দিয়াৰ ভাৰ ল'লে। সেয়ে তেওঁৰ প্ৰথম উক্তিক অৰ্থহীন কৰি তুলিলে আৰু দ্বিতীয় উক্তিয়ে কুখ্যাত ডি-আই-জি শ্ৰীগিল আৰু কামৰূপৰ কুখ্যাত আৰক্ষী অধীক্ষক শ্ৰীশ্ৰীবাস্তৱৰ হাতত অসমৰ শাসনৰ বাঘজৰী এৰি দিলে। এইখন কাকতৰ সম্পাদকে বৰপেটামুখী আলিবাটত চলা নৰমেধ যজ্ঞৰ সম্পৰ্কত টেলিফোন যোগে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি সোমবাৰে পুৱা এই বৰ্বৰতা বন্ধ কৰিবৰ বাবে গোহাৰি জনাওঁতে মুখ্যমন্ত্ৰীয়ে দ্বিধাহীনভাৱে জনালে যে তেনেদৰে বল প্ৰয়োগ কৰিবলৈ আৰু তেনে কাৰ্য পৰিচালনা কৰিবলৈ শ্ৰীগিলক হেনো তেওঁ কৰ্তৃত্ব দিয়া নাই। তেন্তে দিলে কোনে মুখ্যমন্ত্ৰী এজনৰ মুখত এনে কথাই শোভা পায়নে? শ্ৰীগিলে মুখ্যমন্ত্ৰী, তথা অসম চৰকাৰক নাকত ধৰি চাকত ঘূৰাবৰ বাবে কৰ্তৃত্ব পাব পৰা ধৰণৰ গণতন্ত্ৰই তেন্তে অসমত চলি আছে নেকি? সেই দেখি নিৰুপায়ত পৰি এই কাকতৰ সম্পাদকে শেষ অৱলম্বন হিচাপে ৰাজ্যপালক আবেদন জনাই বৰ্বৰতা বন্ধ কৰাৰ বাবে চেষ্টা চলাওঁতে ৰাজ্যপালৰ আগত কথা নিবেদন কৰাৰে সুযোগ নেপালে। ৰাজ্যপালে হেনো পূৰ্বৰ 'এপয়েণ্টমেণ্ট' থাকিলেহে কথা হ'ব পাৰে। অসম জ্বলাৰ মুহূৰ্ততো ৰাইজৰ পৰা বিচ্ছিন্ন হৈ থকা ৰাজ্যপাল এজনৰ বাহিৰে আন কাৰো পক্ষে এনে কথা কোৱা সম্ভৱ নহয়।

সেই দেখি দেখা গ'ল যে সাম্প্ৰতিক ঘটনাৰ গতিধাৰা কোনে নিয়ন্ত্ৰণ কৰিছে, কোনেও নেজানে? শ্ৰীমতী আবিদা আহমদ আৰু শ্ৰীদেৱকান্ত বৰুৱাক মনোনয়ন পত্ৰ দাখিল কৰিবলৈ সমগ্ৰ আসুৰিক শক্তিৰ সুবিধা দি, আলিবাটত মানুহক গৰু মৰিওৱাৰ দৰে মাৰি 'গণতন্ত্ৰ' প্ৰতিষ্ঠা কৰিব খোজোতাসকলৰ ভণ্ডামিৰ উত্তৰ কিদৰে দিব লাগে— সেই কথা ৰাইজে নিশ্চয় বুজিছে। তাৰ প্ৰত্যুত্তৰ দিবলৈ ৰাইজ সাজু হওক। অসমৰ প্ৰতিজন লোক এতিয়া চৰম প্ৰত্যাহ্বানৰ সন্মুখীন। শ্ৰীগিল আৰু শ্ৰীশ্ৰীবাস্তৱৰ লাঠিয়েই অসমৰ ৰাইজক শেষ কৰি দিব নোৱাৰে। চঙীনেৰে মানুহ খুচি, লাঠিৰে মূৰ ভাভি মনোনয়ন-পত্ৰ দাখিল কৰাব পাৰিব। কিন্তু নিৰ্বাচন-প্ৰক্ৰিয়াৰ সেয়ে

শেষ কথা নহয়। নির্বাচন যাতে পাতিব নোৱাৰে, তাৰ বাবে অসহযোগৰ প্ৰক্ৰিয়া প্ৰতি স্তৰতে ৰাইজে গঢ়ি তোলক। মাত্ৰ ৰাইজ সংযত হওক, উত্তেজনা পৰিহাৰ কৰক, শৃংখলা অটুট ৰাখক, সকলো সংঘবদ্ধ হওক। সেয়ে অসহযোগৰ প্ৰক্ৰিয়াক পূৰ্ণাঙ্গ কৰি তুলিব আৰু ইপ্সিত লক্ষ্যত ৰাইজক উপনীত কৰিব। শ্ৰীগিলৰ নিচিনা লোকৰ আৰু লগতে আঁৰৰ পৰা ৰং চোৱা ৰাজনৈতিক ধুৰন্ধৰ কেইটাৰ প্ৰতি যোগ্য প্ৰত্যুত্তৰ হ'ব সেয়ে। অসমক ভাল পোৱা আৰু জনজাগৰণৰ ঢৌৰে অন্তৰ পৰশা ৰাইজৰ প্ৰতি এয়ে আমাৰ একান্ত মিনতি।

## আন্দোলনৰ খতিয়ান

সুদীৰ্ঘ কাল জোৰা আন্দোলনৰ মূৰতো অসমত বিদেশী নাগৰিকৰ ভোটেৰে নিৰ্বাচন পতাটো সম্পূৰ্ণৰূপে বন্ধ নহ'ল। মুঠ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত ১২টাত সমূহ ৰাইজৰ অক্লান্ত প্ৰচেষ্টাৰ মূৰত নিৰ্বাচন বন্ধ হ'ল যদিও কাছাৰ জিলাৰ শিলচৰ আৰু কৰিমগঞ্জ সমষ্টিত অবৈধ নিৰ্বাচন এতিয়া সম্পন্ন হ'ব। জনমতক গচকি গণতন্ত্ৰৰ ভণ্ডামি দেখুওৱা সকলৰ মুখ্য এই স্বেচ্ছাচাৰিতাই উদঙাই দেখুৱালে। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰিলে; কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৰনে দিল্লীৰ পৰা ঘনে ঘনে টেলিফোন কৰি শ্ৰীআবেদা আহমদৰ মনোনয়ন-পত্ৰ দাখিল কৰাৰ বেলিকা অত্যুৎসাহ দেখুৱাই নিৰ্দেশৰ উপৰি নিৰ্দেশ পঠাবলৈ আজৰি উলিয়াব পাৰিলে; কিন্তু অসমৰ এই ৰাষ্ট্ৰীয় সমস্যাৰ বিচাৰ আন্তৰিকতাৰে কৰাৰ সময় নেপালে বা প্ৰয়োজনীয়তা উপলব্ধি নকৰিলে। ব্যক্তিগত বা কংগ্ৰেছৰ নিৰ্বাচনী স্বাৰ্থই অন্ধ কৰি ৰখা এনে নজিৰ কেন্দ্ৰৰ কোনো এজন গৃহমন্ত্ৰীয়ে প্ৰদৰ্শন কৰা নাই। আনহাতে ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তই নিজৰ পদমৰ্যাদা



অৱনমিত কৰি যি নিন্দনীয় ভূমিকা গ্ৰহণ কৰিলে, সেয়ে আমাৰ দেশৰ নিৰ্বাচনী উজ্বলতাকো ম্লান কৰি পেলালে।

এটা শক্তিশালী চক্ৰই যে এই ক্ষেত্ৰত বিশেষ ভূমিকা ল'লে— সেই বিষয়ে কোনো সন্দেহেই নাই। দিল্লীত খোপনি লোৱা এই প্ৰশাসনীয় চক্ৰই কেন্দ্ৰত চৰকাৰৰ ওপৰত প্ৰভাৱ পেলোৱাৰ উপৰিও নিৰ্বাচনী আয়োগৰ মাজলৈকো শাখা-প্ৰশাখা বিয়পাই পেলালে বুলি সন্দেহ কৰাৰ থল ওলাল। আনহাতে দিছপুৰৰ প্ৰশাসনীয় চক্ৰয়ো এই ক্ষেত্ৰত দিল্লীৰ ক্ষমতাশালী চক্ৰৰ লগত হাত মিলালে। কিয় বাহিৰৰ পৰা আই-এ-এছ বিষয়া আনি দিছপুৰত ভৰাই পেলোৱা হ'ল, কিয় অসমৰ অসামৰিক ৰাজ্যিক সেৱাৰ বিষয়াসকলক সকলো কৰ্তৃত্বৰ পৰা আঁতৰাই ৰখা হৈছিল, কিয় মুখ্য সচিবক অতৰ্কিত আঁতৰোৱা হৈছিল, কিয় অসমত ৰাষ্ট্ৰপতিৰ আমোল প্ৰতিষ্ঠা কৰাৰ পৰিবেশ গঠন কৰাৰ বাবে তলগুজীয়াভাৱে সকলো প্ৰচেষ্টা চলোৱা হৈছিল—এই সকলোবোৰৰ কাৰণ এতিয়া সুস্পষ্ট হৈ পৰিছে।

অসমৰ জনমতৰ বিৰুদ্ধাচৰণ কাছাৰৰ একাংশ লোকে লোকসভাৰ নিৰ্বাচন তাত পতাটো সম্ভৱপৰ কৰি তুলি ইয়াকে প্ৰমাণ কৰিলে যে কাছাৰ এতিয়া সম্পূৰ্ণভাৱে বাংলাদেশী ন্যস্তস্বাৰ্থৰ গৰাহত পৰিছে— তাৰ খিলঞ্জীয়া লোকসকলৰ অৱস্থা ইতিমধ্যে ত্ৰিপুৰাৰ থলুৱা জনজাতীয় লোকৰ অৱস্থাৰ অনুৰূপ হৈ পৰিল। লগতে প্ৰমাণ হৈ গ'ল যে দিছপুৰ, দিল্লী আৰু নিৰ্বাচনী আয়োগৰ মাজত থকা শক্তিশালী মহল এটা এই পৰিণতিৰ তথা কাছাৰত বিদেশী বাংলাদেশীৰ প্ৰভুত্ব বিস্তাৰ হোৱাৰ পক্ষপাতী আৰু সেই দেখি বিদেশী ভোটাৰৰ ভোটেৰে কাছাৰৰ ভাগ্য নিৰ্ণয় কৰাৰ বাবে ইমান উৎসাহী হৈ পৰিছে।

অৱশ্যে পাতৰ তলত থকা লাওৰ দৰে এই পটভূমিত সোমাই থকা সৰ্বভাৰতীয় দল কেইটামানৰ ৰাজ্যিক শাখাও এই পৰিণতিৰে অংশীদাৰ। অসমৰ সাম্প্ৰতিক আন্দোলনৰ পৰা আঁতৰি থকা কংগ্ৰেছ (আৰ্ছ), ইন্দিৰা কংগ্ৰেছ আৰু চি পি এম দলে শেষ মুহূৰ্তলৈকে কাছাৰ জিলাৰ সমষ্টিত

নিজৰ নিজৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ নকৰি অসমৰ জনমতৰ প্ৰতি প্ৰত্যাহ্বান জনাই থাকিল। জনমতক এইদৰে বিদ্ৰূপ কৰিবলৈ সাহস দেখুওৱা এইবোৰ দলৰ তেন্তে শক্তিৰ উৎস ক'ত? নিশ্চয় অসম আৰু অসমীয়াৰ স্বাৰ্থৰ মাজত নহয়। সম্পূৰ্ণ বিদেশী ভোটৰ সহায়তে তিষ্ঠি থাকিব পৰাৰ নিশ্চয়তা লৈয়েই নিশ্চয় এই সৰ্বভাৰতীয় দল কেইটাই জনমতৰ প্ৰতি প্ৰত্যাহ্বান জনালে। সেই প্ৰত্যাহ্বান অসমৰ ৰাইজে গ্ৰহণ কৰে নে নকৰে, তাৰ পৰিচয় ভৱিষ্যতে দিব।

## অত্যাচাৰ বন্ধ কৰক

উত্তৰ কামৰূপৰ ভালেমান অসমীয়া গাৱঁৰ ৰাইজৰ মাজত হঠাৎ সৈন্য-বাহিনী আৰু চি আৰ পি বাহিনীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ লোৱাৰ পৰা অনুমান হৈছে যে দেশখনৰ এই অঞ্চলত শাসন বুলিবৰ যোগ্য কোনো ব্যৱস্থাই আজি নাই। বিশেষকৈ শেহতীয়াভাৱে নলবাৰী মহকুমাৰ গাওঁবিলাকত সৈন্য বাহিনীৰ লোকে অবাধ ৰাজত্ব কৰি, জধে-মধে গাওঁবাসীক মাৰি-কিলাই ধৰি-বান্ধি লৈ গৈ, পুৰুষ মানুহক ল'ৰা-তিৰোতা এৰি পলাবলৈ বাধ্য কৰি আৰু তিৰোতা মানুহকো অসৎ ব্যৱহাৰ কৰি যি জুলুম চলাইছে তাৰ লগত তুলনা কৰিবলৈ আমি কোনো দৃষ্টান্ত বিচাৰি পোৱা নাই। কোনে এনে দায়িত্বহীন, নিৰ্বিচাৰ আৰু অকথৎ অত্যাচাৰ কৰিবলৈ নিৰ্দেশ দিলে? কি দোষৰ কাৰণে এই প্ৰচণ্ড শীতৰ দিনত আবাল-বৃদ্ধ-বণিতাক ঘৰ এৰি থৈ যাবলৈ আৰু সমৰ্থ খেতিয়কসকলক পথাৰৰ পৰা ধান, গৰু-মহ চোৰৰ ভোজ হোৱাকৈ এৰি থৈ যাবলৈ বাধ্য কৰা হৈছে? আজি অসমত দায়িত্বশীল চৰকাৰ নাই, কিন্তু যি ৰাষ্ট্ৰপতিৰ শাসন চলি আছে তাকো এইবিলাক নমুনাৰ পৰা শাসন বুলি ক'বলৈ আমাৰ জিভা কোঁচ খাই আহিছে।



সশস্ত্ৰ বাহিনীৰ এই উন্মত্ততাৰ কোনো যুক্তি আমি বিচাৰি পোৱা নাই। প্ৰায় গোটেইটো উত্তৰ কামৰূপ অঞ্চল উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰা হৈছে। এই বিৰাট অঞ্চলৰ বহু ঠাইত বাংলাদেশী অনুপ্ৰৱেশকাৰী সকলে দল বান্ধি বান্ধি অস্ত্ৰ-শস্ত্ৰ লৈ ভালেমান অসমীয়া গাৱঁৰ ওপৰত হানা দি নিৰীহ গাওঁবাসীক ঘৰ-বাৰী এৰি পলাবলৈ বাধ্য কৰা সংকটৰ কাৰণেই পুলিচৰ উপৰি চি আৰ পি আৰু সৈন্য বাহিনীক নিয়োগ কৰা হয়, সান্ধ্য আইন জাৰি কৰা হয়, উপদ্ৰুত অঞ্চল ঘোষণা কৰা হয়। তেন্তে হঠাৎ নলবাৰী মহকুমাৰ একেবাৰে অশান্তিৰ চিন-চাব নথকা গাওঁবিলাকতো সৈন্য বাহিনীয়ে এনে অত্যাচাৰ আৰম্ভ কৰি দিলে কিয়? বহু স্বাৰ্থ জড়িত মহল, কিছুমান ৰাজনৈতিক দলৰ লোকে আৰু স্বয়ং ভাৰত এৰি গুচি যাব লগা বিদেশী লোকে সম্প্ৰতি চলি থকা আন্দোলনটোৰ বিৰুদ্ধে গৈ যুদ্ধং দেহি মূৰ্তি ধাৰণ কৰিছে। কিন্তু তেনে মহল বিলাকক সান্ধ্য আইন, সশস্ত্ৰ বাহিনীৰ টহলদাৰী আদিৰ সহায়ত নিৰ্বিঘ্ন-নিশ্চিন্ত হৈ থাকিবলৈ দিয়া হৈছে। তেনেহ'লে আমি বুজিব লাগিব নেকি যে যিসকলে দিল্লীৰ পৰা দিছপুৰলৈকে শাসনৰ বাঘজৰী হাতত লৈ আমাৰ ন্যায্য দাবীক বুঢ়া আঙুলি দেখুৱাই আহিছে আৰু সাম্প্ৰতিক শান্তিপূৰ্ণ আন্দোলনটোক ছলে-বলে-কৌশলে বাধাগ্ৰস্ত কৰি আহিছে তেওঁলোকেই সাধাৰণ অসমীয়া ৰাইজৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰি এহাতে আন্দোলনটো মষীমূৰ কৰি দিবলৈ ওলাইছে আৰু আনহাতে আমি খেদি দিব খোজা বিদেশী লোকসকলক গোজ পুতি ল'বলৈ উৎসাহ দিছে?

আমি এনে শাসনহীনতাৰ আন কোনো নজিৰ বিচাৰি পোৱা নাই। জাৰ্মানীৰ নাজিবাদ, আমাৰ অসমৰে মানৰ দিন আদিৰ কথা স্বাভাৱিকতে মনলৈ আহিব। কিন্তু জাতিবাদী ঘৃণাৰ লুণ্ঠনৰ লোভ, এনে কোনো হেতু বৰ্তমান উৎপীড়নৰ অন্তৰালত দেখা নাযায়। ই যেন কেৱল বন্দুক দেখুৱাই ভীতি প্ৰদৰ্শন কৰি এটা জাতিক দমন কৰিবৰ বাসনাহে। ৰাষ্ট্ৰপতিৰ শাসন বৰ্তি থকাত ৰাজ্যিক প্ৰশাসন যন্ত্ৰই শোচনীয় দুৰ্বলতা প্ৰকাশ কৰিছে। পীড়িত

ৰাইজ তেন্তে কাৰ ওচৰলৈ যাব? কর্তৃপক্ষই যদি ৰাজ্যখনত শান্তিয়েই বিচাৰে তেনে তৎক্ষণাৎ সৈন্য আৰু চি আৰ পি বাহিনীক প্রত্যাহাৰ কৰক। লাগে যদি তেওঁলোকক অত্যাচাৰী সকলক শাস্তি দিয়াত নিয়োগ কৰক, আমি দেখি আচৰিত হৈছো যে ঘৰ-দুৱাৰ এৰি শিবিৰত আশ্রয় লোৱা অসমীয়া শৰণার্থীসকলক আজিলৈকে চৰকাৰে কোনো ধৰণৰ সাহায্য দিয়া নাই। তেওঁলোকক তৎক্ষণাৎ সাহায্য দিয়াৰ প্রয়োজন। দিছপুৰ সজাগ হওক, তৎপৰ হওক যেন বর্তমানৰ অবাধ উৎপীড়ন আৰু ধনিষ্ঠামানো সম্প্রসাৰিত নহয়। আটাইতকৈ ডাঙৰ প্রয়োজন দিছপুৰত এটা প্রকৃত প্রতিনিধিমূলক চৰকাৰৰ, যি চৰকাৰে আমাৰ আশা-আকাংক্ষা বাস্তৱত ৰূপদান কৰিব পাৰে, এই দিশলৈ সংশ্লিষ্ট সকলোৱে মনোনিৱেশ কৰক।

## *দিল্লীৰ বৈঠক*

প্রধানমন্ত্রীয়ে অসম সম্বন্ধে দিল্লীত যি বৈঠক আহ্বান কৰিছিল তাৰ পৰা যে কিবা ফল লাভ হ'ব সেই বিষয়ে আমাৰ সকলোৰেই সন্দেহ আছিল। কাৰণ যিসকলক লৈ আলোচনা সভা পতা হৈছিল সেই ৰাজনৈতিক দল সমূহ প্রত্যক্ষভাৱে বর্তমান আন্দোলনত মুঠেই জড়িত নহয় আৰু এই কথা কেৱল শ্রীজর্জ ফার্ণাণ্ডেজেহে আঙুলিয়াই দিয়ে। দিল্লীৰ বৈঠক সম্বন্ধে যি বাতৰি প্রকাশ পাইছে তাতো কোৱা গৈছে যে আন্দোলন পৰিচালনাকাৰী পক্ষসমূহৰ সৈতে এই দলবিলাকৰ কোনো যোগাযোগেই নাই আৰু সেই কাৰণেই কোনো সমাধান সূত্রৰ লগতে তেওঁলোক জড়িত হ'ব নুখুজিলে। তেওঁলোকৰ এইকণ শুভ বুদ্ধিৰ যে উদয় হ'ল তাৰ একমাত্র কাৰণ তেওঁলোকে উপলব্ধি কৰিছে তেওঁলোক আজি অসমৰ জনসাধাৰণৰ পৰা সম্পূর্ণ বিচ্ছিন্ন। দিল্লীলৈ যোৱাৰ পথত তেওঁলোকক সোঁৱৰাই দিয়া হৈছিল



যে কোনো ৰাজনৈতিক সিদ্ধান্ত এনেকৈ বৈঠক পাতি জাপি দিবলৈ চেষ্টা কৰা হ'লে তাক লগে লগেই অগ্রাহ্য কৰা হ'ব। এই সকিয়নিও নিশ্চয় তেওঁলোকৰ মনত আছিল। ফল স্বৰূপে বর্তমান আন্দোলন প্রত্যাহাৰ কৰিবলৈ আবেদন জনোৱাৰ বাহিৰে কোনো স্পষ্ট ফল এই সন্মিলনৰ পৰা আমি দেখিবলৈ নেপালো। কিন্তু এই বিষয়তো উল্লেখ থাকে যে এই আবেদনো একো নতুন কথা নহয় ঃ শ্রীমতী গান্ধীয়ে যোৱা মাহত ছাত্র সন্থাৰ প্রতিনিধিসকলৰ লগত কৰা আলোচনাৰ পৰা গৃহ মন্ত্রী শ্রীজাইল সিঙে গুৱাহাটীত কৰা আলোচনালৈকে এই আবেদন কৰি অহা হৈছেই। ইয়াত নতুনত্ব একো নাই। মাত্র প্রধানমন্ত্রীৰ দৃষ্টিকোণৰ পৰা ইয়াকে ক'ব পাৰি যে এনে এখন সন্মিলন পাতিবলৈ সংসদত তেওঁ যি কথা দিছিল তাকে যোৱা ১ মার্চত ৰক্ষা কৰিলে মাথোন আৰু সম্ভৱত বিভিন্ন ৰাজনৈতিক দলৰ মনোভাৱ তেওঁ আগ ধৰি পৰীক্ষা চালে মাথোন যাতে ভৱিষ্যৎ কার্যপন্থা নির্ধাৰণ কৰিব পাৰে। ইয়াৰ বাহিৰে বিদেশী নাগৰিক সম্বন্ধে অসমৰ অৱস্থা আগৰ দৰেই থাকিল, গতিকে বৈঠকৰ অনুৰোধ অনুযায়ী আন্দোলন উঠাই লোৱাৰ একো প্রশ্ন নুঠে।

দিল্লীৰ বৈঠকে উদ্বিগ্নতা প্রকাশ কৰিছে যে আন্দোলনৰ ফলত জনসাধাৰণৰ বিশেষ কষ্ট হৈছে আৰু অসম তথা ভাৰতৰো স্বাভাৱিক আৰু অর্থনৈতিক অৱস্থাত ব্যাঘাত জন্মিছে। দুখ-কষ্ট কোনেও স্বেচ্ছাই মূৰ পাতি নলয়, কিন্তু মূল সমস্যাটোৰ এটা সুসমাধান নোহোৱালৈকে এই বিলাকৰ দূৰীকৰণ কেনেকৈ সম্ভৱ হ'ব পাৰে? যোৱা ৪/৫ মাহে যি ব্যাপক আন্দোলন চলি আছে তাৰ পৰা অনেকৰ অনেক ধৰণে অসুবিধা হৈছে, বহুত ঠাইত অশান্তিও হৈছে; কিন্তু যি মূল বিষয়ৰ কাৰণে এনেবিলাক হৈছে সেই কথা আগতেই স্বীকাৰ কৰি লোৱা হ'লে নিশ্চয় এনে নহ'লহেঁতেন। বিদেশী নাগৰিকৰ অবাধ প্রব্রজন আৰু অসমত তেওঁলোকৰ উপস্থিতি আজি সকলোৱে মানি লৈছে। এইটো ৰাষ্ট্রীয় সমস্যা কিন্তু ইমানদিনে স্বীকৃত হোৱা নাছিল। প্রধানমন্ত্রীয়ে কৈছে যে সীমান্ত সুৰক্ষাৰ ব্যৱস্থা অধিক তৎপৰ

কৰি তোলা হৈছে, ভোটাৰক চিনাক্ত-পত্ৰ দিওৱাৰ ব্যৱস্থা কৰা হ'ব— কিন্তু প্ৰশ্ন হ'ল এইবিলাক যোৱা ৩৩ বছৰে কতা নহ'ল কিয়? শ্ৰীমতী গান্ধীয়ে আৰু কৈছে যে উত্তৰ-পূৰ্বাঞ্চলক, বিশেষকৈ অসমক বহুদিন ধৰি অৱহেলা কৰি অহাৰ ফলতে আজিৰ সংকট উপস্থিত হৈছে। স্বাধীনতাৰ ডেৰটা দশকৰ ভিতৰত এটা দশকৰো এবছৰ অধিক কাল তেওঁ প্ৰধানমন্ত্ৰী হৈ আছিল, তেৰেঁই আজি এনে স্বীকাৰোক্তি কৰাটো হাস্যকৰ কথা নহয়নে? অসমবাসীৰ আজিৰ ব্যাপক আন্দোলন ইমান বছৰৰ পুঞ্জীভূত ক্ষোভৰ পৰিণাম। ইয়াক কেৱল এখন সভাৰ আবেদনেৰে বন্ধ কৰা সম্ভৱ নহয়। [এইখিনিতে আমি দিছপুৰক সঁকিয়াই থ'ব খোজোঁ যে বেদখল কাৰ্য বিদেশী লোকে সা-সম্পত্তি আহৰণ কৰা আদিত বাধা দিবলৈ প্ৰধানমন্ত্ৰীয়ে যি নিৰ্দেশ দিছে তাৰ প্ৰতি যেন চকু-কাণ ৰখা হয়।] প্ৰধানমন্ত্ৰীয়ে ক'বৰ দৰে আমিও ভাবোঁ যে সদিচ্ছা আৰু বুজাবুজিৰ ভাব থাকিলে অসমৰ সমস্যাৰ সমাধান উলিওৱা টান নহয়। সেই দৃষ্টিভংগীৰেই এতিয়া অধিক উদ্যোগ ল'লেহে কাম হ'ব কিন্তু বৈঠকৰ আবেদনত তাৰ কোনো ইংগিত নাই। বৰং ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা বুলি আৰু 'সকলো' পক্ষৰ 'শঙ্কা' দূৰ কৰিব লাগে বুলি অবাঞ্ছনীয় বিষয়ৰ উল্লেখেহে আমাৰ মনত সন্দেহ জন্মাই দিছে। বৰ্তমান আন্দোলনটোক অনা-অসমীয়াৰ বিৰুদ্ধে চলোৱা আন্দোলন বুলি পশ্চিম বঙ্গ বিধান সভাই মত প্ৰকাশ কৰাৰ দৰে কিছুমান মহলে অহৰহ চেষ্টা কৰিয়ে আছে ইয়াক বিপথে পৰিচালিত কৰিবলৈ। দিল্লীৰ বৈঠকতো যদি এনে মনোভাবেই ক্ৰিয়া কৰিছিল তেনেহ'লে তাৰ পৰিণামো ভাল নহ'ব বুলি আমাৰ ধাৰণা। আন্দোলনটোক অন্য ৰূপ দিবলৈ চেষ্টা কৰা সকলে নিজৰ ঠেক স্বাৰ্থতহে তেনে কৰিছে; তেওঁলোকে অসমৰ আৰু সংশ্লিষ্ট লোক সকলৰো কোনো উপকাৰ কৰিব নোৱাৰে।



# *আন্তৰিকতাৰ চিনাকি?*

অসমৰ সাম্প্ৰতিক আন্দোলনৰ অৱসান ঘটাব পৰাকৈ মীমাংসাত উপনীত হোৱাটোকে সকলোৰে কামনা কৰিছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বই সৰ্বাধিক—যিহেতু অসমত সম্প্ৰতি ৰাষ্ট্ৰপতিৰ শাসন চলি আছে, সেই দেখি কেন্দ্ৰই সমস্যা সমাধান কৰাৰ বাবে তৎপৰতা দেখুওৱাটো কেন্দ্ৰৰ প্ৰধান লক্ষ্য হোৱা উচিত। এই সম্পৰ্কত সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা তেনে আশ্বাসো দিয়া হৈছে। কিন্তু তাৰ মাজত কিমানখিনি আন্তৰিকতা আছে— সেইটোহে সন্দেহ কৰিবলগীয়া বিষয় হৈ উঠিছে। কাৰণ সময়ে সময়ে তেনে আশ্বাসৰ সম্পূৰ্ণ বিপৰীত কথা কিছুমান দিল্লীৰ কৰ্তাসকলে কৈ আছে।

ফলত আমাৰ ধাৰণা হৈছে যে মূল সমস্যাৰ সমাধান কৰাতকৈয়ো আন কিছুমান কথাৰ প্ৰতিহে চৰকাৰে এতিয়া মনোনিবেশ কৰিছে। ইতিমধ্যে খনে খনে বহা চৰকাৰী মেলৰ সন্দৰ্ভত নানান ধৰণৰ কথা ওলাব লাগিছে। পিচে আওপকীয়া পন্থা লৈ সাম্প্ৰতিক আন্দোলনক মষিমূৰ কৰিব পাৰিলেই সকলো সমস্যা দূৰ হ'ব বুলি ভাবিলে ডাঙৰ ভুল কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে বিশেষ কেতবোৰ কাৰ্য-ব্যৱস্থাৰ বাবে পৰিবেশ ৰচনা কৰাৰ ক্ষেত্ৰত তৎপৰতা দেখুওৱা বুলিহে ভবাৰ থল ওলাইছে। এই ক্ষেত্ৰত চৰকাৰী প্ৰচাৰ-মাধ্যমকো কামত লগোৱা বুলি ভাবিবলগীয়া হৈছে। দেওবাৰে ৰাতিপুৱা দিল্লীৰ পৰা প্ৰচাৰিত অসমীয়া বাতৰিত কেৰালা আৰু পশ্চিম বঙ্গৰ চি পি এম নেতাই অসমৰ আন্দোলনৰ সম্পৰ্কত কৰা বিৰূপ মন্তব্যকে অগ্ৰাধিকাৰ দি অসম সাহিত্য সভাৰ ৰহা অধিবেশনৰ বাতৰিটো তেনেই অলাগতিয়াল বাতৰিৰ দৰে সামান্য উল্লেখেৰে সামৰি থ'লে। সোমবাৰে ৰাতিপুৱা প্ৰচাৰিত দিল্লীৰ অসমীয়া বাতৰিত আকৌ কেন্দ্ৰৰ মন্ত্ৰীয়ে

‘তথাকথিত’ বিদেশী নাগৰিকৰ সংক্ৰান্তত অসমত চলা আন্দোলনৰ কুফলৰ তালিকা পেচ কৰিলে। মঙলবাৰে ৰাতিপুৱা দিল্লীৰ পৰা প্ৰচাৰিত অসমীয়া বাতৰিত কিন্তু পশ্চিম বঙ্গত ইন্দিৰা কংগ্ৰেছে অসমৰ বিৰুদ্ধে চলোৱা অৱৰোধ আন্দোলনৰ বিষয়ে ঘূণাক্ষৰেও উল্লেখ নকৰিলে। সেই দেখি ধাৰণা হৈছে যে পৰিকল্পিতভাৱে বিশেষ লক্ষ্য অভিমুখে আগবঢ়াৰ বাবে এইবোৰ স্পষ্ট পদক্ষেপ। অসমৰ ৰাইজক বাধাগ্ৰস্ত কৰিবৰ বাবে ডাক তাঁৰ বিভাগে বিশেষ কেতবোৰ ডাক বন্ধ কৰা, অসমলৈ কেতবোৰ সামগ্ৰী অনাটো বন্ধ কৰা বা অনাত বিলম্ব ঘটোৱা, অসমত কেতবোৰ কাৰ্যালয় বন্ধ কৰি দিয়া (অৰাজকতা চলা বুলি প্ৰমাণ কৰিবলৈ)— ইত্যাদি বিভিন্ন কাৰ্যকলাপ কোনো বাধা নোপোৱাকৈ চলি থকাৰ মূৰত এতিয়া পোৱা শেহতীয়া সংবাদ মতে কেন্দ্ৰীয় চৰকাৰে হেনো অসমলৈ ৰেলযোগে খাদ্য সামগ্ৰী আদি অনাটো কমাই দিবলৈ নিৰ্দেশ জাৰি কৰিছে— তাৰ কাৰণ হিচাপে কোৱা হৈছে যে অসমৰ উন্নয়নমূলক কাম খৰতকীয়া কৰাৰ বাবে চিমেণ্ট, লোহা আদি অনাতহে অগ্ৰাধিকাৰ দিয়া হ'ব। সেই নিৰ্দেশৰে ফলশ্ৰুতি মতে এতিয়া পোনতে চাহ বাগিচা সমূহৰ বনুৱাসকলক দিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা বাগিচা সমূহক দিয়া খাদ্য শস্যৰ পৰিমাণ কমাই দিবৰ বাবে কোৱা বুলি জনা গৈছে। এই মুহূৰ্তত চাহ-বনুৱা সকলক বিতুষ্ট কৰাৰ বাবে লোৱা এনে অভিনব পৰিকল্পনা যে সম্পূৰ্ণ নিৰ্দোষ নহয়— সেই কথা বুজিবলৈ বোধকৰো কাৰো পক্ষে কষ্টকৰ নহ'ব।

চৰকাৰৰ তৰফৰ পৰাই এনেদৰে তৎপৰতা দেখুওৱাৰ মূৰত পশ্চিম বঙ্গত যুৱ কংগ্ৰেছ (ই) আৰু ছাত্ৰ পৰিষদে চলোৱা অসম-অৱৰোধৰ গুৰিত কেন্দ্ৰৰ পৃষ্ঠপোষকতা নথকা বুলি ভবাৰ কোনো অৱকাশেই নাই। সংসদৰ মজিয়াত প্ৰধানমন্ত্ৰীয়ে অসম অৱৰোধৰ আঁচনি সম্পৰ্কে যি কথা কৈছিল, এতিয়া পশ্চিম বঙ্গৰ ইন্দিৰা কংগ্ৰেছৰ নেতাক প্ৰধানমন্ত্ৰীয়ে কোৱা কথা একে ধৰণৰ নহয়। কলিকতাৰ কাকতত প্ৰকাশ পোৱা মতে প্ৰধানমন্ত্ৰীয়ে হেনো পশ্চিম বঙ্গৰ ইন্দিৰা কংগ্ৰেছৰ নেতাসকলক এই মৰ্মে পৰামৰ্শ দিছে



যে যি কৰ্মসূচী লৈছে তাত যেন ‘পূৰ্ণ সংযম ৰক্ষা কৰা হয়।’ পিচে অসমৰ সমস্যা সমাধান কৰাৰ চমু বাট এইবোৰ পন্থাৰে বিচাৰি উলিয়াব পৰা হ'ব বুলি আমি নেভাবো। মাত্ৰ জতিলতাহে বঢ়োৱা হ'ব আৰু তাৰ বাবে কেন্দ্ৰীয় চৰকাৰেই দায়ী হ'ব লাগিব।

## সুমেৰু-কুমেৰু

নতুন দিল্লীৰ পৰা অহা শেহতীয়া বাতৰি মতে জনা গৈছে যে কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে অসমৰ সাম্প্ৰতিক আন্দোলনৰ সম্পৰ্কত দাঙি ধৰা সকলো তথ্য অসত্য বুলি প্ৰতিপন্ন হৈছে আৰু সেয়ে প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীজাইল সিঙক বিপাঙত পেলাইছে। ইতিপূৰ্বে আমি আন এটা প্ৰসঙ্গত এই কথা স্পষ্টভাৱে উল্লেখ কৰিছিলো যে দেশৰ আনবোৰ ৰাজ্যৰ ক্ষেত্ৰত যি নীতিকে অনুসৰণ কৰা নহওক— অসমৰ ক্ষেত্ৰত সকলো কথা কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ দৃষ্টিকোণৰ পৰাহে বিবেচনা কৰা হয়। গৃহমন্ত্ৰী দপ্তৰৰ চালনীৰ মাজেদি সৰকি অহাৰ মূৰতহে চৰকাৰী নীতিয়ে ৰূপ ধাৰণ কৰে— ফলত ৰাজ্যখনৰ আশা-আকাংক্ষা আদি বিষয়বোৰ গৌণ হৈ পৰে।

এতিয়াও আমি তাকে দেখিছো। গৃহমন্ত্ৰী দপ্তৰে অসমৰ আন্দোলনৰ সম্পৰ্কত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ অভিযোগ উত্থাপন কৰিছে— একোটা অভিযোগ তুলি পৰৱৰ্তী কালত তাত আঁত ধৰি কোনো প্ৰমাণ সিদ্ধ তথ্য আগবঢ়োৱাৰ পৰিবৰ্তে পুনৰ আন এটা নতুন অভিযোগ দাঙি ধৰিছে। তাৰে প্ৰতিফলন ঘটিছে— চৰকাৰী প্ৰচাৰ মাধ্যমত। চৰকাৰী প্ৰচাৰ মাধ্যম এনেদৰে পৰিচালিত হৈছে যেন এই অভিযোগৰ প্ৰতিপন্ন কৰাই একমাত্ৰ উদ্দেশ্য। আনকি আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বেলিকাও এনে কিছুমান

নীতি অৱলম্বন কৰা হৈছে—যিবোৰে এই কেন্দ্ৰটো আগতে চৰকাৰৰ বিৰোধী শিবিৰ ৰূপে আছিল বুলিয়েই যেন প্ৰতিপন্ন কৰিব খুজিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ এই অভিযানৰ প্ৰতিফলন ৰাজ্যিক প্ৰশাসনতো দেখিবলৈ পোৱা গৈছে। ৰাজ্যপাল আৰু মুখ্য সচিবৰ সংযত আৰু চিন্তা-প্ৰসুত কাৰ্য-ব্যৱস্থাৰ যি দুই-এটা নিদৰ্শন আগতে পোৱা গৈছিল, এতিয়া তাৰ চিন মোকাম নাই। এতিয়া সকলোৱে একে সুৰতে সমবেত সঙ্গীত জুৰিছে।

শেহতীয়াভাৱে ৰাজ্য চৰকাৰে যি প্ৰেছনোট দিছে, তাৰ যোগেদি উত্থাপিত অভিযোগ সমূহৰ দ্বাৰা সমগ্ৰ ৰাজ্যকে সন্ত্ৰস্ত কৰি তুলিব খোজা হৈছে। এই অভিযোগবোৰ সামগ্ৰিকভাৱে প্ৰশান্ত অৱস্থাত থকা আন্দোলনটোকে বিৰূপভাৱে উপস্থাপিত কৰাৰ তুল্য হৈছে। সমাজ-বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে সকলোৱে নিশ্চয় দৃঢ়তাৰে মাত মাতিব—বিশেষকৈ সাম্প্ৰতিক আন্দোলনক শান্তিপূৰ্ণ ৰূপত অব্যাহত ৰখাৰ বাবে জীৱন পণ কৰা অসমৰ ৰাইজে এই ক্ষেত্ৰত আৰু দৃঢ়তাৰে মাত মাতিব। চৰকাৰে সমাজ-বিৰোধী কাৰ্যকলাপ আৰু সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাটোকে আমি বিচাৰো। কিন্তু সেইবোৰ ঘটনাৰ গাত ভেজা দি আন্দোলনক বিকৃত ৰূপত উপস্থাপন কৰাটো ৰাইজে সমৰ্থন নকৰে। যিবোৰ ঘটনাৰ লেখ প্ৰেছনোটত দিয়া হৈছে, তাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা এতিয়ালৈকে লৈছে? সাম্প্ৰদায়িক শক্তিক দমন কৰাৰ উদাহৰণ পোৱাৰ ঠাইত আমি দেখোন বিশেষ কেতবোৰ সাম্প্ৰদায়িক মহলক প্ৰশ্ৰয় দিয়াৰ উমানহে পাইছো।

প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰা প্ৰত্যাশাৰ প্ৰতিকূল পৰিৱেশ এটা এনে কাৰ্যকলাপেই সৃষ্টি কৰিছে। অথচ আমি আন্তৰিকভাৱে কামনা কৰিছো যে এৰা-ধৰাৰ মাজেদি হ'লেও আলোচনাৰ যোগেদি সাম্প্ৰতিক সমস্যাৰ শীঘ্ৰে সমাধান হওক। তাৰ বাবে আলোচনাৰ থল অবিলম্বে মুকলি হোৱাটো আৰু এই উদ্দেশ্যেৰে চলা সাম্প্ৰতিক প্ৰচেষ্টা সফল হোৱাটোকে আমি আশা কৰিছো। প্ৰচেষ্টাৰ সফলতাৰ বাবে যি পৰিৱেশ গঢ়াটো প্ৰয়োজনীয়,



তাৰ নিম্নতম প্ৰাথমিক আৱশ্যকতাখিনি পূৰণ কৰাৰ ক্ষেত্ৰতে দেখোন গৃহমন্ত্ৰী দপ্তৰেই বাধাৰ সৃষ্টি কৰিছে। এই শামুকীয়া গাঁথি আনে খুলিব নোৱাৰে—প্ৰধানমন্ত্ৰীয়েহে পাৰিব।

## শুভ আৰম্ভণি

বিদেশী অনুপ্ৰবেশৰ সমস্যাটো আলোচনাৰ জৰিয়তে সমাধান কৰাৰ পথ উন্মুক্ত হোৱাত অসমৰ সংগ্ৰামী ৰাইজৰ লগতে সমগ্ৰ দেশে স্বস্তিৰ নিশ্বাস পেলাব পৰা হৈছে। অসমত অবৈধভাৱে প্ৰবেশ কৰা বিদেশী লোকৰ চিনাক্তকৰণ, ভোটাৰ তালিকাৰ পৰা তেনে লোকৰ নাম বাতিল আৰু অবৈধ বিদেশী লোকৰ বহিষ্কাৰৰ দাবীত চলা আন্দোলনে এঘাৰ মাহত ভৰি দিছিল। সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত চলা অহিংস, গণতান্ত্ৰিক আন্দোলনে ব্যাপক গণ আন্দোলনৰ ৰূপ লোৱাত তাক দমন কৰিবৰ বাবে চৰকাৰীভাৱে কঠোৰ দমনমূলক ব্যৱস্থা গ্ৰহণ কৰাত ৰাজ্যখনত এটা গুৰুতৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। সেয়ে দেশৰ ঐক্য-সংহতি আৰু সাৰ্বভৌমত্বৰ প্ৰতি সচেতন জননেতা আৰু সংস্থা সমূহে সম্ভাব্য ভয়াবহ পৰিণতিৰ প্ৰতি দৃষ্টি ৰাখি অসমত চলা আন্দোলনৰ সমাপ্তি ঘটাই বিদেশী নাগৰিকৰ সমস্যাটো আলোচনাৰ জৰিয়তে সমাধান কৰাত গুৰুত্ব আৰোপ কৰিছিল। অৱশেষত চৰকাৰে সেই দৃষ্টিভঙ্গীৰ প্ৰতি সহাৰি জনালে। দমননীতিৰ দ্বাৰা জনসাধাৰণৰ আন্দোলন দমন কৰিবলৈ প্ৰয়াস কৰা আমোলাতন্ত্ৰই উপলব্ধি কৰিব লগা হ'ল যে বৃটিছৰ ঔপনিবেশিক শাসন যন্ত্ৰৰ দমননীতি আৰু বিভাজনমূলক কৌশলেৰে আশীৰ দশকৰ গণ আন্দোলন স্তব্ধ কৰা সম্ভৱ নহয়। শেষত দূৰদৰ্শী চিন্তাধাৰাই সাফল্য লাভ কৰিলে।

আন্দোলনকাৰী নেতাসকল আৰু চৰকাৰী পক্ষৰ লোকসকল বুজাবুজিলৈ অহাত এঘাৰ মহীয়া বিদেশী বহিষ্কাৰ আন্দোলন আংশিকভাৱে প্ৰত্যাহাৰ কৰা হৈছে। চৰকাৰৰ ফালৰ পৰা অসম উপদ্ৰুত অঞ্চল আইন, (১৯৫৫) আৰু সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন (১৯৫৮) ৰ জাননী প্ৰত্যাহাৰ কৰিবলৈ, নিবাৰক নিৰোধ আইনত গ্ৰেপ্তাৰ কৰা ৭৭ জন আটক বন্দীক মুক্তি দিবলৈ, ২০ জন চৰকাৰী চাকৰিয়ালক পুনৰ কামত মকৰল কৰিবলৈ আৰু পাইকাৰী জৰিমনা প্ৰত্যাহাৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰাত আন্দোলনৰ নেতাসকলে খাৰুৱা তেল অৱৰোধৰ বাহিৰে আন্দোলনৰ আনবোৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰিছে।

আন্দোলনত যোগদান কৰা চৰকাৰী চাকৰিয়াল সকলৰ ক্ষেত্ৰত চৰকাৰে অহা ১১ আগষ্ট তাৰিখৰ ভিতৰতে সহানুভূতিশীল ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিছে। এই আশ্বাস যথাযথভাৱে কাৰ্যকৰী কৰা হ'ব বুলি আশা কৰা গৈছে।

বিদেশী নাগৰিকৰ প্ৰশ্নত চলা আন্দোলনৰ দীঘলীয়া কালছোৱাই চৰকাৰ, ছাত্ৰ-যুৱক, অৰ্দ্ধ চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী আৰু জনসাধাৰণ সকলোৰে কাৰণেই অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি কৰিছিল আৰু সেই কাৰণে এনে অৱস্থা কাৰো কাম্য নাছিল। কিন্তু অসমৰ ছাত্ৰ-যুৱক আৰু জনসাধাৰণে আন্দোলন কৰা নাছিল। এটা বৃহৎ লক্ষ্য সাধনৰ বাবে চলোৱা এই আন্দোলনৰ ফলত যি অবাঞ্চনীয় পৰিস্থিতি আৰু তিক্ততাৰ সৃষ্টি হৈছিল তাক জনসাধাৰণে সংযমেৰে সহ্য কৰি গৈছিল।

এই তিক্ততাপূৰ্ণ আন্দোলনৰ সাময়িক অৱসানো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ বাবে মধ্যস্থতাকাৰী, মণিপুৰৰ মুখ্যমন্ত্ৰী ৰাজকুমাৰ দোৰেন্দ্ৰ সিংহৰ ধৈৰ্য আৰু নেৰা-নেপেৰা চেষ্টাৰ প্ৰথমতে শলাগ ল'ব লাগিব। তাৰ পাচত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ ৰাঝনৈতিক দূৰদৰ্শিতা আৰু অসমৰ আন্দোলনকাৰী নেতৃবৰ্গৰ আন্তৰিকতা আৰু বলিষ্ঠ দৃষ্টিভঙ্গীৰ প্ৰশংসা কৰিব লাগিব।



কিন্তু আন্দোলনৰ এই সাম্প্ৰতিক প্ৰত্যাহাৰে শেষ কথা নহয়। সুদীৰ্ঘ কাল আন্দোলন কৰি বিভিন্ন জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা অসমৰ জনসাধাৰণে বিদেশী অনুপ্ৰবেশৰ সমস্যাটোৰ স্থায়ী সমাধান বিচাৰিছে। সেই সমস্যাৰ এটাৰ গ্ৰহণযোগ্য সমাধান উলিওৱাতহে প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আৰু তেওঁৰ চৰকাৰৰ কৃতিত্ব নিৰ্ভৰ কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে অৱশ্যে মিজোৰামত এম এন এফৰ নেতা শ্ৰীলালডেঙাৰ লগত প্ৰাথমিক আপোচ-চুক্তিলৈ আহি উত্তৰ পূব ভাৰতৰ পৰিস্থিতিৰ প্ৰতি অধিক সচেতনতা প্ৰদৰ্শন কৰিছে। অসমৰ ক্ষেত্ৰতো তেওঁ বিদেশী সমস্যাটো নিৰপেক্ষ দৃষ্টিভংগীৰে বিবেচনা কৰি ৰাজ্যখনৰ জনসাধাৰণ সামাজিক, অৰ্থনৈতিক প্ৰশ্নৰ লগতে সাংস্কৃতিক দিশৰ সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহিব বুলি আশা কৰা হৈছে। তাৰ বাবে বৰ্তমানৰ শান্তিৰ অৱস্থাটো শুভ আৰম্ভণি বুলি গণ্য কৰা হৈছে।

## প্ৰধানমন্ত্ৰীলৈ আহ্বান

অসমৰ সাম্প্ৰতিক আন্দোলনৰ মূলত বিদেশীৰ হাত থকা বুলি বিকৃত প্ৰচাৰ যিসকলে চলাই আছে আৰু তাৰ যোগেদি এটা ন্যস্তস্বাৰ্থ পূৰণ কৰিব বুলি ভাবিছে— সেই সকলেই এতিয়া বিদেশী শক্তিৰ হেঁচাত চালে-বেৰে কোবোৱা কথা কৈ মূল সমস্যাটোৰ পৰা মূৰ পুলুকা মৰাৰ চেষ্টা কৰা বুলি সন্দেহ কৰাৰ থল ওলাইছে। মস্কোৰ পৰা ছোভিয়েট কৰ্তৃপক্ষৰ মুখপাত্ৰ 'প্ৰাভদা'ই কৰা অবাঞ্চনীয় মন্তব্যই (অসমৰ সমস্যা সম্পৰ্কীয়) ছোভিয়েট চৰকাৰৰ স্বৰূপ উদঘাটন কৰি দিলে আৰু ভাৰত চৰকাৰেও পাভলুটি মৰা কথা কোৱাৰ পৰা বুজা গ'ল যে ইতিমধ্যে জৰুৰী অৱস্থাৰ সময়ৰ দৰে এতিয়া পুনৰ ভাৰত চৰকাৰ হেঁচাৰ সন্মুখীন হৈছে।

বাহিৰৰ আৰু ভিতৰৰ হেঁচাই চৰকাৰক ইমান বিভ্ৰান্ত কৰিছে যে চৰকাৰে কোনো কথাৰে স্থিতি ৰক্ষা কৰিব পৰা নাই। ইম্ফলৰ আলোচনাৰ শোচনীয় স্বৰূপে এইবোৰ হেঁচাৰ অস্তিত্বকে প্ৰমাণ কৰে। অসমৰ সমস্যাৰ সন্দৰ্ভত ইম্ফলৰ আলোচনা সম্পৰ্কে চৰকাৰৰ সন্মতি সহকাৰে যি ঘোষণা পূৰ্বতে কৰা হৈছে—তাৰ লগত পৰৱৰ্তী কাৰ্য ব্যৱস্থাৰ সংগতি নেথাকিল। কেন্দ্ৰৰ মন্ত্ৰীকে ধৰি কোনো নেতা পূৰ্বৰ ঘোষণাৰ সৈন্দ্ৰেত সংগতি ৰাখি ইম্ফলৰ আলোচনালৈ নাহিল। ইপিনে ইম্ফলৰ আলোচনা যাতে অৰ্থহীন হৈ পৰে তাৰ বাবে দিল্লী দিছপুৰৰ প্ৰশাসনীয় চক্ৰই আৰু কেতবোৰ ৰাজনৈতিক চক্ৰই সকলো কাৰ্য-ব্যৱস্থা হাতত ল'লে। এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে দুমুখীয়া নীতি অৱলম্বন কৰি আৰু দুটা সমান্তৰালৰ প্ৰচেষ্টাক সমানে প্ৰশ্ৰয় দি এহাতে নিজৰ আন্তৰিকতাৰ অভাৱৰ পৰিচয় দিলে আৰু আনহাতে দিল্লীৰ সৰ্বোচ্চ নেতৃত্ব যে আমোলা চক্ৰৰ হাতত 'বন্দী' হৈ আছে, তাৰে প্ৰমাণ দাঙি ধৰিলে।

আমি আশা কৰিছিলো যে ইম্ফলৰ প্ৰাথমিক আলোচনাই শ্বিলঙত ১৮ আগষ্ট হ'বলগীয়া আলোচনাৰ পথ বহলাই দিব। সেই দেখি আশা কৰা হৈছিল যে ইম্ফলৰ আলোচনাৰ আগতেই সকলো বন্দীক মুক্তি দি আৰু ৰাজ্যিক, কেন্দ্ৰীয় আৰু অৰ্দ্ধ কেন্দ্ৰীয় সকলো চাকৰিয়ালৰ বিৰুদ্ধে লোৱা সকলো দমনমূলক ব্যৱস্থা চৰকাৰে প্ৰত্যাহাৰ কৰিব আৰু আন্দোলনৰ নেতায়ো প্লাইউডৰ অৱৰোধ প্ৰত্যাহাৰ কৰি আলোচনাৰ পৰিবেশ সম্পূৰ্ণ সুস্থ কৰি তুলিব। কিন্তু প্ৰশাসনীয় চক্ৰ ইম্ফলৰ আলোচনা ব্যৰ্থ কৰাৰ বাবেহে বদ্ধ পৰিকৰ হৈ উঠিল। ফলত সকলো প্ৰত্যাশা অথলে গ'ল।

১৮ আগষ্টৰ দিনা শ্বিলঙত হ'বলগীয়া আলোচনাৰ আগতে উপযুক্ত পৰিবেশ ৰচনা কৰা প্ৰসংগটোৱেই এতিয়া অনিশ্চিত হৈ পৰিল। যদি প্ৰশাসনীয় চক্ৰ একে স্থিতিতে থাকে— তেন্তে শ্বিলঙত আলোচনা সম্পৰ্কেই সন্দেহৰ থল ওলাব আৰু সেয়ে হোৱাটো অতিশয় দুৰ্ভাগ্যজনক কথা হ'ব। সেই দেখি এতিয়া পোনপটীয়াভাৱে প্ৰধানমন্ত্ৰীৰ পৰা জনাটো প্ৰয়োজনীয়—



যে চৰকাৰে শ্বিলঙত আলোচনাত বহি দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰাৰ উপায় উলিয়াটো নিবিচাৰে নেকি? আৰু প্ৰশাসনীয় চক্ৰই সাম্প্ৰতিক লীলা-খেলাৰে আন্দোলন মষিমূৰ কৰি মূল সমস্যাটোকে বৰ্তমানৰ স্থিতিতে ৰাখি থ'ব পাৰিব বুলি ভবাৰ দৰে চৰকাৰৰ উচ্চতম মহলে ভাবে নেকি?

## দেশবাসীলৈ আবেদন

অসমৰ সাম্প্ৰতিক সমস্যাৰ ক্ষেত্ৰত দেশবাসীয়ে গাত কথা নলগা ধৰণেৰে চলিলে ভৱিষ্যতে সমগ্ৰ দেশ আৰু ডাঙৰ বিপদৰ সন্মুখীন হ'ব লাগিব আৰু দেশৰ বিপদৰ মুহূৰ্তত সময়োচিত অৱস্থা নলৈ ভণ্ডামিৰ আশ্ৰয় লোৱা বুলি গঞ্জনা খাব লগীয়া হ'ব। আমি সুনিশ্চিতভাৱে জানো যে দেশবাসীৰ মাজত কোনো ন্যস্তস্বাৰ্থই ক্ৰিয়া কৰা নাই। তেনে ন্যস্তস্বাৰ্থৰ ক্ৰিয়া চলিছে-কেন্দ্ৰৰ আমোলাচক্ৰ দিছপুৰৰ আমোলাচক্ৰ আৰু ভোট বেংকে নাকত ধৰি চাকত ঘুৰুওৱা ৰাজনৈতিক চক্ৰ কেতবোৰতহে। কিন্তু সেইবোৰ চক্ৰৰ জোটাশলীয়া প্ৰচেষ্টাৰে কাৰ্যতঃ অসমক বাংলাদেশৰ উপৰাজ্যত পৰিণত কৰি এই চক্ৰবোৰৰ প্ৰতিপত্তি অটুট ৰখাৰ অভিযান নিৰ্বিবাদে চলাই থাকিবলৈ দেশৰ অৱশিষ্ট অংশৰ দেশবাসীয়ে এৰি দিবনে? সময় পাৰ হৈ যোৱাৰ আগতে আমি দেশবাসীৰ পৰা ইয়াৰ উত্তৰ বিচাৰিছো।

অসমৰ সমস্যা সমাধান হোৱাৰ ঠাইত এতিয়া আকৌ আমি আৰম্ভণিৰ সময়ৰ অৱস্থালৈহে উলটি যোৱা যেন লাগিছে। দিল্লীক কোনে কি বুজাইছে—আমি নেজানো। কিন্তু এইটো ঠিক যে দিল্লীয়ে আচল কথাৰ সম্ভেদ পোৱা নাই। দমনমূলক নীতি, বিভাজন-নীতি, অপপ্ৰচাৰ আদিৰ জৰিয়তে অসমৰ আন্দোলন মষিমূৰ কৰা হ'ল বুলি নিশ্চিন্ত হৈয়েই এতিয়া চৰকাৰৰ উদ্যোগত

এনে কিছুমান ব্যৱস্থা হাতত ল'বলৈ ধৰিছে—যিবোৰে অকল ভৱিষ্যতৰ কোনো আলোচনাৰ বাট বন্ধ কৰাই নহয়, পূৰ্ণ পৰ্যায়ত সৰ্বাত্মক আন্দোলন চলাবলৈকো প্ৰৰোচিত কৰিলে। আমি আকৌ আৰম্ভণিৰ স্থিতিলৈ উলটি যোৱা বুলিহে সন্দেহ কৰিব লগীয়া হৈছে। অথচ আন্দোলনৰ সামৰণি পৰক, সমস্যাৰ সমাধান হওক— তাকেই সকলোৱে আশা কৰি আছিল।

সৰ্বময় কৰ্তৃত্ব হস্তগত কৰা আলোচনাচক্ৰ এই পৰিণতিৰ বাবে কম দায়ী নহয়। অসমক বুজি নোপোৱা যিজাক বিষয়াৰ আড্ডা সম্প্ৰতি দিছপুৰত বহিছে— তেওঁলোকৰ কু-মন্ত্ৰণাৰে এই পৰিণতি। অসমত সুদীৰ্ঘ কাল ধৰি থাকি অসমক বুজি পাবলৈ আগ্ৰহ প্ৰদৰ্শন কৰা ৰাজ্যপালজনকো সম্পূৰ্ণ বাতিল কৰি এচাম পাবত গজা অসম-বিশেষজ্ঞ আৰু তেওঁলোকৰ স্তাৱক হিচাপে থকা এচাম অনা-অসমীয়া বিষয়াই (সম্প্ৰতি দিছপুৰকে ধৰি সমগ্ৰ অসমতে কোনো দায়িত্বপূৰ্ণ পদতে এজনো অসমীয়া বিষয়া ৰখা নাই) চলোৱা যথেচ্ছাচাৰে সমস্যাৰ জটিলতাক শীৰ্ষতম বিন্দুত উপনীত কৰালে। তাৰে পৰিণতি স্বৰূপে এতিয়া আন্দোলনমুখী পৰিৱেশৰ ভৰপক উঠিছে।

ইতিমধ্যে কেন্দ্ৰই কৰা ভুলৰ মাচুল দেশবাসীয়ে যথেষ্ট পৰিমাণে ভৰিছে। আৰু কিমান ভুল কৰিব? কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে অ'ত ত'ত কৈ ফুৰিছে যে আন্দোলনকাৰীৰ সকলো দাবী চৰকাৰে মানি ল'লে। কিন্তু কোনবোৰ দাবী মানি ল'লে—তাৰ বিস্তৃত বিৱৰণ নিদিয়ে কিয়? কোনবোৰ মানি নলয়—তাকো ৰাজহুৱাভাৱে নকয় কিয়? এজনো বাংলাদেশী অসমত সোমোৱা নাই বুলি ক'বলৈ বাংলাদেশক প্ৰেৰণা যোগোৱা কেন্দ্ৰীয় চৰকাৰে এতিয়া দাবী মানি লোৱাৰ সাৰ্থকতা কোনখিনিত— তাকে বুজাই দিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে গৃহদপ্তৰৰ আমোলা-চক্ৰৰ পৰা শ্ৰুতলিপি লোৱাৰ প্ৰয়োজন হৈছে দেখোন। পিচে আমোলাচক্ৰৰ শ্ৰুতলিপিয়ে মন্ত্ৰীক নাকী লগাব পাৰিলেও দেশবাসীক নাকী লগাব নোৱাৰে। সেইদেখি এই সন্ধিক্ষণত আমি দেশবাসীৰ ওচৰতে আমাৰ আবেদন পেচ কৰিলো।



# অপচেষ্টা কিমান চলিব?

জন-মানসৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰা এমুঠি ৰাজনৈতিক ধুৰন্ধৰ আৰু হঠাৎ অসম-বিশেষজ্ঞ হৈ পৰা এমুঠি বুৰক্ৰেট-ধুৰন্ধৰে নিজৰ নিজৰ প্ৰতিচ্ছবি উজ্বলতৰ কৰি ভৱিষ্যতৰ পাওনা আদায় কৰাৰ মানসেৰে দিল্লীৰ আগত ওফাইদাং মাৰিছিলগৈ যে অসমৰ আন্দোলন তেওঁলোকে মষিমূৰ কৰি দিলে আৰু সেই দেখি কঠোৰ ব্যৱস্থা লৈ কেন্দ্ৰই এতিয়া তাকে সম্পূৰ্ণ কৰি দিব লাগে। 'বুৰক্ৰেট' আৰু বিশেষ কেতবোৰ 'লবীৰ' অধীনত 'খন্দুৱা ৰায়ত' হিচাপে কাম চলোৱা কেন্দ্ৰীয় চৰকাৰেও তাকেই কৰিলে। আকৌ আসুৰিক শক্তিৰ প্ৰদৰ্শন হ'ল, সচিবালয়ৰ দুৱাৰ-ডলি কৰ্মচাৰীৰ তেজেৰে ৰাঙলী হ'ল। আভুৱা ভৰা কথা কৈ সামৰিক বাহিনীক খাৰুৱা তেল বলেৰে নিবলৈ— আৰু প্ৰয়োজন হ'লে পাইপলাইন, যন্ত্ৰপাতিৰ সৰ্বনাশ সাধিও এই জেদ পূৰণ কৰিবলৈ— নিয়োগ কৰা হ'ল। সামৰিক বাহিনীক এইদৰে জন-মানসৰ শ্ৰদ্ধাৰ বেদীৰ পৰা আজুৰি আনি চৰকাৰে যি হানি কৰিলে, সেই কথালৈকো চিন্তা কৰাৰ বাবে চৰকাৰৰ চাণক্যবৰ্গৰ আজৰি নোলাল।

কিন্তু অতখিনি কৰাৰ মূৰতো কি হ'ল? আন্দোলন তীব্ৰ গতিৰে আগবাঢ়িল আৰু সেয়ে সৰ্বাত্মক অসহযোগিতাৰ ৰূপ ল'লে। এনে এটা পৰিৱেশে ৰাজ্যত কোনো কালে গঢ় লোৱা নাছিল। এই জনজাগৰণৰ অপব্যাখ্যা দি, চৰকাৰী প্ৰচাৰ মাধ্যমৰ যোগেদি ফটা ঢোল বজাই, বিভাজন আনিবৰ বাবে সৰ্বাত্মক অভিযান এচাম লোকক অশান্তি সৃষ্টি কৰিবৰ বাবে উচটাই দি আৰু তাৰ বাবে সংগঠিত কৰি, কঠোৰ দমন-নীতি লৈ ইয়াক নোহোৱা কৰিব নোৱাৰি— সেই কথা কৰ্ণধাৰ সকলে উপলব্ধি কৰিব পাৰিব লাগিছিল। দিল্লীৰ গৃহদপ্তৰৰ চক্ৰ এটাই আৰু দিছপুৰৰ 'একছত্ৰী

সম্ৰাট'সকলে ইতিমধ্যে কি কৰা নাই? আন্দোলন মষিমূৰ কৰাৰ বাবে কোনো অপচেষ্টাই অগ্ৰহণীয় হৈ থকা নাই। কিমান ধনৰ অপচয় হৈছে, কিমান মানুহক কি ধৰণেৰে নিয়োজিত কৰা হৈছে— তাৰ লেখজোখ নাই। তথাপি উদ্দেশ্য পূৰণ নহ'ল আৰু দিল্লীৰ ওচৰত তেওঁলোকৰ প্ৰতিচ্ছবিহে ম্লান হ'ল। সকলো অপচেষ্টা এতিয়া 'বুমেৰাং' হৈ নিজৰ গালৈ উলটি অহা দেখিয়েই এইবাৰ শেষ অস্ত্ৰ প্ৰয়োগ কৰা হৈছে। সেই অস্ত্ৰ হ'ল— সৰ্বাত্মকভাৱে অসমৰ ৰাইজৰ মাজত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি চৰম দুৰ্গতিৰ মাজলৈ ঠেলি দি ৰং চোৱা আৰু তাকে কৰি সাম্প্ৰতিক আন্দোলনক মষিমূৰ কৰি দিয়া।

কিন্তু আন্দোলন শেষ কৰাৰ পন্থা এইটো যে হ'বই নোৱাৰে— সেই কথা গজদন্তক বহি থকা সকলৰ বাহিৰে আন কোনেও নজনাকৈ থকা নাই। অৱশ্যে এটা কথা ঠিক যে ইয়াৰ যোগেদি তিক্ততা বঢ়াই আলোচনাৰ বাট সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিয়াটো অসম্ভৱ নহ'ব। পিচে দিল্লীৰ উচ্চতম মহলত থকা সকলেও তাকেই কামনা কৰে নে তেওঁলোকে মূৰত তুলি লোৱা সকলক এতিয়া কান্ধৰ পৰা নমাব নোৱাৰা অৱস্থাত পৰা কাৰণেই এনে হৈছে?

## অসহযোগ স্থগিত

ৰাজ্যিক, কেন্দ্ৰীয় আৰু অৰ্দ্ধকেন্দ্ৰীয় কৰ্মচাৰী পৰিষদ সমূহৰ সমন্বয়ৰক্ষী কমিটিয়ে ২৪ নৱেম্বৰৰ পৰা চলাই থকা অসহযোগ আন্দোলন ১১ নৱেম্বৰৰ পৰা সাময়িকভাৱে উঠাই ল'লে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ তৰফৰ পৰা আন্দোলনৰ পৰৱৰ্তী



কাৰ্যসূচীৰ লগত সংগতি ৰখাৰ কাৰণে কৰ্মচাৰী সকলে সম্প্ৰতি চলাই অহা অসহযোগ সাময়িকভাৱে স্থগিত ৰাখিবলৈ অনুৰোধ জনোৱা মতেই এই সিদ্ধান্ত লোৱা হয়।

অসমৰ অস্তিত্ব তথা ভাৰতৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে সৰ্বস্ব পণ কৰি সাহসেৰে মুঠ বান্ধি সংগ্ৰাম চলাই অহা এই কৰ্মচাৰীসকলৰ এনে সাহসিকতাপূৰ্ণ সিদ্ধান্তৰ বাবে আমি ওলগ জনাইছো। চৰম নিৰ্যাতন, অপপ্ৰচাৰ, গ্ৰেপ্তাৰ, নিলম্বিতকৰণ, বিভাজনৰ অপচেষ্টা, প্ৰলোভন আৰু নিকৰুণ আৰ্থিক দুৰ্দশাৰ মাজতো তাকৰীয়া দৰমহা পোৱা এইসকল চাকৰীয়ালে যি নিষ্ঠাৰে সংগ্ৰাম চলালে, সেই নিষ্ঠাৰ শতাংশও যদি অধিক সুবিধাজনক স্থিতি থকাসকলে  প্ৰদৰ্শন কৰি ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষাৰ সংগ্ৰামত অৰিহণা যোগালেহেঁতেন,— তেন্তে এই সংগ্ৰাম আৰু গৌৰৱোজ্জ্বল হ'লহেঁতেন। নিম্নতৰ স্তৰত থকাসকলে অকলে যি অসাধ্য সাধন কৰিলে— সেয়ে আমাৰ ৰাজ্যখনত দেখা দিয়া সমস্যাৰ সাৰৱত্তাও জাতি, ধৰ্ম, ভাষা, ৰাজ্য নিৰ্বিশেষে কেন্দ্ৰীয়, অৰ্দ্ধকেন্দ্ৰীয় আৰু বেচৰকাৰী কৰ্মচাৰীসকলে চলোৱা এই মিলিত সংগ্ৰামে প্ৰমাণ কৰিলে।

যুদ্ধৰ কৌশল প্ৰয়োজনমতে সলনি কৰাটোৰেই সফলতাৰ থল। সেয়ে আন্দোলনৰ ক্ষেত্ৰতো প্ৰযোজ্য। আন্দোলনৰ ধাৰাও সময় বুজি সলনি কৰিবই লাগিব। সম্প্ৰতি এটা পৰিৱৰ্তিত পৰিস্থিতিৰ উদ্ভৱ হৈছে। যেনে ধৰণেই চৰকাৰ গঠন নকৰক, এই চৰকাৰ গ্ৰহণযোগ্য নহয় বুলি যিমানেই কোৱা নহওক—এই কথা মানি ল'বই লাগিব যে এতিয়া ৰাজ্যত এটা চৰকাৰ গঠিত হৈছে। সেই চৰকাৰৰ লগত সাম্প্ৰতিক আন্দোলনৰ মূল বিষয় লৈ আন্দোলনৰ নেতৃবৰ্গ আলোচনা চলাবলৈ প্ৰস্তুত নোহোৱা আৰু অকল কেন্দ্ৰীয় চৰকাৰৰ লগতহে আলোচনা কৰিবলৈ প্ৰস্তুত থকা বুলি দাবী কৰাটো সুকীয়া কথা। কিন্তু তাৰ মাজতো সাম্প্ৰতিক পৰিৱৰ্তিত স্থিতিৰ পটভূমিত আন্দোলনৰ কেতবোৰ ধাৰা সলাব লগীয়া হ'ব। সেই দেখি

আন্দোলনৰ নেতৃবৰ্গই কৰ্মচাৰীসকলক তেওঁলোকৰ অসহযোগ সাময়িকভাৱে স্থগিত ৰাখি পৰৱৰ্তী কাৰ্যসূচীৰ লগত সংগতি ৰাখি আগবাঢ়িবৰ বাবে সাজু হ'বলৈ আহ্বান জনোৱাটো উচিত হৈছে।

এতিয়া কৰ্মচাৰীসকলে কামত যোগ দিয়ো তেওঁলোকৰ দাবী পূৰণৰ চেষ্টা অব্যাহত ৰাখিব পাৰিব। ইতিমধ্যে অসহযোগকাৰী কৰ্মচাৰীৰ সৈতে ৰাজ্য চৰকাৰৰ কি আলোচনা হৈছিল—তাৰ নিশ্চিত সমাচাৰ আমাৰ হাতত নাই। ৯ ডিচেম্বৰৰ দিনা ৰাজ্যৰ মুখ্য সচিব গৰাকীয়ে অচলাৱস্থা দূৰ কৰিবৰ বাবে চৰকাৰে আগভাগ নলয় বুলি উভঁহা উত্তৰহে সাংবাদিকৰ আগত দিছিল। কিন্তু ইপিনে মুখ্যমন্ত্ৰীয়ে শ্বিলঙত অসহযোগকাৰী কৰ্মচাৰীৰ সৈতে আলোচনা চলা বুলিহে স্বীকাৰ কৰিলে। যদি আলোচনা চলিছেই, তেন্তে কৰ্মচাৰীসকলৰ দাবীয়ে সুবিচাৰ পাবই লাগিব। চৰকাৰ যদি পাবত গজা ধৰণৰ নহয় তেন্তে অসমবিৰোধী অসমীয়া বিৰোধী বিষয়চক্ৰক আঁতৰাবই লাগিব; আমদানিকৃত কেন্দ্ৰীয় সেৱাৰ যিসকলক আনি অসমীয়াক উৎখাট কৰাৰ কামত লগোৱা হৈছিল— তেওঁলোকক ঘূৰাই পঠাবই লাগিব; থলুৱা লোকৰ ওপৰত চলোৱা সন্ত্ৰাসৰ ৰাজত্বৰ ওৰ পৰিব লাগিব; অসমীয়া চাকৰিয়ালৰ নিৰ্বাচনৰ পৰিসমাপ্তি ঘটিব লাগিব; চাকৰিয়ালৰ ওপৰত চলা নিৰ্যাতন বন্ধ কৰি নিহত চাকৰিয়ালৰ সম্পৰ্কত বিশ্বাসযোগ্য তদন্ত চলাব লাগিব।

## *কিয় এই আত্মঘাতী ব্যৱস্থা?*

অনুপ্ৰবেশ, প্ৰব্ৰজন আদি নানা কাৰণত অসমৰ জনসংখ্যা বৃদ্ধি হোৱাৰ লগতে, থলুৱা নিবনুৱাৰ সমস্যা ক্ৰমে জটিল হৈ আহিছে। এনে এটা সময়ত এইসকল নিবনুৱাক কেনেদৰে অগ্ৰাধিকাৰ দি বিভিন্ন কামত নিয়োগ কৰিব পাৰি সেই বিষয়েহে অধিক মনোনিৱেশ কৰিবলগীয়া হৈছে। অথচ আচৰিত



ধৰণে ৰাজ্যখনৰ প্ৰশাসনৰ কিছুমান স্তৰত ন্যস্তস্বাৰ্থই গোজপুতি বহি উক্ত লক্ষ্যৰ বিপৰীতেহে কাম কৰা দেখা গৈছে। অসমখন চৰণীয়া পথাৰৰ দৰে ব্যৱহাৰ কৰাৰ মনোবৃত্তি— আমোলা এচামৰ লগতে, স্থানীয় স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰা সকলেও—আহৰণ কৰাটো সঁচাকৈয়ে দুৰ্ভাগ্যৰ কথা। গণ আন্দোলনত ক্ষতি হোৱা বছৰ এটাৰ বাবে ৰাজ্যখনৰ লাখ লাখ ছাত্ৰৰ দুখত চকুপানী টোকা সকলেই যদি এতিয়া পৰীক্ষা দি থকা সকলৰ জীৱিকাৰ পথত হেঙাৰ দিব পৰা ব্যৱস্থাও হাতত লয়—তেনেহ'লে সেই সকলৰ সততাৰ ওপৰত প্ৰশ্ন নুঠে কেনেকৈ?

সংসদী সদস্য শ্ৰীঅজিত কুমাৰ শৰ্মাই প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীজাইল সিঙৰ দৃষ্টি আকৰ্ষণ কৰি জনাইছে যে অসম চৰকাৰে এই বছৰৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে এখন 'চাৰ্কুলাৰ' যোগে ৰাজ্যখনৰ চৰকাৰী তথা অৰ্দ্ধ চৰকাৰী নিয়োগ খণ্ডত আগতে প্ৰবৰ্তন কৰা চাকৰি প্ৰাৰ্থীৰ জন্ম স্থান বা জন্ম ৰাজ্য তথা পিতৃ পৰিচয় আদিৰ বিবৃতিৰে দিবলগীয়া প্ৰ-পত্ৰৰ ব্যৱস্থা উঠাই দিছে। এই 'প্ৰ-পত্ৰ'ৰ ব্যৱস্থা ১৯৮০ চনৰ ১০ জুনৰ দিনা অৰ্থাৎ ৰাষ্ট্ৰপতিৰ শাসনকালৰ ভিতৰত কৰা হৈছিল। সেইমতে উল্লেখ কৰা বিৱৰণ আদি দিয়াৰ ফলত অবাঞ্চিত কিছুমান জীৱিকা-সন্ধানীৰ অসুবিধা হৈছিল। সেয়ে থলুৱা নিবনুৱাক কিছু দূৰ হ'লেও সকাহ দিয়াৰ আশা আছিল। কিন্তু হঠাতে কাৰ চক্ৰান্তত, কাৰ স্বাৰ্থৰ বাবে এই ব্যৱস্থা নাকচ কৰা হ'ল সেয়ে চিন্তাৰ বিষয়। বিশেষকৈ আজি কেবাবছৰ ধৰি অসমৰ নিবনুৱা সমস্যাৰ জটিলতাৰ বাবে উপযোগী ৰক্ষণাবেক্ষণৰ ৰাজহুৱা দাবী উঠিছে। এতিয়া অস্তিত্বৰ সংগ্ৰামৰ অন্যতম লক্ষ্য স্বৰূপ অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাটতে হেঙাৰ দিয়াৰ ব্যৱস্থা হোৱাটো মন কৰিবলগীয়া কথা। আজি তিনি মাহমানৰ ভিতৰত এনে কিছুমান কাম প্ৰশাসন স্তৰত কৰা হ'ব ধৰিছে যে, তাৰ পৰা সন্দেহ হয় ৰাজ্যখনৰ বাস্তৱ স্থানীয় সমস্যাৰ কথা ভবাতকৈ, এটা শক্তিশালী চক্ৰই, স্বজন-স্বগোষ্ঠী তোষণতহে ব্যস্ত হৈ পৰিছে। কিন্তু এনেদৰে ওভোতা পিনে চলোৱা নীতি

আৰু যুক্তিতকৈ বলেৰে প্ৰবৰ্তন কৰা ব্যৱস্থাই মূৰকত ‘বুমেৰাং’ হৈ আঘাতকাৰীকে প্ৰত্যাঘাত কৰাৰ থলো যে আছে— সেয়া ক্ষমতাবলিয়া পক্ষই ভাবি চোৱা উচিত হ’ব। ৰাজ্যখনৰ সম্পদৰাজি যেনেকৈ দেশখনৰ বাবেই, ৰাজ্যখনৰ মানুহখিনিৰো স্বাৰ্থ ৰক্ষাৰ দায়িত্ব দেশখনৰেই নিশ্চয়। সেয়ে সংসদী সদস্য শ্ৰীশৰ্মাই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীলৈ জনোৱা অভিযোগৰ কথা কেন্দ্ৰীয় চৰকাৰে গভীৰভাৱে বিবেচনা কৰা উচিত হ’ব। কাৰণ নাম-ঠিকনা তথা পূৰ্ব পৰম্পৰা নজনা অবাঞ্চিত লোকে অকল থলুৱা নিবনুৱাসকলৰ ভাতমুঠিত হাত দিয়াই নহয়। লগতে আন উদ্দেশ্যৰে আহি প্ৰশাসনৰ বা বিভিন্ন উদ্যোগৰ বিভিন্ন স্তৰত সোমাই ৰাজ্য তথা দেশখনৰ নিৰাপত্তাৰ ক্ষেত্ৰতো সুৰুঙা উলিয়াই দিয়াৰ সম্ভাৱনা থাকিব। বৰ্তমানৰ আন্তৰ্জাতিক ক্ষেত্ৰত কূটনীতিৰ যি ভয়াবহ ক্ৰীড়া আৰম্ভ হৈছে, তাৰ মাজত অজানিতে ভাৰতৰ সীমান্তৰ এখন ৰাজ্যক তেনে ক্ৰীড়াৰ ক্ৰীড়াঙ্গন কৰাৰ আশংকাও নথকা নহয়। এই দৃষ্টিৰেও উক্ত শেহতীয়া ‘চাৰ্কুলাৰ’খনৰ প্ৰয়োগ ততালিকে বন্ধ ৰাখি—বিষয়টো উচ্চতম মহলৰ দ্বাৰা অনুসন্ধান কৰি চোৱা উচিত হ’ব বুলি আমি ভাবো।

## এয়া গণতন্ত্ৰৰ মহিমা?

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে ১০ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ জজ পথাৰত কেন্দ্ৰীয় গণ সমাবেশৰ বাবে জনোৱা আহ্বানৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে লোৱা ভূমিকাই চৰকাৰৰ গণতন্ত্ৰ বৰ্জনৰ চূড়ান্ত নিদৰ্শন দাঙি ধৰিলে। এই গণ সমাৱেশৰ আহ্বান জনোৱা হৈছিল— ৰাইজক বিদেশী নাগৰিকৰ সমস্যা সংক্ৰান্তত এতিয়ালৈকে হোৱা আলোচনা সম্পৰ্কে অৱগত কৰাবৰ বাবে। ৰাইজক



আচল কথা জনাবলৈ ওলোৱাৰ বাবে চৰকাৰে ভয় খালে নে চৰকাৰী অপপ্ৰচাৰৰ ‘গোমৰ ফাঁক’ হৈ যায় বুলি ভয় কৰিলে? নে চৰকাৰী প্ৰক্ৰিয়াই আন্দোলন শেষ কৰি দিলে বুলি চলোৱা চৰকাৰী প্ৰচাৰৰ বিপৰীতে বিপুল জনসমাৱেশে চৰকাৰক শ’লঠেকত পেলাব বুলি?

অৱশ্যে চৰকাৰে আইন-শৃংখলাৰ প্ৰশ্ন অৱতাৰণা কৰি তাৰ আঁৰ ল’বও খুজিছে। পিচে এইখন অসমৰ বুকুতে ইতিমধ্যে শান্তিপূৰ্ণভাৱে লাখ লাখ লোকৰ জনসমাৱেশ ঘটি গৈছে। তেনেস্থলত এতিয়া জনসমাৱেশ ঘটিলেই আইন-শৃংখলাৰ বাবে বিপদৰ সৃষ্টি হ’ব বুলি ভবাৰ থল নাছিল। বিশেষকৈ আন্দোলনৰ নেতৃবৰ্গই লুকাই চুৰকৈ একো কৰা নাছিল— যথেষ্ট আগতে ৰাজহুৱা ঘোষণাৰ জৰিয়তে গণ সমাৱেশৰ কথা প্ৰকাশ কৰিছিল আৰু সমাৱেশৰ বাবে অনুমতিও বিচাৰিছিল। এই ক্ষেত্ৰত গণ সমাৱেশৰ বিৰুদ্ধে কঠোৰ মন্তব্য দিয়া ৰাজ্য চৰকাৰৰ বিজ্ঞপ্তিখনৰ ৰহস্যজনক উক্তি এটা বিশেষ মন কৰিবলগীয়া। এই বিজ্ঞপ্তিত কৈছে যে একেদিনাই ‘আমছু’কে ধৰি বিভিন্ন সংস্থাই সমাৱেশৰ আয়োজন কৰিবলৈ বিচাৰিছিল কাৰণে আইন-শৃংখলাৰ স্বাৰ্থত জজ পথাৰত গণ সমাৱেশ পাতিবলৈ অনুমতি দিয়া নহ’ল। পিচে সুদীৰ্ঘকালৰ ৰহস্যজনক বিবৃতিৰ পিচত চৰকাৰী বিজ্ঞপ্তিত হঠাৎ ‘অমৃতস্য পুত্ৰ’ আমছুৰ জয়ধ্বনি শুনিবলৈ পোৱাত আমাৰ মনে গোন্ধালে! এই সমান্তৰাল সমাৱেশত আয়োজন লুকাই-চুৰকৈ কৰা হৈছিল নে আমছুৱে দিছপুৰত কাৰবাৰ কাণে কাণে সমাৱেশৰ আয়োজন কৰাৰ কথা জনাইছিল? ৰাজহুৱা ঘোষণা আগতীয়াকৈ দিয়াৰ কোনো প্ৰমাণেই দেখোন নাই।

সেই দেখি চৰকাৰে চালে-বেৰে কোবাই নিজৰ অদূৰদৰ্শী আৰু ফেছীবাদী কাৰ্যক যুক্তি সাব্যস্ত কৰিব খোজা বুলিহে আমাৰ মনত সন্দেহ জন্মিছে। অৱশ্যে অসমৰ ৰাইজৰ ধমনীৰ সোঁতৰ খবৰ নৰখা সাম্প্ৰতিক প্ৰাশসনীয় চক্ৰৰ পক্ষে সকলো সম্ভৱপৰ। তেওঁলোকে নিজৰ কাৰ্যৰ তাৎপৰ্য উপলব্ধি কৰিব পৰা সামৰ্থ্যকণো আয়ত্ত কৰিব পৰা নাই। তেওঁলোকে যুক্তিৰে যুক্তি খণ্ডন কৰিব নোৱাৰে। যদি সাম্প্ৰতিক আন্দোলন আৰু ইয়াৰ

দাবী সম্পূৰ্ণ নিৰৰ্থক— তেন্তে চৰকাৰৰ প্ৰভুত সামৰ্থ্যৰ সহায়ত গণতান্ত্ৰিকভাৱে তাকে ৰাইজৰ আগত দাঙি ধৰি ৰাইজক আন্দোলনৰ পৰা আঁতৰাই নিব নোৱাৰিলে কিয়? এতিয়া গণ সমাৱেশৰ নিৰ্দ্ধাৰিত দিনৰ এদিনৰ আগৰ পৰা মহানগৰীত যুদ্ধকালীন প্ৰস্তুতিৰে যি অতিচাৰ চলালে, সেইবোৰ কাৰ্যকলাপে চৰকাৰৰ প্ৰতিচ্ছবি উজ্বল কৰিলে নে? নে চৰকাৰৰ জয় সাব্যস্ত কৰিলে? শান্তিপূৰ্ণ জনতাৰ বিপৰীতে সামৰিক পয়োভৰ চলাই চৰকাৰৰ চৰম ব্যৰ্থতাহে প্ৰতিপন্ন কৰিলে। চি আৰ পিৰ বোকোচাত উঠি ফুৰা চৰকাৰৰ চাকোলা নীতিয়েই চৰকাৰৰ পৰাজয়ৰ কাৰৰ নিদৰ্শন।

## আন্দোলন বনাম চৰকাৰ

ছাত্ৰ সমাজৰ আন্দোলনক গ্ৰাহ্য নকৰাসকলক মূৰ্খৰ স্বৰ্গত বাস কৰা বুলিহে ক'ব লাগিব। পৃথিৱীৰ বিভিন্ন ঠাইৰ তেনে আন্দোলনে সংশ্লিষ্ট ৰাষ্ট্ৰত কপনি তোলাৰ ডেধাৰ উদাহৰণ ওলাব। দূৰলৈ নগৈ ঠাইলেও আৰু দক্ষিণ কোৰিয়াত কিছু বছৰৰ আগতে ছাত্ৰ আন্দোলনে চৰকাৰৰ ওলটপালত ঘটোৱাৰ উদাহৰণলৈকে আঙুলিয়াই দিব পাৰি। সেই দেখি ছাত্ৰ শক্তিৰ জাগৰণক উলাই কৰিব খোজা সকলে বুৰঞ্জীৰ শিকনি ল'ব নোখোজাটো দুৰ্ভাগ্যৰ কথাহে হ'ব।

আমাৰ দেশত ছাত্ৰৰ আন্দোলনৰ সন্মুখত তিষ্ঠি থাকিবলৈ চৰকাৰে বিভিন্ন পন্থা লয়। তাৰে প্ৰথমটো হ'ল—বিভাজন সৃষ্টিৰ প্ৰচেষ্টা। তেনে প্ৰচেষ্টাৰ জৰিয়তে ভেৰোণীয় সংগঠন গঢ়ি তোলা হয়; মানুহ কিনা বেচাৰ কাৰবাৰ চলে। আনহাতে সংহতিৰ শ্লোক আওঁৰাই থকা চৰকাৰেই সাম্প্ৰদায়িক বিভাজনৰ বিহগুটি সিঁচি দিয়ে। সিমানতো কাম নিদিলে উৎপীড়ন আৰম্ভ হয়। তেনে কাৰ্য ব্যৱস্থাৰ ক্ষেত্ৰত অসমখন চৰকাৰী



লীলাৰ কেন্দ্ৰস্থল বুলিয়েই ক'ব পাৰি। অসমত এই সকলোবোৰ পন্থা অৱলম্বন কৰা হৈছে। বিশেষকৈ বিদেশী নাগৰিকৰ সংক্ৰান্তত অসমত সুদীৰ্ঘ কাল ধৰি চলা আন্দোলনৰ মাজত চৰকাৰে ব্যাপক ভিত্তিত এইবোৰ কাৰ্য ব্যৱস্থা হাতত লৈছে। বিভাজন সৃষ্টি কৰা; চৰকাৰী মদৎ দি সংগঠন গঢ়ি তোলা; সাম্প্ৰদায়িকতা বিয়পাই দিয়া— এই সকলোবোৰ কাৰ্য ব্যৱস্থা চৰকাৰে হাতত ল'লে। এইবোৰ কাম নিদিয়াত এতিয়া এদিনীয়াভাৱে অত্যাচাৰৰ কাৰ্যসূচীকে হাতত লোৱা হৈছে। উদণ্ড বিষয়াক এই ক্ষেত্ৰত অবাধ স্বাধীনতা দিয়া হৈছে।

পিচে কেই বছৰমানৰ আগতে ছাত্ৰৰ আন্দোলনৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত পুলিচ; চি আৰ পি ভৰাই দি ছাত্ৰাবাস তেজেৰে ৰাঙলী কৰোৱা সেই সময়ৰ ৰাজ্য চৰকাৰৰ উদ্দেশ্য জানো সফল হ'ল? ওলোটা পৰিণতিহে দেখা গ'ল। আন্দোলনৰহে তেজ বাঢ়িল। ইপিনে সেই বীৰত্ব প্ৰদৰ্শন কৰা চৰকাৰৰ সমুখতহে সমস্যাই দেখা দিলে। শেষত চৰকাৰ সলনি কৰিবলগীয়া পৰিৱেশৰহে সৃষ্টি হ'ল। এতিয়া অৱশ্যে চৰকাৰৰ সালসলনি ঘটোৱা প্ৰসঙ্গৰ স্থল নাই। কিয়নো ৰাষ্ট্ৰপতিৰ শাসনহে চলিছে। বুৰ'ক্ৰেটৰ অখণ্ড প্ৰতাপ চলিছে। পিচে জনতাৰ নাড়ীনক্ষত্ৰৰ বুজ নোপোৱা বুৰ'ক্ৰেটসকলে ওভোতগোৰে যিমানে নেনাচক—বুৰঞ্জীৰ গতি ৰোধ কৰিব নোৱাৰে।

বুৰ'ক্ৰেটৰ উদণ্ড আচৰণে তিক্ততা বঢ়োৱাৰ বাহিৰে আন একোকে কৰিব পৰা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় আৰু অন্যান্য মহাবিদ্যালয়ৰ চৌহদত অকাৰণতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিনা অনুমতিত প্ৰবেশ কৰি পুলিচ, চি আৰ পিয়ে অত্যাচাৰ চলোৱা ঘটনা এতিয়া বৰকৈ বাঢ়িছে। কিন্তু এইদৰে অত্যাচাৰ চলাই দিছপুৰীয়া বুৰ'ক্ৰেটৰ দলে আন্দোলন শেষ কৰি দিব পাৰিব বুলি ভাবিছেনে? তেওঁলোকৰ তেনে আশা কিন্তু অমূলক। শিক্ষানুষ্ঠান বা ছাত্ৰাবাসত সোমাই অত্যাচাৰ চলোৱাটো অতিশয় স্পৰ্শকাতৰ বিষয়—ইয়াৰ ফলত উত্তেজন'

তিক্তত আৰু আন্দোলন বাঢ়িহে যায়। সেই কথা স্বীকাৰ কৰিয়েই শিক্ষানুষ্ঠানৰ কর্তৃপক্ষৰ বিনা অনুমতিত শিক্ষানুষ্ঠান বা ছাত্ৰাবাসৰ চৌহদত প্ৰবেশ নকৰাৰ বাবে কেতবোৰ ৰাজ্যত সিদ্ধান্ত লোৱা হৈছিল। অসমতো তেনে সিদ্ধান্ত লোৱা হৈছিল। কিন্তু এতিয়া বুৰ'ক্ৰেটৰ দলে সেই সকলোবোৰ কথা অগ্ৰাহ্য কৰি ছাত্ৰ সমাজৰ প্ৰতি পোনপটীয়াভাৱে প্ৰত্যাহ্বান জনাই সমস্যা জটিল কৰি তুলিলে। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ত বহা এখন সভাই সেই প্ৰত্যাহ্বান গ্ৰহণ কৰি বিশেষ কেতবোৰ কাৰ্য ব্যৱস্থা ল'বৰ বাবে সিদ্ধান্ত লৈছে। সেই দেখি সন্দেহ হৈছে যে এতিয়া পৰিৱেশ আৰু তিক্ত হ'ব। ৰাষ্ট্ৰপতিৰ নামত অসমত শাসন চলাবলৈ অধিকাৰ পোৱা সকলক সংযত কৰাৰ সামৰ্থ্য দিল্লীৰ কাৰোৰেই নোহোৱা হ'ল নেকি?

## আকৌ আলোচনা

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীবেংকটৰমনে ৰাজ্য সভাত ঘোষণা কৰিছে যে অসমৰ বিদেশী নাগৰিক সম্পৰ্কে অহা ২৫ আগষ্টত ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হ'ব। এইবাৰৰ আলোচনাৰ ওপৰত যিহেতু সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে, সেই দেখি এই আলোচনাৰ সফলতাৰ বাবে সকলো পক্ষই চেষ্টা কৰিব লাগিব। মাজতে কেন্দ্ৰৰ ক্ষমতাত অধিষ্ঠিত এটা মহলৰ মাজত এনে মনোভাৱে গা কৰি উঠিছিল (তাকে ৰাজহুৱাভাৱে প্ৰকাশো কৰিছিল) যে কেন্দ্ৰই সমস্যা সমাধান নকৰাকৈ বলেৰে হ'লেও নিৰ্বাচন পাতিব আৰু কাৰ্যতঃ সকলো সমষ্টিতে নিৰ্বাচন পাতিব। পিচে সেই উদ্ভট পৰিকল্পনা যে বিপদৰ বাঁহহে হ'ব— সেই কথা এতিয়া উপলব্ধি কৰা যেন লাগিছে। ইতিমধ্যে সংসদৰ মজিয়াতো বিভিন্ন দলে চৰকাৰক এই বিষয়ে সঁকিয়াই দিছে আৰু ভোটাৰ তালিকা সংশোধন কৰি বিদেশী নাগৰিকৰ নাম বাদ



দিহে নিৰ্বাচন পতাৰ কথা ভাবিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে বিৰোধী দলসমূহৰ নেতাসকলক (সংসদৰ) আলোচনাৰ বাবে আহ্বান জনোৱাৰ প্ৰসংগত এটা সন্দেহে ভুমুকি মাৰিছিল যে চৰকাৰে হয়তো বিৰোধী দলসমূহৰ গাত ভেজা দি একপক্ষীয়ভাৱে নিৰ্বাচন জাপি দিয়াৰ চেষ্টাহে কৰিব। সম্ভৱতঃ বিৰোধী দলসমূহেও তেনে সম্ভাৱনাকে দেখা পালে আৰু সেই দেখি আলোচনাত ভাগ লোৱাৰ পৰা দুটা দলৰ বাদে আন সকলো দল আঁতৰি থাকিল। বিৰোধী দলসমূহৰ এই সিদ্ধান্তই আন যিহকে নকৰক— ২৫ আগষ্টত হ'বলগীয়া ত্ৰিপক্ষীয় আলোচনাৰ বাবে উপযুক্ত পৰিৱেশ ৰচনা কৰাত সহায় কৰিব বুলি আমি ভাবো। কিয়নো তলগুজীয়া কোনো কাৰবাৰ নোহোৱাকৈ চৰকাৰ, আন্দোলনৰ নেতৃবৰ্গ আৰু বিৰোধী দলসমূহৰ নেতৃবৰ্গৰ মাজত আলোচনা হ'ব। পূৰ্বৰ আলোচনাৰ পৰা এটা কথাত আমি পতিয়ন গৈছিলো যে চৰকাৰে আন্দোলনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰোতে এটা কথা কয়, আৰু পিচত আনৰ আগত এটা কথা কয়। এতিয়া তিনিওটা পক্ষৰ আলোচনাৰ মাজত তেনে কৰাৰ থল নেথাকিব।

এতিয়া আলোচনাৰ পৰিৱেশ নষ্ট কৰা কোনো কাম কৰাৰ পৰা চৰকাৰ বিৰত থকাটো অতি জৰুৰী বিষয়। ইতিমধ্যে ৰাজ্যৰ কেতবোৰ ঠাইৰ পৰা প্ৰশাসক, পুলিচ, চি আৰ পিয়ে অত্যাচাৰ চলোৱাৰ অভিযোগ উঠিছে। ৰাজ্যসভাতো জনতা পাৰ্টিৰ সদস্য শ্ৰীৰবীন কাকতিয়ে এই কথাৰ অৱতাৰণা কৰিছে। আমি এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিশেষ সতৰ্কতা অৱলম্বন কৰাটো বিচাৰো। অসমৰ প্ৰশাসনত এনে লোকো আছে— 'সি আলোচনা সফলতাৰ বাটেদি আগবঢ়াটো নিবিচাৰে। সেই দেখি প্ৰত্যেকবাৰৰ আলোচনাৰ আগে আগে বা আলোচনাৰ মাজতে নানান অবাঞ্ছনীয় কাৰ্যকলাপ চলাই নতুন নতুন সমস্যা সৃষ্টি কৰা দেখা গৈছিল। সেয়ে যাতে পুনৰ হ'ব নোৱাৰে, তাৰ বাবে চৰকাৰে আগতীয়া ব্যৱস্থা হাতত লওঁক।

আনহাতে আন্দোলনৰ নেতৃবৰ্গয়ো নতুন আন্দোলন-সূচী হাতত লোৱা বা আলোচনাৰ বাটত তিক্ততাৰ সৃষ্টি কৰিব পৰা ধৰণৰ বিবৃতি, আদি দিয়াৰ পৰা নিজক বিৰত ৰখাটো আমি বিচাৰো।

## অসমৰ প্ৰশাসন

সম্প্ৰতি অসমৰ প্ৰশাসন কেনেদৰে চলিছে, সেই বিষয়ে এই কাকতৰ বৃহস্পতিবাৰৰ সংখ্যাত এটা তাৎপৰ্যপূৰ্ণ বাতৰি প্ৰকাশ পাইছে। ৰাষ্ট্ৰপতিৰ শাসনৰ নামত অসমত কি হৈছে, তাৰ বিচাৰ লওঁতা কোনো নথকাকৈয়ে চলি থকাৰ মূৰত এতিয়াহে ৰাষ্ট্ৰপতিক পৰামৰ্শ দিবলৈ সংসদী পৰামৰ্শদাতা সমিতি এখন কেন্দ্ৰীয় চৰকাৰে গঠন কৰিছে। এই সমিতিৰ প্ৰথমখন বৈঠক ২৪ আগষ্ট তাৰিখে দিল্লীত বহে। ৰাজ্যসভাৰ পোন্ধৰজন আৰু লোকসভাৰ ত্ৰিশজন সদস্যক এই সমিতিত লোৱা হৈছে। ৰাজ্যসভাত থকা অসমৰ চাৰিজন সদস্যক সমিতিত লোৱা হৈছে—এয়ে প্ৰথমবাৰৰ বাবে অসমৰ কথাত মাত মাতিবলৈ অসমীয়া মানুহে সুবিধা পালে। লোকসভাত যিহেতু অসমীয়া সদস্যই নাই, সেই দেখি ত্ৰিশজনীয়া সদস্যৰ ভিতৰত অসমীয়া এজনো নাই— মাত্ৰ কাছাৰৰ পৰা নিৰ্বাচিত হোৱা শ্ৰী এছ্-এম দেৱক লোৱা হৈছে (তেওঁ অৱশ্যে ব্ৰহ্মপুত্ৰ উপত্যকাক হোকা পানীৰ নিষেধ কৰি ৰাখিছে)।

যিহওক, এতিয়া আমি সমিতিখনৰ ওপৰত বহুতখিনি নিৰ্ভৰ কৰিছো। ৰাষ্ট্ৰপতিৰ শাসন মানে কোনো এটা আমোলাচক্ৰৰ এক নায়কত্ববাদী, স্বেচ্ছাচাৰী আমোল নিশ্চয় নহয়। অথচ সেয়ে অসমত হৈছে। ৰাষ্ট্ৰপতিৰ শাসনৰ দুটা কিস্তিত আমি তাকে দেখিলো। আগৰবাৰ মুখ্য উপদেষ্টা পদত



থকা জনে অসমত যি কৰি থৈ গ'ল তাৰ পৰিণাম অসমৰ ৰাইজে বহুত দিনলৈ ভোগ কৰিব লাগিব। এতিয়াৰ আমোলেও প্ৰায় একে পথকে লৈছে। এই ক্ষেত্ৰত ৰাজ্যপালৰ ভূমিকা সময়ত গৌণ হৈ পৰাহে দেখা যায়— ৰাজ্যপাল সচৰাচৰ শ্বিলঙতহে থাকে কাৰণে দৈনন্দিন কাৰ্যাৱলীলৈ চক ৰখাটো সম্ভৱপৰো নহয়। সেই দেখি বিষয়া চক্ৰৰ কাৰণে অবাধ ৰাজত্বৰ পথ মুকলি হৈ পৰে। যিসকলে অসমৰ নাড়ী নক্ষত্ৰ নুবুজে সেই সকলেই চূড়ান্ত ৰায় দি ভাগ্য নিৰ্ণয় কৰে। দিহা-পৰামৰ্শ দিবলৈ অসমৰ কোনো অভিজ্ঞ পদাধিকাৰীও নাই। কিয়নো সকলো অসমীয়া মানুহ আচামীৰ পৰ্যায়লৈ নমাৰ পিচত উপচেষ্টাৰ পদৰ পৰা আৰম্ভ কৰি তলৰ গুৰুত্বপূৰ্ণ পদলৈকে ক'তো অসমীয়া পদাধিকাৰী নাই। যি দুই-এজন আছে, তেওঁলোকক নিচেই নগণ্য কামত আৱদ্ধ কৰি ৰখা হৈছে।

পিচে তাৰ প্ৰতিফলন সুস্পষ্টভাৱে প্ৰশাসনত পৰিছে। যিমানেই প্ৰচাৰ চলোৱা নহওক, এতিয়া প্ৰশাসন প্ৰায় অচলাৱস্থাত আছে। কোনো কামেই চলা নাই। বিষয়াৰ চুবুৰী ভাগে ভাগে গঠিত হৈছে। কেতবোৰ শক্তিশালী চক্ৰই নিজৰ অভিৰুচি মতে বিভিন্ন কাম কৰিছে। স্বেচ্ছাচাৰী আমোল ইমান দূৰলৈ সম্প্ৰসাৰিত হৈছে যে বিভাগীয় কৰ্তৃপক্ষই সৰু-সুৰা পদতো মানুহক নিযুক্তি দিব নোৱাৰে- 'ৰিমুট কণ্ট্ৰল'ৰ যোগেদিহে নিযুক্তি হয়। সেইদৰে বদলি পদোন্নতি মঞ্জুৰী আদি সকলো ক্ষেত্ৰতে একে লীলাখেলা নাল লগা ভাব চাব ধৰাৰ থল থাকে। সৰু সৰু বিষয়তে যেতিয়া ইমান খেলিমেলি তেনে স্থলত সাত মাহে উচ্চ পদস্থ বিষয়া কাৰ্যালয়ত উপস্থিত নথকা বদলি কৰা উচ্চ পদস্থ বিষয়া এতিয়াও ইয়াতে থকা দুৰ্নীতিৰ অভিযোগ উঠা উচ্চ পদস্থ বিষয়াৰ সংশ্লিষ্ট ফাইল আজিও গেঠেলা মাৰি থকাকে ধৰি বিভিন্ন অভিযোগ উঠাত আমি সমুলি আচৰিত হোৱা নাই। লগতে সম্প্ৰতি অসম জুৰি চৰকাৰীভাৱে প্ৰবৰ্তন কৰা মানব দিনৰ পথ কিয় সুগম হৈ পৰিছে, তাকো বুজিবলৈ টান নহ'ব।

# দেশবাসীৰ প্ৰতি আহ্বান

অসমত নিৰ্বাচন অনুষ্ঠিত কৰা আৰু বিদেশী সমস্যাটোৰ ভুল ধাৰণা দিয়াৰ বাবে ৰাজ্যখনত সৃষ্টি হোৱা হিংসাত্মক কাৰ্যকলাপৰ প্ৰতিবাদত ছটা অকমিউনিষ্ট বিৰোধী দলে এইবাৰ সংসদৰ বাজেট অধিৱেশন উদ্বোধন কৰি ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণ বৰ্জন কৰিলে ৰাষ্ট্ৰপতিৰ ভাষণ কালত এই বিৰোধী দল কেইটাৰ প্ৰায় এশজন সদস্যৰ অনুপস্থিতি ক্ষমতাত অধিষ্ঠিত কংগ্ৰেছ (আই) দল আৰু ইয়াৰ চৰকাৰৰ কাৰণে বিশেষ উল্লেখযোগ্য বিষয় নহ'লেও সংসদৰ ইতিহাসত ই এটা গুৰুত্বপূৰ্ণ ঘটনা। ৰাষ্ট্ৰপতিৰ ভাষণ এইদৰে বৰ্জন কৰাৰ তাৎপৰ্য সমগ্ৰ দেশে হয়তো উপলব্ধি কৰিব। দেশৰ উত্তৰ পূৰ অঞ্চল আৰু তাৰ অন্তৰ্গত ৰাজ্য অসমত কি ঘটিছে সেই বিষয়ে সম্যকভাৱে জানিবলৈ অন্য প্ৰান্তৰ লোক সকলো আগ্ৰহান্বিত হ'ব।

অসমৰ বিদেশী সমস্যা আৰু ত্ৰুটিপূৰ্ণ ভোটাৰ তালিকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ ওপৰত জাপি দিয়া নিৰ্বাচনৰ বিষয়ে চৰকাৰ আৰু ইয়াৰ প্ৰচাৰ মাধ্যম যি ভ্ৰান্ত ধাৰণা দি আহিছিল, তাকে সঁচা বুলি ধৰি লৈ অসমৰ সমস্যাৰ প্ৰতি দেশৰ অন্যান্য অংশৰ লোকসকলে বিশেষ মনোযোগ দিব খোজা নাছিল। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীকে আৰম্ভ কৰি বিভিন্ন চৰকাৰী লোক আৰু দলীয় নেতাসকলে অসমৰ বিদেশী বহিষ্কাৰৰ দাবী আৰু এই সন্দৰ্ভত চলা আন্দোলন আঞ্চলিকতাবাদী আৰু বিদেশী শক্তিৰ সমৰ্থনপ্ৰাপ্ত বুলি প্ৰচাৰ কাৰ্য চলাই আহিছে। কমিউনিষ্ট দলবিলাকে অসমৰ আন্দোলনক বিচ্ছিন্নতাবাদী বুলি আখ্যা দি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিবলৈ লৈছে। সৰ্বভাৰতীয় বাতৰি কাকত কিছুমানেও চৰকাৰী ভাষা আৰু ৰাজনৈতিক দল কিছুমানৰ উদ্দেশ্য প্ৰণোদিত প্ৰচাৰতে গুৰুত্ব আৰোপ কৰি অসমৰ বিদেশী সমস্যা সম্পৰ্কত চলা আন্দোলনৰ বিষয়ে বিৰূপ মন্তব্য কৰি আহিছিল। কিন্তু বৰ্তমান সেই অৱস্থাৰ পৰিবৰ্তন ঘটিছে। অসমৰ প্ৰকৃত



পৰিস্থিতিৰ বিষয়ে সমগ্ৰ দেশে বুজিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। আৰু ইতিমধ্যে সকলোৱে বুজিব পাৰিছে যে অসমৰ জনসাধাৰণে বিদেশী অনুপ্ৰবেশৰ সম্পৰ্কত চলোৱা আন্দোলন আঞ্চলিকতাবাদী নাইবা বিচ্ছিন্নতাবাদী নহয়। অসমত বিদেশী অনুপ্ৰবেশৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগে বহুত দিনৰ আগতেই স্বীকাৰ কৰিব লগা হৈছিল। প্ৰধানমন্ত্ৰী আৰু তেওঁৰ অনুচৰসকলে অসমৰ আন্দোলনত বিদেশীৰ সমৰ্থন আৰু উদগণি থকা বুলি উল্লেখ কৰিলেও সেই বিদেশী শক্তি কোন তাক স্পষ্টভাৱে ক'ব পৰা নাই। কমিউনিষ্ট দলবিলাকে অসমত বিচ্ছিন্নতাকামী আন্দোলন চলা বুলি তোলা অভিযোগৰ উত্তৰ অসমৰ ৰাইজে কাৰ্যেৰে দি আহিছে। অসমে ভাৰতৰ ঐক্য-সংহতিৰ ওপৰত ৰখা আস্থা বিদেশী শক্তিৰ ইংগিতত উঠা-বহা কৰা আৰু এসময়ত মাও ছে টুঙকে নিজৰ নেতা বুলি গণ্য কৰা ৰাজনৈতিক দল কেইটাৰ আস্থাতকৈ যে বহুত বেছি, সেই কথা প্ৰতিপন্ন হৈছে।

অসমৰ জনসাধাৰণৰ মৰ্মব্যথা আৰু আন্দোলনৰ স্বৰূপ কেন্দ্ৰীয় চৰকাৰে বুজিবলৈ বাকী থকা নাই। কিন্তু দলীয় স্বাৰ্থৰ বাবেই চৰকাৰে অসম আৰু অসমীয়াৰ ন্যায্য স্বাৰ্থৰ প্ৰতি আওকণীয়া মনোভাব লৈছে আৰু তাৰ ফলত অসমত দাবানল জ্বলি উঠিছে। অসমত নিৰ্বাচনৰ নামত, জনসাধাৰণৰ বিৰুদ্ধে ঘোষণা কৰি চৰকাৰে শ শ লোকক মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ পাচতো ৰাষ্ট্ৰপতি শ্ৰীজাইল সিঙে সংসদত দিয়া তেওঁৰ ভাষণত উত্তৰ পূৰ অঞ্চলৰ বিভেদকামী শক্তিবোৰৰ বিষয়েহে উল্লেখ কৰা কথাই এই অঞ্চলৰ প্ৰতি চৰকাৰৰ অৱজ্ঞাৰ দৃষ্টান্ত দাঙি ধৰিছে।

সেই কাৰণেই জনসাধাৰণে সুবিচাৰৰ বাবে দেশৰ অন্যান্য অংশৰ ভাই-ভনীসকলৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। অসমত যি জুই জ্বলিছে, তাৰ গুৰুত্ব আজি সমগ্ৰ দেশবাসীয়ে উপলব্ধি কৰক। অসমৰ ঘটনাৱলীৰ তাৎপৰ্য সকলোৱে বুজি দেশখনক ৰক্ষা কৰিবলৈ সকলো তৎপৰ হওক। অসমৰ বিদেশী সমস্যা অকল অসমৰ নহয় সমগ্ৰ দেশৰ সমস্যা; অসমত

বলেৰে পতা নিৰ্বাচনৰ প্ৰহসন অকল অসমৰ ক্ষেত্ৰতে সীমাবদ্ধ হ'ব বুলি ধাৰণা ল'ব নালাগে। দেশবাসীয়ে অসমত চলা অত্যাচাৰৰ প্ৰতিবাদ কৰক।

## লতাকটা ৰণৰ শেষত......

বন্দুকল বলেৰে আৰু তেজৰ নৈ বোৱাই গণতন্ত্ৰ আৰু সংবিধানৰ পূজাৰীসকলে নিৰ্বাচন পাতিলে আৰু লতাকটা ৰণত জিকি ইন্দিৰা কংগ্ৰেছে চৰকাৰো পাতিলে। অৱশ্যে এনেকৈ চৰকাৰ নেপাতিলে ইন্দিৰা কংগ্ৰেছৰ বাবে আন উপায়ো নাই। কাৰ্যতঃ ইন্দিৰা কংগ্ৰেছ বুলি কোনো দলেই নাই— ই মাথোন এগৰাকী সম্ৰাজ্ঞীৰ এখন সাম্ৰাজ্য য'ত ব্যক্তিগত স্বাৰ্থই অন্ধ কৰা কিছুমান লুভীয়া মানুহ পুতলা নাচৰ ভাৰৰীয়া হৈ আছে। য'ত কোনো নীতি, আদৰ্শ নাই; আত্মপ্ৰতিষ্ঠাই য'ত শেষ কথা— তাত কোনো কাৰ্য ব্যৱস্থাই অগ্ৰহণীয় নহয়। সেই দেখি অসমত তাৰে চূড়ান্ত নিদৰ্শন দেখা গ'ল।

ভাৰতত প্ৰতিষ্ঠা হোৱা ইন্দিৰা কংগ্ৰেছৰ এইখন সাম্ৰাজ্যত ন্যায় আৰু যুক্তিৰ বিচাৰ নাই যেতিয়া অসমত চলা চূড়ান্ত অন্যায়ৰ প্ৰতিকাৰ হয়নো নহ'ব। কিন্তু যি বিষবৃক্ষ ৰুই থ'লে; সেয়ে যে দেশত বিয়পি নপৰিব— তাক নিশ্চিতভাৱে কোনে ক'ব পাৰিব। অসমত হোৱা বুলিয়েই গাত কথা নলগা ধৰণৰ কথা হৈ থাকিল। কিন্তু তেজৰ সোৱাদ পোৱা বাবে নিজক কেতিয়াও ক্ষান্ত নেৰাখে। তাহানি তেলেঙ্গানাত নায়কৰ ভূমিকা লোৱা শ্ৰী এইচ চি চাৰিণে যি 'কাহিনী' ৰচিছিল; সেইখিনি মানুহৰ স্মৃতিৰ পৰা প্ৰায় মচ খায়েই গৈছিল আৰু উগ্ৰ বাওঁপন্থী দখল হোৱা বুলি কোনো কোনোৰে হয়তো আত্ম-প্ৰসাসো লভিছিল। পিচে সেইজন শ্ৰীচাৰিণেই আহি অসমত বিহ গছৰ কঠীয়া ৰুই মূৰকত ৰাজ্যপাল পদৰ বঁটা আদায় কৰি ল'লে।



তেওঁৰে পদাংক অনুসৰণ কৰি অসমৰ নতুন ৰাজ্যপাল শ্ৰীমেহৰোত্ৰা; শ্ৰীসুব্ৰমণিয়ম প্ৰমুখ্যে উপদেষ্টা বৰ্গ (অৱশ্যে শ্ৰীচৰণ সিং নহয়) মুখ্য সচিব শ্ৰীৰমেশ চন্দ্ৰ, শ্ৰীঅগ্নিহোত্ৰী, শ্ৰীসমৰ দাস প্ৰমুখ্যে দায়বদ্ধ পদাধিকাৰী সকলে সেই অভিযানকে সম্পূৰ্ণ কৰিলে। এতিয়া সেই সকলৰ বঁটা আদায় কৰাৰ পাল। পিচে অসমৰ সৰ্বনাশৰ এইসকল হোতাৰ 'কৃতিত্বৰ' বাবে আত্মপ্ৰসাদ লাভ কৰা সকলে এবাৰো ভাবি চাইছে নে যে এই সকল দায়বদ্ধ পদাধিকাৰীয়েই দেশৰ অন্য অংশতো একে বিপৰ্যয়ৰে অজুহাত দেখুৱাই গণতন্ত্ৰ, আৰু সংবিধানৰ নামাৱলীৰ আঁৰ লৈ একেখিনি কামকে তেওঁলোকে বা তেওঁলোকৰে সতীৰ্থ সকলো দেশৰ অন্য অংশতো যদি কৰে?

অসমৰ চৰকাৰ গঠন কৰা সকলে যিমান আত্মপ্ৰসাদ লাভ কৰিছে; তাতকৈ বহুত বেছি গুণে আমি লজ্জিত হৈছো। এয়ে তেন্তে গণতন্ত্ৰ; এয়ে সংবিধানৰ মৰ্যাদা? তেজৰ নৈ বোৱাই, পৰিকল্পিতভাৱে অনাচাৰ, অত্যাচাৰ সংঘৰ্ষৰ সৃষ্টি কৰাই আৰু জনসাধাৰণৰ শতকৰা ১০ ভাগৰো সৰহখিনিৰ অসহযোগৰ মূৰতো নাগৰিকৰ স্বাধীনতাৰ নিম্নতম অস্তিত্বও নেৰাখি আৰু পুলিচ, চি আৰ পিৰ উন্মত্ত আচৰণৰ মাজত পতা নিৰ্বাচনো বৈধ হৈ পৰিল। তাতোকৈ অবাক হ'ব লগীয়া কথা যে কুখ্যাত 'ৰাজকৰ' বাহিনীৰ আবিৰ্ভাৱৰো প্ৰয়োজন হ'ব লগীয়া হ'ল গহপুৰৰ নৰহত্যাত ভাগ লোৱা জনৈক লোক মৃত্যুকালীন উক্তিত বিশেষ ৰাজনৈতিক দলক জড়িত কৰি যিখিনি কথা কোৱা বুলি অভিযোগ উঠিছে আৰু 'ৰাজকৰ' বুলি নগাওঁ জিলাত ধৰা পৰা লোকে বিশেষ ৰাজনৈতিক দলৰ নেতাৰ নাম উল্লেখ কৰি যি অভিযোগ তুলিছে বুলি বাতৰি ওলাইছে— তাৰ তাৎপৰ্য দোবাসীয়ে উপলব্ধি কৰিব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা। একালত এইখন অসমতে বিদেশী ৰাষ্ট্ৰৰ প্ৰতি আদৰণি জনোৱা ফলক উলিওৱা বাবে তেতিয়াৰ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ মূৰব্বী শ্ৰীভোলানাথ মল্লিক উদ্বিগ্ন হৈছিল আৰু তেওঁৰ উদ্যোগতে কেন্দ্ৰীয় চৰকাৰে বিশেষ আঁচনি হাতত লৈছিল। কিন্তু

আজি অসমত ‘ৰাজ্যকৰ’ৰ ধ্বংসলীলাৰ সহযোগত চৰকাৰী কাৰ্যসূচী ‘সফল’ কৰিব লগীয়া হোৱা অৱস্থাতো আমাৰ দেশৰ নিৰাপত্তাৰ ৰক্ষক সামৰিক বাহিনীও উদ্বিগ্ন হোৱা নাইনে?

## অসমত গণতন্ত্ৰৰ বলিশাল

ভাৰতৰ অঙ্গ ৰাজ্য হিচাপে বিদেশী শাসনৰ পৰা মুক্ত হ’লেও, দুৰ্ভগীয়া অসমে তাহানিৰ বৃটিছ যুগৰ আওপুৰণি আইনৰ ভেটিত চলোৱা স্বৈৰাচাৰী শাসন ব্যৱস্থা কিছুমানৰ তিতা-কেহা সোৱাদ এই কুৰি শতিকাৰ শেষ ভাগতো পাবলগীয়া হৈছে। অথচ ভাৰতবৰ্ষই আৰু ভাৰতবৰ্ষৰ শাসনাধিস্থ নেতৃবৰ্গই দেশখনৰ গণতন্ত্ৰৰ ঢাক-ঢোল বজাই অন্ত নেপায় !আনহাতে, বৃটিছ যুগতো আইনৰ তেনেকুৱা ধাৰা বিশেষ প্ৰচলিত থাকিলেও, কাৰ্য্যক্ষেত্ৰত তাৰ ব্যৱহাৰ নহৈছিলেই বা যুদ্ধকালীন জৰুৰী অৱস্থা আদিতহে সামান্যভাৱে প্ৰয়োগৰ চেষ্টা চলাইছিল। কিন্তু, অসমবাসীৰ ওপৰত সেইবোৰ অগণতান্ত্ৰিক আৰু অস্বাভাৱিক আইনৰ ধাৰা প্ৰয়োগৰ বাবে আজি কিছুকাল ধৰি দিল্লী-দিছপুৰৰ (লগতে কলিকতাৰ) অসম বিৰোধী চক্ৰ বিশেষ তৎপৰ হৈছে। স্বাধীন ভাৰতত অসমৰ মৰ্য্যাদা এই ব্যৱস্থাবোৰে দেখ্‌দেখকৈ ক্ষুণ্ণ কৰিছে। বিদেশী অনুপ্ৰবেশকাৰীৰ দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অৱস্থিতিৰ পৰা আঁতৰোৱাৰ বাবে যি ৰাষ্ট্ৰীয় সমস্যাৰ সমাধান অসমে বিচাৰিছে—তাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক শিখণ্ডী স্বৰূপ তথাকথিত প্ৰতিনিধিক সমুখত ৰাখি বা পোনপটীয়াকৈ অসমবাসীক লাঞ্চিত কৰা ধৰণে উক্ত আওপুৰণি বিদেশী আমোলৰ আইনৰ ধাৰাবোৰ খুচৰি খুচৰি প্ৰয়োগ কৰিবলৈ লৈছে।

অসমৰ আন্দোলনকাৰী সকলৰ নাৰী-পুৰুষ নিৰ্বিশেষে কিছুমানক



আটক কৰি নি হাবি-বননিয়ে এৰি দি অহাৰ দৰে ঘৃণনীয় প্ৰশাসনীয় ব্যৱস্থাও আমি যোৱা চাৰিবছৰে দেখি আহিছো। আততায়ীৰ দৰে অহিংস আন্দোলনকাৰীক আৰক্ষী কৰ্তৃপক্ষৰ হতুৱাই সামন্তযুগীয় প্ৰতিশোধ পৰায়ণ ব্যৱস্থাৰ দৰে দৈহিক তথা মানসিক নিৰ্যাতন দি থকাও হৈছে। জাপি দিয়া নিৰ্বাচনৰ আগমুহূৰ্তত, একে ধৰণৰ আওপুৰণি বিধি বিধানৰ ভেটিত যাকে-তাকে জোৰেৰে সাময়িকভাৱে আৰক্ষী কৰ্মী নিয়োগ কৰাৰ দৰে অদ্ভুত ব্যৱস্থাও হতভগীয়া অসমবাসীৰ ওপৰত দেশীয় চৰকাৰৰ দেশীয় আমোলাই প্ৰয়োগ কৰিছে। তাৰ ফলত বহুতো ডেকাই হাবিয়ে বননিয়ে পলাই ফুৰিব লগীয়া হোৱা আৰু আন কিছুমানক ধৰি আনি দৈহিক-মানসিক শাস্তি দিয়া কাৰ্যও গণতন্ত্ৰৰ গৌৰৱেৰে গৌৰৱান্বিত দেশৰ প্ৰকৃত নাগৰিকৰ ওপৰত প্ৰয়োগ কৰা হৈছে।

বাতৰি কাকতৰ “চেন্সৰ” আৰু “নিয়ন্ত্ৰণ”ৰ চৰম অগণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচেষ্টাৰ পিচত, এতিয়া তথাকথিত জনপ্ৰিয়( !) চৰকাৰৰ আমোলত শেহতীয়াভাৱে বছা বছা লোকৰ চিঠি-পত্ৰ, তাঁৰবাৰ্তা আদি “চেন্সৰ” কৰি অৰ্থাৎ ডাকবিভাগৰ দ্বাৰা খুলি চাই, আৰক্ষী অধীক্ষকক জনোৱাৰ নিৰ্দেশ দিয়া হৈছে। আৰু এই ব্যৱস্থাৰ বাবে ১৮৮৫ চনৰ ভাৰতীয় ডাক-তাঁৰ আইনৰ ৫নং ধাৰাৰ ২নং উপবিধি আজুৰি অনা হৈছে। অৱশ্যে এই বিধান প্ৰয়োগ হৈছে মাত্ৰ এলাগী ব্ৰহ্মপুত্ৰ উপত্যকাত— প্ৰকৃতপক্ষ অসমীয়াখিনিৰ ওপৰত। এইবোৰৰ দ্বাৰা এই অঞ্চলটোক বিশেষকৈ অসমীয়াসকলক সামগ্ৰীকভাৱে গণতন্ত্ৰৰ মূল স্বত্বৰ পৰা বঞ্চিত কৰি, এটা অপৰাধী জাতিৰ নিচিনাকৈ আৰু উপনিবেশৰ অধিবাসীৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে ব্যৱহাৰ কৰা হৈছে।

আটাইতকৈ ‘লাজৰ’ কথা, এনেকুৱা চৰম অগণতান্ত্ৰিক ব্যৱস্থা লোৱা হৈছে ৰাইজৰ প্ৰতিনিধিত্ব কৰাৰ দাবী কৰা এখন চৰকাৰৰ আমোলত। যিকোনো মূল্য দি ব্যক্তিস্বাৰ্থ বা গোষ্ঠীস্বাৰ্থ ৰক্ষা কৰা এইসকল আত্মঘোষিত নেতাৰ কৃতকৰ্মৰ ফলত অসমৰ নাগৰিকৰ নুন্যতম মৌলিক স্বত্বও আজি

অপহৃত হৈছে বুলি ক'লে অত্যুক্তি কৰা নহ'ব। আমি সমগ্ৰ দেশৰ সচেতন নাগৰিকলৈ গোহাৰি জনাও যাতে অসমবাসীক বিশেষকৈ অসমীয়া সমাজক এনেদৰে অন্যায়ভাৱে দেশৰ গণতান্ত্ৰিক গাঠনিৰ পৰা আঁতৰাই দিয়াৰ প্ৰচেষ্টাৰ বিপৰীতে জনমত সৃষ্টি কৰে। নহ'লে, অসমবাসীয়ে প্ৰতাৰিত আৰু অৱহেলিত হোৱা মনোভাৱেৰে চৰম হতাশাগ্ৰস্ত নোহোৱাৰ কোনো যুক্তি নেথাকিব। আৰু তেনে হতাশাজনক পৰিস্থিতিৰ মাজত প্ৰকৃত শান্তিৰ পৰিৱেশ কেতিয়াও সম্ভৱ নহ'ব পৰাজিত জাতিক দমন কৰি ৰখাৰ মনোবৃত্তিক গণতান্ত্ৰিক দেশ এখনৰ অংগৰাজ্য এখনৰ ক্ষেত্ৰত কোনো চিন্তাশীল ব্যক্তিয়ে প্ৰশ্ৰয় নিদিব বুলিয়েই আমি বিশ্বাস কৰো।

## অবাধ প্ৰব্ৰজন আৰু কেন্দ্ৰ

পূৰ্ব পাকিস্থান বা বাংলাদেশৰ পৰা পশ্চিম বংগলৈ অবাধে বিদেশী লোকৰ প্ৰব্ৰজন হৈ থকাৰ কথা আজি দুবছৰমান আগতেও কলিকতাৰ বাতৰি কাকতত ওলাইছিল। আকৌ যোৱা কেইদিনমানৰ ভিতৰত দুটামান সীমান্তত এনে অনুপ্ৰবেশৰ বিষয়ে অনুসন্ধান কৰি কলিকতাৰে বাতৰি কাকতত খবৰ ওলোৱাত চৰকাৰী পৰ্যায়ত কিছু তৎপৰতা অৱলম্বন কৰা দেখিবলৈ পোৱা গৈছে। আগৰবাৰ এনে বাতৰি ওলাওঁতে অসমত বিদেশী বহিষ্কাৰ কৰা আন্দোলন ব্যাপকভাৱে চলি আছিল আৰু তেতিয়া এই সম্বন্ধে কলিকতা বা দিল্লী কতো কোনো ধৰণৰ প্ৰতিক্ৰিয়া হোৱা নাছিল। আমি ধৰি ল'বলৈ বাধ্য যে তেতিয়া অসমৰ আন্দোলনৰ ন্যায্যতা আৰু যুক্তি-যুক্ততা প্ৰতিপন্ন হয় বুলিয়েই দিল্লী বা কলিকতা নিতাল মাৰি আছিল। এতিয়াও পশ্চিমবংগৰ বামফ্ৰণ্ট চৰকাৰ এই প্ৰশ্নলৈ বৰ বেছি আগ্ৰহশীল নহয় বুলি সাংবাদিকে লিখিছে। তথাপি প্ৰামাণ্য ছবি আৰু তথ্যপাতি সহকাৰে



বাতৰিবোৰ ওলোৱাত পশ্চিমবংগ চৰকাৰে পুলিচক এই সম্বন্ধে তদন্ত কৰিবলৈ বাধ্য হৈ নিৰ্দেশ দিছে। ততোধিক উল্লেখযোগ্য কথা যে কেন্দ্ৰীয় চৰকাৰেও এতিয়া বিদেশী নাগৰিকৰ প্ৰব্ৰজন সম্বন্ধে আগতকৈ বেলেগ সুৰত কথা ক'ব ধৰিছে।

কেন্দ্ৰীয় গৃহদপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীবেংকটসুব্বিয়াই কলিকতাত সাংবাদিক সকলৰ আগত মন্তব্য কৰিছে যে পশ্চিমবংগলৈ হোৱা বাংলাদেশৰ প্ৰব্ৰজনৰ বাতৰি সম্বন্ধে কেন্দ্ৰই অনুসন্ধান কৰিব আৰু ৰাজ্য চৰকাৰক অনুপ্ৰবেশ ৰোধ কৰাত সন্দকলো প্ৰকাৰে সহায় কৰিব। তেওঁ তাতোকৈ অৰ্থপূৰ্ণ মন্তব্য কৰিছে যে বাংলাদেশৰ অভাৰতীয় নাগৰিক যদি ব্যাপক হাৰত আহি থাকে তেনেহ'লে পশ্চিমবংগৰ অকল অৰ্থনৈতিক ক্ষতিয়েই নহয়, অন্যান্য সমস্যাৰো সৃষ্টি হ'ব। কেন্দ্ৰীয় মন্ত্ৰীজনৰ এইবিলাক উক্তি আমি অসমৰ পটভূমিত পৰীক্ষা নকৰাকৈ থাকিব নোৱাৰো। লাখ লাখ বিদেশী সীমান্ত পাৰ হৈ অসমত সোমাইছে বুলি তাৰ প্ৰতিকাৰ বিচাৰিয়েই ১৯৭৯ চনৰ পৰা আন্দোলন চলাই অহা হৈছে। কিন্তু অবাধ অনুপ্ৰবেশৰ কথা কেন্দ্ৰই এবাৰো স্বীকাৰ কৰা নাছিল। বৰং কেন্দ্ৰীয় মন্ত্ৰী দুজনে পাল মাৰি সীমান্ত পৰিদৰ্শন কৰি সৌ সিদিনা মত প্ৰকাশ কৰিছিল যে সীমান্ত সুৰক্ষিত পকা বেৰ-চেৰ দিয়াৰ কোনো প্ৰয়োজন নাই। প্ৰধানমন্ত্ৰীয়ে ১৯৭১ চনৰ (বাংলাদেশৰ উদ্ভৱ বছৰ) পিচত বিদেশীসকলক বহিষ্কাৰ কৰিবলৈ যি ৰায় দিছিল তাতেই কি দিল্লী কি দিছপুৰ সকলোৱে আকোৰগোজভাৱে লাগি আছে। তাৰ আগৰ বিলাকৰ কথা ভুল ক্ৰমেও এবাৰ তেওঁলোকে মানি লোৱা নাই। অসমৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সংকট সৃষ্টিৰ কথা ক'লেও তেওঁলোকে কেৱল মুখেৰেই আশ্বাস দি আহিছে যে সেইবিলাক সুৰক্ষিত হ'ব। প্ৰধানমন্ত্ৰীয়ে নিজে বিভিন্ন ঠাইত দায়িত্বহীন ভাৱে অসমে অন্যান্য ভাৰতীয় লোককে খেদি দিব বুলি কৈ ফুৰাৰ কথা আমাৰ মনত আছে। এতিয়া যে শ্ৰীবেংকটসুব্বিয়াই অভাৰতীয় লোকৰ কথা বিশেষৰূপে উল্লেখ কৰিছে, এনেকৈ কোনো কেন্দ্ৰীয় মন্ত্ৰীয়ে আগতে কোৱা নাছিল। ত্ৰিপুৰাৰ

থলুৱা লোকসকল আজি শৰণাৰ্থী বহিৰাগতৰ প্ৰকোপত জন্মভূমিতে সংখ্যালঘু হৈছে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী শ্ৰীনৃপেন চক্ৰৱৰ্তীয়ে কৈছে যে বাংলাদেশৰ সৈতে থকা ত্ৰিপুৰাৰ ৮৮১ কিলোমিটাৰৰ সীমান্ত বন্ধ কৰি দিয়াৰ প্ৰয়োজন হৈছে, কিয়নো ত্ৰিপুৰাই আৰু এটা ভগনীয়া পৰিয়ালকো ঠাই দিব নোৱাৰে। অসমৰ সীমান্ত বন্ধ কৰাৰ কথা ওলালে সকলোৱে গা এৰা দিয়ে ঃ মুখ্যমন্ত্ৰী শ্ৰীশইকীয়াই পকা দেৱাল দিবলৈ ওলোৱাৰ কথা ঘোষণা কৰিছে, অথচ কেন্দ্ৰীয় গৃহদপ্তৰেই কৈছে যে এনে এটা চূড়ান্ত সিদ্ধান্ত এতিয়াও লোৱা হোৱা নাই। একেটা প্ৰশ্নতে অসমৰ বেলিকা কেন্দ্ৰৰ অমনোযোগিতা আৰু পশ্চিমবংগৰ বেলিকা বিশেষ তৎপৰতা এনে দুমুখীয়া নীতি আমি দেখিবলৈ পাইছোঁ। পশ্চিমবংগৰ কাৰণে প্ৰব্ৰজনে সংকট সৃষ্টি নকৰে বুলি আমি নকওঁ কিন্তু এই বিষয়ে দুটামান বাতৰি ওলাওঁতেই সংশ্লিষ্টসকল সজাগ হৈ উঠিছে অথচ আজি চাৰি বছৰে তথ্যপাতি সহকাৰে অসমৰ অনুপ্ৰবেশৰ সংকটটো জনাই অহা সত্বেও তেওঁলোকৰ পৰা উপযুক্ত মনোযোগ পোৱা নাই এই কথাটোহে দুশ্চিন্তাৰ বিষয়।

## বেনামী জৰুৰী অৱস্থা

ডিব্ৰুগড়ৰ কেইজনমান অধিবক্তাই ৰাজ্যৰ বিভিন্ন ঠাইত পুলিচ আৰু জিলা প্ৰশাসনে চলোৱা অত্যাচাৰৰ সন্দৰ্ভত আইনৰ ফালৰ পৰা ন্যায্যতাৰ প্ৰশ্ন তুলিছে—। লগতে প্ৰশ্ন কৰিছে যে দোকানীয়ে স্বেচ্ছাৰে দোকান বন্ধ ৰখা কাৰ্যই কেনে ধৰণৰ আইন-শৃঙ্খলাৰ সমস্যাৰ সৃষ্টি কৰে? (আইন শৃঙ্খলাৰ অজুহাত দেখুৱাই দোকান ভঙা, দোকানীক মাৰপিট কৰাৰ ধুম উঠিছে)।

অৱশ্যে আমি নিশ্চিত যে কৰ্তৃপক্ষৰ তৰফৰ পৰা এইবোৰ প্ৰশ্নৰ উত্তৰ পোৱা নহ'ব। অসমত সম্প্ৰতি বেনামী জৰুৰী অৱস্থাৰ সময়ত যিবোৰ



কামৰ ধুম উঠিছিল— এতিয়া অসমত ঠিক তেনে কাৰ্য-কলাপেই চলিছে। প্ৰশাসন তথা পুলিচে নিৰ্বিবাদে আসুৰিক কাৰ্যকলাপ চলাই আছে। লগতে প্ৰশাসনৰ আশীৰ্বাদপুষ্ট বেচৰকাৰী লোকেও নিৰ্বিবাদে মানুহৰ ওপৰত উৎপীড়ন চলাই আছে। গোলাঘাটৰ এনে এটা ঘটনাৰ খবৰ ১২ ছেপ্তেম্বৰৰ দিনা এই কাকততে প্ৰকাশ পাইছে। আইন শৃঙ্খলাৰ নামত এনে ব্যাপক উৎপীড়ন দেশৰ কোনো ঠাইতে চলাৰ নিদৰ্শন নাই। প্ৰশাসনৰ বিষয়া আৰু পুলিচ বিভাগে এনে অত্যাচাৰ চলাবলৈ কৰ্তৃত্ব লাভ কৰিলে কেনেকৈ, সেইটোৱেই প্ৰশ্ন। উচ্চ মহলৰ অনুমোদন নোহোৱাকৈ নিশ্চয় এইবোৰ অনাচাৰ চলাব নোৱাৰে। সম্ভৱতঃ সেই উদ্দেশ্য আগত ৰাখিয়েই মাজতে ৰাজ্য চৰকাৰে এখন অধ্যাদেশ জাৰি কৰিছিল। এই অধ্যাদেশৰ ব্যৱস্থা মতে চৰকাৰী চাকৰিয়ালৰ বিৰুদ্ধে আইনমতে কোনো ব্যৱস্থা ল'ব নোৱাৰা কৰি ৰখা হৈছে। ইয়াৰ পৰা এই ধাৰণাই হৈছে যে বিষয়া আৰু পুলিচে যাতে নিৰ্বিবাদে আইন-বিৰুদ্ধ কাৰ্যকলাপ চলাই থাকিব পাৰে আৰু তাৰ বিৰুদ্ধে আদালতত গোচৰ তৰি কোনেও যাতে তেনে বিষয়া বা পুলিচক অসুবিধাত পেলাব নোৱাৰে— তাৰেই ব্যৱস্থা কৰা হ'ল আৰু সেইখন 'লাইচেন্স' দিয়াৰ পিচত এতিয়া, অসম জুৰি এই ধৰণৰ কাৰ্যকলাপৰ ধুম উঠিছে।

এনে অনাচাৰৰ বিৰুদ্ধে দেশৰ আন ঠাইতো প্ৰতিবাদ উত্থাপিত হ'ব লাগিছিল। কিন্তু অসমৰ কথাই সাধাৰণতে সঁহাৰি নেপায় কাৰণেই এই বিষয়টোও আঁৰ হৈ আছে। সম্প্ৰতি অসমৰ অধিবক্তা সকলো ১৪ ছেপ্টেম্বৰৰ দিনা আদালত বৰ্জন কৰি এনোবোৰ বিষয়ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ যি কাৰ্যসূচী লৈছে, সেই কাৰ্যসূচীয়ে দেশৰ অৱশিষ্ট অংশৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিব বুলি আমি এতিয়াও আশা কৰিছো। সদৌ অসম অধিবক্তা সন্থাই ৰাজ্যত চলা অত্যাচাৰৰ প্ৰতিবাদ কৰাৰ বাবে আদালত বৰ্জন কৰিবলৈ ওলোৱাৰ উপৰিও বিশেষ কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰসঙ্গৰ ক্ষেত্ৰতো প্ৰতিবাদ সাব্যস্ত কৰিবলৈ লৈছে। মৌলিক অধিকাৰ খৰ্ব কৰা

ন্যায়পালিকাক কাৰ্যপালিকাৰ পৰা পৃথক কৰাৰ নীতিৰ বিপৰীতে গৈ ন্যায়িক আদালতৰ ক্ষমতা কৰ্তন কৰি কাৰ্যপালিকাৰ দণ্ডাধীশলৈ অধিক ক্ষমতা দান কৰা, চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে আইনমতে ব্যৱস্থা লোৱাত বাধা দিয়া— এইবোৰ ব্যৱস্থাৰ প্ৰতিবাদ সাব্যস্ত কৰাও ১৪ তাৰিখৰ আদালত বৰ্জন কাৰ্যসূচীৰ উদ্দেশ্য। জনমতৰ কৰ্তৃত্ব সাব্যস্ত কৰাৰ এই প্ৰচেষ্টাই যদি চৰকাৰৰ স্বেচ্ছাচাৰী আচৰণ ৰোধ কৰাত সহায় কৰে, তেন্তে সেয়ে গণতন্ত্ৰৰ স্বাৰ্থৰ বাবে ইতিবাচক কথা হ'ব।

## আইনৰ শাসন

পুলিচৰ অত্যাচাৰৰ প্ৰতিবাদত ৰাজ্যত চলা প্ৰতীক অনশনে চৰকাৰৰ মন ঘূৰাব পাৰিব নে নোৱাৰে— সেইটো সুকীয়া প্ৰশ্ন। কিন্তু এইটো ঠিক যে ৰাইজৰ প্ৰতিবাদ প্ৰতিফলিত হৈছে। গণতান্ত্ৰিক দেশত এনে গণতান্ত্ৰিক প্ৰখিখ্ৰয়াৰ যথেষ্ট মূল্য আছে। পিচে সম্প্ৰতি সামগ্ৰিকভাৱে দেশত গণতান্ত্ৰিক প্ৰমূল্যৰ অৱক্ষয় ঘটিলেও অসমত তাৰ যিদৰে অৱনতি ঘটিছে, তেনে নিদৰ্শন দেশৰ কতো পাববলৈ নাই। গণতন্ত্ৰৰ নামত চলা ভণ্ডামিহে অসমত প্ৰতিটো ক্ষেত্ৰতে প্ৰতিফলিত হৈছে।

শান্তিকামী সকলো লোকে আইন-শৃংখলা ৰক্ষা কৰা, দুষ্কৃতি দমন কৰাটো বিচাৰে। তাৰ বাবে চৰকাৰ তৎপৰ হ'বই লাগিব। কিন্তু চৰকাৰী অকৰ্মণ্যতাৰ পোটক ৰাইজৰ ওপৰত তুলি আইন শৃংখলা ৰক্ষা কৰাটো অসম্ভৱ কথা। জধেমধে অত্যাচাৰ চলাই শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰি— বৰং অস্থৈৰ্য, তিক্ততা আদিহে বাঢ়ে আৰু তাৰ ফলত সমস্যাই পোৱালি মেলে। উগ্ৰপন্থী শিখ নেতাই কৰা আপত্তিজনক মন্তব্যৰ সন্দৰ্ভত লোক সভাত চলা বিতৰ্ক প্ৰসঙ্গত অধ্যক্ষ শ্ৰীবলৰাম জাখাৰে কৈছে যে দেশত



আইনৰ শাসন বাহাল থাকিব লাগে আৰু নাগৰিক জীৱন আৰু সম্পত্তি সুৰক্ষিত হ'ব লাগে। এই উক্তি নিশ্চয় অসমৰ ক্ষেত্ৰতো প্ৰযোজ্য। কিন্তু কাৰ্যতঃ অসমত হৈছে কি? অসমত আইনৰ শাসন চলিছে নেকি? আমি দেকিবলৈ পাইছো যে এহাতে মুখ্যমন্ত্ৰীয়ে ৰাইজৰ মাজত সোমাবলৈ নানান প্ৰবন্ধ কৰিছে আৰু আনহাতে মুখ্যমন্ত্ৰীৰ প্ৰশাসনে ৰাইজক তিক্ত, সন্ত্ৰস্ত আৰু বিক্ষুব্ধ কৰি আঁতৰাই নিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাইছে। মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক চম্ভালিব পৰা নাই নে প্ৰশাসনৰ মাজতে থকা কোনো চক্ৰই আন কিবা ৰাজনৈতিক অংক কৰি এনে অৱস্থাৰ সৃষ্টি কৰাইছে নতুবা ৰাজ্যৰ প্ৰশাসনত ৰাজ্যান্তৰ তথা কেন্দ্ৰৰ কোনো মহলৰ প্ৰভাৱ বেছি পৰা কাৰণেই এনে হৈছে নেকি— এইবোৰ কথাৰ ভেদ ভঙাটো টান। কিন্তু এইটো ঠিক যে অসমত আইনৰ শাসন চলা নাই। আইন শৃংখলাৰ নামত মানুহক হালে হালে সাঙুৰি নি গুলীয়াই মাৰিলেও পুলিচে বিচৰা মানুহক নেপাই বাপেক-মাকৰ হাত-ভৰি ভাঙিলেও, মানুহৰ ঘৰ-বাৰী ভাঙি সাং কৰিলেও, যাকে যতে পাই গ্ৰেপ্তাৰ কৰিলেও, মহিলাৰ প্ৰতি অতি আপত্তিকৰ আচৰণ দেখুৱালেও, আটক কৰা মানুহক নাৰকীয় অত্যাচাৰ চলাই বীভৎস কাণ্ড কৰিলেও কোনো চাওঁতা নাই। অসম জুৰি এইবোৰ কাণ্ড ঘটি আছে। গণতান্ত্ৰিক পন্থাৰে এইবোৰ ঘটনাৰ প্ৰতিবাদ জনাইয়ো কোনো সুফল নোপোৱা কথাটোৱেও আইনৰ শাসন চলাৰ কোনো ইঙ্গিত নিদিয়ে। সেইদেখি আমি ভাবিবলৈ বাধ্য হৈছো যে হয়তো এনেবোৰ কাৰ্য চলোৱাৰ পথ সুগম কৰিবৰ বাবেই আইনৰ বিধি সলাই চৰকাৰী বিষয়া আৰু পুলিচক ইতিমধ্যে বিচাৰৰ উৰ্দ্ধত ৰখাৰ ব্যৱস্থা কৰা হ'ল, ন্যায়পালিকাৰ পৃথককৰণ ব্যৱস্থাক উলাই কৰি ন্যায়িক দণ্ডাধীশৰ ক্ষমতা কাৰ্যবাহী দণ্ডাধীশলৈ হস্তান্তৰিত কৰা হ'ল আৰু ন্যায়ালয়ৰ কৰ্তৃত্বও কৰ্তন কৰা হ'ল। কিন্তু এইবোৰ পন্থাৰ আয়ুস দীঘলীয়া হ'ব বুলি আশা কৰি থকা সকল মূৰকত নিৰাশ হ'বই লাগিব। ইতিমধ্যে প্ৰশাসনত এনে অৰাজকতাৰ পৰিণতিৰ প্ৰতিফল ঘটিয়াইছে। প্ৰশাসনৰ মাজত যি বান্ধ থকা উচিত— সেই বান্ধ নাই।

দুর্নীতিয়ে কেওপিনে পোখাইছে; বাহিৰৰ প্ৰভাৱে অবাধে শ্ৰুতলিপি দিব পাৰিছে— ফলত উচ্চ পদৰ বিষয়াও অথৰ্ব হৈ পৰিছে। এনে পৰিস্থিতিও হৈছেগৈ— যত নিয়োগ, বদলি দোষী কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা ইত্যাদি সকলো ক্ষেত্ৰত প্ৰশাসনীয় ধাৰা অচল হৈ পৰিছে; এইবোৰ নিশ্চয় প্ৰশাসনীয় শক্তিৰ পৰিচায়ক নহয়— তেহেলৈ পুলিচ, চি আৰ পিয়ে যিমানেই প্ৰতাপ নেদেখুৱাওক।

## ন্যস্তস্বাৰ্থৰ অসম-বিৰোধী চক্ৰান্ত

অসমত বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ হোহকা-পিচলা নীতিয়ে সমস্যাটোক অধিক জটিল কৰি তুলিছে। আনহাতে, এই সুযোগতে দেশী-বিদেশী ন্যস্ত স্বাৰ্থই উত্তৰ-পূৱ সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলটোৰ ৰাইজক বিমোৰত পেলোৱাৰ চেষ্টা চলাই থকা দেখা গৈছে। শান্তিপূৰ্ণ অহিংস গণ আন্দোলনত যোগ দিয়া অসমবাসীৰ স্বাৰ্থ বিপন্ন কৰি, একশ্ৰেণীৰ লোকে ধৰ্মীয় আৰু ভাষিক দৃষ্টিৰে অঞ্চলটোৰ ৰাইজৰ মাজতেই বিভেদ ভাবৰ সৃষ্টি কৰিছে। আচৰিত কথা যে সংহতি সমন্বয়ৰ বাবে গঢ়ি তোলা অনুষ্ঠানকো এনে চক্ৰান্তৰ লগত পৰোক্ষভাৱে জড়িত কৰাৰ প্ৰয়াসো দেখা গৈছে। সেয়ে যোৱা ২৩ মে' তাৰিখে হোজাইত 'ছিটিজেনছ্ ৰাইট্‌ছ প্ৰিজাৰ্ভেচন কমিটি'ৰ অভিৱৰ্তনৰ লগতে ৰাষ্ট্ৰীয় সংস্কৃতি বিষয়ক অসম শাখাৰ সংগঠনৰ এখন আলোচনা চক্ৰও পতাত আমি আচৰিত হৈছো। উক্ত 'নাগৰিকৰ অধিকাৰ সংৰক্ষণ সমিতি' শীৰ্ষক অনুষ্ঠানলৈ আন্দোলনবিৰোধী ভাষিক তথা ধৰ্মীয় সংগঠন দুটিৰহে প্ৰতিনিধিক মতাটোও তাৎপৰ্যপূৰ্ণ। আনহাতে উক্ত অভিৱৰ্তনত ১৯৭৯ চনৰ ভোটাৰ তালিকাহে গ্ৰহণ কৰিবলৈ নিৰ্বাচনী আয়ুক্তক দাবী জনোৱা প্ৰস্তাৱ লোৱা কথাও মন কৰিবলগীয়া।



যিখন অ-সংশোধিত ভোটাৰ তালিকাৰ ভেটিত অভাৱনীয় ৰক্তপাতৰ মাজেৰে যোৱা বছৰৰ আগভাগত বলেৰে নিৰ্বাচনৰ প্ৰহসন পতা হ'ল আৰু অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ স্বাৰ্থ ক্ষুণ্ণ কৰা হ'ল,—তাকেই গ্ৰহণ কৰি অসমৰ ৰাইজক একশ্ৰেণীৰ ভাষিক বা ধৰ্মীয় সম্প্ৰসাৰণবাদীয়ে পাকে-প্ৰকাৰে চিৰকাললৈ দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে ৰখাৰ চক্ৰান্ত চলোৱা কথা স্পষ্ট হৈ পৰিছে। অথচ ১৯৭৯ চনৰ এই অসংশোধিত ভোটাৰ তালিকাত সন্দেহজনক লাখ লাখ বিদেশীৰ নাম থকাটো সম্ভৱ। তদুপৰি বহু সংখ্যক প্ৰকৃত ভোটাৰৰ স্বত্ব থকা নাগৰিকৰ নাম উক্ত তালিকাত নাই। এনে প্ৰকৃত নাগৰিকৰ সংখ্যা পাঁচ লাখৰো অধিক বুলি সহজে ঠাৱৰ কৰিব পাৰি।

এনে চক্ৰান্তৰ গুৰি ধৰোতাসকলক নাগৰিকৰ অধিকাৰ ৰক্ষাকাৰী নুবুলি বিদেশী নাগৰিকক সামৰি লোৱা সন্থাৰহে নায়ক বুলি যুক্তি সহকাৰে ক'ব পাৰি। এই সকলে অসমত স্থায়ী শান্তি-সম্প্ৰীতি নিবিচাৰে, এটা অস্থিৰ ভয়-সন্ত্ৰাসৰ পৰিৱেশ জীয়াই ৰাখি ক্ষমতাৰ বাঘজৰী হাতত ৰখাটোহে তেওঁলোকৰ কাম্য। তাৰফলত খাটি খোৱা সৰ্বসাধাৰণ ৰাইজৰ অশেষ দুখ-কষ্টৰ উপৰি ৰাজ্য তথা দেশতেই এটা অবিশ্বাস আৰু গোষ্ঠী চিন্তাৰে বিভেদ ভাব বিয়পি পৰালে সেইসকল স্বাৰ্থপৰ ব্যক্তি বা গোষ্ঠীয়ে কোনো চিন্তা নকৰাটো দেশৰ বাবেই দুৰ্ভাগ্যৰ কথা। যেতিয়াই ৰাজ্যখনত এটা শান্তিৰ পৰিৱেশ আৰু সমস্যা সমাধানৰ প্ৰচেষ্টা চলা যেন ভাব হয়— তেতিয়াই এই ধৰণৰ ন্যস্ত স্বাৰ্থৰ চক্ৰই বিপৰীতমুখী প্ৰচাৰ-অপপ্ৰচাৰৰ আৰম্ভ কৰে।

উল্লেখযোগ্য যে, এই ধৰণৰ অসম বিৰোধী তথা দেশৰ স্বাৰ্থ বিৰোধী কামৰ বাবে টকা-পইচা আৰু উচ্চ মহলৰ আমোলা-বিষয়া বা নেতা বিশেষৰ উচটনিৰ অভাৱ নহয় বুলি সভাত অভিযোগ শুনা যায়। সন্দেহজনক ভাৱে বহুতো টকা-পইচা ৰাজ্যৰ বাহিৰৰ পৰা অহাৰ বাতৰিও ওলাই আছে। ধৰ্মীয় দৃষ্টিৰ ৰাজনৈতিক নেতা কিছুমানৰ দ্বাৰাও কেন্দ্ৰৰ সৰ্বোচ্চ মহলত এনেকুৱা

হেঁচাও দিয়া হৈছে—যাৰ দ্বাৰা অসমত ইতিমধ্যে ভোটাৰ তালিকাত সুমুৱাই লোৱা বিদেশীসকলৰ বাবে অসমৰ জনপ্ৰতিনিধি নিৰ্বাচনত ভোট দিয়াৰ স্বত্ব স্থায়ী কৰিব খোজা হৈছে। আনহাতে ইতিমধ্যে ভোটাৰ হোৱাৰ বয়স পোৱা লাখ লাখ প্ৰকৃত নাগৰিক ভোটদানৰ পৰা বঞ্চিত কৰিবলৈও পৰোক্ষভাৱে দাবী জনোৱা হৈছে। এনে অসৎ প্ৰচেষ্টাত অসমক প্ৰতিনিধিত্ব কৰা কিছু সংখ্যক নেতৃস্থানীয় লোকেও সম্পূৰ্ণ ভাষিক বা সাম্প্ৰদায়িক বিবেচনাৰে উক্ত ধৰণৰ অসাংবিধানিক, বে-আইনী অন্যায় আবদাৰত যোগ দিয়াটো মন কৰিবলগীয়া এই ধৰণৰ ৰাষ্ট্ৰৰ স্বাৰ্থবিৰোধী প্ৰচেষ্টাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় দলবোৰৰ পৰা সৰৱ প্ৰতিবাদ হোৱা উচিত। নহ'লে, ইয়াৰ পৰা অসংহতি আৰু বিদ্বেষভাৱ বাঢ়ি যাব পাৰে। ভাৰতৰ বিভিন্ন স্থানত ঘটা ভুল বুজাবুজি বা সংঘাত আদিৰ অভিজ্ঞতাৰেও উক্ত ধৰণৰ বিভেদকামী প্ৰচেষ্টা কলিতে মোহাৰি পেলোৱা উচিত হ'ব। আমি দেশৰ জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে সচেতন প্ৰকৃত ভাৰতীয় নাগৰিকক স্বাৰ্থ চিন্তাত মগ্ন ক্ষমতালোভী সকলৰ অশুভ প্ৰচেষ্টাত বাধা দিবলৈ আবেদন জনাও।

পৃথিৱীৰ কোনো দেশতে বিদেশী নাগৰিকক ভোটদান কৰিবলৈ আৰু প্ৰকৃত নাগৰিকৰ ভোট দানৰ দাবীলৈ আওকাণ কৰিবলৈ দিয়াৰ উদাহৰণ নাই। ভাৰতৰ স্পৰ্শকাতৰ সীমান্ত অঞ্চলৰ অঙ্গৰাজ্য অসমত উক্ত ধৰণৰ কাম চলি থাকিবলৈ দিয়াৰ যি ভয়াবহ পৰিণতিৰ সম্ভাৱনা আছে— তাক ৰোধ কৰিবলৈ সময় থাকোতে ব্যৱস্থা লোৱাটো চৰকাৰৰ কৰ্তব্য। জোৰ পুৰি হাত পাও পাও হ'ল। এতিয়াও কেন্দ্ৰীয় চৰকাৰে দ্বিধাগ্ৰস্ত হৈ দেশৰ অৰক্ষয়ৰ নিৰব দৰ্শক হৈ থাকিবনে?

## *নিৰ্বিচাৰ অত্যাচাৰ*

অসমত এতিয়া পুলিচ ৰাজ চলিছে— এইটো শ্ৰীঅটল বিহাৰী বাজপেয়ীৰ মন্তব্য। যদিও তেওঁ ভাৰতৰ এজন পৰৰাষ্ট্ৰ মন্ত্ৰী আছিল আৰু



যদিও তেওঁ এগৰাকী অভিজ্ঞ ৰাজনৈতিক কৰ্মী, তথাপি বি জে পিৰ সভাপতি ৰূপে তেওঁ চৰকাৰৰ বিৰুদ্ধবাদী নেতা বুলি বাৰু তেওঁৰ গুৱাহাটীৰ সাংবাদিক মেলত কৰা উক্ত মন্তব্য ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি আমি ধৰিলো (যদিও শ্ৰীবাজপেয়ীৰ মন্তব্য নিতান্তই তেনে বুলি আমি নাভাবো) কিন্তু প্ৰকৃততে অসমখনত চৰকাৰী কৰ্তৃপক্ষই আজি পুলিচৰ হতুৱাই যিবিলাক কাণ্ড কৰাই আছে তাক নিৰপেক্ষভাৱে আৰু গভীৰভাৱে এবাৰ বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। দীঘলীয়া অসম আন্দোলনৰ সময়ত, বিশেষকৈ ১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত, এই ৰাজ্যৰ পুলিচী বন্দৰস্তক নিজ চকুৰে ওচৰৰ পৰা নিৰীক্ষণ কৰি ভালেমান বাহিৰৰ সাংবাদিকে সমালোচনা কৰিছিল ঃ অৰ্থাৎ যি ৰূপৰ অশান্তিৰ আশংকা কৰ্তৃপক্ষই কৰিছিল সেই অনুপাতে পুলিচৰ দ্বাৰা প্ৰতিকাৰৰ ব্যৱস্থা নকৰি কেৱল নিৰ্বাচনৰ কামতে বাহিনী সমূহক প্ৰয়োগ কৰা হৈছিল? কিন্তু বিভিন্ন সময়ত বিভিন্ন ঠাইত পুলিচে অকথ্য অত্যাচাৰ কৰি আহিছে, কেতিয়াবা নাজী জাৰ্মানীৰ বৰ্বৰতাকো অতিক্ৰম কৰি গৈছে এই কথা অসমৰ বাহিৰৰ ৰাইজক কোনেও জানিবলৈ দিয়া নাই। পংকাৰ পুলিচী হত্যাকাণ্ড আৰু উত্তৰ কামৰূপৰ গাওঁবিলাকত সেই কালনিশা পুলিচ-মিলিটেৰীৰ বৰ্বৰতাৰ কাহিনী সম্বন্ধে দেশবাসীয়ে আজিও জানিব নোৱাৰিলে।

আগৰ কথা এৰি যদি আজি যোৱা কেইদিনমানৰ উৎপীড়নৰ কথাই মনলৈ আনো তেনেহ'লেও গভীৰভাৱে আহত নোহোৱাকৈ থাকিব নোৱাৰো। অসমৰ বিদেশী সমস্যা অচলাৱস্থাত পৰি আছে— যিটো সকলোৰে পক্ষে দুৰ্ভাগ্যজনক আন্দোলনকাৰী পক্ষসমূহে এনে পৰিস্থিতিত নতুন কাৰ্যসূচী গ্ৰহণ কৰা একো বিচিত্ৰ কথা নহয়। কিন্তু ১৫ জুনৰ অসম বন্ধৰ আগে আগে আৰু তাৰ পিচৰ দিন কেইটাত— অহা ২৫ জুনৰ পথবন্ধ কাৰ্যসূচীৰ আগে আগে— গোটেই অসম জুৰি পুলিচ ৰাজৰ যি নিৰ্মম অত্যাচাৰ চলিব লাগিছে তালৈ চাই আমি সন্দেহ কৰিব লগা হৈছে যে এই ধৰণৰ ব্যৱস্থাৰে কৰ্তৃপক্ষই পূৰ্বাপৰ পদ্ধতিৰে কেৱল ভীতি প্ৰদৰ্শনেই কৰিব খুজিছে

নে তাতোকৈ গভীৰতৰ কিবা ষড়যন্ত্ৰ ইয়াৰ অন্তৰালত নিহিত আছে? আমি মনত ৰখা উচিত যে আন্দোলন প্ৰশমিত কৰিবলৈ গৃহীত কেবাটাও বিষয়ত কৰ্তৃপক্ষৰ লাজ ৰক্ষিত নোহোৱাৰ উপক্ৰম হৈছে। বিদেশী চিনাক্তকৰণৰ ন্যায়াধিকৰণ বিলাকৰ কাম বাংলাদেশৰ সামান্য বাধাতেই বন্ধ হৈ থাকিল। ১৯৭৯ ৰ ঠাইত ১৯৭১ চনৰ ভোটাৰ তালিকা সংশোধনৰ বাবে এটা সৰ্বসন্মত সিদ্ধান্ত হৈছে আৰু নিৰ্বাচন আয়োগেও অসম চৰকাৰৰ মন্তব্য বিচাৰিছে, কিন্তু স্বয়ং দিছপুৰেই এই বিষয়ত আশ্চৰ্যজনক নীৰৱতা অৱলম্বন কৰিছে। এইবিলাক কথাৰ পটভূমিত অত্যাচাৰ-উৎপীড়ন চলাই পুলিচৰ হতুৱাই দোকানৰ পাট ভাঙি দোকানদাৰক মৰিয়াই দলৰ লোকক দোকান খোলাত লগাই যি সন্ত্ৰাসৰ সৃষ্টি কৰা হৈছে তাৰ দ্বাৰা যেন এটা বিপজ্জনক পৰিবেশ সৃষ্টি কৰিবহে খোজা হৈছে যাৰ সহায়ত হয়তো ১৯৮৩ চনৰ নিৰ্বাচনৰ দৰে আন কিবা এটা সিদ্ধান্ত বলেৰে জাপি দিয়া হ'ব। কামৰূপৰ প্ৰসিদ্ধ চান্দকুছি গাৱঁত বিদ্যুৎ কৰ্মী শ্ৰীঅশ্বিনীমল্ল বুজৰবৰুৱাক আৰক্ষী বিষয়াৰ নেতৃত্বত উলঙ্গ কৰি মাৰধৰ কৰি, মাত্ৰ লুঙিখনেৰে তেওঁক মেৰিয়াই নলবাৰী থানালৈ নিয়াৰ নিচিনা বৰ্বৰ ঘটনা সিদিনা ঘটিছে। তাৰ আগতে গড়গাওঁ কলেজৰ অধ্যাপক শ্ৰীউমেশ বৰগোহাঁইক ঘৰ ঘেৰি ধৰি পুলিচে গ্ৰেপ্তাৰ কৰি নি থানাত এনে বেয়াকৈ মাৰে যে জেলতে তেওঁক চিকিৎসা কৰিব লগা হয়। ভেটেৰিনেৰী কলেজত দিনটোতে দুবাৰ আৰু গুৱাহাটী বিশ্ববদ্যালয়ৰ পাঁচটামান ছাত্ৰাৱাসত শেষ নিশা অতৰ্কিতে পুলিচৰ দলে সোমাই গৈ অকথ্য অত্যাচাৰ কৰে। আমি জানো অসমৰ পুলিচে এনে দুষ্কৰ্মত নিজকে অভ্যস্ত কৰি লৈছে—কাৰণ তেওঁলোকৰ বিৰুদ্ধে বিচাৰ নাই। কিন্তু কিয় এনে নিৰ্বিচাৰ অত্যাচাৰ চলাই যোৱা হৈছে এই কথা চিন্তা কৰি চাবলগীয়া। কিবা বিশেষ উদ্দেশ্য নেথাকিলে এনে সুপৰিকল্পিত যেন লগা উৎপীড়ন চলিব নোৱাৰে। সকলোৱে জানে— পুলিচেও নজনাৰ কাৰণ নাই যে এইবিলাক আইনৰ বিচাৰ নহয়, নিৰ্বিচাৰ অত্যাচাৰৰ ক্ষমতা আইনে কাকো দিয়া নাই। নিশ্চয় ইয়াৰ অন্তৰালত কিবা মতলব আছে।



তদুপৰি আন এটা চিন্তনীয় বিষয় এয়ে যে এনে উৎপীড়ন অবাধে হৈ থাকিবলৈ দিলে ভৱিষ্যতে ইয়াৰ পৰিণাম ভয়ংকৰ হৈ পৰিব—যেতিয়া প্ৰতিকাৰৰ উপায়, একো হয়তো নেথাকিব।

## *সমস্যা গুৰুতৰ নহয়!*

এখন স্থানীয় কাকতত ওলোৱা বাতৰি মতে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই নতুন দিল্লীত অসমৰ অনুপ্ৰৱেশৰ সমস্যা গুৰুতৰ ধৰণৰ নহয় আৰু ইয়াক অতিৰঞ্জিত কৰা বুলি উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ এই সমস্যাক ৰাষ্ট্ৰিয় সমস্যা বুলি স্বীকাৰ কৰাৰ পিচত আৰু বৰ্তমানৰ সংকটজনক পৰিৱেশৰ মাজত মুখ্যমন্ত্ৰীৰ এই উক্তিয়ে বাংলাদেশক আৰু লগতে অসমত থকা অবৈধ বাংলাদেশী নাগৰিকৰ প্ৰতি অকুণ্ঠ সমৰ্থন জনোৱা অসমৰ বাহিৰে থকা শক্তিশালী 'লবী'ক উৎফুল্ল কৰি তুলিব পাৰে— কিন্তু অসম তথা দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে ই চৰম ক্ষতিকৰ উক্তি। অসম তথা ভাৰতত বাংলাদেশী অনুপ্ৰৱেশকাৰী নাই বুলি বাংলাদেশ চৰকাৰে কৰা দাবীৰ লগত ইয়াৰ পাৰ্থক্য থাকিল ক'ত? ইতিমধ্যে অসমৰ পূৰ্বৰ ইন্দিৰা কংগ্ৰেছী মন্ত্ৰীসভাৰ আমোলত আৰু ৰাষ্ট্ৰপতিৰ শাসন চলা কালত হৰ্তা-কৰ্তাসকলে কিবা বিবেচনা বিবৰ্জিত অসংযত মন্তব্যই বাংলাদেশক কি সুযোগ উলিয়াই দিলে— তাৰ পৰিচয় আমি পালো। অনুপ্ৰৱেশ, সীমান্ত ৰক্ষা ব্যৱস্থা, নতুন অনুপ্ৰৱেশ বন্ধ হোৱা— ইত্যাদি বিষয়ত এইসকল লোকে কৰা মন্তব্যৰ প্ৰেৰণা লৈয়েই বাংলাদেশ চৰকাৰে নিজৰ দাবীৰ ভেটি ৰচনা কৰিলে। এতিয়া মুখ্যমন্ত্ৰীয়েও নতুন উপাদান যোগাবলৈ লোৱা দেখি আমি অবাক হৈছো।

অসমলৈ অনুপ্ৰৱেশ হোৱা সমস্যাটো লৈ নতুনকৈ বিতৰ্কৰ অৱতাৰণা কৰাৰ প্ৰশ্নই এতিয়া নুঠে আনকি অসমৰ সমস্যা লৈ উপলুঙা কৰা আমাৰ

চুবুৰীয়া কেইখনমান ৰাজ্যতো এতিয়া একেটা সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে আৰু সেইবোৰ ৰাজ্যৰ কাকত-পত্ৰ আৰু চৰকাৰো তাকে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। তেনেস্থলত এতিয়া মুখ্যমন্ত্ৰীয়ে অসমৰ সমস্যাক পাতলাই দেখুৱাবলৈ যোৱাটো গুৰুতৰ কথা। অনুপ্ৰৱেশৰ সমস্যাৰ কথা পূৰ্বৰ একাধিক পিয়লৰ প্ৰতিবেদনতে স্পষ্টভাৱে স্বীকাৰ কৰা হৈছিল। অসমত অস্বাভাৱিক গতিত জনসংখ্যা বঢ়াৰ হাৰ সম্পৰ্কেও এইবোৰ প্ৰতিবেদনত ব্যাখ্যা সন্নিৱিষ্ট কৰি স্পষ্ট ইঙ্গিত দিছিল। অসমত বিপুল সংখ্যক বিদেশী নাগৰিক থকা আৰু তাৰে বহুতো লোকৰ নাম ভোটাৰ তালিকাৰ ভিতৰৰো সোমোৱাৰ কথা ভাৰতৰ প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীছাকধেৰেই স্বীকাৰ কৰি থৈছে— অসমৰ আন্দোলনৰ নেতৃবৰ্গই আগবঢ়োৱা তথা মুখ্যমন্ত্ৰীয়ে নেমানিলেও শ্ৰীছাকধেৰৰ মন্তব্য খাৰিজ কৰি দিব নোৱাৰে। অসমত বিদেশী নাগৰিক সক্ৰান্ত আন্দোলনৰ সূচনাৰ আগে আগে এটা সমষ্টিতে বহুতো বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সোমোৱাৰ হিচাপ দাখিল কৰা হৈছিল আৰু আদালততো সেয়ে সাব্যস্ত হৈছিল। আদালতত সেই বিচাৰ চলোৱাটো চৰকাৰে মাজতে বন্ধ কৰি নিদিয়া হ'লে আৰু গুৰুতৰ ৰূপত সেয়ে আত্মপ্ৰকাশ কৰিলেহেঁতেন।

এনে অৱস্থাত এটিয়া লুটিবাগৰ মৰাৰ প্ৰচেষ্টাই এই ইঙ্গিতকে দিছে যে বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ আন্তৰিকতা নাই। অৱশ্যে আন্তৰিকতাৰ অভাৱৰ পৰিচয় ইয়াৰ আগতো পোৱা গৈছিল। বিদেশী নাগৰিকক চিনাক্ত কৰাৰ বাবে যি গাথনিৰে আইন ৰচনা কৰা হ'ল—তাৰ মাজতো আন্তৰিকতাৰ অভাৱৰ পৰিচয়হে পোৱা গ'ল। এতিয়া ন্যায়াধিকৰণবোৰ ভেকোভাওনাত পৰিণত হ'ল। সেইদৰে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া ব্যৱস্থাও ফুটুকাৰ ফেনত পৰিণত হ'ল। এতিয়া নিৰ্বাচনী আয়োগক অগ্ৰাহ্য কৰি ১৯৭৯ চনৰ বিকৃত ভোটাৰ তালিকা লৈ নিৰ্বাচন পাতিবলৈ জেদ ধৰি আকৌ সেই একে মনোবৃত্তিৰে পৰিচয় দিয়া হৈছে।



# দেশত কি হৈছে?

বিভিন্ন কাৰণত বিভিন্ন ৰূপত দেশৰ ভিন ভিন ঠাইত যে অস্থৈৰ্যই দেখা দিছে— সেই বিষয়ে সন্দেহ নাই। দেশখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে এনে অস্থৈৰ্যৰ উপশম ঘটাবৰ বাবে যোগাত্মক প্ৰচেষ্টা হাতত লোৱাটো প্ৰয়োজনীয়। অস্থৈৰ্যৰ সুযোগ লৈ এচাম লোকে যে কেতবোৰ উদ্বেগজনক কাৰ্য সম্পাদন কৰাৰ বাবে সুযোগ উলিয়াই লৈছে, সেইটোও ঠিক। কিন্তু মূৰ কামুৰিলে মূৰ কাটি পেলোৱাৰ নিদান কোনেও নিদিয়ে। সুযোগ সন্ধানী দুষ্কৃতিকাৰীক এফলীয়া কৰি ৰখাৰ ফলদায়ক পন্থাহে এই ক্ষেত্ৰত প্ৰয়োজন। তাৰ বাবেই মানুহৰ অস্থৈৰ্যৰ মূল বিচাৰি তাৰ নিৰাকৰণৰ হকে ক্ষিপ্ৰতাৰে ব্যৱস্থা হাতত লোৱাটো দূৰদৰ্শীৰ কাম হ'ব।

কিন্তু সম্প্ৰতি দেশত কি হৈছে? মৌলিক সমস্যাবোৰ সমস্যা হৈয়েই আছে। বিভিন্ন ন্যস্তস্বাৰ্থৰ হেঁচাত পৰি এইবোৰ সমস্যা সমাধান কৰাৰ পৰা শাসকবৰ্গ মূৰপুলুকা মাৰিছে। অকল সেয়ে নহয়, দমন নীতিৰ মুকলি প্ৰয়োগৰ দ্বাৰা এনে অস্থৈৰ্য মষিমূৰ কৰাৰ চেষ্টাত আত্মনিয়োগ কৰাৰ লগতে দেশত বিভিন্ন জনগোষ্ঠীৰ মাজত বিভাজন অনাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলোৱা হৈছে। যিসকলে দিনে-নিশাই সংহতি ধৰ্মনিৰপেক্ষতাৰ বাণী বিলাই ফুৰে তেওঁলোকেই ইটো লোক সমষ্টিৰ লগত সিটো লোক সমষ্টিৰ বিভাজনৰ সৃষ্টি কৰিবৰ বাবে সমগ্ৰ প্ৰশাসন যন্ত্ৰক নিয়োগ কৰিছে। তাৰ পৰিণতি ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত প্ৰতিফলিত হৈছে আৰু ইয়াৰ জৰিয়তে হয়তো সাময়িকভাৱে শাসক বৰ্গই ৰাজনৈতিক মুনাফা লাভ কৰিছে— কিন্তু তাকে কৰি দেশখনক দুৰ্যোগৰ মাজলৈ ঠেলি দিয়া হৈছে। সেইদৰে ধৰ্মনিৰপেক্ষতাৰ ভণ্ডামিৰ আঁৰত গোকাট সাম্প্ৰদায়িক খেলৰ অৱতাৰণা কৰি গুৰুতৰ সংকটৰ সৃষ্টি কৰা হৈছে। পিচে এইদৰে অবাটে গ'লেই শাসকবৰ্গৰ ওপৰত হেঁচা বঢ়াটো স্বাভাৱিক। তেনে পৰিস্থিতিত উপায়ন্তৰ হৈ শাসক বৰ্গ এতিয়া

অসহিষ্ণুতাৰ চৰম বিন্দুত উপনীত হৈছে— সেই অসহিষ্ণুতা প্ৰতিফলিত হৈছে। ফলত অগণতান্ত্ৰিক কাৰ্যকলাপৰ মাত্ৰা বাঢ়িছে জৰুৰী আইন প্ৰয়োগ বাঢ়িছে; পুলিচ, চি আৰ পিৰ অপপ্ৰয়োগৰ মাত্ৰা চৰিছে, ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অপপ্ৰয়োগ হৈছে (অলপতে লোকসভাৰ নিৰ্বাচন প্ৰাৰ্থীৰূপে থিয় দিব খোজা ৰাষ্ট্ৰীয় সঞ্জয় মঞ্চৰ সদস্য এজনকো ৰাষ্ট্ৰীয় নিৰাপত্তা আইন মতে গ্ৰেপ্তাৰ কৰা হৈছে)।

পিচে ইমানখিনি কৰিও শাসকবৰ্গ নিজৰ স্থিতি সম্পৰ্কে নিশ্চিত হ'ব পৰা নাই। সেই দেখি মিছা প্ৰচাৰ, অপপ্ৰচাৰৰ জোৰাৰ তোলা হৈছে। চৰকাৰী প্ৰচাৰ মাধ্যমৰ বিশ্বাসযোগ্যতা সম্পূৰ্ণ নিঃশেষ কৰি সম্প্ৰতি যি কাণ্ড কৰা হৈছে— তাৰ তুলনা একমাত্ৰ তাহানিৰ ডঃ গোৱেব লছৰ কৰ্মধাৰাৰ লগতহে হ'ব পাৰে। এনেবোৰ কাৰ্যকলাপেই এটা নিৰাশজনক বাতাবৰণৰ সৃষ্টি কৰিছে। এনে পৰিৱেশৰ মাজত যেতিয়া কৰ্ণধাৰ সকলৰ নিৰাশজনক উক্তি শুনা যায় তেতিয়া আমাৰ নিৰাশাৰ মাচুল চক্ৰবৃদ্ধি সুদৰ হাৰত বাঢ়ে। মাজতে প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীৰ এযাৰ মন্তব্যই তেনে প্ৰতিক্ৰিয়াৰে সৃষ্টি কৰিলে। স্বৰ্গীয়া ইন্দিৰা গান্ধীৰ শোকাবহ হত্যাকাণ্ডৰ পিচত দেশৰ বিভিন্ন ঠাইত যিবোৰ ভয়ংকৰ কাণ্ড ঘটিল, সেই বিষয়ে সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে মাত্ৰ ক'লে— 'ডাঙৰ গছ কাটিলে মাটিৰ কঁপনি উঠিবই'। এই মন্তব্যৰ তাৎপৰ্য কি, তাৰ বিচাৰ ল'বলৈ গ'লে জনমানসৰ মাজত স্থিতি লোৱা নিৰাশা আৰু ডাঠ হৈ পৰিব।

## কটা ঘাত চেঙা তেল?

নিৰ্বাচনী অভিযানত অকল দলীয় বা ব্যক্তিগত স্বাৰ্থৰ দৃষ্টিৰে নানান আশ্বাস-প্ৰতিশ্ৰুতি বিতৰণ কৰাৰ উপৰি বিৰোধী সকলৰ বিপৰীতে বিষোদগাৰ কৰাটো অস্বাভাৱিক নহয়। মহাত্মা গান্ধীয়ে যদিও লক্ষ্যৰ লগতে



লক্ষ্য সাধনৰ আহিলাৰ মাজতো সততাৰ আহ্বান জনাইছিল, পৰৱৰ্তী কালত কিন্তু তেওঁৰ নাম ভঙাই খোৱা দল বা ব্যক্তি সকলেও অকল লক্ষ্য লাভৰ দৃষ্টিৰে যিকোনো সত-অসৎ পন্থা লোৱাটোকেই ৰাজনৈতিক বিচক্ষণতা বুলিহে গ্ৰহণ কৰা দেখা গৈছে। আগন্তুক নিৰ্বাচনৰ বাবে বিভিন্ন দলে চলোৱা প্ৰচাৰ অভিযানৰ বিশ্লেষণ কৰিলে, ক্ষেত্ৰ বিশেষে ব্যক্তি আৰু দলীয় নেতৃত্বৰ অভাৱনীয় কথা-বতৰা, আচৰণে সাধাৰণ ৰাইজক বিবুধিত পেলায়। আনহাতে অসমৰ দৰে ৰাজ্যক অনাহকতে আজুৰিও দুই-একে বিপক্ষক দোষাৰোপ কৰিবলৈ লোৱাটো ৰাষ্ট্ৰীয় মৰ্যাদাবোধৰ দিশেৰেই অশুভ। যিহেতু আজি লোকসভাত প্ৰতিনিধিত্ব লাভৰ পৰা ৰাজ্যখন বঞ্চিত হৈছে, সেয়ে গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ আন অংশ তথা ব্যক্তি সমূহে সভানুভূতিৰ চকুৰেহে অসমৰ জনসাধাৰণৰ কথা চিন্তা কৰা উচিত। তাকে কৰা দূৰৈৰ কথা, শাসনাধিষ্ঠ দলৰ সভাপতি শ্ৰীৰাজীৱ গান্ধীয়ে বিৰোধী দল কিছুমানেহে উচটনি দি অসমত আন্দোলন চলাই ৰখা বুলি নিৰ্বাচনী সভাত ভাষণ দিয়াত স্বাভাৱিকতে ৰাজ্যখনৰ সচেতন নাগৰিকে দুখ পাইছে। বিৰোধী দলক সমালোচনা কৰিবলৈ গৈ আৰু হয়তো অসমৰ স্বাৰ্থ বিৰোধী চামৰ ভোটদাতাক আকৰ্ষিত কৰিবলৈ শ্ৰীগান্ধীয়ে অসম আন্দোলনৰ প্ৰকৃত কাৰণ এৰাই যোৱাটো অসমৰ ৰাইজৰ বাবে নিশ্চয় হতাশজনক। ভাৰতীয় সংবিধানৰ ভেটিত অহিংস আন্দোলন এটা চলোৱা হৈছে, বিদেশী অনুপ্ৰৱেশৰ দৰে এটা ভয়াবহ ৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে। অথচ এনে সদুদ্দেশ্যৰ, অহিংস গণ আন্দোলন এটাৰ আৱশ্যকতাৰ কথা উপলব্ধি নকৰা মন্তব্যই ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰীৰ ভৱিষ্যত দৃষ্টিভংগী সম্পৰ্কে অৱহেলিত অসমৰ ৰাইজক সন্দিহান কৰি তুলিব। ইতিমধ্যে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে প্ৰধানমন্ত্ৰীৰ এনে মন্তব্যত অসন্তুষ্টি প্ৰকাশ কৰিছে। নিৰ্বাচনৰ পিচত নতুন প্ৰধানমন্ত্ৰী শ্ৰীগান্ধীয়ে অসম সমস্যাৰ সমাধান সম্পৰ্কে ব্যৱস্থা ল'ব বুলি ওলোৱা বাতৰিয়ে অসমবাসীক আশাৰ যি এধানি ৰেঙনি যোগাইছিল, এতিয়া দলীয় নিৰ্বাচনী অভিযানত তেওঁৰ মুখত অসম

আন্দোলনৰ প্ৰকৃত কাৰণৰ কথা নোলোৱাত সেয়া বিলীন হ'বৰ উপক্ৰম হৈছে। আচৰিত কথা যে দেশখনত বিভিন্ন ধৰণে ৰাষ্ট্ৰ কিছুমানে অশান্তি সৃষ্টি কৰি থকা বুলি শ্ৰীগান্ধীয়ে কোৱাৰ পৰতো সীমান্তৱৰ্তী বিশেষ ৰাজ্যৰ পৰা চলা বিদেশীৰ অবাধ প্ৰব্ৰজনৰ সমস্যাৰ কথা যেন তেওঁ পাহৰি পেলাইছে।

আগৰতলাত দিয়া ভাষণ এটিতো শ্ৰীৰাজীৱ গান্ধীয়ে অসমৰ নামো সাঙুৰি কৈছে যে সীমান্তৰ ৰাজ্য কেইখনমানত অস্থিৰ অৱস্থা সৃষ্টি কৰাবলৈ সীমান্তৱৰ্তী দেশবোৰে অস্ত্ৰৰ যোগান, গোপন ঘাটি আদিৰ ব্যৱস্থা কৰি আছে। তেনেহ'লে উত্তৰ পূৰ্বাঞ্চলৰ অসমৰ দৰে ৰাজ্যলৈ তেনে এখন সীমান্তৱৰ্তী বিদেশৰ পৰা আহি থকা সন্দেহজনক লোকসকলক বাধা দিবলৈ চলাই থকা অসমৰ গণ আন্দোলনৰ বিপৰীতে ক'বলৈ যুক্তি ওলায় ক'ত? মাত্ৰ ভোটৰ ভঁৰাল অক্ষুণ্ণ ৰাখিবলৈ ৰাজ্যখনৰ লগতে সমগ্ৰ দেশৰ ভৱিষ্যৎ বিপন্ন কৰিব পৰা এটা প্ৰক্ৰিয়াৰ প্ৰতি আওকাণ কৰাটোহে জাতীয় অপৰাধ হ'ব বুলি বুৰঞ্জীয়ে এদিন নহয় এদিন প্ৰমাণ কৰিবই।

আমি শাসনাধিষ্ঠ বা আন যিকোনো ক্ষমতাপ্ৰয়াসী ব্যক্তি বা দলক অনুৰোধ কৰো যাতে অসমৰ ৰাইজক "কটা ঘাঁত চেঙা তেল" দিয়া ধৰণৰ মন্তব্যৰে অধিক যন্ত্ৰণা নিদিয়ে। ইতিমধ্যে ৰাষ্ট্ৰী সমস্যা এটাৰ সমাধানৰ বাবে এইখন অৱহেলিত, নিষ্পেষিত ৰাজ্যৰ জনসাধাৰণে বহুত ত্যাগ স্বীকাৰ কৰিছে; বহুতো অমূল্য জীৱন দান কৰিছে; ধন-সম্পদ, মান-সম্ভ্ৰম হেৰুৱাইছে। এতিয়া যেন তাৰ পুনৰাবৃত্তি নহয় তাকহে আমি বিচাৰো। নিৰ্বাচনৰ জয়-পৰাজয়ৰ ওপৰত দেশৰ ভৱিষ্যৎ যিমান নিৰ্ভৰ কৰে, তাতোকৈ বেছি নিৰ্ভৰ কৰে দেশখনৰ প্ৰতিটো অংশৰে জনসাধাৰণৰ মনত ওপজাই তোলা বিশ্বাসৰ ওপৰতহে এটা বিশ্বাস গঢ়ি তুলিবলৈ, যিকোনো ৰাষ্ট্ৰীয় সমস্যাক তাক প্ৰকৃত পটভূমিত বিশ্লেষণ কৰিব লাগিব। দীৰ্ঘকালীন দৃষ্টিৰে, এখন ৰাজ্য তথা দেশৰ ৰাইজক দেশখনক আপোন বুলি ভবাৰ পৰিৱেশ গঢ়ি দিব পৰাতহে আদৰ্শ ৰাজনীতিজ্ঞৰ কৃতিত্ব নিৰ্ভৰ কৰে। ব্যক্তিস্বাৰ্থ



আৰু গোষ্ঠীস্বাৰ্থৰ নিষ্পেষণত মুমূৰ্ষু অসমৰ দৰে ৰাজ্যৰ জনসাধাৰণৰ মনৰ ক্ষত দেহৰ ক্ষততকৈ ইতিমধ্যে বহু বেছি গভীৰ হৈ পৰিছে। তাৰ নিৰাময়ৰ চিন্তা কৰোতাহে আমি আকুলভাৱে বিচাৰি ফুৰিছো। সেই দৃষ্টিৰে যিসকলে ৰাজ্যখনৰ ৰাইজৰ আশা-আকাংখাৰ কথা কাৰ্যকৰীভাৱে চিন্তা কৰিবলৈ আগবাঢ়ি আহে—তেওঁবিলকককহে অসমবাসীয়ে আদৰণি জনাব।

## আলোচনা আৰু অন্তৰায়

অসমৰ আন্দোলনৰ নেতৃবৰ্গৰ সৈতে কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিব বুলি বাতৰি ওলোৱাত যি আশাৰ সঞ্চাৰ হৈছিল, সেয়ে এতিয়া স্তিমিত হৈ পৰিছে— হঠাৎ আলোচনা স্থগিত ৰখাৰ কাৰণে। এই সম্পৰ্কত পোনতে জনা গৈছিল যে প্ৰতিনিধি দলৰ কাৰণে টিকট যোগাৰ নোহোৱাত আৰু কেন্দ্ৰীয় মন্ত্ৰী অন্য কামত ব্যস্ত থাকিবলগীয়া হোৱাত আলোচনাৰ দিন পিচুওৱা হৈছে। কিন্তু এতিয়া একাংশ কাকতত প্ৰকাশ পোৱা বাতৰি মতে আলোচনা স্থগিত ৰখাৰ কাৰণ সুকীয়া। কেন্দ্ৰীয় চৰকাৰে হেনো সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধিও আলোচনাৰ বাবে অন্তৰ্ভুক্ত হোৱাত আপত্তি জনাই স্থগিত ৰাখিছে। হঠাৎ কেন্দ্ৰীয় চৰকাৰে এনে এটা স্থিতি লোৱাৰ কি কাৰণ থাকিব পাৰে? পূৰ্বতে চৰকাৰে এনেদৰেই আলোচনা চলাইছিল? মাজতে অনানুষ্ঠানিকভাৱে ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ লগত আলোচনা কৰিলেও চূড়ান্ত আলোচনাত সকলোকে সামৰি আলোচনাৰ যোগেদি সমস্যা নিষ্পত্তি কৰাটোহে উচিত কথা। তেনে স্থলত ভাঙন অনাৰ এনে কৌশল কেন্দ্ৰই অৱলম্বন কৰি অদূৰদৰ্শী কাৰ্য ব্যৱস্থা লোৱা বুলিহে ক'ব লাগিব। নতুন প্ৰসঙ্গৰ অৱতাৰণা কৰি বিলম্ব ঘটাবৰ বাবে চলোৱা এনে অপচেষ্টাই মূল বিষয়টোৰ বাটতহে বাধাৰ সৃষ্টি কৰিব। অথচ হাতত

এতিয়া সময় নিচেই তাকৰ। ভোটাৰ তালিকা শুধৰাই নিৰ্বাচন পতাৰ ব্যৱস্থা কৰিবলৈ হ'লে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ নিষ্পত্তি ঘটোৱাটো নিতান্ত প্ৰয়োজনীয়। তাৰ পৰা ফালৰি কাটি পুনৰ ত্ৰুটিপূৰ্ণ ভোটাৰ তালিকাৰ ভিত্তিতে নিৰ্বাচন জাপি দিয়াৰ বাবে এটা পৰিৱেশ ৰচনা কৰাৰ উদ্দেশ্য যদি চৰকাৰৰ নাই তেন্তে সাম্প্ৰতিক অপচেষ্টা অতি শীঘ্ৰে চৰকাৰে পৰিহাৰ কৰক।

এনেবোৰ কাৰ্যকলাপে চৰকাৰৰ বিশ্বাসযোগ্যতাহে কমাব। ইতিমধ্যে আমি সীমান্তত তাঁৰৰ বেৰা দিয়া ক্ষেত্ৰত চৰকাৰৰ কপট ভূমিকাৰ প্ৰমাণ পালো। বিদেশী চিনাক্তকৰণৰ বাবে গঠিত ন্যায়াধিকৰণৰ বেলিকাও চৰম আন্তৰিকতাবিহীন মনোভাৱৰ প্ৰমাণ পোৱা গ'ল। এতিয়া ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ ক্ষেত্ৰতো সন্দেহে ডাঠ চামনি বান্ধিছে। নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাৰ ক্ষেত্ৰত নিৰ্দেশিকা ৰাজহুৱাকৈ প্ৰকাশ কৰাত লেহেম গতিৰে আগবঢ়াৰ পৰা এই সন্দেহ আৰু বাঢ়িছে। মাজতে একাংশ কাকতত নিৰ্বাচনী আয়োগৰ নিৰ্দেশিকা বুলি যিবোৰ তথ্য প্ৰকাশ পাইছে, তাৰ সত্যতা নিৰ্ণয় কৰাৰ উপায় এতিয়াও আমাৰ হাতত নাই। যদি সেয়ে সঁচা হয় তেন্তে নিৰ্বাচনী আয়োগে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ আগত অসমৰ ভোটাৰ তালিকাৰ ব্যাপক শুধৰণিৰ বাবে দিয়া আশ্বাসৰ কোনো মূল্যই নেথাকিব। ১৯৭৯ চনৰ ত্ৰুটিপূৰ্ণ ভোটাৰ তালিকাখনৰ বিদেশী নাগৰিকৰ নামবোৰক বৈধ কৰি তোলাই যদি নিৰ্বাচনী আয়োগৰ মূল উদ্দেশ্য আছিল, তেন্তে ভোটৰ তালিকাৰ ব্যাপক শুধৰণিৰ প্ৰস্তাৱ দিয়াৰ কি সাৰ্থকতা আছিল? নিৰ্বাচনী আয়োগে নিৰ্দেশিকা প্ৰকাশ কৰাত বিলম্ব ঘটোৱাৰ মাজতো এটা উদ্দেশ্য নিহিত আছিল বুলিয়েই আমি তেতিয়া নিশ্চিত হ'ব লাগিব। সেইদেখি নিৰ্বাচনী আয়োগে নিৰ্দেশিকা সম্পৰ্ক খোলোচাভাৱে অতি শীঘ্ৰে সকলো কথা প্ৰচাৰ কৰাটোকে আমি বিচাৰিছো।



# অচিনাকি লোকৰ বেদখল

নগাওঁ জিলালৈ কিছু দিনৰ পৰা অসংখ্য অচিনাকি লোকৰ প্ৰব্ৰজন ঘটা বুলি এইখন কাকতত বাতৰি প্ৰকাশ পাইছে। সেই বাতৰিত কোৱা হৈছে যে খৰালি বতৰৰ লগে লগে বহুতো নতুন মানুহ লুইতৰ চাপৰিলৈ আহিছে আৰু তাত ঘৰ-দুৱাৰ সাজি খেতি-বাতি কৰিবলৈ আৰম্ভ কৰি দিছে। নগাওঁ জিলাৰ বুঢ়া পাহাৰ অঞ্চলত, ৩৭নং ৰাষ্ট্ৰীয় পথৰ কাষতো কেইবা হাজাৰো অচিনাকি মানুহে বেদখল কৰা বুলি অভিযোগ উঠিছে। যোৱা দুবছৰৰ ভিতৰত এনে বেদখলকাৰীৰ সংখ্যা বৃদ্ধি পোৱা বুলি স্থানীয় খিলঞ্জীয়া লোকে জানিবলৈ দিছে। স্থানীয় লোকৰ মতে এইবোৰ অচিনাকি মানুহে লুইতৰ মাজুলী অঞ্চলত মাটি বেদখল কৰাৰ লগতে কাষৰীয়া গাওঁ সমূহত সন্ত্ৰাসৰো সৃষ্টি কৰিছে। এই গাওঁবিলাকৰ পৰা গৰু-গাই চুৰি হৈছে আৰু সময়ে সময়ে বয়বস্তু চুৰি আৰু ডাকাইতি কাৰ্যও সংঘটিত হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষত বাস কৰিবলৈ লোৱা সন্দেহজনক নাগৰিকত্বৰ নতুন মানুহবোৰে উদ্যানৰো প্ৰচুৰ ক্ষতি সাধন কৰিছে। তেওঁলোকে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰৰ বিলত মাছ মাৰিবলৈ লৈছে আৰু জীৱ-জন্তুও বধ কৰিছে। উদ্যানৰ কাষৰ 'গ্ৰেজিং' অঞ্চলত তেওঁলোকে বেদখল চলোৱা বাবে পশু-পক্ষীৰ বিচৰণভূমি সংকুচিত হৈ পৰিছে।

এইবোৰ বেদখলকাৰীৰ কাৰ্যকলাপ সকলো লোকে দেখিবলৈ পাইছে; ৩৭নং ৰাষ্ট্ৰীয় পথৰ কাযে কাযে নতুনকৈ পঁজা ঘৰবোৰ কেনেকৈ গঢ়ি উঠিল, তাত কোন থাকে— এই প্ৰশ্ন সকলোৰে মনত উদয় হৈছে। স্থানীয় লোকে এইবোৰ থলুৱা লোক নহয় বুলি অভিযোগ তুলিছে আৰু এনে প্ৰব্ৰজনকাৰীৰ কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰৰ ওচৰত আপত্তিও তুলিছে। কিন্তু কৰ্তৃপক্ষই সেইবোৰ আপত্তিৰ প্ৰতি মনোযোগ দিয়া দেখা নাই। এটা বাতৰিত প্ৰকাশ পোৱা মতে ধিঙৰ চৰ অঞ্চলত আৰক্ষী বিষয়াৰ দল এটাই

চৰকাৰৰ নিৰ্দেশক্ৰমে অনুসন্ধান চলাইছিল যদিও তেওঁলোকে নতুন বসতিৰ প্ৰতি কোনো মনোযোগ নিদিলে। সেই বাতৰি সত্য হ'লে এই বেদখলকাৰীৰ প্ৰশ্নত সাধাৰণতে অভিযোগ কৰাৰ দৰে চৰকাৰী উদাসীনতা বা ইচ্ছাকৃত অমনোযোগিতাই সাব্যস্ত হ'ব। আৰু তাৰ পৰা জনসাধাৰণ অসহায় বুলি প্ৰতিপন্ন হ'ব।

ধিঙৰ পৰা দৈনিক অসমৰ জিনা বাতৰি দিওঁতাই প্ৰেৰণ কৰা ত্ৰিশ জানুৱাৰীৰ বাতৰিত প্ৰকাশ পোৱা মতে তদন্তকাৰী আৰক্ষী বিষয়াৰ দলটোৱে যদি ইচ্ছাকৃতভাৱে বেদখলৰ প্ৰতি আওকাণ কৰিছে; তেন্তে চৰকাৰে এই সম্পৰ্কত নতুনকৈ অনুসন্ধান চলোৱাৰ প্ৰয়োজন আছে। এই সংশ্ৰৱত যোৱা মাহত কলিকতাৰ ষ্টেটছমেন কাকতত প্ৰকাশ পোৱা এটা বাতৰিলৈ মনত পেলাব লগা হয়। সেই বাতৰিত কোৱা হৈছে যে পেট্ৰাপলৰ তালাচী চকীতে দিনৌ শ শ বাংলাদেশী নাগৰিকে তাত থকা আৰক্ষী আৰু শুল্ক বিভাগৰ কৰ্মচাৰীক ভেটী দি ভুৱা পাৰপত্ৰ লৈ নাইবা পাৰপত্ৰ নোহোৱাকৈয়ে ভাৰতলৈ পাৰ হৈ আহিছে। গুপ্তচৰ বিভাগৰ লোকে চকু নিদিয়ালৈকে কিন্তু এই ঘটনা ধৰা পৰা নাছিল। সেয়ে অসমৰ এই অচিনাকি মানুহবোৰৰ ক্ষেত্ৰতো বিশেষ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰা আৱশ্যক হৈ পৰিছে বুলি ক'ব লাগিব।

পেট্ৰাপল তালাচী চকীৰ ঘটনাৰ পৰা আৰু এটা সিদ্ধান্তলৈ আহিব লগা হৈছে যে অসমত নতুনকৈ বসবাস কৰিবলৈ লোৱা অচিনাকি মানুহ বিলাক বাংলাদেশী বুলি অভিযোগ ভিত্তিহীন নহয়। কাৰণ পশ্চিম বংগ সীমান্তইদি ভাৰত সোমোৱা বাংলাদেশী ৰেল পথেৰে অসমত বসতি কৰাৰ সুবিধা দিবলৈ ন্যস্ত স্বাৰ্থই কাম কৰি থকাৰ কথাও চৰকাৰৰ নিশ্চয় অবিদিত নহয়। সেই কাৰণে অসম-বাংলাদেশ সীমান্তত কঠোৰ সতৰ্কতা অৱলম্বন কৰাৰ দাবী কৰিলেও অবৈধ প্ৰব্ৰজনকাৰী অসমত নতুনকৈ সোমোৱা নাই বুলি নিশ্চিত হ'ব নোৱাৰি।



আমাৰ ৰাজ্য চৰকাৰে সৰ্বসাধাৰণৰ চকুৰ আগতে হোৱা অচিনাকি আৰু সন্দেহজনক নাগৰিকথথৰ লোকৰ বেদখলৰ ক্ষেত্ৰত নিষ্ঠা সহকাৰে কাৰ্য পন্থা গ্ৰহণৰ ব্যৱস্থা ল'ব পাৰিবনে?

## *নিঃশেষ হোৱা নাই*

অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো গাপত দি থৈ এই সম্পৰ্কত চৰকাৰীভাৱে অপপ্ৰচাৰে চলাই ৰাইজৰ মাজত নানান ভাৱে বিভাজনৰ সৃষ্টি কৰি যে ৰাইজৰ মনৰ বিক্ষোভ দূৰ কৰিব নোৱাৰে আৰু অসমৰ বিদেশী নাগৰিক সংক্ৰান্ত আন্দোলন নিঃশেষ কৰিব দিব নোৱাৰে— তাৰ প্ৰমাণ পোৱা গ'ল মঙলবাৰে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে গুৱাহাটীত হোৱা সাংস্কৃতিক শোভাযাত্ৰা আৰু ৰাজহুৱা সভাৰ মাজত। সুদীৰ্ঘ কালৰ মূৰত এনে ৰাজহুৱা অনুষ্ঠানৰ বাবে আন্দোলনৰ নেতৃবৰ্গই চৰকাৰৰ পৰা অনুমতি পালে। হেজাৰ বিচ্যুতিৰ মাজতো চৰকাৰে এনে অনুমতি দিয়া কথাটো আদৰণীয় বুলি আমি গণ্য কৰিছো।

ইতিমধ্যে অনুসৰণ কৰা নীতি যে ফলপ্ৰসু হোৱা নাই— সেই কথা চৰকাৰে উপলব্ধি কৰা উচিত। পুলিচ, চি আৰ পি লগাই অত্যাচাৰ চলাই, জধে-মধে গ্ৰেপ্তাৰ কৰি কতো সভা-সমিতি পাতিবলৈ অনুমতি নিদি, ১৪৪ ধাৰা প্ৰবৰ্তন কৰি আৰু চৰকাৰৰ "অনুমোদিত" সংগঠনক সভা-শোভাযাত্ৰাকে ধৰি সকলো কামৰ বাবে অনুমতি দিয়াৰ লগতে ধনে-জনে আৰু অধিগৃহীত গাড়ী যোগান ধৰি সকলো সাহায্য আগবঢ়াই চৰকাৰে সকলোকে চেঁচা পেলাই দিব পাৰিব বুলি ভাবিছিল যদিও সেইটো হৈ নুঠিল। গণতান্ত্ৰিক ধ্যান-ধাৰণা সম্পূৰ্ণ বিসৰ্জন দি ৫ বছৰৰো অধিক কাল অসমক নৰককুণ্ড কৰি ৰাখিও কাৰ্যসিদ্ধি কৰিব নোৱাৰা চৰকাৰে নিজৰ ববীয়াকৈয়ে কেতিয়াবাই এই কথা উপলব্ধি কৰিব পাৰিব লাগিছিল।

যিহওক—মঙলবাৰে গুৱাহাটীত যি বাস্তৱ সত্য ওলাই পৰিল; সেয়ে যেন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সঁকিয়াই দিয়ে— বাস্তৱৰ সন্মুখীন হ'বলৈ। অসমৰ মানুহখিনিক বিপন্ন অস্তিত্বৰ গৰাহৰ পৰা উদ্ধাৰ নকৰাকৈ ৰাজ্যৰ উন্নয়নৰ কথা কৈ চালে-বেৰে কোবাই থাকিলেই ওপৰৰ মেঘ নাতৰে। সুদীৰ্ঘ কাল আওকণীয়া হৈ থকাৰ মূৰত এইবাৰ কেন্দ্ৰীয় চৰকাৰে পুনৰ আলোচনা চলাইছে। এই আলোচনাই যাতে কেৰেলুৱাৰ গতি নলয় আৰু আলোচনাত কূটনীতি আৰু ৰাজনীতিৰ দাবা খেল নচলাই স্পষ্ট সমাধান-সূত্ৰ দাঙি ধৰি মীমাংসাৰ আঁত উলিয়াই দিয়ে— তাকে আমি আশা কৰিছো। হোঁহকা পিচলা কৰি সময়ত মূল পুলুকা মাৰি আৰু সৰহ ভাগ ক্ষেত্ৰতে ন্যস্তস্বাৰ্থৰ হেঁচাত পৰি কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্বে যিবোৰ লীলা খেলিলে- সেইবোৰ অসমৰ ৰাইজৰ চকুত ধৰা পৰিলেও সৰ্ব ভাৰতীয় ক্ষেত্ৰত প্ৰকাশ নেপালে পঞ্জাৱৰ দৰে অসমৰ ক্ষেত্ৰতো শ্বেতপত্ৰ উলিওৱা হ'লে সমগ্ৰ দেশবাসীয়ে এইবোৰ কথা গম পালেহেঁতেন। এইবাৰ তেনে লীলা-খেলাৰ পুনৰাবৃত্তি নহ'ব বুলি আৰু নতুন প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ঘোষণাৰ মৰ্যাদা ৰাখি কাৰ্য ব্যৱস্থা হাতত ল'ব বুলি আমি আশা কৰিছো। চৰকাৰে কপটতা পৰিহাৰ কৰিলে আৰু আন্দোলনৰ নেতৃবৰ্গয়ো কিছু এৰা-ধৰা কৰিলে সমস্যাৰ সমাধানৰ সূত্ৰ এটা নিশ্চয় ওলাব।

## *বিশ্বাসযোগ্যতাৰ সংকট*

এটা চৰকাৰৰ কৰ্ম-কুশলতা তথা সাফল্যৰ বাবে আটাইতকৈ ডাঙৰ সম্পদ হ'ল—বিশ্বাসযোগ্যতা। সেই বিশ্বাসযোগ্যতাই যদি হেৰাই যায় তেন্তে জনমানসত সেই চৰকাৰে উচ্চ স্থান লৈ থাকিব নোৱাৰে। অসমৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ যিদৰে আগবাঢ়িছে সেয়ে চৰকাৰৰ বিশ্বাসযোগ্যতাক এটা



সংকটজনক স্থিতিত উপনিত কৰাইছে। অসমৰ বিদেশী নাগৰিক সংক্ৰান্ত আন্দোলনৰ বছৰ কেইটাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ বিশ্বাসযোগ্যতাৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। পঞ্জাৱৰ আলোচনাৰ বেলিকা শ্বেতপত্ৰ উলিওৱাৰ দৰে অসমৰ বেলিকাও উলিওৱা হ'লে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ স্বৰূপ প্ৰকাশ হৈ পৰিলেহেঁতেন। অৱশ্যে পঞ্জাৱৰ ক্ষেত্ৰত যিখিনি সাৱধানতাৰ প্ৰয়োজন বুলি কেন্দ্ৰই ভাবে অসমৰ ক্ষেত্ৰত তেনে সাৱধানতাৰ প্ৰয়োজন নাই বুলিয়েই গণ্য কৰে। সেই দেখি শ্বেতপত্ৰ উলিওৱাৰো কথা কেন্দ্ৰই অসমৰ বেলিকা নেভাবিলে। আলোচনাৰ নামত অসমত কি কৰিলে কেনেকৈ আলোচনালৈ মাতি নি আন্দোলনৰ নেতৃবৰ্গক উলটি অহাৰ পিচতে গ্ৰেপ্তাৰ কৰিলে আৰু কিদৰে নিজৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰি বলেৰে অসমত নিৰ্বাচন জাপি দিলে—এই সকলোবোৰ কথাই কেন্দ্ৰৰ বিশ্বাসযোগ্যতা হিম বিন্দুলৈ নমাই আনিলে।

তথাপি অসমৰ ৰাইজ তথা আন্দোলনৰ নেতৃবৰ্গ সুযোগ আহিলেই আলোচনাৰ বাবে আগবাঢ়ি আহিছে। সেইবোৰ তিক্ত অভিজ্ঞতাৰ মূৰতো পুনৰ আলোচনা হৈছে। কিন্তু কেন্দ্ৰৰ মূৰ পুলুকা মৰা গতিগোত্ৰ দেখি আমাৰ ধাৰণা হৈছে যে কেন্দ্ৰৰ আন্তৰিকতাহীনতা বদ্ধমূল হৈ আছে। কিয়নো শেহতীয়াকৈ হোৱা আলোচনা যিদৰে পিচুৱাই আছে তাৰ্লৈ চাই ধাৰণা হৈছে যে আলোচনাৰ নাম লৈ চৰকাৰে আন কিবা উদ্দেশ্য পূৰণ কৰাৰ বাবেহে পাং পাতিছে। ইতিমধ্যে কেইবাবাৰো আলোচনাৰ দিন পিচুৱাই দি শেষত সংসদৰ অধিৱেশন বহাৰ আগতে আলোচনা হ'ব বুলি কোৱা হ'ল। কিন্তু বাতৰি প্ৰতিষ্ঠানৰ শেহতীয়া বাতৰি মতে আলোচনা আগষ্ট মাহলৈ পিচুৱাব পাৰে।

ফলত এতিয়া ১৯৮৩ চনৰ সময়ৰ ক্ৰিয়া-কলাপৰে পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনা দেখা গৈছে। যোৱাবাৰ সময়ৰ অপব্যয় কৰি মূৰকত সময় নোহোৱাৰ অজুহাত দেখুৱাই নিৰ্বাচন জাপি দিয়া হৈছিল। এইবাৰো এহাতে

আলোচনাৰ দিন চোঁচোৰাই নি আছে আৰু আনহাতে নিৰ্বাচন পতাৰ কথা কৈ থকা হৈছে। সেই দেখি মূৰকত আলোচনা নকৰাকৈ আৰু জীয়া সমস্যাটো জীয়া অৱস্থাতে ৰাখি নিৰ্বাচন পতাৰ উদ্যোগহে হাতত লোৱা হ'ব বুলি ধাৰণা হৈছে। বিশেষকৈ যোৱা বাৰ ১৯৮৩ চনৰ নিৰ্বাচন পতাৰ সময়ত দিল্লীৰ পৰা যিসকলক অসমলৈ পঠাই যাৱতীয় আয়োজন কৰিবলৈ ভাৰ দিয়া হৈছিল এইবাৰো তাৰে দুই-এজনে ইতিমধ্যে অসমলৈ আহি বিশেষ কিছুমান লোক আৰু কিছুমান সংগঠনক লগ ধৰাৰ বাতৰি পোৱা গৈছে। দিছপুৰৰ আঁহফলা ৰাজনীতিয়ে জন্ম দিয়া সংগঠনৰ পৰা "সুফল" বোটলাৰ অভিযান দিল্লীৰ পৰা অহা "নেতা"ই আৰম্ভ কৰা দেখি আমি ভাবিবলৈ বাধ্য হৈছো যে প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীও একেটা চকৰীতে ঘূৰিছে— ৰাইজৰ মন জয় কৰিবৰ বাবে প্ৰধানমন্ত্ৰীয়ে কৰা ঘোষণাবোৰ "পোচাকী" ঘোষণাহে !

# অসম সম্পৰ্কে প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে ২ অক্টোবৰৰ দিনা হঠাৎ অসমৰ কথা মনত পেলালে। যোৱা ১৫ আগষ্টৰ পিচৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে ৰাজহুৱাভাৱে অসম সম্পৰ্কে কোনো কথাকে উল্লেখ কৰা নাছিল। দুই অক্টোবৰ তাৰিখে জয়পুৰত কংগ্ৰেছ শতবাৰ্ষিকী উপলক্ষে পতা অনুষ্ঠানত ভাষণ দিওঁতে পঞ্জাৱৰ নিৰ্বাচনৰ কথা উল্লেখ কৰোতে প্ৰধানমন্ত্ৰীয়ে কয় যে পঞ্জাৱৰ দৰেই অসমতো সোনকালে নিৰ্বাচন হ'ব আৰু ৰাইজৰ ইচ্ছা সাপেক্ষে অসমৰ সমস্যা সম্পূৰ্ণভাৱে সমাধান হ'ব লগতে প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে অসমক অতি সোনকালে গণতান্ত্ৰিক পৰিধিৰ মাজলৈ অনা হ'ব। শ্ৰীগান্ধীয়ে এই কথাও দোহাৰে যে নিৰ্বাচনৰ আগতে তেওঁ



দিয়া চুক্তিয়ে পূৰণ কৰিলে।

প্ৰতিশ্ৰুতি পঞ্জাৱ চুক্তি আৰু অসম। পিচে প্ৰধানমন্ত্ৰীয়ে যিমান সন্তুষ্টিৰে কথাখিনি কৈছে আমি সিমানখিনি সন্তুষ্টি লৈ কথাখিনি হজম কৰিব পৰা নাই। অৱশ্যে পঞ্জাৱৰ কথা সুকীয়া— পঞ্জাৱৰ বেলিকা আন্তৰিকতাৰ স্পষ্ট নিদৰ্শন পোৱা গৈছিল কাৰণেই নিৰ্বাচনকে ধৰি সমুদায় পৰ্যায়তে প্ৰায় অসাধ্য সাধন কৰা হ'ল বুলি ক'ব লাগিব। কিন্তু অসমৰ ক্ষেত্ৰত? অসমৰ বেলিকা তেনে আন্তৰিকতা আমি দেখা পোৱা নাই। ১৫ আগষ্টৰ পৰা ইমান দিন পাৰ হৈ যোৱা সত্বেও চুক্তি মতে কামত আগবঢ়া নাই। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ল'ব পৰা নিম্নতম ব্যৱস্থাবোৰৰ ক্ষেত্ৰতো গতি মন্থৰ। দিছপুৰত থকা শাসক চক্ৰৰ কাৰ্যকলাপৰ ক্ষেত্ৰত গুৰুতৰ অভিযোগ উঠিছে আৰু চুক্তি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পদে পদে বাধাগ্ৰস্ত হোৱা বুলি সৰৱ প্ৰতিবাদ উত্থাপিত হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰ এই ক্ষেত্ৰত নীৰৱ। প্ৰধানমন্ত্ৰীয়ে অসমক সোনকালে গণতান্ত্ৰিক পৰিধিৰ মাজলৈ অনাৰ আশা প্ৰকাশ কৰা সন্দৰ্ভতো আমাৰ ক'বলগীয়া আছে। যদি একমাত্ৰ নিৰ্বাচন পাতিয়েই সেই পৰিধিৰ মাজলৈ অনাৰ আশা প্ৰকাশ কৰা হৈছে তেন্তে ক'ব লাগিব যে নিৰ্বাচন পতাৰ আগতেই এটা সুস্থ পৰিৱেশৰ প্ৰয়োজন। অসমত দেখোন এতিয়াও অঘোষিত জৰুৰী অৱস্থা বিৰাজমান। বিশেষ আইন, বিশেষ আদালত; পুলিচৰ অত্যাচাৰ; গ্ৰেপ্তাৰ অভিযান ; ১৪৪ ধাৰাৰ ৰাজত্ব, সভা-সমিতি আদিৰ ক্ষেত্ৰত বাধা নিষেধ, আনকি সভা পতাৰ স্থান সম্পৰ্কেও কঠোৰ বাধা নিষেধ চলি আছে (অৱশ্যে শাসক দলৰ সভাৰ স্থান সম্পৰ্কে অবাধ স্বাধীনতা আছে, আনকি তেনে স্থানত মানুহক গৰু পিটাদি পিটিবলৈকো স্বাধীনতা দিয়া হৈছে)। এইবোৰ কথা প্ৰধানমন্ত্ৰীয়ে যদি গম পোৱা নাই তেন্তে সেয়ে চৰকাৰৰ ব্যৰ্থতাৰহে পৰিচয়। এনে পৰিৱেশৰ মাজত সুস্থ নিৰ্বাচন সম্ভৱপৰ নহয়। সেই দেখি আগৰ কথা আগতে বিবেচনা কৰাটোহে চৰকাৰৰ কৰ্তব্য।

প্ৰধানমন্ত্ৰীয়ে যদি অকল নিৰ্বাচনৰ তাগাদাতহে অসমৰ কথা মনত পেলাইছে, তেতিয়াহ'লে সেই ক্ষেত্ৰতো আমাৰ ক'বলগীয়া কথা আছে। অসমত বিদেশী নাগৰিকৰ নাম বাদ দি শুদ্ধ ভোটাৰ তালিকা এখন যুগুত কৰি তাৰ ভিত্ততহে নিৰ্বাচন পতাৰ বাবে সকলো অঙ্গীকাৰবদ্ধ হৈ আছে। আনকি উচ্চতম ন্যায়ালয়ো ইয়াৰ লগত জড়িত হৈ আছে। উচ্চতম ন্যায়ালয়েই ব্যাপক শুধৰণিৰ নিৰ্দেশ দিছিল আৰু ভাৰতৰ নিৰ্বাচনী আয়োগে সেইমতে প্ৰতিশ্ৰুতি দিছিল। প্ৰথম অৱস্থাত বিদেশী নাগৰিকৰ নাম চালিজাৰি চাব পৰাকৈ নিৰ্বাচনী আয়োগে কেতবোৰ নিৰ্দেশনা দি মূৰকত ক্ষমতা চক্ৰৰ হেঁচাত পৰি লুটি বাগৰ মাৰিলে। আনহাতে দিছপুৰৰ প্ৰভাৱাধীন বিষয়া-কৰ্মচাৰীয়ে ভোটাৰ তালিকা শুধৰোৱাৰ নামত বিদেশী নাগৰিকক ভোটাধিকাৰ দি থলুৱা ভোটাৰক বঞ্চিত কৰাৰ বাবে অভিযান চলাইছে। এইবোৰ কথালৈ উচ্চতম ন্যায়ালয়, ভাৰতৰ নিৰ্বাচনী আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰে আওকাণ কৰিলে নিৰ্বাচনো ভেকোভাওনা হ'ব আৰু অসম চুক্তিও ফুটুকাৰ ফেনত পৰিণত হ'ব।

## *বিকৃত ব্যাখ্যা*

লোকসভাত উত্থাপিত নাগৰিকত্ব আইন সংশোধনৰ দ্বাৰা ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমলৈ বাংলাদেশৰ পৰা অহা লোকৰ ভোটাধিকাৰ দহ বছৰলৈ ৰহিত কৰা সম্পৰ্কত পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীজ্যোতি বসুৱে কৰা এযাৰ মন্তব্যই সকলোকে স্তম্ভিত কৰিব। শ্ৰীবসু ভাৰতৰ গুণী-জ্ঞানী মুখ্যমন্ত্ৰী সকলৰে এজন। তেনেস্থলত তেওঁ নেজানি ভুল কৰা বুলি ভবাটো কল্পনাৰ অতীত। ইচ্ছাকৃত ভাৱেই বিকৃত মন্তব্য কৰি শ্ৰীবসুৱে ৰাজনীতি খেলিছে। তেওঁ বুধবাৰে কলিকতাৰ বিমানকোঠত সাংবাদিকৰ আগত কৈছে যে ১৯৬৬-৭১ চনৰ ভিতৰত অসমত সোমোৱা



এইখিনি মানুহে ভোটাধিকাৰ হেৰুৱাব অথচ সেই একেখিনি সময়তে আন ঠাইৰ পৰা অসমলৈ অহা আন লোকৰ কাৰণে সেই সুবিধা অব্যাহত থাকিব— এইটো বৰ অদ্ভুত কথা বুলি শ্ৰীবসুৱে মন্তব্য কৰে। শ্ৰীবসুৱে বাংলাদেশকো ভাৰতৰ অন্যতম ৰাজ্য বুলি আৰু বাংলাদেশী নাগৰিকক ভাৰতৰ আন ৰাজ্যৰ ভাৰতীয় নাগৰিকৰ সৈতে একে পৰ্যায়তে ধৰি মন্তব্য কৰাৰ অৰ্থ এটাৰ—গোটেই প্ৰসঙ্গটোকে ইচ্ছাকৃতভাৱে বিকৃত কৰা আৰু লগতে এই সন্ধিক্ষণত ভাৰতৰ বাকী অঞ্চলৰ লোকৰ মাজত বিৰূপ মনোভাৱ এটা গঢ়ি তোলাৰ দ্বাৰা ৰাজনৈতিক মুনাফা আদায় কৰা।

বিদেশী নাগৰিকক সংখ্যালঘুৰ মুখা পিন্ধাই শ্ৰীবসু তেওঁৰ চৰকাৰ আৰু তেওঁৰ দল আৰু একে কৌশল অৱলম্বন কৰা আন সতীৰ্থ সকলে যথেষ্ট কচৰৎ দেখুৱাইছে। অৱশ্যে এইসকল কায়দাই সময়ে সময়ে প্ৰয়োজন মতে মোট সলায়। এতিয়া অসমত বিদেশী নাগৰিকৰ প্ৰসঙ্গটো উঠাৰ লগে লগে তেওঁলোকে সংখ্যালঘু সকল অসহায় অৱস্থাত পৰা বুলি ধ্বনি তুলিছে। কিন্তু ৰাজ্য পুনৰ গঠন আয়োগৰ আগত কচৰৎ দেখুৱাবৰ বেলিকা এই একেখিনি মানুহেই সেই একেটা লোকসমষ্টিক অসমত সংখ্যাগৰিষ্ঠ বুলি দাবী কৰি অসমৰ ৰাজ্যক্ষেত্ৰ দাবী কৰিছিল। তদুপৰি অসমৰ ৰাজ্যভাষাৰ প্ৰশ্নত আৰু শিক্ষাৰ মাধ্যমৰ প্ৰশ্নতো তেওঁলোকেই সেই একেটা লোকসমষ্টিক সংখ্যাগৰিষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ অভিযান চলাইছিল। সেই দেখি ৰাজনীতিৰ প্ৰয়োজন মতে সংখ্যালঘুসকলক অনুপাত ৰূপে ব্যৱহাৰ কৰি থকা হৈছে। অৱশ্যে অংক সকলো ফালৰ পৰা মিলিলেহে তেওঁলোকে এই কৌশল অৱলম্বন কৰে। উদাহৰণ স্বৰূপে সম্প্ৰতি বাংলাদেশত থকা বিহাৰী মুছলমান সকলৰ কথাকে ক'ব পাৰি। বাংলাদেশত থকা আৰু বিহাৰী মুছলমান ৰূপে অভিহিত হোৱা অসংখ্য লোক দেশ বিভাজনৰ পিচত তেতিয়াৰ পূৱ পাকিস্থানলৈ গৈছিল। বাংলাদেশ হোৱাৰ পিচত বাংলাদেশে এই সকল লোকক ৰাখিবলৈ নিবিচাৰে আৰু ইপিনে পাকিস্থানেও তেওঁলোকক গ্ৰহণ নকৰে। ফলত তেওঁলোক এতিয়াও ত্ৰিশংকুৰ

দৰে আছে। পিচে তেওঁলোকৰ কথা এই সকল ৰাজনৈতিক ধুৰন্ধৰে ভুলতো নুলিয়ায়— কাৰণ এই সকল লোকৰ ভাষাই তেওঁলোকৰ অংক নিমিলায়।

শ্ৰীবসুৱে অসমত থকা বিদেশী নাগৰিকৰ বিষয়টোক বিকৃত ৰূপত উপস্থাপন কৰিলেও (আৰু বাওঁপন্থী মৰ্চাৰ সভাপতিজনে অসমত এজনো বিদেশী নাগৰিক নথকা বুলি কৈ বহুৱালি কৰিলেও পশ্চিমবঙ্গৰ বিদেশী নাগৰিকৰ সম্পৰ্কত কিন্তু অসমৰ বেলিকা কৰাৰ নিচিনাকৈ লেতেৰা ৰাজনীতি কৰা নাই। ১৯৭৮ চনৰ ২৫ ফেব্ৰুৱাৰীত কলিকতাৰ ষ্টেটছমেন কাকতত ওলোৱা বাতৰি মতে শ্ৰীবসুৱে কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ লিখা চিঠিত বাংলাদেশী পশ্চিমবঙ্গলৈ আহি থকা পাৰপত্ৰ লৈ অহা সকলেও সময় পাৰ হোৱাৰ মূৰতো উলটি নোযোৱা আৰু পাৰপত্ৰত দিয়া ঠিকনাত তেওঁলোকক বিচাৰি নোপোৱা বুলি উল্লেখ কৰি এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীক অনুৰোধ জনাইছিল।

# চতুর্থ ভাগ

# অসম আৰু অসমৰ সমস্যা সম্পৰ্কীয়
## *অসমৰ প্ৰতি চৰম অবিচাৰ*

অসমৰ প্ৰতি সৰ্বাত্মকভাৱে সকলো প্ৰকাৰে চলা অবিচাৰৰ প্ৰয়োভৰ দেখি আমি স্তম্ভিত হৈছো। সম্প্ৰতি ওলোৱা বাতৰি মতে অসম আৰু নগালেণ্ডৰ মাজত সীমান্ত সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীএইছ এম পেটেলৰ মধ্যস্থতাত চলা আলোচনা হেনো ব্যৰ্থ হৈছে। বাতৰি মতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এতিয়া দুয়োখন ৰাজ্যৰে মুখ্যমন্ত্ৰীদ্বয়ক সুন্দৰম কমিটিৰ প্ৰতিবেদন অধ্যয়ন কৰি এমাহৰ ভিতৰতে মত প্ৰকাশ কৰিবলৈ কৈছে— যাতে দুনাই উভয় পক্ষৰ মাজত আলোচনা চলাব পৰা হয়। পিচে কথা হ'ল সুন্দৰম কমিটিৰ অস্তিত্বকে আগতে অস্বীকাৰ কৰা কেন্দ্ৰীয় চৰকাৰে এতিয়া সেই প্ৰতিবেদন ক'ত বিচাৰি পালে?

নে প্ৰসঙ্গটো চোঁচোৰাই নিয়াৰ নতুন উপায় উলিয়ালে? সীমান্তৰ এই বিবাদ অসমে সৃষ্টি কৰা নাই। পূৰ্বৰ 'সবজান্তা' ৰাজ্যপালে কেন্দ্ৰীয় গৃহ দপ্তৰ আৰু কেন্দ্ৰীয় আৰু ৰাজ্যৰ প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰীবৰ্গৰ লগত জোটাশলীয়া হৈ অসমক টুকুৰাটুকুৰ কৰি নতুন ৰাজ্যৰ সৃষ্টি কৰি বিবাদৰ বীজ সিঁচি গ'ল। এতিয়া তেওঁলোক নিৰ্লিপ্ত আৰু নিশ্চিন্ত। এতিয়াৰ নতুন আমোলেও (কেন্দ্ৰ আৰু ৰাজ্যৰ) কোনোবা অদৃশ্য শক্তিৰ শ্ৰুতলিপি লৈহে কাম আগবঢ়া যেন লাগিছে। কিয়নো কেন্দ্ৰীয় চৰকাৰে যদি ৰাজ্য গঠন কৰাৰ সময়ত থকা সীমাকে খাটাং সীমা বুলি ধৰিছেই আৰু এই প্ৰসঙ্গ পুনৰ মুকলি কৰাৰ কথা ভবাই নাই— তেন্তে বিবাদ চোঁচোৰাই তিক্ততা বঢ়াই থকাৰ কাৰণ কি? নে অসমৰ ওপৰত হেঁচা দিয়াৰ কৌশল অৱলম্বন কৰা হৈছে? ইতিমধ্যে এই অঞ্চলৰ ৰাজ্যসমূহৰ বাবে উমৈহতীয়া



ৰাজ্যপালৰ ব্যৱস্থা কৰি অসমক বিশেষভাৱে বাধাগ্ৰস্ত কৰা হৈছে। অসম চৰকাৰে অসমৰ ৰাইজক ৰক্ষা কৰাৰ বাবে সীমান্তত পুলিচ ৰখাটোও এতিয়া 'অপৰাধ'ৰ কথা! অথচ অসম ৰাইফলছ বাহিনীত প্ৰাক্তন নগা বিদ্ৰোহীক মকৰল কৰি অসম সীমান্তত ৰাখি 'ভাৰসাম্য' ৰক্ষা কৰা হৈছে ! সেইদৰে কাৰ উৰ্বৰ ৰাজ্য মস্তিষ্কৰ সৃষ্টি অনুসৰি অসমৰ সীমান্তত প্ৰাক্তন নগা বিদ্ৰোহীক সংস্থাপিত কৰি এনে ভাৰসাম্য গজগজীয়া কৰা হ'ল?

তদুপৰি একে সময়তে নগালেণ্ড, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ অসমৰ লগত থকা সীমাৰ প্ৰশ্ন লৈ বিবাদ আৰু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাটো যথেষ্ট সন্দেহজনক কথা। ইয়াৰ মূলত কাৰ প্ৰৰোচনা আছে, তাৰ সূক্ষ্ম বিচাৰ লোৱাৰ কোনো প্ৰচেষ্টা পৰিলক্ষিত হোৱা নাই। তাৰ সলনি অসমৰ ওপৰত পৰা হেঁচাৰ বাবেহে যেন সকলোৰে পৰিতৃপ্তি লাভ কৰিছে!

অসমৰ সীমান্তৰ ক্ষেত্ৰতে নহয়, অন্যান্য বিবিধ বিষয়তো অসমৰ স্বশৰ্থ উপেক্ষিত হৈছে। প্ৰতিটো বিষয়তে কেতবোৰ শক্তিশালী চক্ৰই অসমৰ স্বাৰ্থৰ বিপৰীতে কাম কৰিব লাগিছে আৰু এনে প্ৰতিটো ক্ষেত্ৰতে অসম চৰকাৰৰ অথৰ্ব অৱস্থাত ৰখা হৈছে। সেই দেখি চাকৰিৰ বাছনি কমিটি পতা, ৰঙিয়াৰ ৰেল-ডিভিজনৰ কাৰ্যালয় পতা, এ-জি অফিচ অসমলৈ নমাই অনা, ডাক-তাঁৰ কাৰ্যালয় শ্বিলঙৰ পৰা উঠাই অনা— ইত্যাদি সকলো ক্ষেত্ৰতে অসমৰ দাবী একে আঘাৰেই বাতিল হৈ গৈছে। শেষত অসমৰ অস্তিত্ব বিপন্ন কৰি তোলা বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজন বিষয়টোৰ ক্ষেত্ৰতো গাত কথা নলগা মনোভাৱ এটা পৰিলক্ষিত হৈছে। শক্তিশালী চক্ৰই অসম চৰকাৰক কাৰ্যতঃ নজৰবন্দী কৰি ৰখা কাৰণে ৰাজ্য চৰকাৰে বিদেশী নাগৰিকক ঘূৰাই পঠোৱাটো বন্ধ ৰাখিছে। এই ক্ষেত্ৰত কেন্দ্ৰয়ো একো মাত মতা নাই— অথচ এইটো এটা ৰাষ্ট্ৰীয় সমস্যা আৰু এই ক্ষেত্ৰত কেন্দ্ৰৰ দায়িত্বই বেছি। বিদেশী নাগৰিকে অবাধে প্ৰৱেশ কৰি ৰাষ্ট্ৰৰ এটা অঞ্চলৰ সকলো কৰ্তৃত্ব যদি দখল কৰি লয়, তেন্তে সেইটো ৰাষ্ট্ৰীয় সমস্যা নহৈ কি হ'ব আৰু এই

সম্পৰ্কতে যদি কেন্দ্ৰই তৎপৰতা নেদেখুৱায়, তেন্তে দেখুৱাব কেতিয়া? আনকি সাধাৰণ বিবেচনাৰ পৰাই বুজিব পাৰি যে এনে এটা ৰাষ্ট্ৰীয় সমস্যা সৃষ্টি কৰা বিদেশী নাগৰিকৰ প্ৰব্ৰজন বন্ধ কৰাটো বাতিল কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কোনো কৰ্তৃত্বই নাই তথাপি কেন্দ্ৰ নিতাল মাৰি আছে।

## অসমত 'গেছ'ৰ অপচয়

প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ হৈও, অসমে সেইবোৰৰ উপযুক্ত ব্যৱহাৰ কৰিব নোৱাৰাটো দুখৰ কথা। অসমৰ খাৰুৱা তেল উৎপাদন আৰু শোধনৰ বেলিকাও পৰিকল্পনাৰ দোষত ৰাজ্যখনে আশাজনক ভাৱে লাভৰ অংশ পোৱা নাই,— আৰু সামগ্ৰিকভাৱে উৎপাদিত দ্ৰব্যৰ সম্প্ৰসাৰণো ধীৰ গতিৰেহে আগবাঢ়িছে। আনহাতে তৈল ক্ষেত্ৰ সমূহত বছৰ বছৰ ধৰি 'গেছ'ৰ অপচয় হৈ থকা কথালৈ যেন জানি-শুনিও সময় মতে কাৰ্যকৰীভাৱে মনোযোগ দিয়া হোৱা নাই। এই বিষয়ে বিশেষজ্ঞসকলে বহুকাল আগতে দিয়া বিবিধ কাৰ্যকৰী পৰামৰ্শ 'ফাইল'ৰ মাজতে থকাৰ ফলত, ৰাজ্যখনত 'গেছ'ৰ বিৰাট অপচয় হৈ আছে।

ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত পেট্ৰোলিয়াম মন্ত্ৰী শ্ৰীপি চি শেঠিয়ে উল্লেখ কৰে যে বৰ্তমানে অসমত নিতৌ ১.৪৪ লাখ টকা মূল্যৰ প্ৰায় সাত লাখ ঘন মিটাৰ 'গেছ' অথলে পুৰি নিঃশেষ হৈ আছে। কাৰণ হিচাপে মন্ত্ৰী গৰাকীয়ে 'গেছ' ব্যৱহাৰ কৰা প্ৰতিষ্ঠান আদিয়ে আঁচনি মতে নিৰ্দিষ্ট পৰিমাণৰ গেছ গ্ৰহণ কৰিব নোৱাৰাৰ কথা কৈছে। তাৰ ভিতৰত অসম বিদ্যুৎ বোৰ্ড আৰু হিন্দুস্থান সাৰ নিগম আদি প্ৰতিষ্ঠানৰ চাহিদালৈ তেওঁ আঙুলিয়াইছে। চাহ বাগিছা, থাৰ্মেল উদ্যোগ, নামৰূপ সাৰ প্ৰকল্প আদিয়েও ভবামতে



'গেছ' ব্যৱহাৰ কৰিব নোৱাৰাৰ কথাও এই ক্ষেত্ৰত উঠিছে। আমি ভাবো, দীৰ্ঘদিনলৈ পৰিকল্পনাৰ সময়ত এনেবোৰৰ সম্ভাৱনাৰ দিশটোও আগতীয়াকৈ বিবেচনা কৰা উচিত আছিল। আনহাতে কি কাৰণে ভবামতে উক্ত প্ৰতিষ্ঠানবোৰৰ চাহিদাত বিজুতি ঘটি আছে, তাৰ বাবেও তৎপৰ ব্যৱস্থা লোৱাৰ উদ্যম আমি দেখা নাই।

অসমৰ উদ্যোগৰ কথা উঠিলেই সামগ্ৰিক প্ৰয়োগ ব্যৱস্থাৰ অভাৱৰ কথা কোৱা হয়। কিন্তু প্ৰত্যেকটো প্ৰকল্পৰ কামৰ পাতনিৰ লগে লগে,— বিশেষ প্ৰকল্পৰ পৰা উৎপাদিত মূল আৰু সহযোগী সম্পদৰ ব্যৱহাৰৰ ব্যৱস্থাবোৰতো মন দিব লাগে। সেই সহযোগী উৎপাদনবোৰ ব্যৱহাৰ কৰিবলৈ উপযুক্ত লোকক আগতীয়াকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও লাগে। বঙাইগাওঁৰ পেট্ৰো-ৰাসায়নিক প্ৰকল্পৰ ক্ষেত্ৰতো আমি বাৰে বাৰে এই কথাকেই সকিয়াই আহিছিলো। কিন্তু প্ৰায়বোৰ বিষয়তে আমোলাতান্ত্ৰিক শিথিলতা তথা আগ্ৰহহীনতাৰ বাবে পৰম সম্ভাৱনাময় একোটা প্ৰকল্পৰ পৰাও ৰাইজে সময় মতে সুবিধাবোৰ নেপায়। লাভজনক আৰু বাস্তৱতাৰ যিবোৰে কাৰ্যকৰী পৰিকল্পনাৰে দেশৰ সম্পদৰাজি উদঘাটন আৰু ব্যৱহাৰ কৰাৰ আৱশ্যকতা, আজি বিজ্ঞানৰ যুগত দোহাৰিব লগীয়া হোৱাটোও পৰিতাপৰ কথা।

যিকি নহওক ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ সন্দৰ্ভত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ ১৯৮১ চনৰ মাৰ্চৰ পৰা সম্প্ৰসাৰিত বিভিন্ন প্ৰতিষ্ঠানত অতিৰিক্তি 'গেছ'ৰ প্ৰয়োগৰ আশা কৰাযটা উল্লেখযোগ্য। তদুপৰি সাৰ উৎপাদন, পেট্ৰো-কেমিকেল উদ্যোগ চক্ৰ আৰু এল পি জি সংগ্ৰহ আদিৰ ক্ষেত্ৰতো 'গেছ'ৰ ব্যৱহাৰৰ কথা ভবাটো সজ হৈছে। পিছে বহুতো ভবা কথা আৰু তথ্যপাতি আমোলাতান্ত্ৰিক ৰঙাফিটাৰ মেৰপাকত পৰি বহুকাললৈ অকাৰ্যকৰী হোৱাৰ অভিজ্ঞতাইহে আমাক হতাশ কৰে। আশা কৰো এই ক্ষেত্ৰত তেনে ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ নহ'ব। অসমত নিতৌ নষ্ট হৈ থকা

‘গেছ’ উপযুক্ত মতে ব্যৱহাৰ কৰি জীৱিকা অৰ্জনৰ নতুন নতুন পথৰ সন্ধান দিব পাৰিলে ৰাজ্যখনৰ অৰ্থনৈতিক দিশত উন্নতিৰ সহায়ক হ’ব, লগতে নিবনুৱা ডেকা এচামৰো জীৱিকাৰ পথ সুচল হোৱাৰে উপায় ওলাব পাৰে। তেনেদৰে উদ্যোগৰ ক্ষেত্ৰত আন আন প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ বেলিকাও দীৰ্ঘদিনীয়া কাৰ্যকৰী ব্যৱস্থা, প্ৰশিক্ষণ আদিৰ বিষয়ে আগতীয়াকৈ মনোযোগ দিয়া উচিত বুলি আমি পুনৰ সকিয়াই থ’লো।

## চৰকাৰী প্ৰকাশনৰ স্বৰূপ

ৰাজ্য চৰকাৰে সদ্যহতে অসমৰ ‘অগ্ৰগতি’ৰ সম্পৰ্কত বিস্তৰ ধন খৰচ কৰি কেইখনমান প্ৰকাশন উলিওৱাটো দৃষ্টিগোচৰ হৈছে। নতুন চৰকাৰে লাভ কৰা ‘কৰ্মকুশলতা’ৰ খতিয়ান ইয়াত দিয়া হৈছে। চৰকাৰী প্ৰচাৰ অৱশ্যে চলিবই; কিন্তু ৰাজ্যখনৰ আৰ্থিক সামৰ্থ্যৰ পটভূমিত ধোঁৱাখুলীয়াৰ দৰে খৰচ কৰাটো অমাৰ্জনীয় অপৰাধ। যি সময়ত ৰাজ্যখনৰ অতি প্ৰয়োজনীয় বিত্তীয় চাহিদা পূৰণ কৰিব পৰা হোৱা নাই, বান নিয়ন্ত্ৰণৰ বাবে টকা নাই, উন্নয়নমূলক বিভিন্ন কামৰ বাবে টকা নাই, কিছুমান চাকৰিয়ালে সময়ত দৰমহা নোপোৱাকৈ থাকিব লগীয়া হৈছে— সেই সময়ত এনে ব্যয়বহুল প্ৰকাশনে ৰাজ্যৰ ভাৱমূৰ্তি উজ্বল কৰাত সহায় নকৰে।

তদুপৰি পৰিকল্পনা তথা চৰকাৰী কাৰ্যাৱলীৰ অগ্ৰগতিক যদি অসত্য প্ৰচাৰৰ সমৰ্থক বুলিয়েই গণ্য কৰা হয়, তেন্তে তাৰ ফলত চৰকাৰৰ বিশ্বাসযোগ্যতাহে আটাইতকৈ বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হয়। আমাৰ পৰিকল্পনাসমূহে যে ৰাইজৰ মানসিক সংযোগকো সামৰি ল’ব পৰা নাই— তাৰ মূলতো এইটো কথাই ক্ৰিয়া কৰি আছে। অসৎ প্ৰচেষ্টাই পৰিকল্পনাৰ



স্বাৰ্থকে আটাইতকৈ বেছিকৈ আঘাত কৰে। সম্প্ৰতি কুৰি দফীয়া আঁচনি সম্পৰ্কে যিমান হৈ-চৈ হৈছে তাৰ তুলনাত কাম কম। আনকি পৰিকল্পনা আয়োগৰ সংশ্লিষ্ট মহলেও আপত্তি দৰ্শাইছে যে কিছুমান ৰাজ্যই কুৰি দফীয়া আঁচনিৰ অগ্ৰগতি সম্পৰ্কে অসত্য তথ্য পৰিৱেশন কৰাৰ ফলত অসুবিধাৰ সন্মুখীন হ’ব লগীয়া হৈছে। এনে অসত্য প্ৰচাৰে অসৎ প্ৰচেষ্টাকো কেনেকৈ জীপ দিছে তাৰে এটা উদাহৰণ গুজৰাটৰ ঘটনা এটাৰ পৰাই দিব পাৰি। ধনধুকা নগৰত কুৰিদফীয়া আঁচনি মতে দুখীয়া ভূমিহীন শ্ৰমিকৰ চাৰিশ পৰিয়ালৰ বাবে গৰ সাজি দিয়া হ’ল। উৎফুল্ল পৰিয়ালসমূহ নতুন ঘৰত সোমালহি। কিন্তু দহ দিনৰ মূৰতে প্ৰবল বৰষুণত প্ৰায়বোৰ ঘৰেই ভাগি পৰিল। বিশটা পৰিয়ালৰ বাহিৰে বাকী সকলোবোৰ গৃহহাৰা হৈ পৰিল। এয়া মাত্ৰ এটা উদাহৰণহে।

অসমতো স্থবিৰ হৈ পৰা অৱস্থাত কুৰিদফীয়া ‘অগ্ৰগতি’কে ধৰি বিভিন্ন ক্ষেত্ৰত ‘অগ্ৰগতি’ৰ হিচাপ দিয়া এই ব্যয়বহুল প্ৰকাশনসমূহে কাক আভুৱা ভাবিব পাৰিছে বাৰু? চৰকাৰী প্ৰকাশনৰ নামত চলা এনে অনাচাৰলৈ চকু দিওঁতা কোনো নাই অৱশ্যে। ইয়াৰ আগতে প্ৰাক্তন চৰকাৰ এটাৰ আমোলত অসমৰ বুৰঞ্জীকে বিকৃত কৰি ব্যয়বহুল চৰকাৰী প্ৰকাশন এটা উলিওৱা হৈছিল। তাৰ পিচত অসমৰ অশান্তিৰ সম্পৰ্কতো বহুতো ধন ভাঙি বিকৃত তথ্যৰ যোগেদি পুস্তিকা যুগুতাই উলিওৱা হ’ল। এফালে অসমৰ অশান্তিৰ সম্পৰ্কত প্ৰশাসনীয় তদন্তৰ ব্যৱস্থা কৰি আনপিনে হুলৰয়দ চাহাবৰ দৰে বিনা বিচাৰে অসম চৰকাৰে নিজৰ প্ৰকাশনৰ যোগেদি অসমীয়াকে আচামী কৰি ফাঁচী দিলেই ! ৰাজ্যখনৰ চৰকাৰৰ মানসিক স্থিতি এই পৰ্যায়লৈ অৱনমিত হোৱা কাৰণে অৱশ্যে কেন্দ্ৰীয় চৰকাৰ বিশেষভাৱে উৎসাহিত হৈছে আৰু সেই কাৰণেই কেন্দ্ৰৰ তৰফৰ পৰা অসম সম্পৰ্কীয় প্ৰকাশন এটা উলিয়াই অসম তথা অসমীয়াৰ বিৰুদ্ধে অপপ্ৰচাৰ চলালে। এই প্ৰকাশন সম্পৰ্কে ৰাজ্যসভাতো অসমৰ সদস্যই আপত্তি দৰ্শাই কৈছে যে কেন্দ্ৰীয় চৰকাৰে এই প্ৰকাশনৰ যোগেদি বিদেশত অসমীয়া লোকক অপদস্থ কৰিছে,

অৰ্দ্ধ সত্য আৰু অসত্য কথাৰ অৱতাৰণা কৰিছে, বিচাৰাধীন বিষয়ৰ ওপৰত বিকৃত মন্তব্য কৰিছে আৰু চৰকাৰেই নিজৰ দেশবাসীৰ বিৰুদ্ধে প্ৰচাৰ চলাইছে। কেন্দ্ৰৰ এই প্ৰচেষ্টাকো দিছপুৰে যদি আত্মগৌৰৱৰ স্থল বুলিয়েই গণ্য কৰিছে, তেন্তে আমি নিৰুপায় !

## অইল ইণ্ডিয়া লিঃৰ কাৰ্যকলাপ

এই কাকতত পৰহি অইন ইণ্ডিয়া লিঃ সম্বন্ধে ওলাই যোৱা এটা দীঘলীয়া প্ৰতিবেদনৰ প্ৰতি আমি সংশ্লিষ্ট সকলোৰে দৃষ্টি আকৰ্ষণ কৰোঁ। বাতৰিটোত অসম-বিদ্বেষৰ কথাই প্ৰধানকৈ আছে এই কাৰণেই তাত গুৰুত্ব বহুতে দিব নুখুজিব পাৰে। তদুপৰি ছাত্ৰ সন্থাৰ নিচিনা কৰ্তৃপক্ষৰ ঘৰত অপ্ৰিয় অনুষ্ঠানৰ অভিযোগৰো উল্লেখ আছে। এই কাৰণেও ইয়াক মিছা অপপ্ৰচাৰ বুলি কৰ্তৃপক্ষই উৰুৱাই দিব পাৰিব। কিন্তু অভিযোগবিলাক তথ্য-ভিত্তিক কৰি দাঙি ধৰা হৈছে, সেইটো মন কৰিবলগীয়া। তদুপৰি এটা বৃহৎ চৰকাৰী খণ্ডৰ উদ্যোগৰ সফলতা বিফলতা ইয়াৰ লগত জড়িত হৈ আছে, সেইটোও মনত ৰাখিব লাগিব।

অসমীয়া মানুহৰ প্ৰতি বিদ্বেষ প্ৰদৰ্শন নতুন কথা নহয়। প্ৰায় ইষ্ট ইণ্ডিয়া কোম্পানীৰ দিনৰে পৰা অসমীয়া মানুহক নানান প্ৰকাৰে বঞ্চিত কৰাৰ প্ৰচেষ্টা চলি আহিছে। কিন্তু বিদেশী শাসন কালৰ সেই নীতিত আমি আজিও গুৰুত্ব নিদিওঁ। স্বশাসন প্ৰতিষ্ঠা হ'বৰ পৰাও যে এই ধাৰাৰ বিশেষ পৰিৱৰ্তন নহ'ল এইটোহে মন কৰিবলগীয়া। শেহতীয়াকৈ আমাৰ আজিৰ বছৰ কেইটাত ৰাজনৈতিক কাৰণত এই বিদ্বেষৰ মাত্ৰা অতিশয় বৃদ্ধি পাই গৈছে। ৰাষ্ট্ৰপতিৰ শাসন থকা সময়ত মূল মূল পদবীত থকা অসমীয়া



বিষয়া সকলক কেনেকৈ ৰাতিটোৰ ভিতৰতে আঁতৰোৱা হৈছিল তাৰ স্মৃতি এতিয়াও সজীৱ হৈয়ে আছে। ৰাজ্যপালৰ তিনিজন উপদেষ্টা আৰু আমদানিকৃত বিদ্যুৎ ব'ৰ্ডৰ চেয়াৰমেনজনক লৈ দিল্লীয়ে যি নিৰ্বাচনী লীলা খেলা দেখুৱালে, আৰু ক্ষমতাৰ লোভত এনে কাৰ্যকো এচাম অসমীয়া লোকেই নীৰৱে সমৰ্থন কৰি গ'ল সেই কথাও আমাৰ পাহৰিব নোৱাৰি উক্ত বাতৰিটোত অইল ইণ্ডিয়াৰ যিজন মুখ্য আবাসিক বিষয়াক কেন্দ্ৰ কৰি নানান অনীতি-অনিয়মৰ অভিযোগ তোলা হৈছে, তেওঁও কেন্দ্ৰৰ দ্বাৰাই নিয়োজিত, কেন্দ্ৰৰ তথা অসম-বিদ্বেষী মহলৰ আশীৰ্বাদ ধন্য।

এই বিষয়াজন আছিল এজন সামৰিক বিষয়া। তৈলক্ষেত্ৰৰ নিচিনা জটিল কাৰিকৰী উদ্যোগ পৰিচালনাৰ জ্ঞান তেওঁৰ সমূলি নাই। চলিত আন্দোলনৰ পৰিপ্ৰেক্ষিততে পূৰ্বৰ অসমীয়া আবাসিক মুখ্য বিষয়াজনক কাম এৰি যাবলৈ আজি দুবছৰৰ আগতে বাধ্য কৰা হৈছিল। তেতিয়াৰে পৰা ভাৰপ্ৰাপ্ত বৰ্তমান সামৰিক বিষয়াজনে অসমীয়া বিদ্বেষী মহলৰ সহযোগিতাত যথেচ্ছাচাৰ কৰি আহিছে, থলুৱা লোকক বঞ্চিত কৰাৰ সুযোগ উলিয়াই লৈছে। তাৰ ফলত বহু অসমীয়া বিষয়াই অইল ইণ্ডিয়াৰ চাকৰি ইস্তফা দি গুচি গৈছে, শ শ অনা-অসমীয়া বনুৱাক স্থায়ী মকৰল দিয়া হৈছে, আঠশ টকাৰ যি চাকৰি থলুৱা প্ৰাৰ্থীৰ নীতিগতভাৱেই প্ৰাপ্য তাৰ দৰমহাৰ হাৰ বেছি কৰি দি তেনে থলুৱা প্ৰাৰ্থীৰ বাট বন্ধ কৰি দিয়া হৈছে, ফেব্ৰুৱাৰীৰ অসহযোগ আন্দোলনৰ সময়ত কামত অনুপস্থিত থকা অসমীয়া কৰ্মচাৰীক শাস্তি দিছে কিন্তু একে শাৰীত পৰা অনা-অসমীয়া কৰ্মচাৰীক একো শাস্তি দিয়া নাই। এইয়া বিষয়াজনৰ স্বেচ্ছাচাৰিতাৰ কেইটিমান মাত্ৰ দৃষ্টান্তহে। বিদ্যুৎ ব'ৰ্ডৰ প্ৰাক্তন চেয়াৰমেন জনে (যাক মুখ্য নিৰ্বাচনী বিষয়া পতা হৈছিল) কাৰ্যভাৰ লৈয়েই নিজৰ বাবে গা-ৰখীয়া, গাড়ী আদি নতুনকৈ কিনি পয়োভৰ বঢ়োৱাৰ দৰে অইল ইণ্ডিয়াৰ মুখ্য বিষয়াজনেও দিছপুৰৰ নিৰ্বাচনী অফিচৰ চাৰিওমেৰে কাঁটা তাঁৰৰ ঘেৰ দিয়াৰ দৰে দুলিয়াজান চহৰৰ চৌদিশে ওখ পকা দেৱাল দিবলৈ ওলাইছে, পথ নিৰ্মাণত অযথা

কৌটি কৌটি টকা খৰচ কৰিছে, জালনী ক্লাৱত যোগানধাৰী ঠিকাদাৰক লাখ লাখ টকাৰ ভোজমেল পাতিবলৈ দিছে। এইবিলাকৰ কুপৰিণাম কি হ'বগৈ সেইটো অনুমান কৰা টান নহয়। থলুৱা কৰ্ম প্ৰাৰ্থী নিবনুৱা ইঞ্জিনীয়াৰ, নিযুক্ত হৈও কাম এৰিবলৈ বাধ্য হোৱা থলুৱা লোক বঞ্চিত হোৱাটোতো পৰিতাপৰ বিষয়েই ইয়াৰ লগতে সময়ত দেশৰেই যে বিৰাট ক্ষতি হ'বগৈ সেইটোও বিচাৰ্য— অকল ৰাজ্যখনৰে নহয়, সমগ্ৰ দেশখনৰে। এই বিষয়াজনে বোলে তেল উৎপাদনৰ লক্ষ্যকে হ্ৰাস কৰি পেলাইছে তেলৰ স্বাবলম্বিতাৰ পিনে দিব লগা খোজ তেওঁ পিচুৱাই দিছে। চৰকাৰী খণ্ডৰ লোকচান হোৱাটো এটা পুৰণা ৰোগ। তাক ৰোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে কঠোৰভাৱে নিৰ্দেশ দিছে। অইল ইণ্ডিয়াই যদি এই পদ্ধতিৰেই কাম কৰি যায় তেনেহ'লে কোনো কালেই কেন্দ্ৰৰ আকাংক্ষিত লাভৰ মুখ দেখিবলৈ পোৱা নহ'ব।

## *বান নিয়ন্ত্ৰণ*

কেন্দ্ৰীয় জলসিঞ্চন দপ্তৰৰ ৰাজ্য মন্ত্ৰী শ্ৰীৰামনিবাস মিৰ্দ্ধাৰ সভাপতিত্বত গুৱাহাটীত বহা ব্ৰহ্মপুত্ৰ পৰ্যালোচনা ব'ৰ্ডৰ সভাই ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ কামৰ বিষয়ে পৰ্যালোচনা কৰে। সভাই এখন মাষ্টাৰ প্লেন তৈয়াৰ কৰাৰ বাবে গৱেষণা আৰু জৰীপ চলাই থাকিবলৈ ব্ৰহ্মপুত্ৰ ব'ৰ্ডক ভাৰ দিছে। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰি বানপানী আৰু খহনীয়া ৰোধ কৰা আৰু লগতে জলসিঞ্চন, নদী পৰিবহন আৰু জলবিদ্যুৎ ব্যৱস্থা সামৰি সৰ্বাত্মক পৰিকল্পনা এখন যুগুত কৰাটো যে দীৰ্ঘম্যাদী বিষয় এটা— সেই বিষয়ে সন্দেহ নাই। এই বিষয়ত গৱেষণা আৰু জৰীপৰ যোগেদি তথ্য সংগ্ৰহ কৰোটেৰেই সময়সাপেক্ষ কথা। পিচে এই প্ৰসংগতে এটা কথা সোঁৱৰাই



দিয়া উচিত হ'ব যে তিব্বতৰ উৎসস্থলীৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰ নদীৰ বিষয়ে তথ্য সংগ্ৰহ নকৰিলে গৱেষণাই পূৰ্ণাঙ্গ ৰূপ ল'ব নোৱাৰে। নদীখনৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সেই অঞ্চলৰ তথ্যৰ বিশেষ আৱশ্যক হ'ব। তাহানি তেতিয়াৰ প্ৰধানমন্ত্ৰী 'জৱাহৰলাল নেহৰুৱেও তিব্বত অঞ্চলৰ তথ্য গোটোৱাৰ ওপৰত গুৰুত্ব দিছিল। পিচে তাৰ পিচত সুদীৰ্ঘ কাল অতিবাহিত হৈ গ'ল যদিও এই ক্ষেত্ৰত সমূলি আগবাঢ়িব পৰা নগ'ল। চীনৰ লগত সম্পৰ্কৰ পৰিবৰ্তন নঘটা বাবে তিব্বত অঞ্চলৰ তথ্য গোটোৱাটো অসম্ভৱ কথা হৈয়েই থাকিল। এই ৰাজনৈতিক প্ৰসংগটো জড়িত হৈ পৰা বাবে আমি বাধাৰ সন্মুখীন হ'ব লগীয়া হৈছে। চীনৰ লগত থকা সীমান্ত বিবাদ নিষ্পত্তি কৰাৰ বাবে প্ৰচেষ্টা চলি আছে যদিও এই ক্ষেত্ৰত আগবাঢ়িব পৰা হোৱা নাই। সেই দেখি আমাৰ সমুখৰ সমস্যাও আঁতৰা নাই।

অৱশ্যে গৱেষণা আৰু জৰীপৰ সম্পৰ্কত আমাৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰতো বহুতো কৰিব লগীয়া কাম আছে। ১৯৫০ চনৰ বৰভুঁইকঁপৰ পিচত ব্ৰহ্মপুত্ৰ নদীৰ লগতে এই অঞ্চলৰ বহুতো পৰিবৰ্তন ঘটিল যদিও যিদৰে বৈজ্ঞানিক অধ্যয়ন হ'ব লাগিছিল— তেনেদৰে নহ'ল। যথেষ্ট বহুমূলীয়া সময় হানি কৰা হ'ল। এতিয়া সেই বিষয়ে সূক্ষ্ম বিচাৰ হ'ব লাগে। বৰভুঁইকঁপে ঘাইকৈ অৰুণাচল প্ৰদেশৰ পাহাৰ টকলা কৰি পেলোৱাত পাহাৰৰ খহনীয়া বাঢ়িল আৰু নদী বাম হৈ পৰিল। তদুপৰি ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ দুয়োপাৰৰ গছ-গছনি, বননি কাটি শেষ কৰাৰ ফলতো দুয়ো পাৰৰ পৰা মাটি খহি নৈত পৰাৰ ফলতো নৈবোৰ ক্ৰমে বাম হৈ যাব লাগিছে। ইপিনে পাৰ্বত্য অঞ্চলত ঝুম খেতিৰ বিকল্প কাৰ্যতঃ থিয় কৰাব নোৱাৰাৰ বাবেও সেই একে সমস্যা হৈ আছে। সেই দেখি নদী নিয়ন্ত্ৰণৰ বেলিকা এইবোৰ সমস্যাও বিচাৰৰ ভিতৰুৱা হ'ব লাগিব আৰু প্ৰতিকাৰৰ পৰিকল্পিত কাৰ্য ব্যৱস্থা আঁচনিৰ অংগীভূত হ'ব লাগিব।

এই প্ৰসংগতে অসমত ইতিমধ্যে বান-নিয়ন্ত্ৰণ আৰু খহনীয়া নিবাৰণৰ

বাবে চলাই থকা অপৰিকল্পিত আঁচনিবোৰৰ নিৰ্ভীক মূল্যাংকন হোৱাটোও নিতান্ত প্ৰয়োজনীয়। কাৰোবাৰ স্বাৰ্থত কিবা প্ৰকাৰে আঘাত লাগে বুলিয়েই ফালৰি কাটি থাকিলে প্ৰকৃত মূল্যাংকন কৰা নহ'ব। কিয়নো এনেবোৰ অপৰিকল্পিত ব্যৱস্থাই বহু সময়ত বানপানী আৰু খহনীয়া বঢ়োৱা বুলি নাইবা বেলেগ বেলেগ অঞ্চলত নতুন নতুন সমস্যাৰ সৃষ্টি কৰা বুলি অভিযোগ উঠি আছে। আমি আশা ৰাখিছো যে সম্প্ৰতি নতুন তৎপৰতাৰে কৰ্মক্ষেত্ৰত অৱতীৰ্ণ হোৱা ব্ৰহ্মপুত্ৰ ব'ৰ্ডে সকলো দিশ সামৰি লৈ সূক্ষ্ম অধ্যয়ন চলাব। বানপানী আৰু খহনীয়াই জুৰুলা কৰা ৰাজ্যখনে অৰ্থহীন আশ্বাসৰ মাজতে সুদীৰ্ঘ কাল কটালে। কেন্দ্ৰীয় মন্ত্ৰীয়ে নিজেই এতিয়া স্বীকাৰ কৰিছে যে অসমত বছৰি বানপানীয়ে কৰা ক্ষতিৰ পৰিমাণ ৩০ কোটি টকাৰ অধিক। এই পৰিমাণ ক্ৰমে বাঢ়িব বুলিহে আমি আশংকা কৰিছো। কিয়নো এতিয়া বছৰি কেইবাবাৰো প্ৰবল বানপানী হ'বলৈ ধৰিছে আৰু পূৰ্বতে বানপানীয়ে নোচোৱা ঠাইকো এতিয়া স্পৰ্শ কৰিছে। সেই দেখি ৰাজ্যখনৰ উদ্ধাৰৰ বাবে বিশেষ তৎপৰতাৰ প্ৰয়োজন হৈছে।

## ***বেদখল আৰু ৰাজনৈতিক ভ্ৰষ্টাচাৰ***

ৰাজ্য বিধান সভাত দাখিল কৰা অসম ভূমি সংস্কাৰ আয়োগৰ প্ৰতিবেদনত অসমৰ সংৰক্ষিত চৰণীয়া পথাৰবোৰ চৰকাৰৰ চকুৰ আগতে এফালৰ পৰা বেদখল হ'বলৈ ধৰাত আৰু এই সম্পৰ্কত চৰকাৰে একো ব্যৱস্থা নোলোৱাত আয়োগে উদ্বেগ প্ৰকাশ কৰিছে। এইবোৰ অঞ্চল বেদখলমুক্ত কৰাৰ লগতে সংৰক্ষিত বনাঞ্চলসমূহো বেদখলৰ পৰা মুক্ত কৰাৰ বাবে প্ৰতিবেদনত পৰামৰ্শ দিছে।



১৯৭৮ চনত গঠিত এই আয়োগৰ প্ৰতিবেদন এতিয়াহে সদনৰ বিচাৰ মঞ্চলৈ অহাটো অৱশ্যে দুৰ্ভাগ্যৰ কথা। কিয়নো আয়োগে বিচাৰ কৰা সময়তকৈ এতিয়াৰ পৰিস্থিতি আৰু বহুতগুণে ভয়ংকৰ হৈ পৰিছে। সমগ্ৰ ৰাজ্যতে চৰণীয়া পথাৰ আৰু সংৰক্ষিত বনাঞ্চলকে ধৰি সকলো মাটি আৰু হাবিতে ব্যাপক আৰু পৰিকল্পিতভাৱে বেদখল চলিছে। আনকি ভাৰতীয় নাগৰিকত্ব নথকা লোকেও এনে বেদখলত আগ-ভাগ ল'বলৈ 'স্বাধীনতা' পাইছে। ৰাজনৈতিক পৃষ্ঠপোষকতাই তেওঁলোকক অপাৰ সুযোগ দিছে। সুদীৰ্ঘ কালৰ ভিতৰত কোনো সময়তে ৰাজ্যৰ কোনো এটা চৰকাৰেই বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ সাহ কৰা নাই। বৃহত্তৰ স্বাৰ্থৰ চিন্তাতকৈ ভোটৰ চিন্তা, ৰাজনীতিৰ চিন্তাই আগ ঠাই পাই আহিছে। ১৯৮২ চনৰ মে' মাহত ৰাজ্য সভাত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা স্বীকাৰ কৰিছিল যে অসমৰ ১৬.৪২ লাখ হেক্টাৰ সংৰক্ষিত হাবিৰ ভিতৰত ১৩৪৭১৩ হেক্টাৰ বেদখলকাৰীৰ কবলত আছে। কিন্তু সেই কথা স্বীকাৰ কৰাৰ মূৰতো কেন্দ্ৰই একো ব্যৱস্থা নল'লে। অথচ সংৰক্ষিত হাৱত মুকলি কৰি দিয়াৰ অধিকাৰ কেন্দ্ৰই ৰাজ্যৰ হাতৰ পৰা নিজৰ হাতলৈ নিছে। কেন্দ্ৰয়ো এইবোৰ কথা ৰাজনীতিৰ তুলাচনীৰেহে জুখি চায়। চৰকাৰে আদৰ্শৰ কথা যিমানে নকওক— আচল ৰূপ কিন্তু বেলেগ সিদিনা ৰেলৰ মাটিৰ বেদখল সম্পৰ্কে এম পি, এল এল এৰ পৰা হেঁচা দিয়া হেতুকে বেদখল উচ্ছেদ কৰিব পৰা নাই বুলি ৰেল মন্ত্ৰী যে যি কথা কৈছে, সেই কথা অন্যান্য মাটিৰ বেদখলৰ ক্ষেত্ৰতো প্ৰযোজ্য। সেই দেখি ৰাজ্য বিধান সভাত উত্থাপিত এইখন প্ৰতিবেদনৰ ভিত্তিতো কিবা ব্যৱস্থা লোৱাৰ জোখাৰে ৰাজ্য চৰকাৰৰ সাহস থাকিব বুলি আমি ভবা নাই। ৰাজনীতিৰ অংকই ৰাজ্য চৰকাৰক সেও মনাব। ফলত সাম্প্ৰতিক অৰাজকতাই প্ৰধান্য লাভ কৰি থাকিব। পৰিণাম যিয়েই নহওক তাৰ বাবে চিন্তা নাই— গাদী ৰ'লেই হ'ল। আয়োগৰ প্ৰতিবেদন মতে ১৭ বছৰৰ ভিতৰত ৰাজ্যৰ চৰৰীয়া পথাৰৰ মাটিকালি ১৯ শতাংশ কমিছে। ফলত চৰণীয়া পথাৰৰ এনে অৱস্থা হৈছেগৈ যে প্ৰতি

একৰত তিনিটা গৰুৱে খাবৰ জোখাৰে ঘাঁহ নোহোৱা হৈছে অৱশ্যে গোসম্পদৰ উন্নতি সধা আৰু গাখীৰৰ উৎপাদন বঢ়োৱাৰ ৰঙীন আঁচনিৰে চৰকাৰে তালফাল লগাই থকাত একো বাধা নেথাকিব আভুৱা ভৰাৰ বাবে সেয়ে যথেষ্ট হ'ব।

ৰাজনৈতিক ভ্ৰষ্টাচাৰৰ বাবেই অসমৰ মাটি আৰু হাবিৰ সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ১৯৬৭ চনতে কেন্দ্ৰীয় খাদ্য আৰু কৃষি মন্ত্ৰী দপ্তৰে চলোৱা সমীক্ষাত কৈছিল যে অসম, হাৰিয়ানা, পঞ্জাৱ, কেৰালা, জম্মচ-কাশ্মীৰ, নগালেণ্ড— এই কেইখন ৰাজ্যতে খেতিৰ উপযোগী মাটি খেতি নোহোৱাকৈ পৰি থকাৰ পৰিমাণ আটাইতকৈ কম। কিন্তু তাৰ মূৰতো অসমৰ মাটিৰ প্ৰতি থকা লালসাক বাধা দিয়াৰ কোনো চেষ্টা চৰকাৰৰ তৰফৰ পৰা কৰা নাই। তাৰ ঠাইত চৰকাৰৰ অধিষ্ঠিত থকা সকলে অসমৰ মাটি আৰু হাবিক বেলট্ বাকচ ৰূপে গণ্য কৰি সৰ্বনশীয়া খেল খেলিছে।

## যথেচ্ছাচাৰৰ আৰু এটা উদাহৰণ

দিল্লীৰ হৰ্তাকৰ্তা সকলে কলমৰ খোঁচেৰেই সকলো কৰিব পৰাৰ যোগ্যতা লাভ কৰিছে বুলি নিশ্চিতহৈ আছে; বিশেষকৈ ৰাজ্যসমূহৰ নেতৃত্বক নিজৰ জোলোঙাৰ ভিতৰত ৰখাৰ ব্যৱস্থা প্ৰবৰ্তন কৰাৰ পৰা এই নিশ্চয়তাৰ ওপৰত দিল্লীয়ে পৰম আস্থা ৰাখিছে। সেই দেখি আন সকলো বিষয়ত সকলোৰে মতামতলৈ ভ্ৰূক্ষেপ নকৰি কাম কৰাৰ দৰেই এতিয়া অসমৰ আপুৰুগীয়া গঁড় কেইটাৰ ক্ষেত্ৰতো পৰম তৃপ্তিৰে যথেচ্ছাচাৰৰ কচৰৎ আৰম্ভ কৰি দিছে।

পৃথিৱীৰ পৰা প্ৰায় লুপ্ত হৈ যাব খোজা গঁড় এতিয়া বিশেষ কেইখনমান



ঠাইতহে আছেগৈ। তাৰ ভিতৰত অসমো আছে। অসমৰ কেইবাখনো হাবিত গঁড় আছে যদিও ঘাইকৈ কাজিৰঙা অভয়াৰণ্যতে বুজন সংখ্যক গঁড় আছে। অনুকূল প্ৰাকৃতিক সুচলতা থকা বাবেই কাজিৰঙাত গঁড়ে আশ্ৰয় লৈছে। তেনে অনুকূল পৰিৱেশ প্ৰকৃতিয়েহে দান কৰিব পাৰে— চৰকাৰী নিৰ্দেশে তাক সৃষ্টি কৰি দিব নোৱাৰে। যদি আন ঠাইত থকাটো সম্ভৱ হ'লহেঁতেন তেন্তে চৰকাৰী নিৰ্দেশলৈ বাট নেচাই এই গঁড়বোৰ কেতিয়াবাই দিহিঙে-দিপাঙে ভাগি গ'লহেঁতেন। সেই দেখি কাজিৰঙাৰ পৰা উত্তৰ প্ৰদেশৰ দুধৱালৈ গঁড় লৈ যোৱাৰ কথা ওলাওঁতে প্ৰতিবাদৰ খলকনি উঠিছিল। বিশেষজ্ঞ সকলেও তেনে ব্যৱস্থা লোৱাৰ বিপৰীতে সুচিন্তিত মন্তব্য দিছিল। কিন্তু সকলো কথা অগ্ৰাহ্য কৰি উত্তৰ প্ৰদেশৰ দুধৱালৈ প্ৰথম কিস্তি হিচাপে ছয়টা গঁড় নিয়া হ'ল। পিচে নিয়াৰ পৰ্ব আৰম্ভ হওঁতেই দুৰ্যোগৰ সৃষ্টি হ'ল। এই সম্পৰ্কত অসমৰ বাহিৰৰ কাকতত প্ৰকাশ পোৱা বাতৰিয়ে আমাক অবাক কৰিলে। ইতিমধ্যে দুটা গঁড় মৰিলেই। উত্তৰ প্ৰদেশৰ বন বিভাগীয় 'বিশেষজ্ঞ' সকলে আহি ধৰি নিয়া ছয়টা গঁড়ৰে এটা ইয়াতে মৰিল। আনহাতে ধৰি নিয়া গাভিনী গঁড় এজনী দুধৱা পাওঁতেই মৰিল। পিচে বন্য প্ৰাণী প্ৰেমী এই বিশেষজ্ঞ সকলে গাভিনী গঁড় ধৰি নিয়াৰ নিচিনা পাশৱিক কাৰ্য কৰাৰ 'লাইচেন্স' পালে কেনেকৈ? চোৰাং গঁড় চিকাৰীৰ মনোবৃত্তিৰ পৰা এই বিশেষজ্ঞ সকলৰ মনোবৃত্তি বেলেগ হ'ল কেনেকৈ? বিমানত তুলি নিওঁতেই উগ্ৰমূৰ্তি ধৰা গড়ঁজনীক হেনো বশ মনাব নোৱাৰা অৱস্থা হৈছিল। আনহাতে কাজিৰঙাত 'ট্ৰেঙ্কুলাইজাৰ' প্ৰয়োগ কৰি গড়ঁজনীক ধৰাৰ সময়তে তাইৰ ঠেঙত ঘা লগা বুলিও বাতৰিত প্ৰকাশ। এইজনী গাভিনী গঁড়ৰ এনে আসুৰিক ব্যৱস্থাৰে ধৰাৰ পন্থাকো সমৰ্থনযোগ্য বুলি ভবা এনে 'বিশেষজ্ঞ' সকলেই দুধৱাত সেই 'বিশেষজ্ঞ' জ্ঞানৰ ভিত্তিতে গঁড়ৰ নতুন আবাসভূমি ৰচনা কৰিব নে? প্ৰধানমন্ত্ৰীৰ জিদ ৰাখিবলৈ গৈ দুধৱাত গঁড় মেলি দিয়াৰ হকে সকলো কথা জলাঞ্জলি দিয়া এই বিশেষজ্ঞ সকলৰ ভূমিকা কিন্তু সদায় কলুষিত হৈ থাকিব।

গঁড়ৰ ক্ষেত্ৰত থকা অসমৰ আকৰ্ষণ নোহোৱা কৰাৰ উদ্দেশ্যেৰেই গাৰ বলেৰে এনেবোৰ ব্যৱস্থা যিসকলে বন্যপ্ৰাণীৰ প্ৰেমৰ নাম লৈ কৰিছে, সেই সকলেই কিন্তু কাজিৰঙাৰ গঁড় ৰক্ষা কৰাৰ ক্ষেত্ৰত তেনে তৎপৰতা কেতিয়াও দেখুওৱা নাই। কাজিৰঙা অভয়াৰণ্যৰ পৰিসৰ বঢ়াই, বেদখল উচ্ছেদ কৰি; কাষৰীয়া অঞ্চলক নিৰাপদ কৰি ৰখাৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈ যিখিনি কাম কেতিয়াবাই কৰিব লাগিছিল— সেইখিনি কিন্তু ৰাজনীতিৰ খেলেই বন্ধ কৰি ৰাখিছে।

## *চোৰাং কাৰবাৰীৰ ওচৰত আত্মসমৰ্পণ*

অসমৰ বনাঞ্চলত কাঠৰ চোৰাং কাৰবাৰীৰ ওচৰত প্ৰশাসনে এনেকৈ আত্মসমৰ্পণ কৰিছে যে সেইবোৰ অঞ্চলত এতিয়া পূৰ্ণাঙ্গভাৱে অৰাজকতা চলিছে। ফলত যি সময়ত বনাঞ্চল ৰখা কৰি বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ধুমধুপাল লগাই সপ্তাহ পালন কৰা হৈছে সেই সময়তে চৰকাৰী কৰ্তব্য পালন কৰা বন বিভাগীয় কৰ্মচাৰীক চোৰাং কাৰবাৰীয়ে হত্যা কৰাৰ নিচিনা শোকাবহ বাতৰিও আমি হজম কৰিব লগীয়া হৈছে। এই ঘটনা সীমান্তৰ আওহতীয়া অঞ্চলত ঘটা নাই। বকো অঞ্চলতে ঘটিছে আৰু প্ৰশাসনক এই ঘটনাই মুকলিভাৱে প্ৰত্যাহ্বান জনাবলৈ সাহস দেখুৱাব পাৰিছে।

অকল ভণ্ডামিৰে নিশ্চয় শাসন নচলে। সমগ্ৰ অসম জুৰি বনাঞ্চলত সীমাহীন অনাচাৰ চলিছে। গছ-গছনি কাটি টহিলং কৰা হৈছে ব্যাপক বেদখল চলিছে। নিৰ্বিবাদে অসমৰ পৰা কাঠৰ চোৰাং চালান চলি আছে। ফলত হাবি-বন নিঃশেষ হৈছে। অৱশ্যে এচাম চোৰাং কাৰবাৰী আৰু এচাম বিষয়া, কৰ্মচাৰী আৰু নেতা চহকী হৈছে। অসমৰ সম্পদৰ পৰা চৰকাৰৰ যিমান



আয় হ'ব লাগিছিল— সিমান আৰু নহয়। অসমতকৈ কম বন সম্পদ থকা ৰাজ্যৰো বেছি পৰিমাণে বন সম্পদৰ পৰা আয় হয়। কিন্তু তাৎলৈ কাণ কৰোতা কোনো নাই। চোৰাং কাৰবাৰীয়ে অক্টোপাছৰ হাতোৰাৰে প্ৰশাসনক চেপি ধৰিছে। বন বিভাগীয় নিযুক্তি পদোন্নতি আদি চোৰাং কাৰবাৰীৰ নিৰ্দেশতহে চলে— তাৰ বাবে লাখ লাখ টকাৰ বিনিময় ঘটে। নিৰ্বাচনী স্বাৰ্থকে ধৰি বিভিন্ন স্বাৰ্থত গছ কটাৰ পাৰ্মিট বিতৰণৰ নামত ব্যভিচাৰ চলে— মুকলি ভাৱে। নিষ্ঠাবান বন বিভাগীয় চাকৰিয়ালৰ কোনো ভৱিষ্যত নাই— তেওঁলোক প্ৰশাসনৰ বাবে এলাগী হৈ পৰিছে। কোনো বিষয়া বা কৰ্মচাৰীয়ে নিষ্ঠাৰে কঠোৰ ব্যৱস্থা ল'লে তেওঁ বদলি হোৱাকে ধৰি বিভিন্ন ব্যৱস্থাৰে অপদস্থ হ'ব। মুঠতে চোৰাং কাৰবাৰৰ প্ৰতিপত্তি অটুট ৰখাৰ বাবে সকলো আয়োজন সম্পূৰ্ণ কৰা হৈছে। আনকি অসমৰ লগত চুবুৰীয়া কেইখনমান ৰাজ্যত সীমা-বিবাদ হোৱাৰ মূলতো কাঠৰ চোৰাং কাৰবাৰীৰ অৱদান থকা বুলি সন্দেহ কৰা হৈছে। অসমকে ধৰি চুবুৰীয়া ৰাজ্যৰ কাঠো চোৰাংভাৱে কটাৰ সুযোগ এইচাম ব্যৱসায়ীয়ে এনেকৈয়ে উলিয়াইছে। তেওঁলোকৰ প্ৰভাৱ ইমান বেছি যে তেনে কাৰবাৰ চলাবৰ বাবে সুবিধাজনক হোৱা ঠাইতহে কাঠৰ কল আদি পাতিবলৈকো তেওঁলোকে হেলাৰঙে পাৰ্মিট আদায় কৰি ল'ব পাৰিছে?

প্ৰশাসনে চোৰাং কাৰবাৰীৰ ওপৰত এনেদৰে আত্মসমৰ্পণ কৰি মাত্ৰ ভণ্ডামিৰ বাবেহে বনাঞ্চল ৰক্ষা কৰাৰ কথা কয়। বিশেষ বন বিভাগীয় বাহিনী গঠন কৰাৰ নামত প্ৰচাৰ চলাব। কিন্তু কাৰ্যতঃ প্ৰশাসনে বন বিভাগীয় লোকক চোৰাং কাৰবাৰীৰ 'মৰ্জি'ৰ ওপৰত নিৰ্ভৰশীল কৰি ৰাখে। ইতিমধ্যে বিভিন্ন অঞ্চলত বন বিভাগীয় কৰ্মচাৰী লাঞ্ছিত হৈছে। গোৱালপাৰা অঞ্চলৰ পৰা বন বিভাগৰ লোক প্ৰাণ লৈ পলাব লগীয়া হোৱা ঘটনা কেইবাবাৰো ঘটিছে। কিন্তু তাৰ বাবে প্ৰশাসন লজ্জিত হোৱা নাই আৰু সেই দেখি তৎপৰো হোৱা নাই। সম্প্ৰতি বকো অঞ্চলত যিতো ঘটনা ঘটিল তাৰ বাবেও প্ৰশাসনৰ নপুংসক চৰিত্ৰৰ মূলতঃ দায়ী। বকো অঞ্চলত চোৰাং

কাৰবাৰীৰ ৰাজত্ব বহু দিনৰ পৰা চলিছে। এই বিষয়ে নানান বাতৰি ওলাই আছে। চৰকাৰে সেইবোৰ কাৰ্যকলাপ দমন কৰাৰ ঠাইত চোৰাং কাৰবাৰ বন্ধ কৰিবলৈ ওলোৱা কৰ্মচাৰী বিষাৰ বিৰুদ্ধেহে ব্যৱস্থা লৈছে। বকো অঞ্চলৰ কাঠৰ ব্যৱসায় যাতে পৰিপুষ্ট হয়, তাৰ বাবে পূৰ্বৰ বিভিন্ন চৰকাৰে বিশেষভাৱে কেতবোৰ ব্যৱস্থা লৈছিল। তাৰ ফলত বনাঞ্চল সমৃদ্ধ হোৱাৰ লগতে থলুৱা বহুতো ব্যৱসায়ীয়ে সুস্থ ব্যৱসায় চলোৱাত সুবিধা পাইছিল। কিন্তু চোৰাং ব্যৱসায়ীৰ প্ৰশাসনক বন্ধকীয়া খটুৱাবলৈ লোৱাৰ পৰা সেই অঞ্চলৰ বনাঞ্চল ধ্বংস হ'বলৈ ধৰিলে আৰু থলুৱা লোকৰ সুস্থ ব্যৱসায়ো লেৰেলি যাবলৈ ধৰিলে। প্ৰশাসনক নিৰ্লজ্জ নিৰ্লিপ্ততাৰ বাবে নিষ্ঠাবান বন বিভাগীয় কৰ্মচাৰী এজনে জীৱন হেৰুৱাব লগীয়া হোৱা বাবে দিছপুৰে লাজ নেপালেও আমি লজ্জিত আৰু দুঃখিত।

# 'মৃত্যুঞ্জয়' প্ৰসঙ্গত

অসমৰ প্ৰসিদ্ধ সাহিত্যিক ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যক ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ ভিত্তিত লিখা তেওঁৰ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনৰ বাবে ১৯৭৯ চনৰ জ্ঞানপীঠ বঁটা প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে সোমবাৰে নতুন দিল্লীৰ এটা বিশেষ অনুষ্ঠানত দান কৰে। সাহিত্য-জগতত ডঃ ভট্টাচাৰ্যই লাভ কৰা এই স্বীকৃতিৰ বাবে আমি ওলগ জনাইছো। এই স্বীকৃতিয়ে অসমৰ ৰাইজক আৰু অসমীয়া ভাষা-সংস্কৃতিকে প্ৰেৰণা যোগাইছে। বিশেষকৈ যি সময়ত ডঃ ভট্টাচাৰ্যই এই বঁটা পাইছে, সেই সময়ছোৱাৰ পটভূমিত ইয়াৰ এটা সুকীয়া তাৎপৰ্যও আছে। সেই দেখি ডঃ ভট্টাচাৰ্যই জ্ঞানপীঠ বঁটা পোৱা বুলি ঘোষণা কৰাৰ সময়ত অস্তিত্বৰ সংগ্ৰাম অক্লান্তভাৱে চলাই থকা অসমৰ ৰাইজে এটা নতুন প্ৰেৰণা পাইছিল। তেওঁৰ



'মৃত্যুঞ্জয়' উপন্যাসে যেন অসমৰ সংগ্ৰামী জনতাক মৃত্যুজয়ী হ'বলৈ নতুন বল যোগালে।

বঁটা দান কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে সাহিত্যিকৰ দায়িত্ব-সচেতনতাৰ ওপৰত গুৰুত্ব দিছে। দায়িত্ব-সচেতনতাক যদি দায়বদ্ধতাৰ সমাৰ্থক ৰূপে প্ৰধানমন্ত্ৰীয়ে গণ্য কৰা নাই, তেন্তে প্ৰধানমন্ত্ৰীৰ এই উক্তিৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থন আছে। সাহিত্যিকে দায়িত্ব-সচেতনতাৰ পূৰ্ণাঙ্গ নিদৰ্শন দাঙি ধৰিব নোৱাৰা কাৰণেই এবছৰৰো অধিক কাল চলা অসমৰ আন্দোলন ৰাজ্যখনৰ চাৰিসীমাৰ বাহিৰত আজিও বিকৃত ৰূপত উপস্থাপিত হৈ থকাৰ সুৰুঙা ওলাই আছে। বিদেশী নাগৰিকৰ বেনামী আক্ৰমণ চলা সত্বেও, ৰাজ্যখনৰ অস্তিত্ব সকলো ফালৰ পৰা বিলুপ্ত হ'বলগীয়া হোৱা সত্বেও ধৰ্ম, ভাষা আৰু ৰাজ্যান্তৰৰ বাসিন্দাৰ প্ৰশ্ন তুলি কূট লীলা খেলি এটা ৰাষ্ট্ৰীয় তথা সাংবিধানিক প্ৰসঙ্গক বিকৃত ৰূপত সজাই সমগ্ৰ দেশকে বিভ্ৰান্ত কৰাৰ তথা অসমৰ আন্দোলনৰ মূল প্ৰশ্নৰ পৰা ফালৰি কাটি যোৱাৰ অপচেষ্টা অবিৰত ভাৱে চলোৱা হৈছে। এইখন অন্যায় সমৰৰ বিৰুদ্ধে গাণ্ডীৱ তুলি লৈ সাহিত্যৰ মাধ্যমেৰে অপপ্ৰচাৰ নাশিবৰ বাবে সাহিত্যিকেই যুঁজিব লাগিছিল। মনৰ মাজত পৰশি যোৱাৰ চমু বাট হ'ল সাহিত্য। কিন্তু সেই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত দৈন্যহে পৰিলক্ষিত হ'ল। হয়তো উৎসাহৰ অভাৱত বা দায়িত্ব সচেতনতাৰ পূৰ্ণাঙ্গ প্ৰতিফলনৰ অভাৱত নতুবা কিছুমানক ৰাজনৈতিক আদি প্ৰসঙ্গৰ দায়বদ্ধতাৰ হেঙাৰে বাধা দিয়াত এই উদ্দেশ্য পূৰণ এতিয়ালৈকে হোৱা নাই। কিন্তু আমি আশা এৰি দিয়া নাই— আমাৰ দৃঢ় বিশ্বাস এন্ধাৰ নাশি পোহৰ বিলাবলৈ আমাৰ সাহিত্যিকো আগবাঢ়ি আহিব।

বঁটা দান কৰা এই অনুষ্ঠানত দিয়া ভাষণতে প্ৰসঙ্গক্ৰমে প্ৰধানমন্ত্ৰীয়ে অসমৰ বিদেশী সমস্যাৰ কথাও উল্লেখ কৰিলে। প্ৰধানমন্ত্ৰীয়ে কয় যে পাৰস্পৰিক এৰা ধৰাৰ মনোভাৱেৰে অসমৰ সমস্যাৰ সমাধান উলিয়াব

পৰা যাব। কিন্তু কথা হ'ল— এৰা-ধৰা কৰাটো একপক্ষীয় হ'ব লাগিব? আলোচনাৰ এটা পৰ্যায়ত ১৯৬১ চনৰ সীমালৈকে এটা আপোচৰ ব্যৱস্থা হৈছিল। সংকটৰ সৃষ্টি হ'ল— ১৯৬১-৭১ চনৰ সময়ছোৱালৈ। এই ছোৱা সময়ৰ ক্ষেত্ৰতো প্ৰধানমন্ত্ৰীয়ে পোনতে যি কথা কৈছিল, দেশৰ কেতবোৰ ৰাজ্যৰ পৰা হেঁচা পোৱাৰ পিচত সেই কথাও তল পেলাই দি ১৯৭১ চন সীমাকে টান মুঠিৰে ধৰি থাকিলে। অথচ ১৯৭১ চনৰ সীমাটো একো নতুন কথাই নহয়। সেই দেখি এৰা-ধৰা একপক্ষীয় হ'লে মীমাংসা নোলায়। প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ জনসাধাৰণে তেওঁলোকৰ সমস্যাটো ব্যাপকতৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলেহে এটা সমাধান হ'ব পাৰে বুলি কৈ চৰকাৰক সকলো দায়িত্বৰ পৰা ৰেহাই দিয়া যেন লাগিল। ব্যাপকতৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰাৰ দায়িত্ব চৰকাৰৰ বাবে বেছি হ'লেও কম নহয়— কিয়নো সাংবিধানিক দায়িত্ব, ৰাষ্ট্ৰীয় দায়িত্ব, অঙ্গ ৰাজ্য এখনৰ মঙ্গলৰ দায়িত্ব— সকলো বাদ দি চৰকাৰে মাত্ৰ ৰাজনৈতিক স্বাৰ্থ আৰু 'ভোট-বেংক'ৰ স্বাৰ্থৰ দ্বাৰা প্ৰণোদিত হৈ থাকিলে আঁত কেতিয়াও উলিয়াব নোৱাৰি। আমি ইয়াকে বিচাৰো— যাতে সাম্প্ৰতিক জটিলতাৰ অৱসান ঘটে, শান্তি আৰু স্বাভাৱিক জীৱন ঘূৰি আহে। মূল সমস্যা শীঘ্ৰে সমাধান কৰাত আন্তৰিকতা দেখুৱালেহে সেয়ে সম্ভৱপৰ হ'ব।

## অসমতো আৰম্ভ হৈছে—

বেংকত ডকাইতি ভাৰতত এটা সাধাৰণ ঘটনাত পৰিণত হৈছে। লুটপাত, ডকাইতি, চুৰি আদি সমাজ বিৰোধী কাৰ্যকলাপ অৰ্থনৈতিক দিশত অনুন্নত সমাজৰ বিশেষত্ব। ভাৰতৰ অৰ্থনৈতিক অনগ্ৰসৰতা বিশেষকৈ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজৰ আয়ৰ ব্যাপক ব্যৱধানে এনেবোৰ সমাজ বিৰোধী



কাৰ্য কৰাত এক শ্ৰেণী লোকক উদ্‌গনি দিছে। কিন্তু ভাৰতত বেংক ডকাইতিৰ আন এটা কাৰণ— দেশত বৃদ্ধি পাবলৈ ধৰা সন্ত্ৰাসবাদ। সন্ত্ৰাসবাদী দলবিলাকে পুঁজি গঠন কৰাৰ লগতে তেওঁলোকৰ অস্তিত্ব আনক উপলব্ধি কৰাবলৈ এনে সমাজ বিৰোধী কাৰ্যত লিপ্ত হোৱাৰ উদাহৰণ পোৱা গৈছে। কিছুদিনৰ আগতে পাঞ্জাৱৰ সন্ত্ৰাসবাদী এদলে পঞ্জাৱ, দিল্লী আৰু হাৰিয়ানা আদি ৰাজ্যত বেংক ডকাইতিৰে সন্ত্ৰাস সৃষ্টি কৰিছিল। সৌভাগ্যক্ৰমে চৰকাৰী আৰু বেংক কৰ্তৃপক্ষসমূহৰ তৎপৰতাৰ বাবে বৰ্তমান এই দুষ্কাৰ্য বহু পৰিমাণে হ্ৰাস পাইছে। কিন্তু এনে সমাজ বিৰোধী কাৰ্য এইবাৰ পূৰ্ব ভাৰতৰ অসমত সংঘটিত হ'ল। যোৱা শুকুৰবাৰে গুৱাহাটীৰ ব্যস্ততাপূৰ্ণ অঞ্চল এটাত অৱস্থিত ইউনাইটেড কমাৰ্চিয়েল বেংকৰ শাখা এটাত যি ডকাইতি হ'ল সেয়ে ৰাজ্যখনত প্ৰকৃতাৰ্থত উদ্বেগ সৃষ্টি কৰিছে। এই ডকাইতি সংঘটিত কৰা দুৰ্বৃত্তৰ হাতত বেংকৰ শাখাটোৰ মেনেজাৰজনে প্ৰাণ হেৰুৱাব লগা হ'ল। দিনৰ এঘাৰ বজাত, এটা অতি ব্যস্ততাপূৰ্ণ ঘাই পথৰ কাষত আৰু যানবাহন নিয়ন্ত্ৰক পুলিচ পইণ্টৰ অনতিদূৰত অৱস্থিত বেংকটোত ডকাইতি চলোৱা দুৰ্বৃত্ত কেইজন দুষ্কাৰ্যৰ কাৰণে সম্পূৰ্ণৰূপে প্ৰস্তুত হৈ অহা বুলি প্ৰমাণ পোৱা গ'ল। তেওঁলোকৰ হাতত আৱশ্যকীয় অস্ত্ৰ-শস্ত্ৰ আছিল আৰু বেংক কৰ্মীসকলৰ মাজত আতংক সৃষ্টি কৰিব পৰাকৈ বোমাৰ দৰে এটা বস্তুও তেওঁলোকে লৈ আহিছিল। বেংকৰ মেনেজাৰজনে তেওঁলোকক দেখাৰ পাচত টেলিফোন তুলি লোৱা কাৰণেই তেওঁক গুলীয়াই হত্যা কৰা বাবে তেওঁলোক অতি উগ্ৰ প্ৰকৃতিৰ বুলি অনুমান কৰিব লগা হৈছে। এই দলটো কেৱল ধন-সম্পত্তিৰ লোভত ডকাইতি কৰা দলৰ পৰা পৃথক বুলি ধাৰণা লোৱাৰ যুক্তি আছে।

গুৱাহাটীত হোৱা বেংক ডকাইতিৰ পৰা দুটা কথা প্ৰকাশ পাইছে। সেয়ে হৈছে যে অসমত সন্ত্ৰাসবাদী দলে কাৰ্যকলাপ আৰম্ভ কৰিবলৈ প্ৰয়াস পাইছে আৰু বেংক তথা বেংক কৰ্মচাৰী সকলৰ সুৰক্ষাৰ কোনো ব্যৱস্থা নাই। এই ডকাইত দলৰ এজনক কৰায়ত্ত কৰাৰ পাচত পুলিচ কৰ্তৃপক্ষই দুৰ্বৃত্ত কেইজন অসমৰ ইউনাইটেড লিবাৰেচন ফ্ৰন্ট নামৰ সন্ত্ৰাসবাদী দল

এটাৰ লোক বুলি সন্দেহ কৰিবলৈ লৈছে। এই ফ্ৰণ্টৰ কিছু সংখ্যক লোকে ইতিমধ্যে ব্ৰহ্মদেশত কোনো উগ্ৰপন্থী দলৰ অধীনত থাকি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰশিক্ষণ লৈ আহিছেগৈ বুলি কোৱা হৈছে। পুলিচ দলৰ সঞ্চালক প্ৰধানে আশ্বাস দিয়া মতে দুৰ্বৃত্ত দলৰ বাকী কেইজন সোনকালে ধৰা পৰিলে হয়তো সবিশেষ জানিব পৰা যাব।

কিন্তু এই সম্পৰ্কত প্ৰধান কথা হৈছে বেংক আৰু বেংক কৰ্মীৰ নিৰাপত্তাৰ অভাৱ। বেংক কৰ্তৃপক্ষ সমূহে বিভিন্ন অঞ্চলত নতুন নতুন শাখা খুলি আনুষ্ঠানিক দায়িত্ব পালন কৰিছে যদিও সেইবোৰৰ ৰক্ষণা-বেক্ষণ আৰু নিৰাপত্তাৰ প্ৰতি মনোযোগ দিয়া নাই। জনসাধাৰণৰ সদিচ্ছাৰ ওপৰতে বেংক প্ৰতিষ্ঠানৰ নিৰাপত্তাৰ প্ৰশ্নটো এৰি দিয়া হৈছে। এই অৱস্থা যে সদায় চলি নাথাকে সম্প্ৰতি তাৰ প্ৰমাণ পোৱা গ'ল। এই ক্ষেত্ৰত অকল বেংক কৰ্তৃপক্ষৰে নহয় পুলিচ বিভাগ তথা চৰকাৰৰো উদাসীনতা প্ৰকাশ পাইছে। সম্প্ৰতি প্ৰকাশ পোৱা এটা বাতৰি মতে অসমৰ পুলিচ সঞ্চালক-প্ৰধানে উগ্ৰপন্থী দলৰ বেংক ডকাইতিৰ দৰে কাৰ্যকলাপৰ আগতেই আশংকা কৰি গোপন চাৰ্কুলাৰৰে পুলিচ বিভাগীয় লোক সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। যদি সেয়ে হয় পুলিচ বিভাগে বেংকসমূহৰ নিৰাপত্তাৰ বাবে কি ব্যৱস্থা লৈছিল? সতৰ্কতামূলক ব্যৱস্থা লোৱা হ'লে হয়তো "এজন জ্যেষ্ঠ বেংক বিষয়াই প্ৰাণ হেৰুৱাব লগা নহ'লহেঁতেন— অৱশ্যে এই প্ৰসঙ্গত দুৰ্বৃত্ত এজনক কৰায়ত্ত কৰা পুলিচ এ এছ আইজনৰ সাহসিকতাৰ প্ৰশংসা কৰিব লাগিব।

এতিয়া চৰকাৰ তথা পুলিচ বিভাগে অসমত কাৰ্যকলাপ সম্প্ৰসাৰিত কৰিবলৈ লোৱা সন্ত্ৰাসবাদী দলৰ বিৰুদ্ধে অধিক কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব লাগিব। সেই ব্যৱস্থাৰ অৰ্থ নিৰপৰাধী লোকৰ ওপৰত অযথা উৎপীড়ন নহৈ দক্ষতাপূৰ্ণ আৰু উদ্দেশ্যমুখী হ'ব লাগিব। ইয়াৰ লগতে বেংক কৰ্তৃপক্ষ সমূহেও কৰ্মচাৰীসকলৰ নিৰাপত্তাৰ কাৰণে সচেতন হৈ আৱশ্যকীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।



# ব্ৰডগজ ৰেলপথ

বুধবাৰে গুৱাহাটী-যোগীঘোপাৰ মাজৰ ব্ৰডগজ ৰেলপথৰ নিৰ্মাণকাৰ্য আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসমলৈ ব্ৰডগজ ৰেলপথ অনা সম্পৰ্কে সিদ্ধান্ত কেতিয়াবাই লোৱা হ'ল যদিও এতিয়ালৈকে খণ্ড খণ্ডকৈহে কামত আগবাঢ়ি গুৱাহাটী পাইছেহি। এতিয়া নিৰ্মাণ কাৰ্য উদ্বোধন কৰা গুৱাহাটী-যোগীঘোপাৰ মাজৰ ১৪৩ কিলোমিটাৰ জোৱা ব্ৰডগজ ৰেলপথৰ বিশেষ গুৰুত্ব থাকিব। কিয়নো এই ব্ৰডগজ ৰেলপথ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেদি যাব আৰু সেয়ে হ'লে দক্ষিণ পাৰৰ বহুতদিনীয়া অভাৱ এটা পূৰণ কৰি সমুদায় অঞ্চলৰ অগ্ৰগতিত সহায় কৰিব। দক্ষিণ পাৰৰ এই ব্ৰডগজ ৰেলপথে অসম আৰু মেঘালয়ৰ পশ্চিম অঞ্চলৰ বাবে নতুন দিগন্ত মুকলি কৰাৰ উপৰিও সামগ্ৰিকভাৱেও অসমক বিশেষ সুবিধা এটা দিব— কিয়নো নিউ বঙাইগাওঁ আৰু গুৱাহাটীৰ মাজৰ এই বিকল্প পথে বানপানীৰ সময়ত এতিয়াৰ ৰেলপথ বিচ্ছিন্ন হোৱা অৱস্থাতো সংযোগৰ থল অব্যাহত ৰাখি ৰাজ্যখনক অলেখ সমস্যাৰ পৰা উদ্ধাৰ কৰিব পাৰিব।

পিচে সেই খিনি অনাগত দিনৰ প্ৰত্যাশাহে। এতিয়া এই ব্ৰডগজ ৰেলপথৰ নিৰ্মাণ কাৰ্য উদ্বোধন কৰা হ'ল যদিও পুঁজিৰ কাৰণেই নিৰ্মাণ কাৰ্য মন্থৰ হ'ব। এই ব্ৰডগজ ৰেলপথ আৰু যোগীঘোপা-পঞ্চৰত্নৰ মাজৰ নৰনাৰায়ণ সেতুৰ বাবে আগৰ হিচাপত ১১৭.৩৪ কোটি টকা নিৰ্দ্ধাৰিত কৰা হৈছিল যদিও ৰেল কৰ্তৃপক্ষই এতিয়া ধাৰণা কৰিছে যে এই প্ৰকল্পত ব্যয়ৰ পৰিমাণ ১৮০ কোটি টকা হ'বগৈ পাৰে। ৰেল কৰ্তৃপক্ষই এই কথাও স্বীকাৰ কৰিছে যে পুঁজিৰ অভাৱত আঁচনিৰ কামত আগুৱাব পৰা নাই। চলিত বিত্তীয় বছৰত ৰেল মন্ত্ৰী দপ্তৰৰ পৰা মাত্ৰ ১ কোটি টকাহে পোৱা হৈছে। সেয়ে ইঙ্গিত দি থৈছে যে পুঁজিৰ কাৰণেই নিৰ্মাণ কাৰ্য অভাৱনীয়ভাৱে

পলম হ'ব। ৮ বছৰমানৰ মূৰত কাম সম্পূৰ্ণ হ'ব বুলি ৰেল দপ্তৰে আশ কৰিছে যদিও দিন যোৱাৰ লগে লগে নিৰ্মাণ-ব্যয় বঢ়াৰ সম্ভাৱনাই বেছি। সেইদেখি পুঁজিৰ অভাৱৰ প্ৰশ্নই লগ এৰা নিদি কামত আৰু বিলম্ব ঘটোৱাৰ সম্ভাৱনাহে দেখা গৈছে। সেইদেখি ইপ্সিত ফল পাবলৈ আমি কিমান বছৰলৈ বাট চাব লাগে তাৰ ঠিক নাই। তদুপৰি যিহেতু পুঁজিৰ অভাৱৰ বাবে এতিয়া নৰনাৰায়ণ সেতুৰ কাম বন্ধ ৰাখি ব্ৰডগজ ৰেলপথৰ কামতহে ধৰা হ'ব সেইদেখি সেই দলঙৰ নিৰ্মাণ কাৰ্যও মন্থৰ হ'ব।

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে অসমৰ ব্ৰডগজ ৰেপথৰ সুফল ডিব্ৰুগড়লৈকে সম্প্ৰসাৰিত নোহোৱালৈকে পূৰ্ণাঙ্গ নহয়। ডিব্ৰুগড়-গুৱাহাটীৰ মাজৰ ব্ৰডগজ সংযোগ সম্পৰ্কে এতিয়াও জৰীপেই চলি আছে। এই পথছোৱা ব্ৰডগজ কৰাৰ লগতে উজনি অসমৰ ৰেল সংযোগ নথকা অঞ্চলবোৰ স্পৰ্শ কৰি যোৱাকৈ পৰিকল্পনা হাতত লোৱাটোকে আমি বিচাৰো। তদুপৰি গুৱাহাটীক সমস্যা-জৰ্জৰিত নকৰি এতিয়াও গুৱাহাটীৰ সোঁ মাজেদি ব্ৰডগজ ৰেলপথ নিনি মহানগৰীৰ কাষেৰে নিয়াৰ প্ৰয়োজনীয়তাও পলমকৈ হ'লেও উপলব্ধি কৰা উচিত।

## খৰাং বতৰ মানুহৰ সৃষ্টি

সদ্য সমাপ্ত ৰাজ্য বিধান সভাৰ অধিবেশনত ৰাজ্যৰ খৰাং বতৰৰ ফলত হোৱা পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা কালত কৃষিমন্ত্ৰী শ্ৰীনীলমণি দাসে অসমৰ খৰাং বতৰৰ ফলত হোৱা পৰিস্থিতি প্ৰায় আফ্ৰিকাৰ ইথিয়পিয়াত খৰাং বতৰৰ পৰিস্থিতিৰ দৰে হৈছে বুলি উল্লেখ কৰিছে। এই উক্তিয়েই অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ গুৰুত্বলৈ আঙুলিয়াই দিছে। মানুহৰ



ভুলৰ ফলত ইথিয়পিয়াত আকালত কুকুৰ-মেকুৰীৰ দৰে মানুহ মৰিবলগীয়া হৈছে। সমগ্ৰ পৃথিৱীৰ লোকে সাহায্য আগবঢ়োৱা ইথিয়পিয়াৰ মানুহৰ সংকট এতিয়ালৈকে দূৰ কৰিব পৰা নাই। জধে-মধে গছ-গছনি কাটি খাস্তাং কৰাৰ ফলত ইথিয়পিয়াত বৰষুণ নোহোৱা হ'ল; খৰাং বতৰে দেশ ছাটি ধৰিলে। খেতি-বাতি নোহোৱাৰ ফলত দুৰ্ভিক্ষৰ কৰাল গ্ৰাসে হেজাৰ-বিজাৰ লোকৰ জীৱন হানি কৰিছে। জীয়াই থকা খিনিৰো কংকালসাৰ দেহে বিভৎস ছবি এখন পৃথিৱীৰ আগত দাঙি ধৰিলে।

অসমৰ সাম্প্ৰতিক খৰাং বতৰৰ ফলত খেতি-বাতিৰ সৰ্বনাশ হৈছে। তাৰ পৰিণাম আমি অদূৰ ভৱিষ্যতত ভুগিব লাগিব। বৰ্তমান সময়ত বৰষুণ নোহোৱাটো ভাবিব নোৱাৰা কথা। কিন্তু সেয়ে হৈছে। প্ৰকৃতিৰ ভাৰসাম্য আমিয়েই ধ্বংস কৰিলো। ৰাজনীতিৰ খেলে আমাৰ ৰাজ্যৰ হাবি-বন খাস্তাং কৰিলে। বেদখলকাৰী চোৰাং কাৰবাৰী আৰু ধুৰন্ধৰ ৰাজনীতিবিদৰ যুটীয়া উদ্যোগত অনুক্ৰমে অসমৰ হাবি-বন; সংৰক্ষিত হাবি শেষ হ'বলৈ ধৰিলে। ৰাজ্যত বৈজ্ঞানিক হিচাপ মতে মুঠ মাটি কালিৰ একতৃতীয়াংশত হাবি থাকিব লাগে। কিন্তু সেই পৰিমাণৰ হাবি ৰাজ্যখনত নাই। হাবি কমিলে কি সমস্যা হয়, সেই কথা সৰ্বসাধাৰণে উপলব্ধি কৰিব নোৱাৰে কাৰণেই ৰাজনৈতিক ধুৰন্ধৰ জাকে নিজৰ স্বাৰ্থ পূৰণৰ বাবেই সকলোৰে সৰ্বনাশ সাধি আহিছে। অসমত বৰষুণ কমাৰ প্ৰধান কাৰণ হ'ল— হাবি কমি যোৱাটো। ১৯৮২ চনত দিল্লীৰ ৰাষ্ট্ৰীয় বিজ্ঞান প্ৰতিষ্ঠানে প্ৰকাশ কৰা সমীক্ষা মতে তিনিটা দশকৰ ভিতৰত অসমৰ বৰষুণৰ মাত্ৰা শতকৰা ৩.২ ভাগ পৰিমাণে কমিছে। সেই কথাৰ গুৰুত্ব ৰাইজে তেতিয়া উপলব্ধি কৰিব পৰা নাছিল। কিন্তু ইতিমধ্যে হাবি-বন ধ্বংস কৰাৰ মাত্ৰা আৰু বঢ়াৰ ফলত বৰষুণ কমাৰ মাত্ৰাও বাঢ়িল আৰু এতিয়া বাৰিষা বতৰতো অসমত বৰষুণ নোহোৱা দেখি আমি হাঁহাকাৰ লগাইছো।

এতিয়া সংকটৰ পৰা উদ্ধাৰ পোৱাৰ বাবে হাবি ৰক্ষা কৰা আৰু হাবি

বঢ়োৱাৰ বাবে সমূহীয়া প্ৰচেষ্টা এটাৰ প্ৰয়োজন। আমাৰ দেশত বছৰি এক নিযুট হেক্টৰ বনাঞ্চল অবৈধভাৱে কাটে বুলি চৰকাৰী পৰিসংখ্যাতে স্বীকাৰ কৰিছে। তাৰ প্ৰতিবিধান আমাক লাগে। অসমৰ ১৬.৪২ লাখ হেক্টৰ সংৰক্ষিত হাবিৰ ভিতৰত ১৩৪৭১৩ হেক্টৰ সংৰক্ষিত হাবি বেদখলকাৰীৰ কবলত থকা বুলি ৰাজ্য সভাত চৰকাৰীভাৱে স্বীকাৰ কৰা হৈছে। এই অৰক্ষয়ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ প্ৰয়োজন। সাম্প্ৰতিক সংকটে যদি আমাৰ মাজত এটা নতুন সচেতনতাৰ সৃষ্টি কৰিব পাৰে তেন্তে আমি ভৱিষ্যতলৈ আশাৰ চকুৰে চাব পাৰিম।

## এখন মহানগৰীৰ কথা

গুৱাহাটী মহানগৰীৰ ফাঁচীবজাৰ অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰটো পদপথ আৰু উদ্যানেৰে সুসজ্জিত কৰাৰ বাবে গুৱাহাটী পৌৰ নিগমৰ সাম্প্ৰতিক কৰ্তৃপক্ষই আঁচনি হাতত লোৱাটো সন্তোষৰ বিষয়। প্ৰকৃতিয়ে উদাৰভাৱে দিয়া দানক এই অঞ্চলত মানুহে যি বীভৎস ৰূপ দিছে; তাৰ বাবে সকলোৰে মূৰ লাজত দোঁ খাব লাগিছিল যদিও পাইকাৰী হাৰত তেনে প্ৰতিক্ৰিয়া হোৱা দেখা নগ'ল। উপযুক্ত জনজাগৰণ হোৱা হ'লে এনে পদক্ষেপ ল'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষ কেতিয়াবাই বাধ্য হ'লহেঁতেন।

যিহওক গুৱাহাটী পৌৰ নিগমে এতিয়া প্ৰচেষ্টা হাতত লৈছে যেতিয়া সেয়ে যেন লেজত ধৰি বল নিদিয়া ব্যৱস্থালৈ অধঃপতিত নহয়— তাকেই আমি কামনা কৰিছো। যিহেতু এনে উদ্যমৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ আশ্বাস চৰকাৰৰ তৰফৰ পৰাও নিগমলৈ আগবঢ়াইছে; সেই দেখি নিগম



আৰ্থিক বিষয়ত বাধাগ্ৰস্ত নহয় বুলিয়েই আমি বিশ্বাস ৰাখিছো। পৌৰ নিগম আৰু চৰকাৰৰ সহযোগিতাত গুৱাহাটীক সুসজ্জিত কৰাৰ প্ৰচেষ্টা ফলৱতী কৰাত সফলতা লাভ কৰিব পৰা হ'ব বুলি আমি আশা ৰাখিছো। অৱশ্যে ৰাইজৰ সহযোগিতাও নাগৰিকৰ সচেতনতা। তেনে সচেতনতাইহে নকৰিবলগীয়া কাম কৰাৰ পৰা ৰাইজক বিৰত ৰাখিব আৰু কেতবোৰ 'আসুৰিক' কামো (একালত ব্ৰহ্মপুত্ৰৰ পাৰত বৰি জুৰ বতাহ ল'বলৈ নিঃশেষ কৰি দিলে) তেতিয়া বন্ধ হ'ব।

গুৱাহাটীক সুসজ্জিত কৰাৰ বাবে অৱশ্যে কাৰ্যক্ষম পৰিকল্পনা লাগিব। গুৱাহাটীৰ বিকাশৰ বাবে তাহানি গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষকে ধৰি বিভিন্ন সংগঠন লোক দৰ্শক ভাবে গঢ়ি তোলাৰ নিচিনা ব্যৱস্থা কৰি মাত্ৰ অৰাজকতাকহে প্ৰশ্ৰয় দিয়া হ'ল। ডাঙৰ ডাঙৰ মহা নগৰীবোৰৰ অপৰিকল্পিত বিকাশে দুৰ্যোগৰ সৃষ্টি কৰা দেখিও নতুনকৈ মহানগৰী ৰূপে গঢ় লোৱা গুৱাহাটীৰ বাবে কোনো আগতীয়া পৰিকল্পনা হাতত লোৱা নহ'ল। আনকি শ্বিলঙৰ পৰা ৰাজধানী দিছপুৰলৈ স্থানান্তৰ কৰাৰ সময়তো গুৱাহাটীৰ পৰিকল্পিত বিকাশৰ বাবে কোনেও চিন্তা নকৰিলে। মহানগৰী যেনি-তেনি বাঢ়িবলৈ ধৰিলে, ব্যাপকভাৱে বেদখল চলিল; য'তে-ত'তে দোকান বজাৰ, কল-কাৰখানা পতা হ'ল; মুকলি ঠাইৰ ওপৰত নিকৰুণ আক্ৰমণ চলিল; নলা-নৰ্দমাৰ অৱস্থা নোহোৱা হ'ল; আবৰ্জনাই ছাঁটি ধৰিলে; বাটপথৰ সুব্যৱস্থা নোহোৱা হ'ল; তাহানিৰ পৰা গুৱাহাটীক সুৰক্ষিত কৰি ৰখা পাহাৰবোৰ কাটি শেষ কৰাৰ ফলত বৰষুণ দিলেই মহানগৰীক বিপৰ্যস্ত কৰাৰ সুবিধা ওলাল; মহানগৰীৰ পানী ওলাই যোৱাৰ ব্যৱস্থা কৰা নহ'ল; ৰেলৰ মাটিত ব্যভিচাৰ কৰি মহানগৰীক ক্ষতিগ্ৰস্ত কৰিলেও ৰেল কৰ্তৃপক্ষ তথা ৰাজ্য চৰকাৰে মাত মাতিব নোৱাৰা দুৰৱস্থা এটাক স্বীকাৰ কৰি ল'বলৈ ধৰিলে।

গুৱাহাটীক সুসজ্জিত কৰিবলৈ হ'লে এইবোৰ কথাৰ সামগ্ৰিক বিচাৰৰ মূৰতহে তাকে কাৰ্যকৰীভাৱে ফলদায়ক কৰিব পৰা হ'ব। এই ক্ষেত্ৰত

কেতবোৰ কঠোৰ ব্যৱস্থাৰ প্ৰয়োজন। দৰকাৰ হ'লে তাৰ উপযোগী হোৱাকৈ কঠোৰ আইনো প্ৰণয়ন কৰিব লাগে। বিনা বিচাৰে সুদীৰ্ঘ কাল মানুহক ফাটেকত ভৰাই থোৱাৰ উপযোগী হোৱাকৈ যদি আইন কৰিব পাৰি, তেন্তে মহানগৰী এখনত মানুহৰ দৰে মানুহ থাকিব পৰাকৈ কঠোৰ আইনৰ যোগে ব্যৱস্থা কৰাতো একো বাধা থাকিব নোৱাৰে। সাম্প্ৰতিক উদ্যমে পূৰ্ণাঙ্গ ৰূপ লৈ ৰাজ্যখনৰ একমাত্ৰ মহানগৰীখনৰ বিকাৰ দূৰ কৰক— তাকেই আমি আশা কৰিছো।

## দুৰ্যোগৰ মুহূৰ্তত

ৰাজ্যৰ বিভিন্ন ঠাইত হোৱা বানপানীৰ ফলত যি দুৰ্যোগৰ সৃষ্টি হৈছে, তালৈ চাই আৰ্ত লোকৰ সাহায্যাৰ্থে ৰাইজৰ মাজত এটা সুচেতনতাৰ মানসিকতাই গঢ় ল'ব বুলি আমি আন্তৰিকভাৱে কামনা কৰিছো। তেনে সচেতনতাইহে আৰ্ত লোকৰ সাহায্যাৰ্থে ৰাইজক সৰ্বাত্মকভাৱে আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাব। ইতিমধ্যে বিভিন্ন মহলৰ তৰফৰ পৰা বানপীড়িত ৰাইজক সকলো প্ৰকাৰে সহায় কৰিবলৈ গোহাৰি জনোৱা হৈছে। আমি আশা কৰো ঃ ৰাইজ আৰু চৰকাৰৰ মিলিত শক্তিয়ে সাহায্যৰ জৰিয়তে পীড়িত ৰাইজক সকাহ দিব পাৰিব। চৰকাৰেও সাহায্যৰ কামত ৰঙা ফিটাৰ মেৰপাক লাগিবলৈ নিদিয়া আৰু দুৰ্নীতিৰ বাবে কোনো সুৰুঙা ওলাব নোৱাৰা অৱস্থাৰ সৃষ্টি কৰিবলৈ আত্মনিয়োগ কৰা উচিত।

বছৰি সৃষ্টি কৰা সমস্যাৰ দৰে এইবাৰৰ বানপানীৰ ক্ষেত্ৰতো আমি আগতীয়া সতৰ্কতামূলক ব্যৱস্থাৰ অভাৱ থকাটো দেখিবলৈ পালো। বানপানী সম্পৰ্কে আগতীয়া সংকেত দিয়া ব্যৱস্থাৰ কাৰ্যকাৰিতা থকা হ'লে; হঠাৎ



বানপানী হ'লে আপেক্ষিকভাৱে নিৰাপদ ঠাই কেতবোৰ নিৰূপিত হৈ থকা হ'লে এতিয়াৰ দৰে অসহায় অৱস্থা হয়তো নহ'লহেঁতেন। ইয়াৰ পৰা শিক্ষা লৈ ভৱিষ্যতৰ কাৰণে সুব্যৱস্থা ৰখাটোকে আমি বিচাৰো।

বান নিয়ন্ত্ৰণ তথা নদী নিয়ন্ত্ৰণৰ দীৰ্ঘ সূত্ৰী ব্যৱস্থাৰ বাবে আশা পালি ৰৈ থকাতকৈ আমি এতিয়া তৎকালীনভাৱে বিশেষ কেতবোৰ কথাত মনোনিৱেশ কৰা উচিত হ'ব। অনুক্ৰমে বানপানীয়ে অধিক সংহাৰ মূৰ্তি ধাৰণ কৰাৰ অন্যতম কাৰণ হ'ল— সকলো নৈৰ তলি ক্ৰমে বাম হৈ পৰাটো। বিশেষজ্ঞৰ হিচাপ মতে পাহাৰৰ মাটি খহি অহাৰ ফলত ডিব্ৰুগড় অঞ্চলত ব্ৰহ্মপুত্ৰৰ তলি বছৰি তিনি মিটাৰকৈ ওখ হৈ গৈছে। ৰাজ্যৰ সকলো নৈতে এনে অৱস্থা হৈছে। সেইদেখি পাহাৰৰ মাটি খহিব নোৱাৰা ব্যৱস্থা কৰাৰ বাবে আন্তঃৰাজ্যিক কৰ্ম-ব্যৱস্থা কেন্দ্ৰৰ উদ্যোগত অবিলম্বে হাতত ল'ব লাগে। তদুপৰি অসমৰ সকলো নৈ-উপনৈৰ পাৰত কি সৰ্বনাশ হৈছে— তালৈকো কাণ দি চৰকাৰে অবিলম্বে ব্যৱস্থা হাতত ল'ব লাগে। নৈপৰীয়া অঞ্চলত গছ-গছনি কটাৰ ফলত আৰু ব্যাপক ভাৱে ঘাঁহনি কাটি নিয়াৰ ফলত বছৰি অজস্ৰ পৰিমাণৰ মাটি নদীলৈ বাগৰি গৈ তলি বাম কৰিছে। সেইদেখি নৈ পৰীয়া অঞ্চল সংৰক্ষিত কৰি এইবোৰ কাম বন্ধ কৰিব লাগে। তদুপৰি বেদখল আৰু গছ-গছনি ধ্বংস কৰা প্ৰক্ৰিয়ায়ো বানপানীৰ মাত্ৰা বঢ়াত সহায় কৰিছে যদিও ৰাজনৈতিক স্বাৰ্থকে ধৰি বিভিন্ন স্বাৰ্থৰ হেঁচাই এনেবোৰ কাম কঠোৰ হাতেৰে বন্ধ কৰাত বাধা দিছে। চৰকাৰে সেই শৃংখল চিঙি অবিলম্বে দৃঢ় ব্যৱস্থা হাতত ল'ব লাগে। ইয়াৰ বাহিৰেও মথাউৰি আৰু বাট-পথে বানপানীৰ হেঁচা বঢ়াত কিদৰে সহায় কৰিছে তাৰ সূক্ষ্ম আৰু বৈজ্ঞানিক বিশ্লেষণ অতি শীঘ্ৰে কৰাটো নিতান্ত প্ৰয়োজনীয়। বহুত ঠাইৰ মথাউৰি ৰাজনৈতিক খেলৰহে পৰিণতি— বৈজ্ঞানিক বিচাৰ বিবেচনা প্ৰসূত নহয়। সেই দেখি তেনে মথাউৰিয়ে বহুত ঠাইত সমস্যা লাঘৱ কৰাতকৈ সমস্যা বঢ়াইছেহে। আনহাতে বাট-পথ আৰু ৰেলপথে পানীৰ প্ৰবাহ আটক কৰি বানপানীৰ প্ৰকোপ কোনবোৰ ঠাইত কিদৰে

বঢ়াইছে তাৰো বিচাৰ এতিয়ালৈকে হোৱা নাই। এই সকলো ব্যৱস্থাৰ ক্ষেত্ৰত তৎপৰতাৰে সন্ধান লোৱাৰ প্ৰয়োজন। ইয়াৰ বাবে বান নিয়ন্ত্ৰণ তথা নদী নিয়ন্ত্ৰণৰ 'মাষ্টাৰ প্লেন'লৈ বাট চোৱাৰো প্ৰয়োজন নাই। ৰাজ্য চৰকাৰে নিজৰ ববীয়াকৈ আৰু কেন্দ্ৰীয় অৰ্থ-মঞ্জৰী লৈ আগবাঢ়িব পাৰে।

# পঞ্চম ভাগ

# শিক্ষাৰ মাধ্যম আৰু ভাষা প্ৰসংগ

## *ৰাজনৈতিক 'উদ্যম'ৰ অন্য ৰূপ*

অসমত শিক্ষাৰ মাধ্যম কি হ'ব লাগে, সেই বিষয়ে পশ্চিম বঙ্গৰ সৰ্বভাৰতীয় ৰাজনৈতিক দলসমূহৰ নেতৃবৰ্গই যিমান স্পষ্টতাৰে মন্তব্য কৰিছে, সিমান স্পষ্টতাৰে অসমৰ ৰাজনৈতিক দল কিছুমানৰ নেতৃবৰ্গই মন্তব্য কৰা দেখা নগ'ল। অৱশ্যে এইটোও ঠিক যে বহুতো সৰ্বভাৰতীয় দলৰ উৰ্দ্ধতম নেতৃত্বৰ ভাৰ সেইখন ৰাজ্যত আছে। সেই কাৰণেই হ'বলা পশ্চিম বঙ্গৰ নেতাই নীতি ৰচনা কৰি দিয়ালৈ আমাৰ এই পিনৰ নেতাই বাট চাব লাগে। ফলত জড়তা আৰু অস্পষ্টতা নুগুছে। অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে ছাত্ৰসকলে আৰম্ভ কৰা আন্দোলনে কেইবা মাহতো ভৰি দিলে। কিন্তু এই সুদীৰ্ঘ কালছোৱাত ৰাজনৈতিক দল সমূহে গা এৰা দিয়া মনোভাবহে গ্ৰহণ কৰিলে; আনহাতে কিছুমানে আন্দোলনৰ প্ৰতিকূল ভাৱ গতিহে দেখুৱালে।

কিন্তু মাধ্যম-আন্দোলনে যেতিয়া শক্তিশালী ৰূপ লৈ সকলোকে সামৰি ল'লে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজতে আৱদ্ধ নেৰাখি ইয়াৰ মাজলৈ সকলো স্তৰৰ লোককে আনিলে আৰু যি ক্ৰমবৰ্দ্ধমান শক্তিয়ে বিধান সভাৰ মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱৰো ঠেৰু নোহোৱা অৱস্থা কৰিলে— তেতিয়া ৰাজনৈতিক দল সমূহ আগবাঢ়ি আহিল, মাধ্যম সম্পৰ্কে আলোচনা কৰিবলৈ। লগতে 'হেঁচা' পেলোৱাৰ ইঙ্গিত দি মাধ্যম-আন্দোলনৰ বিকৃত ব্যাখ্যা দিয়াৰ চেষ্টাও চলিল। পিচে ৰাজনৈতিক স্বাৰ্থৰ তাগাদাত যি ব্যাখ্যাকে দিয়া নহওক, মাধ্যম সম্পৰ্কীয় দাবীৰ পটভূমিত গঢ় লোৱা সচেতন জনমতক পথচ্যুত



কৰাটো অসম্ভৱ। এই কথা যেন মনত ৰখা হয়। এতিয়া আলোচনাৰ কথা তুলি গোটেই প্ৰসঙ্গটোকে গুৰিৰ পৰা আৰম্ভ কৰা মানে জটিলতা বঢ়োৱা, অসমীয়া ভাষাৰ স্বাৰ্থ-বিৰোধী শক্তিক তেওঁলোকৰ সাম্প্ৰতিক অবাঞ্ছনীয় তৎপৰতা বঢ়াবলৈ সুযোগ দিয়া আৰু ৰাজনৈতিক দল সমূহৰ টনা-আজোৰাৰ বাবে থল উলিয়াই দিয়া। এই পটভূমিত বিশ্ববিদ্যালয়ৰ ভূমিকা, অসমীয়া ৰাইজৰ দাবীৰ স্থিতি— সকলো গৌণ হৈ পৰাৰ আশংকাও আছে। তদুপৰি কাকতে-পত্ৰই ওলোৱা মতে যদি সঁচাকৈ নতুন দিল্লীত কিবা সন্মিলন পাতি অসমৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত 'চালিচ'ৰ ব্যৱস্থা কৰা হয়, তেন্তে অসমৰ পৰাই গোটেই প্ৰশ্নটো স্থানান্তৰিত কৰা হ'ব। সেই পৰিণতি আমাৰ কাৰো অভিপ্ৰেত নহয়।

## *সংসদত মাধ্যম প্ৰসঙ্গ*

অসমত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত চলা আন্দোলনৰ প্ৰসংগ সংসদতো উত্থাপিত হ'ল। ৰাজ্য সভাত ভাষাগত সংখ্যালঘু আয়ুক্তৰ দ্বাদশ প্ৰতিবেদনৰ আলোচনা চলোতে পশ্চিম বংগৰ সদস্য সকলে (এজনৰ বাহিৰে সকলোৱে) ইয়াক অসমৰ পৰিস্থিতি সম্পৰ্কীয় বিতৰ্কলৈ ৰূপান্তৰিত কৰিলে। সেই বাবে ৰাজ্যসভাত সোম আৰু মঙলবাৰে দুয়ো দিনেই অসমৰ পৰিস্থিতিৰ বিষয়ে আলোচনা চলিল। লোকসভাতো পশ্চিমবংগৰ সদস্যই দৃষ্টি আকৰ্ষক জাননী দি ভাষাৰ প্ৰশ্নত অসমত অশান্তিৰ আলোচনা মুকলি কৰিলে।

সংসদৰ বৃহৎ আলোচনা পৰিধিৰ ভিতৰত অসমৰ পৰিক্ৰমা অন্তৰ্ভুক্ত হোৱা একো নতুন কথা নহয়। কিন্তু সংসদৰ আলোচনাই সমস্যা সমাধানত কি অৰিহণা যোগায় সেয়েহে আচল কথা। অসমত শিক্ষাৰ মাধ্যমৰ প্ৰশ্ন

লৈ ছাত্ৰ সমাজে আৰম্ভ কৰা আন্দোলন সুদীৰ্ঘ ৩৮ দিন চলিছিল আৰু ই এক গণ-আন্দোলনত পৰিণত হৈছিল— সি গোপন কথা নহয়। এই শান্তিপূৰ্ণ আন্দোলনৰ সুযোগ লৈ স্বাৰ্থজড়িত সমাজ বিৰোধী শক্তিয়ে কিছুমান দুষ্কাৰ্য কৰাৰ কথাও গোপন কৰিব লগা নাই। কিন্তু অৱশেষত আন্দোলন বন্ধ হৈছে আৰু এতিয়া দ্ৰুত গতিৰে স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ সকলো প্ৰকাৰৰ চেষ্টা চলাব লগা হৈছে। শান্তিপূৰ্ণ পৰিস্থিতি ইতিমধ্যে ৰাজ্যখনত বিৰাজো কৰিছে। এই অৱস্থাত সন্মানাৰ্থ সংসদৰ চাৰিবেৰৰ সুযোগ লৈ ৰাজ্যখনৰ লোকসকলৰ মনত উত্তেজনা সৃষ্টি কৰিবলৈ যদি কোনোৱে চেষ্টা চলায় তেন্তে সমস্যা সমাধানত তেনেবোৰ কাৰ্যই বৰঙনি নোযোগায়, দেখা কথা। অসমত উচ্চ শিক্ষাৰ মাধ্যমৰ দাবীত চলা আন্দোলন কোনো বিশেষ ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে নাছিল। ই আছিল ৰাজ্যখনৰ সংখ্যাগৰিষ্ঠ অসমীয়া ভাষা-ভাষী লোকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰাৰ আন্দোলন। কিন্তু আৰম্ভণিৰ পৰা একশ্ৰেণী লোকে ইয়াক ভাষিক সংখ্যালঘু সম্প্ৰদায় এটাৰ বিৰুদ্ধে চলোৱা আন্দোলন বুলি ধৰি লৈ প্ৰৰোচনামূলক কাৰ্য কৰিবলৈ প্ৰয়াস পালে। সেই মনোভাৱ প্ৰকাশ নোপোৱা হ'লে মাধ্যম আন্দোলনৰ লগত আইন-শৃংখলাৰ প্ৰশ্ন হয়তো জড়িত হৈয়ে নপৰিলহেঁতেন। যি হওক, সেই অধ্যায়ৰ এতিয়া সামৰণি পৰিছে। আৰু এনে এটা অধ্যায় অব্যাহত ৰাখিবলৈ চেষ্টা কৰাৰ কোনো প্ৰয়োজন নাই। অসমৰ 'উৎকট ভাষাভিমানী' সকলক (?) সংসদৰ মজিয়াত উগ্ৰ সমালোচনা কৰিলে, অসমৰ অশান্তি সম্পৰ্কত জনশ্ৰুতিৰ তথ্য-পাতি পৰিৱেশন কৰি ইয়াৰ স্বৰূপ অতিৰঞ্জিত কৰিবলৈ চেষ্টা কৰিলে কোনো প্ৰশ্নৰ মীমাংসা নহয়। কৰিমগঞ্জৰ এম-পিজনে অসমৰ অশান্তি সম্পৰ্কত ৰাজ্য সভাত যি বক্তৃতা দিলে আৰু পশ্চিম বংগৰ কেইবাজনো সদস্যই যি দাবী তুলিলে সেইবোৰে সমস্যাৰ সমাধানত নিশ্চয় সহায় নকৰে।

লোকসভাত অৱশ্যে 'অসমৰ অশান্তি' বিষয়ক আলোচনাত উগ্ৰ বঙলা ভাষা প্ৰেমৰ স্বৰূপ প্ৰকাশ পোৱা নাছিল। এই আলোচনাত ভাগ লোৱা



পশ্চিম বংগৰ সদস্য কেইজনে আন্দোলনৰ লগত চি-আই-এৰ সংশ্ৰৱ থকা বুলি সন্দেহ প্ৰকাশ কৰিছিল আৰু তাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল মাধ্যম আন্দোলনৰ লগত চি-আই এক নাইবা ক্ষমতাত অধিষ্ঠিত কংগ্ৰেছ দলৰ আভ্যন্তৰীণ বিবাদক জড়িত কৰাত কোনেও কাকো বাধা দিব নোৱাৰে যদিও সকলোৱে জনা উচিত যে শিক্ষাৰ মাধ্যম সম্পৰ্কত চলা আন্দোলন অসম ছাত্ৰ আৰু ৰাইজৰ ন্যায্য আন্দোলন আছিল আৰু ইয়াক অন্যান্য বিষয়ৰ লগত জড়িত কৰি ইয়াৰ গুৰুত্ব হ্ৰাস কৰিবলৈ যোৱা সমীচীন নহ'ব। কেন্দ্ৰীয় গৃহ দপ্তৰ মন্ত্ৰী শ্ৰীকৃষ্ণ চন্দ্ৰ পন্তই কোৱা মতে অসমত ভাষা সমস্যাৰ স্থান সমাধান এটা নিৰ্দ্ধাৰণ কৰা কেন্দ্ৰীয় চৰকাৰে কিবা সহায় কৰিবলৈ বিচাৰিলে আন্দোলনৰ উদ্দেশ্য আৰু তাৰ ন্যায্যতা মানি লৈহে সহায় কৰিবলৈ আগবঢ়া উচিত হ'ব।

অসমতে নহয় সমগ্ৰ দেশৰে ভাষাৰ ভিত্তিত গঠিত ৰাজ্য ভাষিক সংখ্যালঘুৰ দল আছে অসমত বিশ্ববিদ্যালৰ শিক্ষাৰ আঞ্চলিক ভাষাৰ মৰ্যাদা নিৰ্দ্ধাৰণ কৰোঁতে সমগ্ৰ দেশৰ ৰাজ্যসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু সেইবাবেই গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদ দুখনে মাধ্যম সম্পৰ্কত লোৱা সিদ্ধান্ত ন্যায়সংগত সিদ্ধান্তৰ বিৰোধিতা কৰিবলৈ গ'লে সমগ্ৰ দেশতে নতুন বিশৃংখলাৰ সৃষ্টি হ'ব। কিন্তু মন কৰিবলগীয়া কথা যে এই বিষয়ত উত্তেজনা অব্যাহত ৰাখিবলৈ কৌশল চলাই কলিকতাৰ কোনো কোনো সংবাদপত্ৰই এতিয়াও বিদ্বেষমূলক বা-বাতৰি প্ৰচাৰ কৰাতে ব্যস্ত আছে এনে ধৰণৰ কাৰ্যৰ মূল উদ্দেশ্য আন্দোলন আৰু বিশৃংখলা সৃষ্টি কৰাটো বুলিয়েই ধৰিব লাগিব। সেই কাৰণে আমি ভাবো অসমৰ পৰিস্থিতি দ্ৰুত গতিৰে স্বাভাৱিক কৰি তুলিবলৈ সকলো ক্ষেত্ৰতে সংযম, ন্যায়নিষ্ঠা আৰু সতৰ্কতা অৱলম্বন কৰাৰ প্ৰয়োজন আছে।

# দুটা গুৰুত্বপূৰ্ণ ঘোষণা

অসম বিধান সভাৰ এইবাৰৰ চমু শীতকালীন অধিবেশনত চৰকাৰৰ পক্ষৰ পৰা দুটা গুৰুত্বপূৰ্ণ ঘোষণা দিয়া হৈছে। বড়ো সাহিত্য সভা আৰু সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ দৰে বিভিন্ন সংস্থাই দীৰ্ঘ দিন ধৰি তুলি অহা দাবীৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে অধিক সংখ্যক বড়ো ভাষী লোক বাস কৰা অঞ্চলত বড়ো ভাষাক সহযোগী চৰকাৰী ভাষাৰ মৰ্যাদা দিবলৈ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই সদনত এই ঘোষণা দি আইন বিভাগৰ পৰামৰ্শ সাপেক্ষে প্ৰয়োজনীয় বিধেয়ক পাচত উত্থাপন কৰিব বুলি আশ্বাস দিছে। চৰকাৰৰ এই সিদ্ধান্তই স্বাভাৱিকতে বড়োভাষী জনসাধাৰণ আৰু বড়ো সাহিত্য সভাৰ দৰে তেওঁলোকৰ সংগঠন সমূহক আনন্দ দিছে। ৰাজ্য চৰকাৰৰ এনে সিদ্ধান্তত অসমৰ আন ভাষা-ভাষী লোক সকলেও সন্তোষ প্ৰকাশ কৰিব।

অসমৰ খিলঞ্জীয়া জনজাতি বড়ো সকলৰ সমৃদ্ধ ভাষাক উচ্চ পৰ্যায়লৈকে শিক্ষাৰ মাধ্যম কৰি তোলাৰ পাচত এই ভাষাটোৰ সহযোগী চৰকাৰী ভাষা হোৱাৰ অৰ্হতা সম্পৰ্কে বাদ-বিসম্বাদ প্ৰশ্ন উঠিব নোৱাৰে। অসমৰ ভৈয়ামৰ জনজাতিৰ সৰ্ববৃহৎ অংগ স্বৰূপে বড়োসকলে মাতৃ ভাষাত চৰকাৰী কাৰ্যকলাপ সম্পাদন কৰাৰ অধিকাৰ লাভ কৰাত কোনো দ্বিমতো থাকিব নোৱাৰে। প্ৰচুৰ বিভিন্নতাৰ মাজত ঐক্য সংবৰ্ধিত হোৱা অসমত সকলো খিলঞ্জীয়া লোকৰে ভাষা-সংস্কৃতিৰ বিকাশ হওক তেওঁলোক সকলোৰে নিজস্ব বৰ্ণাঢ্য ৰূপ সংৰক্ষণ কৰি অসমীয়া সমাজ তথা ভাৰতীয় জাতিৰ শক্তিশালী অংশীদাৰ হওক— এয়ে সকলো অসমীয়াৰ কাম্য হোৱা উচিত। কিন্তু অপ্ৰিয় হ'লেও সঁচা কথা ক'ব লাগিব যে ভাষা-সংস্কৃতিৰ বিকাশ আৰু স্বকীয় জীৱন ধাৰাত কোনো মহলৰ পৰা প্ৰতিবন্ধক সৃষ্টি



হোৱা বুলি অসমৰ জনজাতীয় লোকসকলে অভিযোগ তুলি আহিছে আৰু সেই অভিযোগৰ পৰিণতি স্বৰূপে বৃহত্তৰ অসমীয়া সমাজখনৰ পৰম্পৰাগত ঐক্য-সংহতি সময়ে সময়ে বিনষ্ট হোৱাৰো উপক্ৰম হৈছে। জনজাতীয় সকলৰ কিছুমান অভিযোগ নিশ্চয় ভিত্তিহীন নহয়, তেওঁলোক শোষিত আৰু অৱহেলিত হৈ আছে, তাত সন্দেহ নাই। কিন্তু এই অৱস্থা কেৱল জনজাতীয় লোক সকলৰ আছুতীয়া নহয় অজনজাতীয় লোক সকলো অসমত ভাৰতত শোষক উৎপীড়নৰ বলি হ'ব লগা হৈছে। এই অৱস্থাৰ বাবে আমাৰ দেশৰ সাজ ব্যৱস্থাই দায়ী। ভাৰতৰ সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ লক্ষ্য গ্ৰহণ কৰি অৰ্থনৈতিক পৰিকল্পনাৰ জৰিয়তে কাম কৰা সত্বেও পৰিস্থিতিৰ উন্নতি হোৱা নাই। এই অৱস্থাৰ পৰিবৰ্তন আনিবলৈ সকলো নিপীড়িত আৰু অৱহেলিত লোকে সংশোধনমূলক কাৰ্যপন্থা হাতত ল'ব লাগিব। অভিযোগ তুলি অসন্তোষ কৰি নিজক আঁতৰাই ৰখাৰ দৃষ্টিভংগী ল'লে মূল সমস্যাৰ সমাধান নহয়।

বড়ো ভাষাক সহযোগী চৰকাৰী ভাষাৰ মৰ্যাদা দিয়াত এই বিশিষ্ট জনজাতিৰ লোকসকলৰ এটা অভিযোগ অন্ততঃ দূৰ হ'ল। ইয়াৰ পাচত তেওঁলোকে ভাষাৰ প্ৰশ্ন লৈ কাৰো ওপৰত সন্দেহ পোষণ কৰাৰ থল নাথাকিব আৰু সেয়ে বাৰেৰহনীয়া অসমীয়া সমাজখনৰ ঐক্য-সংহতি সুদৃঢ় কৰিব বুলি আশা কৰা গৈছে। চৰকাৰী সিদ্ধান্তই বড়ো ভাষাৰ প্ৰসাৰ সাধনতো এক অৰিহণা যোগালে। অবড়োভাষী লোক সকলে এতিয়াৰ পৰা বড়ো ভাষা শিকাৰ এটা প্ৰেৰণা পালে সেয়ে ৰাজ্যখনৰ জনসাধাৰণৰ সম্প্ৰীতিৰ ডোলডালো কটকটীয়া কৰি তুলিব পাৰে।

বিধান সভাত মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী দুয়োজনে আন এটা উল্লেখযোগ্য ঘোষণা দিছে। অসমত তৃতীয় (কৃষি বিশ্ববিদ্যালয়ৰ বাহিৰে) বিশ্ববিদ্যালয় এখন স্থাপন সম্পৰ্কত। অসমত কেন্দ্ৰীয় বিশ্ববিদ্যালয় এখন স্থাপন কৰাৰ কথাই এটা সময়ত প্ৰাধান্য লাভ কৰিছিল আৰু সেই

বিশ্ববিদ্যালয়ৰ স্থান সম্পৰ্কে তোলা দাবীয়ে এক প্ৰকাৰ আলোড়নৰো সৃষ্টি কৰিছিল। এতিয়া মন্ত্ৰীদ্বয়ে ঘোষণা কৰিছে যে এই বিশ্ববিদ্যালয়খনৰ ৰাজ্যিক পৰ্যায়তহে স্থাপিত হ'ব। তেওঁলোকে আৰু এটা ঘোষণা দিছে যে, ইয়াৰ বাবে সকলো পৰ্যায়ৰ আৰ্থিক সাহায্য কেন্দ্ৰীয় চৰকাৰৰ পৰাই পোৱা যাব। কিন্তু এইখন বিশ্ববিদ্যালয় কাৰিকৰী বিধৰ হ'ব নে অকাকৰিকৰী হ'ব, বিশ্ববিদ্যালয়খন ক'ত কেতিয়া স্থাপন কৰা হ'ব, সেই বিষয়ে বিশদভাৱে ঘোষণা দিয়া নহ'ল। অসমত আৰু এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাত আপত্তি কৰিব লগা নাই। কিন্তু বৰ্তমান দুখন বিশ্ববিদ্যালয় গুৱাহাটী আৰু ডিব্ৰুগড়ৰ কলা আৰু বিজ্ঞানৰ বিভিন্ন বিদ্যাত পূৰ্ণাঙ্গ পৰ্যায়লৈ আনিব নোৱাৰা অৱস্থাৰ প্ৰতিও লক্ষ্য ৰাখিব লগা আছে। এই দুখন বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুঁজিৰ অভাৱত স্বাভাৱিক কাম-কাজত ব্যাঘাত ঘটাৰ বিষয়ে জনসাধাৰণ অৱগত হৈছে। তৃতীয় বিশ্ববিদ্যালয় এখন যদি এই দুখন বিশ্ববিদ্যালয়ৰ বিকাশত ক্ষন্দ্ৰিত সাধন কৰিব লগা হয়, তেন্তে তেনে বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্য সম্পৰ্কে সচেতন মহলে চিন্তা কৰি চাব লগা হ'ব। এই বিশ্ববিদ্যালয়ৰ স্থান নিৰ্বাচনৰ প্ৰশ্নয়ো যে বাদ-বিসম্বাদৰ সৃষ্টি কৰিব সি নিশ্চিত।

## অসমবাসীৰ নতুন সংকট

অসমবাসী আৰু অসমীয়া ভাষী সকলৰ আৰ্থ-সামাজিক তথা সাংস্কৃতিক কল্যাণৰ বিৰুদ্ধে এটা ন্যস্তস্বাৰ্থই অহৰহ ভাবে চলাই থকা ষড়যন্ত্ৰৰ লগতে উজান দিয়া ব্যক্তি বা গোষ্ঠী স্বাৰ্থৰ কিছুমান প্ৰক্ৰিয়াই অঞ্চলটোৰ থলুৱা ৰাইজক সততে উদ্বিগ্ন কৰি ৰখাত নানা ধৰণে ইন্ধন যোগোৱাটো দুৰ্ভাগ্যৰ কথা। শেহতীয়াকৈ অসম মাধ্যমিক শিক্ষা পৰিষদে এই বছৰৰ



পৰা অনা-অসমীয়া স্কুলত বাধ্যতামূলক ভাৱে অসমীয়া শিকোৱাৰ প্ৰচলিত নীতি বাতিল কৰিবলৈ ওলোৱাৰ আঁৰতো অসমীয়া ভাষা বিদ্বেষী চক্ৰবিশেষৰ হাত থকাটো সহজেই অনুমান কৰিব পাৰি। ৰাজ্যৰ বাহিৰৰ ভাষিক উপনিবেশবাদৰ সমৰ্থকসকলৰ পৰোক্ষ সহযোগ নিশ্চয় এই ক্ষেত্ৰত আছে। আনহাতে ভোটৰ ভঁড়ালৰ দৃষ্টিৰে ব্যক্তিস্বাৰ্থত মতলীয়া থলুৱা এমুঠিয়েও ক্ষমতাত থকাৰ সুবিধাৰে সেই সকল চক্ৰান্তকাৰীক সন্তুষ্ট ৰখাতহে মন দিছে। ফলত ৰাজনৈতিক প্ৰভাৱে সংশ্লিষ্ট থলুৱা-অথলুৱা আমোলা চক্ৰ এটাকো বৰ্তমানৰ "তোষামোদৰ প্ৰশাসন"ৰ মেৰঘৰত সুমুৱাই লোৱাত সফল হোৱা যেন লাগিছে।

ভাষাৰ ভেটিত ৰাজ্য গঠনৰ পিচত আৰু আজি একুৰি বছৰৰো ওপৰ কাল অসমীয়াক অসমৰ ৰাজ্য ভাষা বুলি গ্ৰহণ কৰাৰ পিচতো— অসমীয়া বিদ্বেষীৰ চক্ৰান্ত সামৰণি নপৰিল। আনহাতে আজি এবছৰমানৰ পৰা অসম-বিৰোধী আৰু অসমীয়া-বিৰোধী কামৰ মাত্ৰা বঢ়া বুলিহে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযোগেশ দাসে এটি বিবৃতি দিব লগীয়াত পৰিছে। এই ক্ষোভ অসম আৰু অসমীয়াৰ স্বাৰ্থ চিন্তা কৰা সকলো ৰাইজৰে মনত উদ্বেলিত হোৱাটো স্বাভাৱিক। অসমৰ মাধ্যমিক স্কুলবোৰৰ পৰা কাৰ্যতঃ অসমীয়া ভাষাক বহিষ্কাৰ কৰাই ৰাজ্যখনৰ ভাষাটোকে অপমানিত কৰিছে। তদুপৰি পিচলৈ অসমীয়া নিশিকা ছাত্ৰ সকলৰো জীৱিকাৰ ক্ষেত্ৰত থকা চৰকাৰৰ দায়িত্ব সমাধানৰ নামত চাকৰি-বাকৰিৰ বেলিকাও অসমৰ থলুৱা ভাষা জনাৰ প্ৰশ্ন নেথাকিব। এইদৰে আৰ্থিক ক্ষেত্ৰতো থলুৱা নিবনুৱাৰ অৱস্থা অধিক জটিল হ'ব। সেয়ে আকৌ সামাজিক দিশতো প্ৰভাৱ পেলাব— যাৰ কাৰণে অসমৰ থলুৱাসকলৰ আৰ্থ-সামাজিক ক্ষেত্ৰতো নতুন বিপৰ্যয়ৰ পথ প্ৰশস্ত হ'ব।

আনহাতে হঠাতে একে ন্যস্তস্বাৰ্থৰ চক্ৰান্তই অসম প্ৰকাশন পৰিষদকো বঙালী কিতাপ প্ৰকাশ কৰাৰ আহুকলীয়া সিদ্ধান্ত লোৱাত উদ্গণি যোগাইছে

যেন লাগে। অসম সাহিত্য সভাৰ সভাপতিয়ে এই ক্ষেত্ৰতো সঁকিয়াইছে যে বঙলা ভাষা জিলা পৰ্যায়ত চলিলেও অসম ৰাজ্য ভাষা অসমীয়াহে; আনহাতে থলুৱা জনজাতীয় ভাষাবোৰৰ লগতো অনাহকতে বঙালী ভাষাক আঁজুৰি অনাৰ যুক্তি নাই।

আমি দেখিছো মাধ্যমিক শিক্ষা স্তৰত নেতিবাচক ব্যৱস্থাৰে আৰু প্ৰকাশন পৰিষদত ইতিবাচক ব্যৱস্থাৰে— বঙালী ভাষাক ৰাজ্যখনত প্ৰাধান্য দিয়াবলৈ চেষ্টা চলোৱা হৈছে। সেয়ে সাহিত্য সভাই আৰু ৰাজ্যখনৰ স্বাৰ্থ চিন্তা কৰা সকলো ব্যক্তি বা দলে এই দিশত সৰব প্ৰতিবাদ গঢ়ি তোলাৰ আৱশ্যক হৈছে।

আৰ্থ সামাজিক ক্ষেত্ৰতো পৰোক্ষভাৱে আলোচিত ব্যৱস্থা দুটাই প্ৰভাৱ পেলোৱাৰ কথা আমি কৈছোঁৱেই। তদুপৰি বৰ্তমানে কিছুমান কৃষি বিষয়ক স্নাতকক ৰাজ্যৰ বাহিৰৰ পৰা আনি সম্প্ৰসাৰণ বিষয়া ৰূপে নিযুক্তি দিয়াৰ বাতৰিয়ে অসমৰ বাঢ়ি অহা শিক্ষিত নিবনুৱা সকলৰ ভৱিষ্যৎ অন্ধকাৰ কৰাৰেই আগজাননী দিছে। অসম কৃষি বিশ্ববিদ্যালয়ত আসনৰ সংখ্যা বৃদ্ধি কৰিবলগীয়া হোৱা আৰু আন এখন কৃষি বিশ্ববিদ্যালয় ৰাজ্যত স্থাপন কৰাৰ যো-জা চলাৰ মাজতে এতিয়াৰ পৰাই থলুৱা উপযুক্ত লোকক বঞ্চিত কৰি ৰাজ্যৰ বাহিৰৰ নিবনুৱাক অসমত স্থাপিত কৰাৰ চক্ৰান্তয়ো অসমৰ জনজাতীয় আৰু অজনজাতীয় সকলোৰে আৰ্থ-সামাজিক ক্ষেত্ৰত ভৱিষ্যৎ বিপৰ্যয়ৰ সূচনা কৰিব বুলি আমি নিঃসন্দেহে ক'ব পাৰো।

তদুপৰি অসমৰ বৰ্তমান শাসনাধিষ্ঠ দল বা চৰকাৰে কিছু দিনৰ পৰা অসমীয়া ভাষা অফিচকেছাৰীত চলোৱাৰ বাবে চেষ্টা কৰি থকা বুলি ঢাক-ঢোল বজাই থকাৰ মাজতে— কেনেকৈ কাৰ্যতঃ ৰাজ্যভাষাটোক অপদস্থ কৰাৰ ব্যৱস্থাহে পাকে-প্ৰকাৰে লোৱা হ'ব ধৰিছে? এই প্ৰশ্নৰ উত্তৰ বিচাৰি ৰাইজ আৰু ৰাইজৰ প্ৰতিনিধিত্বৰ দাবী কৰা সকলোকে কেনেদৰে আগবাঢ়ে— তাৰ ওপৰতহে অসমবাসী আৰু অসমীয়াভাষীৰ আৰ্থ-সামাজিক তথা ভাষা-সংস্কৃতি সম্পৰ্কীয় স্বাৰ্থ ৰক্ষা পৰাটো নিৰ্ভৰ কৰিব।



# *চৰকাৰী ভাষা প্ৰসঙ্গ*

ৰাজ্য বিধান সভাত অসমীয়া চৰকাৰী ভাষা (সংশোধন) বিধেয়ক গৃহীত হৈছে। ইয়াৰ দ্বাৰা কোকৰাঝাৰ আৰু ওদালগুৰিৰ বড়ো ভাষাক ৰাজ্যিক ভাষাৰ সহযোগী ভাষা হিচাপে ব্যৱহাৰ কৰাৰ কৰ্তৃত্ব দিয়া হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই সম্পৰ্কত কৰা ঘোষণাই এতিয়া আইনৰ ৰূপ ল'লে আৰু বড়ো ৰাইজৰ বহুতদিনীয়া দাবী এটা পূৰণ কৰিলে। চৰকাৰে ইতিপূৰ্বে কৰা ঘোষণাৰ সন্দৰ্ভতে আমি এই ব্যৱস্থাৰ প্ৰতি আদৰণি জনাইছো। লগতে আশা ৰাখিছো যে এই ব্যৱস্থাই ভুল বুজাবুজি দূৰ কৰিব আৰু ৰাজ্যখনৰ ৰাইজৰ মাজত সংহতি বঢ়োৱাত সহায় কৰিব।

অৱশ্যে এই প্ৰসঙ্গতে উল্লেখ কৰা ভাল হ'ব যে সহযোগী ভাষাৰ লগত মূল আইনত থকা অসমীয়া চৰকাৰী ভাষাৰ কেনে সম্পৰ্ক থাকিব সেই বিষয়েও চৰকাৰে ব্যাখ্যা দিয়া উচিত হ'ব। এই বিধেয়কখনৰ সন্দৰ্ভতে ৰাজ্য বিধান সভাত মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। সেই মতে ১৫ এপ্ৰিলৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা ব্যৱহাৰ কৰা হ'ব। সেই একে তাৰিখৰ পৰা কোকৰাঝাৰ জিলা আৰু ওদালগুৰি মহকুমাত বড়ো ভাষা চৰকাৰী কাৰ্যালয়ত ব্যৱহৃত হ'ব। আনহাতে কাছাৰ আৰু কৰিমগঞ্জ জিলাত সহযোগী ভাষা হিচাপে বঙালী ভাষা আৰু কাৰ্বিআংলং জিলা আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত অসমীয়া আৰু ইংৰাজী ভাষা চৰকাৰী কাৰ্যালয়ত উল্লিখিত তাৰিখৰ পৰা ব্যৱহৃত হ'ব। এতিয়া এই ব্যৱস্থাৰ ফলত চৰকাৰী ভাষা অসমীয়াৰ স্থিতি সম্পৰ্কে চৰকাৰে পুনৰ ব্যাখ্যা দিয়াৰো প্ৰয়োজন হৈছে। আমি আশা ৰাখিছো যে চৰকাৰে তেনে ব্যাখ্যা অচিৰে দি যি কোনো ধৰণৰ ভুল বুজাবুজিৰ থল নোহোৱা কৰিব।

ব্ৰহ্মপুত্ৰ উপত্যকাত ১৫ এপ্ৰিলৰ পৰা চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ ব্যৱস্থাৰ ক্ষেত্ৰতো ক'ব লগীয়া বহুত কথা আছে। চৰকাৰী ভাষা আইনখন গ্ৰহণ কৰা বহুতো দিন পাৰ হৈ গ'ল; কিন্তু আইনৰ কাৰ্যকাৰিতা পৰিলক্ষিত নহ'ল। লেজুত ধৰি বল নিদিয়া নীতিহে অনুসৰণ কৰি থকা দেখা গ'ল। কাৰ্যালয়ত অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ বাবে প্ৰশিক্ষণৰ ব্যাপক ব্যৱস্থা কৰা নহ'ল। বিষয়া-কৰ্মচাৰীক তাৰ বাবে যোগ্যতা সম্পন্ন কৰি তোলাৰ বাবে তৎপৰ হোৱাটোও পৰিলক্ষিত নহ'ল। তাতে আজিকালি ৰাজ্যিক সেৱাৰ লোক মহকুমাধিপতিৰ পদতো অধিষ্ঠিত হ'ব নোৱাৰা অৱস্থাত বিষয়াৰ প্ৰশিক্ষণৰ অবিহনে অসমীয়া ভাষা চৰকাৰী কাৰ্যালয়ত চলোৱাটো কষ্টসাধ্য কথা। সেইদৰে অসমীয়া ভাষাৰ টাইপ ৰাইটাৰ টাইপিষ্ট আৰু ষ্টেনোগ্ৰাফাৰকো গাৰ এলান্ধু জোকাৰি সতেজ কৰাৰ প্ৰচেষ্টা স্তিমিত কৰি ৰাখি এই উদ্দেশ্য পূৰণ কৰিব নোৱাৰি।

তদুপৰি এই ক্ষেত্ৰত এতিয়া কি নতুন বিধিপথালি ওলায় তাৰো ঠিক নাই। কিয়নো ইতিমধ্যে স্বীকৃত নীতিৰ বিপৰীতমুখী কাৰ্য ব্যৱস্থাও চৰকাৰৰ তৰফৰ পৰাই লৈছে। অনা-অসমীয়া মাধ্যমিক বিদ্যালয়ত অসমীয়া ভাষাক এলাগী কৰাৰ বাবে দিয়া শেহতীয়া নিৰ্দেশে অসমীয়া ভাষাক ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰকাৰী কাৰ্যালয়ত নিয়োজিত কৰাৰ সিদ্ধান্ত কাৰ্যকৰী কৰাত কিদৰে সহায় কৰিব সেই কথা আমি বুজা নাই আৰু চৰকাৰেও আমাক বুজাব নোৱাৰিব।

## ভাষাৰ প্ৰসঙ্গত

আপেক্ষিক গুৰুত্বৰ ক্ৰম অনুসৰি অসম গণ পৰিষদ চৰকাৰে ভাষাৰ প্ৰসঙ্গটো এতিয়াই অৱতাৰণা কৰিব নেলাগিছিল বুলি আমি ধাৰণা কৰো।



কিয়নো পোনতে চৰকাৰটো ঠান-ঠিত লগাৰ প্ৰয়োজন। তদুপৰি প্ৰশাসনৰ পূৰ্ণাঙ্গ সহযোগিতা আদায় কৰাটোও বিশেষ জৰুৰী কথা। আগৰ আমোলে প্ৰশাসনক এনে পৰ্যায়ত এৰি থৈ গ'ল— য'ত বিশেষ মহলৰ লগত মনৰ চুবুৰী গঠন কৰি তেওঁলোকৰ প্ৰতি আচুতীয়া ভাৱে দায়বদ্ধ হৈ কাম কৰা লোকৰ ৰাজত্বহে প্ৰশাসনত চলিল। অকল এই দৃষ্টি কোণৰ পৰাই প্ৰশাসনত বদলি পদোন্নতি আদি সকলো সম্পাদিত হ'ল। মেৰুদণ্ড পোনাই থিয় দিয়া সকলক একাষৰীয়া কৰা হ'ল। দৰাচলতে ক'বলৈ গ'লে আগৰ আমোলে প্ৰশাসনক শাসক দল তথা বিশেষ গোষ্ঠীৰ বি-টীম ৰূপে গঢ়ি তুলিলে। নতুন চৰকাৰে ইতিমধ্যে কেতবোৰ সালসলনি ঘটালে যদিও ৰোগৰ জইন মৰাগৈ নাই। এতিয়াও তেনে মহলৰ তৎপৰতা অব্যাহত থকা বুলি জনা গৈছে আৰু চৰকাৰক অপ্ৰস্তুত কৰিব পৰা ধৰণৰ কেতবোৰ কাৰ্য ইতিমধ্যে প্ৰশাসনৰ সেইটো মহলৰ প্ৰৰোচনাতে হোৱা বুলি অভিযোগ উঠিছে।

সেইদেখি চৰকাৰে প্ৰশাসনৰ মাজৰ পৰা হ'ব পৰা এনে অপকাৰ্যৰ সুৰুঙা বন্ধ কৰিব পৰাকৈ প্ৰশাসনক প্ৰকৃতাৰ্থত গঢ় দি লোৱাৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দি ক্ষিপ্ৰতাৰে সেই কাৰ্য সম্পাদন কৰিব লাগে আৰু লগে লগে আপেক্ষিক গুৰুত্বৰ ক্ৰম নিৰ্ণয় কৰি সেই মতে বিভিন্ন কাৰ্যব্যৱস্থা সম্পাদন কৰাৰ বাবে আগবাঢ়িব লাগে। সেই বুলি ভাষাৰ প্ৰসঙ্গটোৰ গুৰুত্ব আমি কমাই দেখুৱাব খোজা নাই। এই প্ৰসঙ্গৰ চূড়ান্ত নিষ্পত্তি হোৱাটোকে— আমি বিচাৰো। ৰাজ্যভাষা শিক্ষাৰ মাধ্যম— আদি সকলো ক্ষেত্ৰতে আমি বিবিধ অন্তৰায়ৰ মাজেদি আগবাঢ়িব লগীয়া হয় যদিও আজিও এইবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বাধা দূৰ হোৱা নাই। সেইদেখি এতিয়া এনে কোনো পৰিস্থিতিৰ সৃষ্টি হ'ব নেলাগে— যি আমাৰ সমুখৰ বাধা বঢ়াই নিয়ে। আমাৰ বক্তব্যৰ মূল কথা সিমানেই।

বিশেষ এখন জিলাই সমগ্ৰ ৰাজ্যখনক বন্ধকত ৰখা ধৰণৰ ব্যৱস্থা এটা আমি কেতিয়াও মানি ল'ব নোৱাৰো। বাস্তৱ ক্ষেত্ৰৰ কিবা অসুবিধা

থাকিলে আলোচনাৰ জৰিয়তে তাক দূৰ কৰাৰ বাবে চেষ্টা চলাব লাগে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও তেনে মনোভাৱ স্পষ্টভাৱে প্ৰদৰ্শন কৰাত আমি সন্তোষ পাইছো। সেইদৰে এচাম জনজাতীয় জনগোষ্ঠীৰ তৰফৰ পৰা উঠা আপত্তিৰ সন্দৰ্ভতো বিচাৰ-বিবেচনা কৰা উচিত। ৰাজ্যখনৰ এইচাম থলুৱা জনগোষ্ঠীৰ মন মুকলি কৰাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা হাতত লোৱাটোকে আমি বিচাৰো। এই ক্ষেত্ৰত এৰা-ধৰাৰ নীতি হাতত লোৱাৰ বাবে কোনো কুণ্ঠাৰ ভাৱ থাকিব নেলাগে। অৱশ্যে অসমীয়া ভাষাক স্থিতিহীন অৱস্থা এটালৈ ঠেলি নিয়াৰ পোষকতা আমি নকৰো। যদি হিন্দী ভাষাই অসমীয়া ভাষাক কাৰ্যতঃ অৰ্থহীন অৱস্থা এটালৈ নিয়াৰ নিচিনা পৰিৱেশ এটাই ৰাজ্যত গঢ় লয় তেন্তে হিন্দী ভাষাৰ সম্পৰ্কতো আমি নতুনকৈ চিন্তা কৰিব লগীয়া হ'ব।

# ষষ্ঠ ভাগ

# গোহাৰি ঃ জনজাতীয় ৰাইজলৈ

ভৈয়ামৰ জনজাতীয় ৰাইজৰ মাজত থকা সমস্যাবোৰ সমাধান কৰাৰ বাবে যিখিনি চেষ্টা চলাব লাগিছিল, সেইখিনি চেষ্টা নচলোৱা বাবে তেওঁলোকৰ মাজত বিতুষ্টিৰ ভাব গঢ়ি যাবলৈ ধৰিলে। বিশেষকৈ মাটিৰ সমস্যা, অৰ্থনৈতিক সংস্থাপনৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। এই বিতুষ্টিৰ পূৰ্ণ সুযোগ স্বাৰ্থ জড়িত মহল কিছুমানে লৈছে। ভৈয়ামৰ এভাগ জনজাতিৰ নেতৃত্বৰ ওপৰত পশ্চিম বংগৰ এটা মহলে প্ৰভাৱ বিস্তাৰ কৰি তেওঁলোকক অবাটে নিবলৈ চেষ্টা কৰিছে। আনহাতে মিছনেৰী মহল এটাৰ কাৰ্যকলাপো সন্দেহাতীত হৈ থকা নাই— ৰাজ্যৰ বিশেষ কেতবোৰ ঠাইত সেইটো মহলেও জনজাতীয় ৰাইজক ৰাজ্যখনৰ জীৱন প্ৰৱাহৰ পৰা আঁতৰাই নিবৰ বাবে তলে তলে পৰিকল্পিত প্ৰচেষ্টা চলাই আহিছে। এই প্ৰসংগত গোৱালপাৰা জিলাৰ কথা উল্লেখ কৰিব পাৰি। সেইখন জিলাত ১৯৬১-৭১ চনৰ ভিতৰত খৃষ্টান লোকৰ হাৰ বৃদ্ধি ৫৪.৮২। কোন সকল লোক ধৰ্মান্তৰ হৈছে— সেই কথা মনত পেলালেই বুজিব পৰা যাব যে সেইখন জিলাত পৃথক মনোভাৱ বঢ়াৰ গুৰিত ৰাজ্যৰ বাহিৰৰ স্বাৰ্থজড়িত মহলৰ লগতে ধৰ্মীয় মহল এটায়ো প্ৰৰোচনা যোগাইছে।

তদুপৰি আৰু কেতবোৰ কথাৰ প্ৰভাৱো নপৰা নহয়। পূব ভাৰতত বিশেষকৈ অসমৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এনে কেতবোৰ ব্যৱস্থা লৈ আহিছে, যাৰ ফলত পৃথক মনোভাৱে গা কৰিবলৈহে উৎসাহ পাইছে। এই ক্ষেত্ৰত চৰকাৰৰ তথা নেতৃবৰ্গৰ যিখিনি সচেতনতা পৰিলক্ষিত দেখিবলৈ পাব লাগিছিল সেই সচেতনতা হোৱা নাই। তদুপৰি সাংবিধানিক ব্যৱস্থা মতে জনজাতীয় ৰাইজৰ কাৰণে যিখিনি কাম কৰিব লাগিছিল— সেই ক্ষেত্ৰতো গোঁজ পোতা স্বাৰ্থ এটাই গঢ় লোৱাত প্ৰকৃততে সৰ্বসাধাৰণ



জনজাতীয় ৰাইজৰ নেতৃত্বও কম দায়ী নহয়। পিচে সম্প্ৰতি ভৈয়াম জনজাতি পৰিষদে (পি-টি-চি) উদয়াচলৰ দাবী তুলি অসমৰ পৰাই বিচ্ছিন্ন হোৱাৰ ধ্বনিৰে অসমীয়া মানুহ আৰু অসমীয়া ভাষাৰ বিৰুদ্ধে বিষোদগাৰ কৰাত গোটেই কথাটো আনৰ প্ৰৰোচনাত ৰাজনৈতিকভাৱে প্ৰণোদিত হোৱাটো সুস্পষ্ট হৈ পৰিছে। আমি জনাত ভৈয়ামৰ সমূহ জনজাতীয় লোকৰ হৈ মাত মাতিবলৈ পি-টি-চিৰ অধিকাৰ নাই। তেওঁলোকক সমৰ্থন নকৰা লোকৰ সংখ্যাহে বেছি হ'ব। অসম বিধান সভাতো পি-টি-চিৰ সদস্য মাত্ৰ এজনহে। তাতকৈ প্ৰায় ৭ গুণ বেছি জনজাতীয় সদস্য কংগ্ৰেছ দলৰহে। যোৱা সাধাৰণ নিৰ্বাচনত পি-টি-চি দলে ৰাজ্যৰ মুঠ প্ৰদত্ত ভোটৰ মাত্ৰ ০.৯৮% ভাগ লাভ কৰে। তেওঁলোকে মাত্ৰ দুখন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল— আৰু এখন মাত্ৰ আসন লাভ কৰে। এইখন আসনত বিজয়ী হোৱা শ্ৰীচৰণ নাৰ্জাৰীও কাণে কাণ মাৰিহে জিকিল।

এনে অৱস্থাত পি-টি-চি এ পশ্চিম বংগৰ মহল এটা আৰু অন্য অদৃশ্য মহলৰ পৃষ্ঠপোষকতাতে অসমৰ ভৈয়ামৰ সমূহ জনজাতীয় লোকৰ প্ৰতিনিধিত্ব কৰা বুলি ভাবিলেও আমি মানি ল'ব নোৱাৰো। অৱশ্যে এনেবোৰ কাৰ্যকলাপত পশ্চিম বংগৰ মহলটোৱে উৎসাহ যোগোৱাৰ নিদৰ্শন এইটোৱেই নহয়। মেঘালয় ৰাজ্য হোৱাৰ আগতে খাছী আৰু গাৰো ৰাইজৰ প্ৰকৃত সুহৃদ ৰূপে চিনাকি দিবলৈ গৈ এইটো মহলে অসম আৰু অসমীয়া বিদ্বেষৰ পোহাৰ মেলি দিছিল। পিচে মেঘালয় ৰাজ্য লৈ উঠাৰ পিচ মুহূৰ্ততে মেঘালয়ৰ ৰাইজে সুহৃদৰ স্বৰূপ বুজি পালে। অসমৰ জনজাতীয় ৰাইজেও নিশ্চয় বুজিব। পি-টি-চি প্ৰতাৰিত হ'লেও জনজাতীয় সমূহ ৰাইজ নিশ্চয় প্ৰতাৰিত নহয়। বড়ো ৰাইজৰ কাৰণে যিসকলে এতিয়া ঘঁৰিয়াল কান্দোন দিছে, সেই সকলৰ নিজা ৰাজ্যত বড়ো আদি জনজাতীয় ৰাইজে শিক্ষা ক্ষেত্ৰত, অৰ্থনৈতিক ক্ষেত্ৰত— ইত্যাদি বিষয়ত কি সুবিধা পাইছে? বড়ো ভাষাৰ শিক্ষা দিয়া কেইখন বিদ্যালয় পশ্চিম বংগত আছে? অসমৰ লগত তুলনা হয়নে? কোচ বিহাৰ, ত্ৰিপুৰাত জনজাতীয় ৰাইজ লাওলোৱা হ'ব

লগীয়া হ'ল কিয়? কোনে তেওঁলোকক সম্পূৰ্ণ নিষ্প্ৰভ কৰিলে?

গোৱালপাৰা জিলাৰ যি গুৰুতৰ সমস্যা হৈছে, সেই সমস্যাৰ ফলত সেই জিলাৰ অন্যান্য ৰাইজৰ লগতে বড়ো ৰাইজো কঠিন সমস্যাৰ গৰাহত পৰিছে— সেই কথা আমি স্বীকাৰ কৰিবই লাগিব। কিন্তু সেয়ে অসমীয়া ৰাইজ আৰু অসমীয়া ভাষাৰ উপদ্ৰৱৰ ফলত হৈছে জানো? কেতিয়াও নহয়, যিবোৰ সমস্যাই জিলাখনত হেঁচা পেলাইছে- তাৰ প্ৰভাৱ সকলোৰে ওপৰত পৰিছে। জিলাখনত জন বসতিৰ ঘনত্ব ক্ৰমে বাঢ়ি গৈছে। ১৯৯ (১৯২১), ২২২ (১৯৩১), ২৫৪ (১৯৪১), ২৭৮ (১৯৫১ চন) তাহানিৰে পৰা এই হাৰত বাঢ়ি গৈছে। ১৯৭১ চনৰ পিয়ল মতে কোকৰাঝাৰ মহকুমাত জন বসতিৰ ঘনতা ১৫১; আনহাতে ধুবুৰী আৰু গোৱালপাৰা মহকুমাৰ ঘনতা যথাক্ৰমে ৩১০ আৰু ২৩৩। তেন্তে আপেক্ষিকভাৱে কম ঘনতা থকা কোকৰাঝাৰ মহকুমাত নতুন হেঁচা পৰাটো স্বাভাৱিক আৰু তাৰ ফলত সেই অঞ্চলৰ জনজাতীয় ৰাইজ আৰু বেছি সমস্যাৰ গৰাহত পৰিব। পিচে তাৰ বাবে অসমীয়া ৰাইজক জগৰীয়া কৰিব পাৰিবনে? গোৱালপাৰা জিলাত হোৱা প্ৰভাৱ ক'ৰ পৰা আহিছে— সেই কথা সকলোৰে জানে? ১৯৭১ চনৰ পিয়ল মতে পাৰ্বত্য অঞ্চলৰ ভিতৰত মিকিৰ পাহাৰতে জনসংখ্যা বৃদ্ধিৰ হাৰ আটাইতকৈ বেছি (৬৮.২৪% ) আৰু ভৈয়ামৰ অঞ্চলৰ ভিতৰত গোৱালপাৰা জিলাতে সৰ্বাধিক (৪৪.১২% ) ফলত এই দুয়োটা অঞ্চলতে অৰ্থনৈতিক দুৰ্যোগ বাঢ়িছে। জিলাখনত বহিৰাগত ভাগ্য অন্বেষণকাৰী জিৰণীয়া লোকৰ বৰ্দ্ধিত সংখ্যাৰে হেঁচা যে বাঢ়িছে— তাৰ ইংগিত এটা পোৱা যাব— প্ৰতি হেজাৰ পুৰুষৰ মাজত থকা নাৰীৰ হিচাবলৈ মন কৰিলেই (১৯৭১ চনৰ পিয়ল মতে অসমৰ সামগ্ৰীক হিচাপ মতে প্ৰতি হেজাৰ পুৰুষৰ মাজত ৯০১ গৰাকী নাৰী; কিন্তু গোৱালপাৰা জিলাত সেই হাৰ হ'ল এনে ধৰণৰ— কোকৰাঝাৰ মহকুমা— ৭৪৩, ধুবুৰী মহকুমা—৭৫৫, গোৱালপাৰা মহকুমা— ৮০৭। অৱশ্যে ১৯৫১ চনৰ পিয়লৰ প্ৰতিবেদনত আৰু স্পষ্টকৈ জিলাখনৰ সমস্যাৰ বিশ্লেষণ এটা দাঙি ধৰিছিল— তাত কোৱা মতে বংগৰ দাঁতি কাষৰীয়া দক্ষিণ-পশ্চিম অঞ্চলতে (গোৱালপাৰা



জিলাৰ) জন বসতিৰ ঘনতা আটাইতকৈ বেছি। জিলাৰ অৰ্দ্ধেক অংশই তিনি চতুৰ্থাংশ লোকৰ ভাৰ বহন কৰিছে। ১৯৫১ চনৰ পিয়ল মতে এই কথাও কোৱা হৈছিল যে জিলাখনৰ বিকাশৰ গতি মন্থৰ হোৱাৰ অন্যতম কাৰণ হ'ল— জনসংখ্যা বিপুল পৰিমাণে বঢ়াতো। লগতে সেইখন পিয়লৰ প্ৰতিবেদনতে কোৱা হৈছিল যে সম্ভৱতঃ অৰ্থনৈতিক কাৰণতে সেই জিলাৰ জনজাতীয় ৰাইজৰ কিছুমান কামৰূপ আৰু নগাওঁ জিলালৈ উঠি যায়।

এতেকে গোৱালপাৰা জিলাৰ ৰাইজ তথা বড়ো প্ৰমুখ্যে জনজাতীয় ৰাইজৰ সমস্যাৰ উৎস কৰবাতহে— এই সমস্যাই গঢ় লোৱাও বহুত দিন হ'ল। এনে স্থলত কোনোবাই মুনাফা আদায় কৰাৰ বাবে মূল সমস্যাৰ পৰা দৃষ্টি আঁতৰাই জনজাতীয় ৰাইজক অবাটে যাবলৈ প্ৰৰোচিত কৰিলে আৰু তাতে পতিয়ন গ'লে জনজাতীয় ৰাইজৰ সমস্যাৰ সমাধান নহয়। পি-টি-চিৰ কোনো কোনো নেতাৰ হয়তো ৰাজনৈতিক ইচ্ছা আকাংক্ষা পূৰণ হ'ব—কিন্তু সমূহ জনজাতীয় ৰাইজ ঘৰতে অঘৰী হ'ব। সেইদেখি আমি ভৈয়ামৰ জনজাতীয় ৰাইজক সতৰ্ক হ'বলৈ সঁকিয়াই দিলোঁ। যিসকলৰ প্ৰৰোচনাই গোৱালপাৰা জিলাতে জনজাতীয় ৰাইজৰ একাংশৰ মাজত পৃথক মনোভাৱ লোৱাৰ বীজ পোনতে সিঁচাটো সম্ভৱপৰ কৰিলে— সেই সকলৰ ভূমিকাকে সেইখন জিলাৰ পৰাই উদ্‌ঘাটন কৰি নেচায় কিয়? সেই অঞ্চলৰ ৰেলৱেৰ চাকৰি গোগ্ৰাসে কোনে গিলিছে; জিলাখনৰ সীমাবদ্ধ সংখ্যাৰ উদ্যোগ প্ৰতিষ্ঠান বাণিজ্যিক প্ৰতিষ্ঠান আদিত কেইজন জনজাতীয় আছে। তাত কাৰ প্ৰাধান্য চলিছে? সেই জিলাৰ জনজাতীয় ৰাইজ ভূমিহীন হৈ ঘৰতে অঘৰী হ'ব লগীয়া হৈছে— কোনবোৰ চক্ৰৰ ক্ৰিয়া-কলাপৰ ফলত? মাটি কাৰ হাতলৈ গৈছে? এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰক। আমাৰ অনুৰোধ— সময় থাকোতেই জনজাতীয় ৰাইজে ভাবি চাওক— পিচত বহুত পলম হৈ যাব। ১৯৭২ চনৰ ছেপ্টেম্বৰ মাহত লেখা এই সম্পাদকীয়টো শ্ৰীউপেন্দ্ৰ বৰকটকী সম্পাদিত "অ' মোৰ অসমী আই" এই গ্ৰন্থখনৰ পৰা পুনৰ মুদ্ৰণ কৰা হ'ল। তাৰিখ উল্লেখ কৰা হোৱা নাছিল।

## গাত কথা নলগা চৰকাৰ

কোকৰাঝাৰ অঞ্চলৰ বড়ো জনজাতীয় ৰাইজে নিজৰ ঘৰ-মাটি এৰি আহিব লগীয়া শোচনীয় অৱস্থা এটাৰ কথা এই কাকততে বৃহস্পতিবাৰৰ সংখ্যাত প্ৰকাশ পাইছে। সমগ্ৰ গোৱালপাৰা জিলাকে ধৰি অসমৰ ভৈয়াম অঞ্চলৰ বড়ো আদি ভৈয়ামৰ জনজাতীয় ৰাইজ আৰু অন্যান্য আৰ্থিকভাৱে দুৰ্বল ডেধাৰ থলুৱা ৰাইজে নিজৰ ঠাই এৰি এতিয়া অনাই-বনাই ফুৰিব লগীয়া হৈছে। নাগালেণ্ড সীমান্তৰ হত্যাকাণ্ডৰ পিছত ভাগি অহা বিপুল সংখ্যক জনজাতীয় ৰাইজৰ সংখ্যাটোৱে এই সকল লোকৰ দুৰ্গতিৰ কথা সুস্পষ্টভাৱে দাঙি ধৰিছে। জনজাতীয় ৰাইজৰ স্বাৰ্থৰ কথা কৈ চকুপানী টোকা ৰাজনৈতিক ধুৰন্ধৰৰ অভাৱ এই ৰাজ্যত নাই। কিন্তু এই সকল ৰাইজৰ স্বাৰ্থৰ প্ৰকৃত সেৱকহে পাবলৈ নাই। সেয়েহে দেশী-বিদেশী বহিৰাগতৰ প্ৰবল হেঁচাত আজি এই সকল লোক চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব লগীয়া হৈছে।

জনজাতীয় আদি আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ৰাইজে দায়িত্বহীন ভাৱে নিজৰ ঘৰ-মাটি এৰি নাহে। তেওঁলোকে যি ঠাইত বাস কৰে, সেই ঠাইত নিচেই সৰু-সুৰা বৃত্তি অৱলম্বন কৰি জীৱন নিৰ্বাহ কৰে। কিন্তু জনবসতি যিমানে বাঢ়ে, সিমানে তেওঁলোকৰ বৃত্তিৰ বাবে থল নোহোৱা হৈ পৰে। ফলত তেওঁলোক উঠি আহিবলৈ বাধ্য হয়। আনহাতে এচাম শিয়ান লোকে প্ৰবঞ্চনা কৰিও তেওঁলোকক মাটিৰ পৰা বঞ্চিত কৰে। তদুপৰি নানা ধৰণেৰে জোৰ-জুলুম কৰি তেওঁলোকক উঠাই পঠোৱাৰ উদাহৰণো আছে। এই ক্ষেত্ৰত প্ৰশাসনৰে এচাম আৰু পাবত গজা এচাম নেতাই যেতিয়া যোগ দিয়ে— তেতিয়া এই সকল লোক আৰু নিৰুপায়ত পৰে। সম্প্ৰতি বিদেশী অনুপ্ৰৱেশকাৰী আৰু অন্যান্য ৰাজ্যৰ পৰা অহা কেতবোৰ বহিৰাগত লোকে



প্ৰশাসনৰ ভিতৰত কিছুমান লোক আৰু এচাম নেতাৰ সহায়ত জনজাতীয় অঞ্চলত ছাটি ধৰিবলৈ বিশেষ সুযোগ পাইছে। ইতিমধ্যে নেতৃত্বৰ লীলাখেলা আৰু প্ৰশাসনৰ চৰম ব্যৰ্থতাৰ বাবে ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লক সমূহৰ চিন নোহোৱা হ'ল। ইমান চৰম অবিচাৰ এটা কৰাৰ মূৰত এতিয়া জনজাতীয় স্বাৰ্থৰ ধ্বনি তোলাৰ বাবে নৈতিক অধিকাৰ নেতৃবৰ্গই ক'ৰ পৰা বিচাৰি পাইছে।

অসমত মাটিৰ ওপৰত হেঁচা এতিয়া পৰা নাই। ১৯০১ চনৰ পৰা ১৯৫১ চনলৈ ৫০ বছৰৰ ভিতৰত জনসংখ্যা বাঢ়ে শতকৰা ১৩৭ ভাগ। তেতিয়াই এই হাৰ ভাৰতৰ ভিতৰতে সৰ্বোচ্চ। তাৰ পিচত অৱস্থা আৰু শোচনীয়। ১৯৭১ চনৰ পিয়লত অসমতে জনসংখ্যা সৰ্বাধিক ভাৱে বঢ়াৰ হিচাপ দিয়ে (শতকৰা ৩৪.৩৭)। ইতিমধ্যে অসমৰ কলেৱৰ সৰু হ'ল। ১৯৫১ চনত অসমৰ মুঠ কালিৰ এক চতুৰ্থাংশ অঞ্চলত (ভৈয়ামত) মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশ লোকে বাস কৰিছিল। এতিয়া কলেৱৰ কমাৰ ফলত জন বসতিৰ ঘনতা আৰু বাঢ়িল। ১৯৭১ চনত অসমৰ ভৈয়াম অঞ্চলৰ জনবসতিৰ ঘনতা আছিল ৩৩৯ (সৰ্বভাৰতীয় হাৰ ২৮১); আনহাতে ১৯৫১ চনতে গোৱালপাৰা জিলাত জনবসতিৰ ঘনতা আছিল ৩৬০। এতিয়া বাংলাদেশ আৰু নেপালৰ পৰা বাধাহীনভাৱে আহি থকা বিদেশী নাগৰিক আৰু দেশৰ আন অঞ্চলৰ পৰা আহি থকা লোকে কি হেঁচা পেলাইছে— সেই কথা অনুমান কৰাও টান। এনে অৱস্থাত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে আগ্নেয়গিৰিৰ ওপৰত থিয় দিয়ো নিৰ্লিপ্ত ভাৱেই থাকিব খোজেনে? ইয়াকো আমাৰ প্ৰাদেশিকতাৰ বেমাৰ বুলিয়েই ধৰিব খোজা হৈছে নেকি? অসমৰ প্ৰাক্তন পিয়ল আয়ুক্ত শ্ৰীভাগাইৱালাই তেওঁৰ পিয়লৰ প্ৰতিবেদনত এই সম্পৰ্কে কৰা মন্তব্য পঢ়ি চাবলৈ ইমান বছৰে আমাৰ হৰ্তাকৰ্তা সকলৰ আজৰি নোলোৱাটো আমি কাৰ দুৰ্ভাগ্য বুলি ভাবিম?

# সপ্তম ভাগ

# বিবিধ

## ৰাজনৈতিক দলৰ চান্দা

শ্ৰীজয়প্ৰকাশ নাৰায়ণে সাক্ষাৎ প্ৰসঙ্গত এটা প্ৰশ্নৰ উত্তৰত কৈছে যে কোনো ৰাজনৈতিক দলে বিপুল পৰিমাণৰ চান্দা গোটোৱাটো পৰিহাৰ কৰি ৰাইজৰ পৰা অলপীয়া পৰিমাণৰ চান্দা গোটাব লাগে। দল সমূহে সকলো দাঁতাৰ তালিকা আৰু ব্যয়ৰ হিচাপ প্ৰকাশ কৰিব লাগে। এই সম্পৰ্কত সংসদে আইন-প্ৰণয়ন কৰিব লাগে আৰু তেনে বিধি লংঘন কৰাটো দুৰ্নীতি বুলি পৰিগণিত হ'ব লাগে।

যিটো প্ৰশ্নৰ উত্তৰত শ্ৰীজয়প্ৰকাশ নাৰায়ণে এই উত্তৰত দিছিল, সেই প্ৰশ্নটোত পোনপটীয়াকৈ কোৱা হৈছিল যে বিশেষকৈ নিৰ্বাচনৰ সময়ত দলৰ পুঁজি সংগ্ৰহ কৰাটোৱেই দুৰ্নীতিৰ ঘাই উৎস। এই ক্ষেত্ৰত কাৰো দ্বিমত নাই বুলিয়েই আমিও ভাবো। দলীয় পুঁজিৰ প্ৰসঙ্গটোৱেই আমাৰ দেশত দুৰ্নীতি বিয়পাই দিছে। নানান অসৎ বুজাবুজিৰ মূৰত দলীয় পুঁজিলৈ ধন আহে— ফলত দুৰ্নীতিৰ পোহাৰ চলে। ইপিনে এনে দান-বৰঙনিয়ে চৰকাৰত অধিষ্ঠিত থকা দলৰ নীতি, প্ৰশাসনীয় ব্যৱস্থা আদিতো প্ৰভাৱ বিস্তাৰ কৰে। তদুপৰি ৰাইজৰ দুৰ্দশাও বাঢ়ে। নিৰ্বাচন হৈ গ'লেই বয়-বস্তুৰ দাম বঢ়াটো এটা নিয়মত পৰিণত হৈছে। নিৰ্বাচনৰ আগতে লাখ লাখ টকা চান্দা হিচাপে দিয়া ব্যৱসায়ী বা ঔদ্যোগিক প্ৰতিষ্ঠানে পিচত ৰাইজৰ পৰাই চৰা দামৰ যোগেদি সেইখিনি ধন ঘূৰাই লয় আৰু তেতিয়া চৰকাৰী যন্ত্ৰও আওকণীয়া হৈ থাকে। সম্প্ৰতি দাম বঢ়াৰ মূলতো এনে সমস্যাৰ বিশেষ প্ৰভাৱ পৰিছে। এতিয়া কংগ্ৰেছে দাম বঢ়াৰ বাবে হৈ-চৈ লগালেও এই ক্ষেত্ৰত কংগ্ৰেছৰ বিশেষ বৰঙনি আছে। লোকসভা আৰু ৰাজ্য বিধান



সমূহৰ নিৰ্বাচনৰ বাবে গোটোৱা বিপুল পৰিমাণৰ ধনে এতিয়া বজাৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

সেইদেখি শ্ৰীজয়প্ৰকাশ নাৰায়ণে কোৱাৰ দৰে ব্যৱস্থা হাতত লোৱাটো নিতান্ত প্ৰয়োজনীয়। মাজতে পূৰ্বৰ কংগ্ৰেছ চৰকাৰেও ৰাজনৈতিক দললৈ বৰঙনি দিয়া সম্পৰ্কত কেতবোৰ বাধা-নিষেধ আৰোপ কৰিছিল। কিন্তু সেইবোৰ কিমান অন্তঃসাৰশূণ্য ব্যৱস্থা আছিল— এতিয়া প্ৰকাশিত হোৱা তথ্য সমূহেই তাৰ প্ৰমাণ দিছে। জনতা চৰকাৰ যদি দুৰ্নীতি দূৰ কৰাৰ বাবে সংকল্পবদ্ধ, তেন্তে তাৰ চিন আমি এই ক্ষেত্ৰতে পাম। ৰাজনৈতিক দলৰ চান্দাক কেন্দ্ৰ কৰি গঢ় লোৱা দুৰ্নীতি দূৰ কৰাৰ বাবে সুস্পষ্ট আইন-প্ৰণয়ন কৰাটো নিতান্ত প্ৰয়োজনীয়।

অৱশ্যে ইয়াৰ লগতে নিৰ্বাচন সংক্ৰান্ত সাম্প্ৰতিক আইনৰো কেতবোৰ সালসলনি ঘটোৱাটো প্ৰয়োজনীয় হ'ব। নিৰ্বাচনী ব্যয় সম্পৰ্কীয় যিবোৰ বিধি-ব্যৱস্থা আছে, সেইবোৰত বহুতো সুৰুঙা আছে। সেইদেখি সঠিক নিৰ্বাচনী-ব্যৰ হিচাপ দাখিল নকৰাটোৱেই নিয়মত পৰিণত হৈছে। তদুপৰি প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় দাখিল কৰাৰ ব্যৱস্থা ৰাখি প্ৰাৰ্থীৰ কাৰণে দলে বহন কৰা ব্যয়ৰ হিচাপো তাৰ লগত সন্নিৱিষ্ট নকৰাৰ নিয়ম কৰি গোটেই কথাটোকে প্ৰহসনৰ নিচিনা কৰা হ'ল। সকলো ব্যয় সামৰি সুনিৰ্দিষ্ট নিয়ম প্ৰৱৰ্তন কৰিলেহে দুৰ্নীতিৰ সুৰুঙা বন্ধ কৰিব পৰা হ'ব আৰু তেতিয়াহে দলীয় পুঁজি শকত কৰাৰ বাবে ওভোতগোৰে নচাৰ হেঁপাহ কমিব।

# একাঁজলি তৰ্পণ

লোকনায়ক শ্ৰীজয়প্ৰকাশ নাৰায়ণ আৰু নাই। গান্ধীজীৰ লগে লগে যেনেকৈ এটা যুগৰ পৰিসমাপ্তি ঘটিল, ঠিক তেনেকৈ লোকনায়কৰ লগে লগে এটা যুগ শেষ হ'ল। দেশৰ বিবৰ্তনৰ বিভিন্ন স্তৰত বিশিষ্ট বৰঙণি যোগাই যোৱা এইজন বৰেণ্য নেতাক প্ৰকৃততে বিশেষণেৰে বুজাব নোৱাৰি। আদৰ্শ-নিষ্ঠা, সততা, স্বতন্ত্ৰ চিন্তা-দৰ্শন, পদমৰ্যাদাৰ লোভহীনতা, চিৰন্তন সংগ্ৰামী চেতনা, বাধাৰ বিৰুদ্ধে অবিৰতভাৱে যুঁজাৰ অফুৰন্ত দৃঢ়তা— এই সকলোৰে সমাহাৰত গঢ়ি উঠা ব্যক্তিত্বই তেওঁক অদ্বিতীয় কৰি থৈ গৈছে।

অন্বেষণৰ যাত্ৰা অব্যাহত ৰাখি তেওঁ ভাৰতৰ কাৰণে সঠিক পথৰ সন্ধানৰ ব্ৰততে আত্মনিয়োগ কৰিলে। সেই অন্বেষণ তেওঁক বিভিন্ন স্তৰৰ মাজেদি আগবঢ়াই আনিলে। মাৰ্ক্সবাদ, কংগ্ৰেছৰ আদৰ্শ, কংগ্ৰেছ ছচিয়েলিষ্ট দল, সৰ্বোদয়— এই সমুদায় স্তৰৰ মাজেদি আহি মূৰকত তেওঁ সম্পূৰ্ণ ক্ৰান্তিৰ ধ্বনি তুলিলে। প্ৰতিটো স্তৰতে তেওঁ নিজস্ব চিন্তাধাৰাৰ কষটি শিলত ঘঁহি বিচাৰ-বিচেনা কৰিলে; মতান্তৰ-মনান্তৰৰ মূৰত নতুনৰ সন্ধান ল'লে। একালত তেওঁ ৰাজনীতিৰ পৰা সম্পূৰ্ণ ৰূপে নিজক আঁতৰাই ৰাখিলে। কিন্তু ৰাজনীতিৰ নামত চলা ব্যভিচাৰে তেওঁক ১৯৭৩ চনত পুনৰ ৰাজনীতিলৈকে ঘূৰাই আনিলে। ধন, মিছা কথা, দুৰ্নীতি আৰু শাৰীৰিক শক্তিয়ে খহনীয়া আৰম্ভ কৰি দিয়াত গণতন্ত্ৰক ৰক্ষা কৰিবলৈ তেওঁ ৰণশিঙা বজালে আৰু সেই ৰণৰ হুংকাৰে তেওঁক চৰকাৰৰ সৈতে মুখামুখি সংগ্ৰামত উপনীত কৰালে। তেওঁৰ ৰণ ডংকা শুনি সন্ত্ৰস্ত হৈ শ্ৰীমতী ইন্দিৰা গান্ধীৰ চৰকাৰে জৰুৰী অৱস্থা ঘোষণা কৰি দেশত অন্ধকাৰ যুগ এটাৰ অভ্যুতাৰণা কৰিলে। 'দেশদ্ৰোহী' বুলি অভিহিত হোৱা শ্ৰীনাৰায়ণ আৰু লগতে হেজাৰ-বিজাৰ ভাৰতবাসী ফাটেকত সোমাবলগীয়া হ'ল।

জৰুৰী অৱস্থাৰ সময়তে ৰহস্যজনকভাৱে বেমাৰী হৈ পৰা শ্ৰীনাৰায়ণেই



দেশক এন্ধাৰৰ মাজৰ পৰা পোহৰলৈ আনিলে। ১৯৭৭ চনৰ মাৰ্চ মাহত লোকসভাৰ নিৰ্বাচন হোৱাৰ আগতে অসীম প্ৰত্যয় লৈ তেৰে কৈছিল "যিমান দিনেই নেলাগক, ভাৰত আকৌ মৰিশালীৰ পৰা উঠি আহিবই।" সঁচাকৈ আহিল। তেওঁৰ প্ৰযত্নৰ মূৰতে জনতা পাৰ্টিৰ পটন ঘটিল আৰু ১৯৭৭ চনৰ যুগান্তকাৰী নিৰ্বাচনে জনতা পাৰ্টিক শাসনত অধিষ্ঠিত কৰিলে। অৱশ্যে তাৰ ছন্দ পতন ঘটাও তেওঁ দেখি গ'ল। জৰুৰী অৱস্থাৰ সময়তে বাহ লোৱা বেমাৰেই শেষত সেই মহান জ্যোতি নিৰ্বাপিত কৰিলে।

ৰাজনৈতিক ক্ষেত্ৰৰ এইজনা দধিচাৰ সংগ্ৰাম কিন্তু জনতা আমোলতো অব্যাহত থাকিল। কংগ্ৰেছৰ ঠাইত জনতা আমোল প্ৰতিষ্ঠা কৰাটোৱেই তেওঁৰ একমাত্ৰ লক্ষ্য নাছিল। সেই লক্ষ্য আছিল— দেশত সামাজিক অৰ্থনৈতিক ক্ষেত্ৰত পৰিবৰ্তন সধাটো। কিন্তু সেই ক্ষেত্ৰত বিচ্যুতি দেখি তেওঁ পুনৰ নিঃসংগ হোৱাৰ দৰে হ'ল। তেওঁৰ সম্পূৰ্ণ ক্ৰান্তি আধৰুৱা হৈ থাকিল— সমাজ-জীৱন তথা ব্যক্তিগত জীৱনৰ সকলো দিশৰ ৰূপান্তৰৰ বাবে তেওঁ জনোৱা এই আহ্বান বহু বিতৰ্কিত ৰূপতে তেওঁ এৰি থৈ গ'ল।

৪২ৰ বিপ্লৱত যুৱশক্তিৰ প্ৰেৰণাৰ প্ৰতীক ৰূপে, ১৯৭৪ চনৰ বিহাৰৰ আন্দোলনত সিংহ-বিক্ৰম দেখুওৱা প্ৰবীণ ৰূপে অশুভ শক্তি বা অন্যায়ৰ বিৰুদ্ধে সদায় মাত মাতোতা হিচাপে, ভাৰতৰ মুক্তি-সংগ্ৰামকে ধৰি এতিয়ালৈকে বিভিন্ন ক্ষেত্ৰত সংগ্ৰাম চলোৱা এইজন নেতাৰ প্ৰকৃত মূল্যাংকন হোৱা বুলি কোৱাৰ দুঃসাহস আমাৰ নাই। একালত স্বৰ্গীয় নেহৰুৱে ভাৰতৰ ভৱিষ্যত প্ৰধানমন্ত্ৰী বুলি অভিহিত কৰা এইজন নেতা অভিমানৰ বাবে নিশ্চয় ৰাজনীতিৰ পৰা আঁতৰি যোৱা নাছিল। কিন্তু সেস অলিখিত কাহিনী আঁৰতে থাকিল।

আজি শোকাভিভূত দেশবাসীৰ লগতে আমি এই গৰাকী নেতাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়ালো আৰু তেওঁৰ আদৰ্শই দেশবাসীৰ মনত জীৱন্ত ৰূপ লৈ দেশক সঠিক পথেৰে আগুৱাই নিয়াত সহায় কৰিব বুলি আশা পুহিলো।

# দেশত কি হৈছে?

বিভিন্ন কাৰণত বিভিন্ন ৰূপত দেশৰ ভিন ভিন ঠাইত যে অস্থৈৰ্যই দেখা দিছে— সেই বিষয়ে সন্দেহ নাই। দেশখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে এনে অস্থৈৰ্যৰ উপশম ঘটাবৰ বাবে যোগাত্মক প্ৰচেষ্টা হাতত লোৱাটো প্ৰয়োজনীয়। অস্থৈৰ্যৰ সুযোগ লৈ এচাম লোকে যে কেতবোৰ উদ্বেগজনক কাৰ্য সম্পাদন কৰাৰ বাবে সুযোগ উলিয়াই লৈছে; সেইটোও ঠিক। কিন্তু মূৰ কামুৰিলে মূৰ কাটি পেলোৱাৰ নিদান কোনেও নিদিয়ে। সুযোগ সন্ধানী দুষ্কৃতিকাৰীক এফলীয়া কৰি ৰখাৰ ফলদায়ক পন্থাহে এই ক্ষেত্ৰত প্ৰয়োজন। তাৰ বাবেই মানুহৰ অস্থৈৰ্যৰ মূল বিচাৰি তাৰ নিৰাকৰণৰ হকে ক্ষিপ্ৰতাৰে ব্যৱস্থা হাতত লোৱাটো দূৰদৰ্শীৰ কাম হ'ব।

কিন্তু সম্প্ৰতি দেশত কি হৈছে? মৌলিক সমস্যাবোৰ সমস্যা হৈয়েই আছে। বিভিন্ন ন্যাস্তস্বাৰ্থৰ হেঁচাত পৰি এইবোৰ সমস্যা সমাধান কৰাৰ পৰা শাসকবৰ্গ মূৰপুলুকা মাৰিছে। অকল সেয়ে নহয়, দমন নীতিৰ মুকলি প্ৰয়োগৰ দ্বাৰা এনে অস্থৈৰ্যৰ মযিমূৰ কৰাৰ চেষ্টাত আত্মনিয়োগ কৰাৰ লগতে দেশত বিভিন্ন জনগোষ্ঠীৰ মাজত বিভাজন অনাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলোৱা হৈছে। যিসকলে দিনে-নিশাই সংহতি, ধৰ্মনিৰপেক্ষতাৰ বাণী বিলাই ফুৰে, তেওঁলোকেই ইটো লোকসমষ্টিৰ লগত সিটো লোক সমষ্টিৰ বিভাজনৰ সৃষ্টি কৰিবৰ বাবে সমগ্ৰ প্ৰশাসন যন্ত্ৰক নিয়োগ কৰিছে। তাৰ পৰিণতি ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত প্ৰতিফলিত হৈছে আৰু ইয়াৰ জৰিয়তে হয়তো সাময়িকভাৱে শাসক বৰ্গই ৰাজনৈতিক মুনাফা লাভ কৰিছে— কিন্তু তাকে কৰি দেশখনক দুৰ্যোগৰ মাজলৈ ঠেলি দিয়া হৈছে। সেইদৰে ধৰ্মনিৰপেক্ষতাৰ ভণ্ডামিৰ আঁৰত গোকাট সাম্প্ৰদায়িক খেলৰ



অৱতাৰণা কৰি গুৰুতৰ সংকটৰ সৃষ্টি কৰা হৈছে। পিচে এইদৰে অবাটে গ'লেই শাসকবৰ্গৰ ওপৰত হেঁচা বঢ়াটো স্বাভাৱিক। তেনে পৰিস্থিতিত উপায়ন্তৰ হৈ শাসক বৰ্গ এতিয়া অসহিষ্ণুতাৰ চৰম বিন্দুতে উপনীত হৈছে— সেই সেই অসহিষ্ণুতা প্ৰতি কাৰ্যতে প্ৰতিফলিত হৈছে। ফলত অগণতান্ত্ৰিক কাৰ্যকলাপৰ মাত্ৰা বাঢ়িছে; জৰুৰী আইনৰ প্ৰয়োগ বাঢ়িছে; পুলিচ, ৰি আৰ পিৰ অপপ্ৰয়োগৰ মাত্ৰা চৰিছে; ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অপপ্ৰয়োগ হৈছে (অলপতে লোকসভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী ৰূপে থিয় দিব খোজা ৰাষ্ট্ৰীয় সঞ্জয় মঞ্চৰ সদস্য এজনকো ৰাষ্ট্ৰীয় নিৰাপত্তা আইন মতে গ্ৰেপ্তাৰ কৰা হৈছে)।

পিচে ইমানখিনি কৰিও শাসকবৰ্গ নিজৰ স্থিতি সম্পৰ্কে নিশ্চিন্ত হ'ব পৰা নাই। সেইদেখি মিছা প্ৰচাৰ অপপ্ৰচাৰৰ জোৱাৰ তোলা হৈছে। চৰকাৰী প্ৰচাৰ মাধ্যমৰ বিশ্বাস যোগ্যতা সম্পূৰ্ণ নিঃশেষ কৰি সম্প্ৰতি যি কাণ্ড কৰা হৈছে— তাৰ তুলনা একমাত্ৰ তাহানিৰ ডঃ গোৱেৰ লুছৰ কৰ্মধাৰাৰ লগতহে হ'ব পাৰে। এনেবোৰ কাৰ্যকলাপেই এটা নিৰাশজনক বাতাবৰণৰ সৃষ্টি কৰিছে। এনে পৰিৱেশৰ মাজত যেতিয়া কৰ্ণধাৰ সকলৰ নিৰাশজনক উক্তি শুনা যায় তেতিয়া আমাৰ নিৰাশাৰ মাচুল চক্ৰবৃদ্ধি সুদৰ হাৰত বাঢ়ে। মাজতে প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীৰ এষাৰ মন্তব্যই তেনে প্ৰতিক্ৰিয়াৰে সৃষ্টি কৰিলে। স্বৰ্গীয়া ইন্দিৰা গান্ধীৰ শোকাবহ হত্যাকাণ্ডৰ পিচত দেশৰ বিভিন্ন ঠাইত যিবোৰ ভয়ংকৰ কাণ্ড ঘটিল, সেই বিষয়ে সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে মাত্ৰ ক'লে— "ডাঙৰ গছ কাটিলে মাটিৰ কঁপনি উঠিবই"। এই মন্তব্যৰ তাৎপৰ্য কি, তাৰ বিচাৰ ল'বলৈ গ'লে জনমানসৰ মাজত স্থিতি লোৱা নিৰাশা আৰু ডাঠ হৈ পৰিব।

# কুম্ভকৰ্ণৰ টোপনি

ভূপালৰ ইউনিয়ন কাৰ্বাইড কাৰখানাৰ বিষাক্ত গেছে ঘটোৱা বিপৰ্যয়ে যদি কুম্ভকৰ্ণৰ টোপনি ভাঙে, তেন্তে সেয়ে এই শোকাবহ পৰিবেশৰ মাজতো যোগাত্মক কথা বুলি পৰিগণিত হ'ব। কল-কাৰখানা স্থাপন কৰা সম্পৰ্কত তথা ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰা সম্পৰ্কত আমাৰ দেশত আইন নথকা নহয়— অৱশ্যে এই বিষয়ত আৰু কটকটীয়া বিধি-ব্যৱস্থা থকাটো প্ৰয়োজনীয়। কিন্তু তাতোকৈ ডাঙৰ কথাটো হ'ল— আইন বা বিধি-ব্যৱস্থা যথাৰ্থভাৱে পালন কৰাটোহে। দায়িত্বহীনতা গোঁজ পোতা স্বাৰ্থ ৰাজনৈতিক বিবেচনা আৰু দুৰ্নীতিৰ পোহৰে সম্প্ৰতি থকা বিধি-ব্যৱস্থাবোৰ প্ৰায় অকামিলা কৰি তুলিছে। ইউনিয়ন কাৰ্বাইডৰ কাৰখানা পতা সম্পৰ্কত সংশ্লিষ্ট বহু ৰাষ্ট্ৰীয় কোম্পানীৰ লগত কি ধৰণে বিধি-ব্যৱস্থা সম্পাদিত হৈছিল, সেই কথা জানিব পৰা হোৱা নাই। যি বিষাক্ত গেছক উপাদান হিচাপে লৈ কীটনাশক ঔষধ তৈয়াৰ কৰা হৈছে, সেই গেছে দাঁতি-কাষৰীয়া মানুহৰ কেতিয়াবা ক্ষতি সাধিব পাৰে বুলি কোনেও ভবা নাছিল নে? অথচ বেছিকৈ প্ৰচাৰ নহ'লেও এই কাৰখানাত দুৰ্ঘটনা ঘটিয়েই আছিল বুলি আৰু সেই ৰাজ্যৰ বিধান সভাতো প্ৰসঙ্গটো উত্থাপিত হৈছিল বুলি সদ্যহতে বাতৰি ওলাইছে। বহু ৰাষ্ট্ৰীয় কোম্পানীৰ বিপুল ক্ষমতাৰ জোৰত এই কোম্পানীৰ অতিথি গৃহত মন্ত্ৰীৰ সমাগম ঘটাৰ জোৰত নাইবা কোনো বিশেষ মহলৰ স্বাৰ্থ সিদ্ধি হোৱাকৈ কোম্পানীত কোনো কোনো লোকৰ নিযুক্তিৰ বিনিময়ত সকলো কথা যদি থাপি-থুপি থোৱা হৈছিল তেন্তে চৰকাৰী বিধি-ব্যৱস্থাৰ অকাৰ্যকাৰিতাৰ সেয়ে উদাহৰণ।

কিন্তু এতিয়া সচেতন হ'বৰ হ'ল। পৰিৱেশ দূষিত হ'ব পৰাকৈ কোনো কল-কাৰখানা যি কোনো ঠাইতে পাতিবলৈ নিদিয়াৰ নিকপকপীয়া নীতি



অৱিলম্বে প্ৰয়োগ কৰিব লাগে। কল-কাৰখানাৰ আবৰ্জনাই যাতে বায়ু, পানী আদি দূষিত কৰিব নোৱাৰে— তাৰ বাবেও কঠোৰ ব্যৱস্থা লাগে। এই ক্ষেত্ৰত ইতিমধ্যে দেশৰ বিভিন্ন অঞ্চলত বিশেষকৈ উদ্যোগ-প্ৰধান ৰাজ্যসমূহত— গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে। অৱশ্যে অসমেও এতিয়া ফুটত উঠিবলৈ যো-জা কৰিছে। তুলি কাগজ কল আবৰ্জনাই জাঁজী নৈৰ পানী দূষিত কৰি গুৰুতৰ সমস্যাৰ সৃষ্টি কৰা সত্বেও কাৰো গা লৰা নাই। বৰং বামুণগাঁৱৰ সমবায় চেনি কলৰ আবৰ্জনাই দাঁতিকাষৰীয়া বিৰাত অঞ্চলত বছৰৰ পিচত বছৰ ধৰি দুৰ্যোগৰ সৃষ্টি কৰা সত্বেও কোনো ধৰণৰ চৰকাৰী তৎপৰতা পৰিলক্ষিত হোৱা নাই।

এনেবোৰ নিৰ্লিপ্ততাই আমাৰ ভৱিষ্যতৰ বাবে কি সঞ্চিত কৰি ৰাখিছে, সেই কথা কোনেও ক'ব নোৱাৰে। বিস্ফোৰণ ঘটাৰ পৰত আৰু অগ্নিকাণ্ড ঘটাব পৰা ধৰণৰ কেতবোৰ উৎপাদন সামগ্ৰীৰ পৰিবহনৰ বেলিকাও সম্প্ৰতি যি নিৰ্লিপ্ত নীতি অনুসৰণ কৰা হৈছে, তাৰ ফলতো দুৰ্যোগ ঘটাৰ পূৰ্ণ সম্ভাৱনা আছে। যোৱা ৯ ডিচেম্বৰৰ চণ্ডীগড়-আম্বালা পথত ঘটা ঘটনা এটাই তাৰে ইঙ্গিত দিছে। গেছ পৰিবহনকাৰী টেংকাৰ এখনৰ লগত ট্ৰাক এখনৰ ৰাষ্ট্ৰীয় পথত সংঘৰ্ষ লগাৰ ফলত ৩ জন লোকৰ মৃত্যু হৈছে আৰু ৩ জন লোক গুৰুতৰ ভাৱে অসুস্থ হৈছে। একে ধৰণৰ ঘটনা অসমত কেতিয়া ঘটে তাৰ ঠিক নাই। উজনি অসমৰ পিনে তেল পৰিবহনকাৰী বিয়াগোম টেংকাৰবোৰে যিদৰে চলাচল কৰিছে— তাৰ প্ৰতি সংশ্লিষ্ট কৰ্তৃপক্ষই চকু ৰখা উচিত। টেংকাৰৰ আগে আগে সতৰ্ককাৰী গাড়ী এখন পঠোৱাৰ প্ৰয়োজনীয়তাও কোনেও উপলব্ধি কৰা নাই। সেইদৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ গুৱাহাটীৰ অলিবাটত ঘোঁৰাগাড়ীয়ে যিদৰে কঢ়িয়াই ফুৰিছে, যিদৰে ৰন্ধন গেছ গ্ৰাহকে নিজে আনি নিজে ঘৰত লগাই লোৱাৰ বাবে গ্ৰাহকক বাধ্য কৰা হৈছে— তাৰ ফলতো হয়তো বিপৰ্যয় ঘটিবলৈ বেছি দিন নাই। এইবোৰ বিষয়ত সাৱধান হ'বৰ বাবে কোনো চৰকাৰী বিধি-ব্যৱস্থা থাকিব নেলাগে জানো? নে সাধাৰণ মানুহৰ জীৱনৰ দাম কম বুলিয়েই আওকাণ কৰি থকা হৈছে?

# কেন্দ্ৰ-ৰাজ্য সম্বন্ধৰ সন্দৰ্ভত

,বছৰো আগতে ভাৰত চৰকাৰে কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক সম্বন্ধে তথ্য-পাতিসহ অনুসন্ধান চলাই প্ৰতিবেদন দিবলৈ গঠন কৰি দিয়া সৰকাৰীয়া আয়োগে যোৱা ২৩ ফেব্ৰুৱাৰীৰ পৰা গুৱাহাটীত সাক্ষ্য গ্ৰহণ কৰিবলৈ আহিছে। বাতৰি মতে ইতিমধ্যে আয়োগে এই ক্ষেত্ৰত কিছু আগবাঢ়িছে। উল্লেখনীয় যে কেন্দ্ৰীয় চৰকাৰৰ হাতত বৰ্তমানে থকা ব্যাপক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ বাবে বিভিন্ন ব্যক্তি তথা ৰাজনৈতিক দলে দাবী জনাই আহিছে। বিশেষকৈ বিৰোধী দলৰ ক্ষমতাৰ অধীনত থকা ৰাজ্য কেইখনে কেন্দ্ৰীয় চৰকাৰত অধিষ্ঠিত দলীয় চৰকাৰৰ পৰা সমব্যৱহাৰ নোপোৱাৰ অভিযোগ কৰি আহিছে। আগতে পতা তেনেবোৰ ৰাজ্যৰ অভিবৰ্তনতো এই কথা বিশদভাৱে আলোচিত হোৱাৰ বাতৰি ওলাইছিল।

সচৰাচৰ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰবোৰক দিয়া বিত্তীয় সাহায্য আদিত দলীয় বিবেচনাৰে প্ৰভাৱান্বিত হোৱা দৃষ্টান্ত বিৰল নহয়। বিত্তীয় আয়োগৰ দ্বাৰা বণ্টন কৰা ধনৰ পৰিমাণ আপেক্ষিকভাৱে কম, আনহাতে অধিকাংশ ধন-বিতৰ যোগানৰ বেলিকা ৰাজনৈতিক বিচাৰ-বিবেচনাক প্ৰাধান্য দিয়াটো যেন নিয়মতহে পৰিণত হৈছে। এই ব্যৱস্থাই কেন্দ্ৰত অধিষ্ঠিত ৰাজনৈতিক দলৰ প্ৰভাৱ বঢ়ায়, সেয়েহে দুই-এক অনুগ্ৰসৰ ৰাজ্যই কৌশল হিচাপেই কেন্দ্ৰত যিটো দল অধিষ্ঠিত হয় সেই দলতে ভিৰ কৰি দল সলনাসলনিৰে চৰকাৰ গঠন কৰাৰ প্ৰবণতাও দেখা যায়। পৰোক্ষভাৱে এই ধৰণৰ অৰ্থনৈতিক হেঁচাই গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ মৰ্যদাকে হানি কৰা বুলি সেয়ে ক'ব পাৰি।

উদাহৰণ স্বৰূপে পশ্চিম বংগ চৰকাৰক কেন্দ্ৰৰ পৰা বিত্তীয় ক্ষেত্ৰত দিয়া হেঁচাৰ কথা মনত পৰে। বৰ্তমানৰ নিৰ্বাচনী অভিযানতো কেন্দ্ৰীয়



চৰকাৰৰ ক্ষমতাত থকা দলৰ নেতা সকলে ৰিজাৰ্ভ বেংকৰ 'অভাৰ ড্ৰাফট' আদিৰ উল্লেখ দিয়ে অকল বিৰোধী পক্ষৰ চৰকাৰ থকা ৰাজ্যবোৰৰ ক্ষেত্ৰতহে, যেনে— কৰ্ণাটক, অন্ধ্ৰ আদি। অথচ উত্তৰ প্ৰদেশ আদি ৰাজ্যতো যে বিত্তীয় বিষয়ত একে ধৰণৰ বিশৃংখলা আছে যেই কথা উলিওৱা নহয়।

তদুপৰি ভাৰত এখন মহাদেশৰ দৰে বৃহৎ বিভিন্ন অঞ্চলত অৱস্থিত সৰু-বৰ ৰাজ্যৰ সুকীয়া বৈশিষ্ট্যও আছে, সুকীয়া কিছুমান সমস্যাও আছে। সেইবোৰৰ সংৰক্ষণ তথা সমাধানৰ বাবে ৰাজ্য চৰকাৰেহে অধিক কৃতকাৰ্যতাৰে কাম কৰিব পাৰে। অথচ কেন্দ্ৰীয়ভাৱে নিয়ন্ত্ৰণৰ নামত, এইবোৰ সুকীয়া সমস্যাতকৈ প্ৰাধান্য পায়। ডাঙৰ ডাঙৰ অৰ্থাৎ জনসংখ্যা অনুপাতে অধিক প্ৰতিনিধি থকা ৰাজ্য কেইখনমানেহে। এই কাৰণেই বিকেন্দ্ৰীকৰণৰ দ্বাৰাইহে দেশৰ সকলো অঞ্চল সমগতিৰ উন্নয়ন অধিক কাৰ্যকৰী হ'ব পাৰে বুলি আমি ভাবো।

সৰকাৰীয়া আয়োগৰ ওচৰত সাক্ষ্য দিয়া সকলৰ বহুতেই বৈদেশিক নীতি প্ৰতিৰক্ষা, যোগাযোগ ব্যৱস্থা আৰু মুদ্ৰা— এই চাৰিটা বিষয়তহে কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰখাৰ পোষকতা কৰে! সংবিধানত উমৈহতীয়া বুলি দেখুওৱা বিষয়বোৰে ৰাজ্য চৰকাৰৰ অধীনলৈ অনা উচিত অনা উচিত বুলিয়েই সেইসকলে ভাবে।

অসমৰ প্ৰাক্তন সংসদী সদস্য শ্ৰীঅজিত শৰ্মাই সাক্ষ্যদানৰ সময়ত এনে বিকেন্দ্ৰীকৰণৰ নীতি অকল ৰাজ্যৰ বেলিকাই নহয়, অধিক সম্প্ৰসাৰিত কৰি জিলা আৰু গাওঁ বা নগৰ পৰ্যায়লৈকে হ'ব লাগে বুলি অভিমত ব্যক্ত কৰা বুলি বাতৰি ওলাইছে। নীতিগতভাৱে বিকেন্দ্ৰীকৰণে যাতে ভাৰতৰ গ্ৰাম্যপ্ৰধান অঞ্চলৰো কোটি কোটি জনসাধাৰণক কিছুদূৰ প্ৰত্যক্ষভাৱে ৰাজনৈতিক আৰু বিত্তীয় নিয়ন্ত্ৰণৰ অধিকাৰী কৰে সেইটোৱেই আদৰ্শনীয় বুলি কোৱাৰ যুক্তি আছে। স্বাধীনতা লাভৰ তিনি যুগ পাৰ হৈ যোৱাৰ পিচতো—গণতন্ত্ৰৰ নামত এমুঠি ক্ষমতাশালীৰ হাততহে ক্ষমতা কেন্দ্ৰীভূত

হৈ থকাৰ প্ৰৱণতা স্পষ্ট হৈ পৰাটো চিন্তাৰ বিষয় বুলি আমিও ভাবো, এই প্ৰৱণতাই ক্ৰমে ক্ৰমে একনায়কত্ববাদ আৰু সামন্তযুগীয় শোষণ চক্ৰৰ পথহে প্ৰশস্ত কৰাৰ কথা মন কৰিবলগীয়া। ইতিমধ্যে ৰাজ্য বিশেষত কেন্দ্ৰৰ প্ৰতিনিধি হিচাপে ৰাজ্যপালৰ ক্ৰিয়া-কলাপৰ বিৰূপ সমালোচনাও উঠিছে। কেন্দ্ৰত অধিষ্ঠিত ৰাজনৈতিক দলৰ সুবিধাৰ দৃষ্টিৰে ছিকিম, জম্মু কাশ্মীৰ, অন্ধ্ৰ আদি ৰাজ্যত কিছুমান সন্দেহজনক ৰাজনৈতিক ব্যৱস্থাৰ কথা এইখিনিতে উনুকিয়াব পাৰি। একেদৰে কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী বা সীমান্ত নিৰাপত্তা বাহিনীৰ শক্তিৰ ব্যৱহাৰেও ৰাজ্য বা অঞ্চল বিশেষৰ জনসাধাৰণক স্বাধীন দেশৰ নাগৰিক হিচাপে ভবাতকৈ শোষিত প্ৰজা বুলি ভাবি ক্ষুদ্ধ হোৱা পৰিৱেশ সৃষ্টি কৰাটো অসত্য নহয়।

এনে এটা পৰিস্থিতিত, গণতন্ত্ৰ আৰু দেশৰ সকলো অংশৰ প্ৰতি সমভাবৰ নীতিৰ সততা ৰক্ষাৰ বাবেই ৰাজ্য আৰু কেন্দ্ৰৰ মাজত স্থিৰ নীতি গ্ৰহণৰ আৱশ্যক হৈ পৰিছে,— যি নীতিয়ে বিকেন্দ্ৰীকৰণৰ মাধ্যমেৰে বিশাল দেশ ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যকে দায়িত্বসম্পন্ন তথা বিশ্বস্ত নাগৰিক সমূহৰ সক্ৰিয় কৰ্মক্ষেত্ৰ ৰূপে গঢ়ি তুলিব পাৰে। আমি আশা কৰো ইতিমধ্যে কেন্দ্ৰত নতুন নেতৃত্বই ঘোষণা কৰি থকা অতীতৰ ত্ৰুটি-বিচ্যুতিৰ সামৰণি পেলোৱা অভিযানৰ কাৰ্যকাৰিতাৰ অৰ্থে ই কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ মাজতো বিকেন্দ্ৰীকৰণৰ আদৰ্শেৰে সোনকালেই এটা পৰিবৰ্তিত স্থিৰ নীতি গ্ৰহণ কৰিবলৈ আন্তৰিকতাৰে আগুৱাই আহিব।

## গাঁৱৰ সমস্যা

গঞা ৰাইজৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰাৰ সম্পৰ্কত কেন্দ্ৰীয় খাদ্য আৰু যোগান দপ্তৰৰ ৰাজ্য মন্ত্ৰীয়ে সংসদত কৰা মন্তব্য গাত কথা নলগা ধৰণৰ মন্তব্য যেনহে লাগিল। গঞা ৰাইজৰ ক্ৰয় ক্ষমতা বঢ়োৱা বিষয়টোৰ লগত



অৰ্থনীতিৰ বিবিধ দিশৰ সম্বন্ধ আছে। খুচুৰা ভিত্তিত ইয়াৰ সমাধান উলিয়াব নোৱাৰি। তাৰ বাবে চৰকাৰৰ অৰ্থনৈতিক নীতিৰে আমূল পৰিবৰ্তনৰ প্ৰয়োজন। গঞা ৰাইজৰ সমস্যা লাঘব কৰাৰ দৃষ্টিকোণৰ পৰা অৰ্থনৈতিক নীতিয়ে গঢ় লোৱা নাই। বৰং চৰকাৰৰ বিভিন্ন ব্যৱস্থাই সমস্যাৰ বোজাহে বঢ়াইছে। কেৰাচিন আদিৰ দাম বঢ়াই পেট্ৰল আদিৰ দাম বঢ়াই পৰিবহন ব্যয় বৃদ্ধি হোৱাত ইন্ধন যোগাই মূল্য বৃদ্ধি তথা মুদ্ৰাস্ফীতিৰ গতিৰোধ কৰিব নোৱাৰি সমগ্ৰ দেশবাসীৰ ওপৰতে যি হেঁচা পেলোৱা হৈছে— তাৰ নিদৰ্শন গাঁৱত বেছি হ'লেও কম নহয়।

এতিয়া কেন্দ্ৰৰ তৰফৰ পৰা ৰাজ্য চৰকাৰ সমূহক আহ্বান জনোৱা হৈছে যে গঞা ৰাইজৰ ক্ৰয় ক্ষমতা বঢ়াবলৈ গাঁৱৰ উন্নয়নমূলক কামৰ গতি বৃদ্ধি কৰিব লাগে। গাৱঁৰ দৰিদ্ৰতা দূৰ কৰাৰ অৰ্থে চৰকাৰৰ তৰফৰ পৰা উন্নয়নমূলক কেইবাখনো আঁচনি লৈছে যদিও আৰু তাৰ যোগেদি শতকৰা ৪০ ভাগ লোকক দৰিদ্ৰতাৰ সীমাৰেখাৰ উৰ্দ্ধলৈ তোলা বুলি পৰিকল্পনা আয়োগৰ তৰফৰ পৰা দাবী কৰা হৈছে যদিও বাস্তৱৰ চিত্ৰ সেইয়ে নহয়। সীমিতভাৱে উপকৃত হ'লেও সংখ্যাগৰিষ্ঠ ভাগটো এতিয়াও আগৰ স্তৰতে আছে— তাহানিৰ বহু ঘোষিত সেউজী বিপ্লৱে স্পৰ্শ নকৰাৰ দৰেই। তেওঁলোকৰ ক্ৰয় ক্ষমতা নাই; উপাৰ্জনৰ থলো সীমাৱদ্ধ। খেতিৰ বাবে জোখৰ মাটি নাই; জলসিঞ্চনৰ সুবিধা সকলো ঠাইতে নাই; আনকি উন্নত কৃষি পদ্ধতি অৱলম্বন কৰাৰ ক্ষেত্ৰতো আৰ্থিক বাধাই অন্তৰায়ৰ সৃষ্টি কৰে। ফলত নগৰমুখী গতি আৰম্ভ হৈছে। হিল-দল ভাঙি নগৰলৈ সংস্থান বিচাৰি অহাৰ ফলত নগৰ-মহানগৰত গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে আৰু আনহাতে গাঁৱৰ কৰ্মঠ লোকৰ বুজন অংশ নগৰলৈ অহাৰ ফলত গাঁৱতে সমস্যাৰ সৃষ্টি হৈছে।

এই গুৰুতৰ সমস্যাৰ সমাধানৰ বাবে গাঁৱৰ কৃষি ব্যৱস্থাৰ ৰূপান্তৰ ঘটোৱাৰ প্ৰয়োজন। কেন্দ্ৰীয় খাদ্য দপ্তৰৰ মন্ত্ৰীয়ে কৃষি-উৎপাদনৰ প্ৰতিবন্ধক

দূৰ কৰা হ'ল বুলি দাবী কৰিলেও বাস্তৱে তাক স্বীকাৰ নকৰে। গাঁৱৰ একাংশ লোকক গাঁৱতে উপযুক্তভাৱে নিযুক্তি দিব পৰাকৈ, পূৰ্ণকালীন ভিত্তিত কামৰ সুবিধা দিব পৰাকৈ কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ পৰিকল্পিত কৰ্মক্ষেত্ৰ গাঁৱত গঢ়ি তুলিবলৈ বাস্তৱ আঁচনিৰ প্ৰয়োজন। তাৰ লগতে গাঁৱৰ বাট-পথৰ উন্নয়ন, নগৰৰ লগত খৰতকীয়া যোগাযোগৰ ব্যৱস্থাৰো প্ৰয়োজন। গাঁৱৰ পণ্য সামগ্ৰীৰ বজাৰখন এতিয়াও শোষণৰ শাসনেই চলি আছে। উৎপাদন সামগ্ৰীৰ বজাৰখনত মধ্যৱৰ্তী লোকৰ শাসনেই চলি আছে। এইখন বজাৰক শোষণ মুক্ত কৰিব নোৱাৰালৈকে গাঁৱৰ ৰাইজে পোহৰৰ মুখ নেদেখে। তদুপৰি গাঁৱত যোগান ব্যৱস্থা, ৰাজহুৱা বিতৰণ ব্যৱস্থা তথা সমবায় সংগঠনক নতুন ৰূপত গঢ়ি তুলিব নোৱাৰিলে গাঁৱৰ ৰাইজৰ হাঁহাকাৰ নুগুচে। কেৰাচিন তেল 'লেভি' চেনি আদিয়ে গাঁৱত কি লীলা খেলি আছে, তাৰ সম্পদ দিল্লী নেপায়গৈ। সেয়েহে এতিয়া কেন্দ্ৰীয় খাদ্য দপ্তৰৰ মন্ত্ৰীয়ে গাঁৱত বিতৰণ ব্যৱস্থাৰ প্ৰতিবন্ধক দূৰ কৰা হৈছে বুলি অদ্ভুৎ দাবী কৰিব পাৰিছে।

## *বিশেষ পিয়লৰ প্ৰস্তাৱ*

আমি একাধিকবাৰ কৈ আহিছো যে অসম সংক্ৰান্ত সকলো কথাৰ ক্ষেত্ৰতে কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ তুলাচনীয়েহে বিচাৰ কৰে। সেইদেখি সদায় অসমৰ সম্পৰ্কত সুকীয়া বিচাৰ হয়। অলেখ ক্ষেত্ৰত তাৰ উদাহৰণ আমি পাই আছো। সম্প্ৰতি লোকসভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী পি চি শেঠিয়ে ভাৰতীয় জনতা পাৰ্টিৰ নেতা শ্ৰীঅটল বিহাৰী বাজপেয়ীৰ পৰামৰ্শ এটাৰ সম্পৰ্কত দিয়া সমিধানে আমাৰ আগত আৰু এটা উদাহৰণ দাঙি ধৰিলে।



প্ৰসঙ্গটো আছিল পশ্চিমবংগ আৰু বিহাৰৰ সীমান্তৱৰ্তী জিলা সমূহত অস্বাভাৱিক ভাৱে জনসংখ্যা বৃদ্ধি পোৱাটো। সদনত চৰকাৰৰ তৰফৰ পৰা কোৱা হয় যে বিহাৰৰ ৬ খন জিলাৰ ১৪২ খন গাঁৱ ত আৰু দুখন নগৰত জনসংখ্যা শতকৰা ৪০ ভাগৰ পৰা ৯৯ ভাগলৈকে বাঢ়িছে। আনহাতে পশ্চিমবংগৰ আঠখন জিলাৰ কেতবোৰ অঞ্চলত আৰু বিহাৰৰ ৪ খন জিলাৰ কেতবোৰ অঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰ শতকৰা এশ ভাগতকৈয়ো বেছি। এই অস্বাভাৱিক বৃদ্ধিৰ হিচাব দিওঁতে গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীমতী ৰামদুলাৰী সিংহই জন্মহাৰ বৃদ্ধি মৃত্যুহাৰ কমা আৰু আভ্যন্তৰীণ আৰু বাহিৰৰ প্ৰব্ৰজনৰ ফলত এনে বৃদ্ধি হ'ব পাৰে বুলি কয়। পিচে এই বক্তব্যত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰীবাপেয়ীয়ে কয় যে এই সমিধান অস্পষ্ট আৰু ইয়াৰ দ্বাৰা বাংলাদেশৰ পৰা হোৱা অবৈধ প্ৰব্ৰজনৰ কথাটো আঁৰ কৰি ৰাখিব খোজা হৈছে। তেতিয়া শ্ৰীবাজপেয়ীয়ে বিশেষ পিয়লৰ পৰামৰ্শ দিয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশেঠীয়ে যোৱা কেইবছৰমানৰ ভিতৰত অত্যাধিকভাৱে জনসংখ্যা বৃদ্ধি পোৱা পশ্চিমবংগ আৰু বিহাৰৰ সীমান্তৱৰ্তী অঞ্চলত বিশেষ পিয়ল কৰাৰ পৰামৰ্শ মানি লৈ এই বিষয়ে ভাৰতৰ পিয়ল আয়ুক্তক জনাব বুলি কথা দিয়ে।

পিচে কথা হ'ল— এইখিনি বিবেচনা তথা সচেতনতা অসমৰ ক্ষেত্ৰত প্ৰতিফলিত নহ'ল কিয়? অসমলৈ লাখ লাখ বিদেশী নাগৰিকৰ অবৈধ প্ৰৱেশৰ সমস্যাটো পাতলাই দিয়াৰ প্ৰৱণতাহে আমি দেখি আহিলো। অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অভাৱনীয়ভাৱে বঢ়াৰ কথা পূৰ্বৰ একাধিক পিয়লতে প্ৰকাশ পাইছিল। আনকি অবৈধ বিদেশী নাগৰিকৰ অস্তিত্বৰ কথাও পূৰ্বৰ পিয়লত প্ৰকাশ পাইছিল। তথাপি সকলোবোৰ গাত কথা নলগা যেন হৈ থাকিল। তেনে মনোভাৱৰ বাবেই ১৯৮১ চনৰ পিয়লৰ পৰা অসম বঞ্চিত হ'ল। অসমত দাবী উঠিছিল যে লাখ লাখ বিদেশী নাগৰিক থকা অৱস্থাত অসমত পিয়ল কৰাৰ অৰ্থ নাই পূৰ্বৰ পিয়লৰ সাঁকিয়নি আৰু আগতে হোৱা কথালৈ চাই এই ফালে অপ্ৰাসঙ্গিত বুলি গণ্য কৰাৰ কোনো থল নাছিল।

কিন্তু চৰকাৰে বিদেশী নাগৰিকৰ প্ৰসঙ্গৰ চোঁচোৰাই নি অসমৰ পিয়লৰ স্বাৰ্থকে জলাঞ্জলি দিলে। সকলো অঞ্চলতে পিয়ল কৰা হ'ল কিন্তু অসমত নহ'ল। কেন্দ্ৰীয় চৰকাৰ তথা মন্ত্ৰী দপ্তৰে সচেতনতা প্ৰদৰ্শন নকৰিলে। কিন্তু এতিয়া বিহাৰ আৰু পশ্চিমবংগতো জনসংখ্যাৰ হেঁচাৰ সন্মুখীন হৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে এই বাদ দিলে যে পশ্চিমবংগ আৰু বিহাৰৰ সীমান্ত অঞ্চল সমূহত বিশেষ পিয়ল কৰি জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধিৰ মূল উদ্‌ঘাটন কৰিব। অসমত নতুন পিয়লৰ আগতে তেনে বিশেষ পিয়লৰ ব্যৱস্থা নিৰ্বাচিত অঞ্চলত পোনতে কৰাৰ ব্যৱস্থা দিয়া কেন্দ্ৰীয় চৰকাৰে এই সময়ত সংঘাত ৰোধ কৰিব নোৱাৰিলেহেঁতেন সেই কেন্দ্ৰৰ প্ৰভেদমূলক বিচাৰে আমাৰ সমস্যাৰ জটিলতা বঢ়াই নিয়া বিষয়ত আমি এতিয়া নিশ্চিত হৈছোঁ।

––০––